# সোৱণশিৰিত ৰেলৰ উকি

স্বৰ্ণ বৰা

॥ সুনীল প্ৰকাশ ॥

**SUBANSIRIT RELOR UKI**

*An Assamese novel written by Mrs. Swarna Bora, Govt. Girls' H.S. School, Nagaon (Assam) and publised by Sunil Prakash, Ananda bhawan, Kachalukhowa, Nagaon-782001*

*Price : Rs. 30·00*

প্ৰকাশক ঃ সুনীল প্ৰকাশ, নগাওঁ

প্ৰথম সংস্কৰণ ঃ ১ বহাগ, ১৩৯৭ চন (১৫ এপ্ৰিল,'৯০)।

বেটুপাত ঃ সুনীল প্ৰকাশৰ সৌজন্যত।

ছপা ঃ হেমাঙ্গিনী প্ৰিণ্টাৰ্চ, আনন্দভৱন, কছলুখোৱা নগাওঁ।

মূল্য ঃ ত্ৰিশ টকা।

# মোৰ কথা

অসম লোক সংস্কৃতিৰে উৰ্ব্বৰা ভূমি। এই পবিত্ৰ ভূমিৰ বুকুয়েদি বৈ আহিছে উত্তৰ পূব প্ৰান্তৰ পৰা দিহিং, দিবং, লোহিত সোৱণশিৰি আদি নৈ আৰু কঢ়িয়াই আনিছে উত্তৰ পূৰ্ব্বাঞ্চলৰ বিভিন্ন জনজাতীয় সংস্কৃতি।

এই লোক সংস্কৃতিৰ ভেটি গঢ়িবলৈ মিচিং সকলেও অৰিহণা যোগালে আৰু অসমীয়া লোক সংস্কৃতিক সোণত সুৱগা চৰালে।

মই জনজাতি সকলক ভাল পাওঁ, সেইযে হয়তো তেওঁলোকৰ মৰম বিচাৰি এঠাইৰ পৰা আনঠাইলৈ ঘূৰি ফুৰিছোঁ আৰু ভাবিছোঁ জনজাতি সকলৰ জীৱনহে আচল জীৱন—য'ত কৃত্ৰিমতা নাই, যাৰ কৃষ্টি সংস্কৃতি হ'ল কেচা সোণ।

সোৱণশিৰিৰ পাৰলৈ যি এবাৰ যোৱা নাই তেওঁ এই সোণৰ ৰং ভালকৈ উপলব্ধি কৰিব নোৱাৰিব। মিচিং গাৱঁৰ চাঙত থাকি—স্বৰ্গত থকা আনন্দ পাইছিলো। ৯০ বছৰীয়া আইতাই আপং যাচি সুন্দৰ অসমীয়াতে কৈছিল আমাৰ "ইয়ালৈ কোনো নাহে তই আহিলিযে কিমান ভাল পাইছো, তই কিমান দিন থাক, থাক, কিতাপ লিখ, লিখ কিন্তু কি লেখিবি, দেখিছই নহয় আমাৰ অৱস্থা নাই, ৰাস্তা নাই, দলং নাই বানে জুৰুলা কৰিলে।" বথাষাৰ কৈ আইতাই বিষাদৰ হাঁহি মাৰিছিল। তথাপিও মই দেখা পালো সোৱণশিৰিৰ বুকুতেই যেন মিচিং সকলে নতুনৰ স্বপ্ন দেখে। ডেকা গাভৰুৱে প্ৰেম পীৰিতিৰে মানোমোহা অইনিতম ৰচনা কৰে। সেই অইনিতমৰ সুৰ ধ্বনিৰ প্ৰেৰণাতে মোৰ এই উপন্যাসৰ জন্ম।

মিচিং সকলৰ সকলো সংস্কৃতি সামৰি উপন্যাস লিখিবলৈ

যোৱাটো সম্ভৱ নহয়, তথাপিও ৰাইজৰ আগত মিচিং সকলৰ কৃষ্টি সংস্কৃতি, প্ৰেম প্ৰীতি, উদাৰতা, মৰম চেনেহ উজাৰি দেখুৱাবলৈ চেষ্টা কৰিছোঁ।

হয়তো বহুত বৈ গৈছে, তাৰ বাবে ক্ষমা বিচাৰিছোঁ।

পাণ্ডুলিপিটো পৰম শ্ৰদ্ধেয় শ্ৰীযুত টাবু টাইদ ছাৰে চাই দিছিল। তেখেতক শ্ৰদ্ধাৰে সুঁৱৰিছোঁ। সোণাতলি নামটো মোৰ নিজৰ। সোৱণশিৰি পাৰৰ এখন কাল্পনিক গাওঁ।

অসমৰ ঐক্য সংহতি অটুত থাকক, সকলো জাতি-উপজাতি এক হৈ ঐক্যৰ বন্তি গছি চিৰদিন চিৰকাল জ্বলাই ৰাখক - এয়ে মোৰ উদ্দেশ্য।

মোৰ আগৰ কিতাপ কেইখনৰ দৰে এইখন কিতাপো ৰাইজে মৰমেৰে গ্ৰহণ কৰিলে কৃতাৰ্থ হ'ম।


আনন্দভৱন
কছুলুখোৱা
নগাওঁ

স্বৰ্ণ বৰা
১৫ এপ্ৰিল, '৯০

## ॥ অৰ্পণ ॥

মিচিং ভাই-ভনীসকলৰ হাতত

—লিখিকা

... of Library Services
Guwahati

## ( ১ )

লামডিং জংচন। মানুহৰ কোলাহলেৰে পৰিপূৰ্ণ। সময় দিনৰ ১১ টা। হালধীয়া বঙৰ শাৰীধৰণেৰে দীঘলকৈ উৰণি টানি, ভৰিত পিন্ধা ৰূপৰ পায়েলৰ জুনুক জুনুক শব্দ কৰি, লয়লাস ভঙ্গিমাৰে মানুহৰ ভিৰ ঠেলি বিজয়া ভগৎসিঙৰ ওচৰ পালেগৈ। তেতিয়া ভগৎসিঙে তিনি নম্বৰ প্ৰেটফৰ্মত ঝাৰু দি আছিল। বিজয়াক দেখি ভগৎসিঙ আচৰিত হ'ল। সি ককালটো পোনাই থিয় হৈ সুধিলে কি হ'ল বিজয়া ?

— মমতা বহেনজীৰ শৰীৰ বহুত খাৰাপ।

— কি হৈছে ! ভগৎসিঙে এইবাৰ ডাঙৰ মাতেৰে সুধিলে।

— আৰে, বুজা নাই ? মমতা বহেনৰ—

— বলি কিয় ? ভগৎসিঙৰ মুখখন হঠাতে বিবৰ্ণ হৈ পৰিল।

বিজয়াই চকু দুটা টিপিয়াই হাঁহি মাৰি ক'লে—মমতা বহেনৰ বাচ্চা হব, হস্পিতেললৈ নিছে। মই তালৈ যাওঁ।

এইবাৰ ভগৎসিঙে হাঁহিলে—অ' তাকে নকয় কিয় ? যাক যা। ময়ো অলপ পাছত গৈ আছো।

বিজয়া তাৰ ওচৰৰ পৰা আঁতৰি গ'ল। ভগৎসিঙে বাওঁ হাতেৰে দীঘল ঝাৰু ডাল লৈ সোঁহাতেৰে মেঁচ কোচাত হাত ফুৰাই খৰ খোজেৰে যোৱা বিজয়ালৈ চাই হাঁহিলে। তাইৰো বাচ্চা হব আৰু তিনি মাহৰ পিচত। সিহঁতৰ চাদী হোৱা দহ বছৰ হ'ল। তাৰ যে কিমান চিন্তা আছিল; এতিয়া বোধহয় ভগবানে সিহঁতক সন্তান এটা দিবলৈ ভলাইছে। নহ'লেনো ক'ৰবাৰ চিনি নোপোৱা

বাবাজীয়ে আছি তাইক খাবলৈ ঔষধ দি যায়নে ? ভগৱানৰ কি লীলা, তিনিটা বড়ি খাওঁতেই তাইৰ গাতে সন্তান আহিল।

সি হাঁহিলে আৰু পুনৰ খৰকৈ ঝাৰু ডাল মাৰি প্লেটফৰ্ম খন চাফা কৰি পাচিটো আৰু ঝাৰুডাল হাতত্‌লৈ সি নিজৰ কোৱাৰ্টাৰৰ ফালে খোজ দিলে। কোৱাৰ্টাৰ কেইটা চকুত পৰাৰ লগে লগে তাৰ বিতৃষ্ণা আহিল। ৰেলৱে ডিপাৰ্টমেণ্টে বনাই দিয়া সিহঁতৰ কোৱাৰ্টাৰ কেইটা আচলতে মানুহ থকা ঘৰনে ? নে হঁাহৰ গড়াল ? তাত সোমাই থাকিলে তাৰ উশাহ-নিশাহ বন্ধ হৈ যাব খোজে, সেয়েহে সি ওচৰতে সৰুকৈ খেৰৰ ঘৰ এটা সাজি লৈছে। সৰু বাৰান্দা খনেৰে সৰু পজাটো তাৰ স্বৰ্গপুৰি যেন লাগে। ওচৰতে কুই লোৱা আমজোপা মলিয়াইছে।

সি পাচিটো আৰু ঝাৰু ডাল ঘৰটোতে আওজাই থৈ কলৰ প্যাৰলৈ গ'ল। সি গা ধুব লাগিব। পৰিষ্কাৰ হৈ হস্পিতেললৈ নগ'লে বিজয়াই বেয়া পাব।

সি চান্‌লাইট চাবোনেৰে গাটো ঘঁহি ঘঁহি এবাৰ চাৰিও-ফালে চালে। বিজয়াই তাৰ ঘৰটো বেছ পৰিষ্কাৰ কৰি ৰাখিছে— নাৰাখিব কিয় ? তাইতো বাবুলোকৰ লগত থাকি থাকি একদম্ সকলো জানি গৈছে। সেই কাৰণে তাই লাইনৰ লিডাৰ বনি গৈছে। মমতা বহেনে তাইক নিজৰ ভনীৰ নিচিনাকৈ মৰম কৰে। তাৰ মুখত হঁাহি বিৰিঙি উঠিল। তাক যে তাই গা নোধোৱাকৈ ভিতৰলৈ সোমাবলৈ নিদিয়ে। হঠাতে সি তাৰ গাটোত নতুন পুলকতা অনুভৱ কৰিলে। মুখটোত চাবোন সানি সি জোৰকৈ ঘঁহি দিলে আৰু হাতৰ আঙুলিৰে লেতেৰা ফেনবোৰ উলিয়াই মাটিত পেলালে। বাল্টিৰ পৰা পানী এঘটি লৈ মুখত ঢালি দিয়াৰ লগে লগে মুখৰ চাবোনৰ পানীবোৰ তাৰ সুঠাম বাহুদুটাৰ ওপৰেদি বৈ গ'ল। পিঠিখন গামোছা খনেৰে ঘঁহি ঘঁহি সি আকৌ পানী ঢালি দিলে। তাৰ ইস্পাটৰ দৰে কৰ্মঠ দেহাটোৰ ওপৰেদি বৈ যোৱা পানী খিনি ৰ'দৰ পোহৰত তিৰ্‌বিৰাই উঠিল।

গাটো খুই তাৰ মনটো বৰ ফৰকাল লাগিল। বিজয়াই খুই থোৱা খুতিখন আৰু চোলাটো পিন্ধি লৈ গণেশ বাবাৰ ফটো খনত সেৱা এটা কৰিলে আৰু হস্পিতেলৰ ফালে ওলাই গ'ল। আজি তাৰ জেনেৰেল ডিউটি নাই।

সি ৰেলৰ লাইন পাৰ হৈ ষ্টেচনৰ প্লেটফৰ্মত সোমাল। অৰুণ বাবুয়ে বা খবৰটো পাইছেনে নাই ?

— আৰে, ভগৎসিঙ দেখোন ? সাজি কাচি ক'লৈ ওলালি ?

— অৰুণ বাবু ! আপুনি নাজানে নেকি ? মমতা বহেনৰ খাচ্চা হ'ব, হস্পিতেললৈ নিছে।

— অ' হয় নেকি ? অৰুণ পামেগামে জোৰেৰে হাঁহি দিলে। মই গমকে পোৱা নাই। ই দুষ্টটোৱে মোক খবৰেই দিয়া নাই। বাৰু যা ! মই পিছতহে যাব পাৰিম, ডিউটি আছে। অসম মেইলখন আহিবৰ হৈছে।

— মই যাওঁ তেনেহলে অৰুণ বাবু ?

— ওঁ, যা !

ভগৎসিঙ যোৱাৰ পিচত অৰুণ ষ্টেচনৰ ২ নম্বৰ প্লেটফৰ্মৰ ফালে আগুৱাই গ'ল। লগে লগে সি মাইকত শুনিবলৈ পালে উজনিমুৱা অসম মেইলখন অলপ সময়ৰ পাছতে ২ নম্বৰ প্লেটফৰ্মত ৰ'বহি। মানুহ বিলাকৰ লৰা-ঢপৰা লাগিল। টালি-টোপোলা লৈ যাত্ৰীবোৰ সন্ত্ৰস্ত হ'ল। কুলি বিলাকে মূৰত বেডিং বাকচ লৈ আহি নিৰ্দিষ্ট ঠাইত থলেহি।

অৰুণে নীলা কোটটোত হাত দুখন ভৰাই অলপ আগুৱাই গ'ল। অকমান সময়ৰ পাছতেই ডিজেল ইঞ্জিনৰ উকি এটা আহি অৰুণৰ কানত পৰিলহি আৰু সচাঁকৈয়ে ৰেলখন তাৰ ওচৰেদি পাৰ হৈ গ'ল। সি নামি অহা ৰেলৰ যাত্ৰী বোৰৰ পৰা টিকটবোৰ লবলৈ লৰালৰিকৈ গেটটোৰ কাষ পালেগৈ॥

( ২ )

অৰুণ পামেগামে টিকেট খিনি হাতৰ মুঠিত লৈ ষ্টেচনৰ সৰু কোঠালিটোলৈ সোমাই গ'ল আৰু কিছু সময়ৰ পাছত ওলাই আহি নিজৰ কোৱাৰ্টাৰটোৰ ফালে খোজ দিলে! মানুহৰ ভিৰ ফালি আহোঁতে তাৰ মনটোত মমতাৰ সন্তান হ'ব কথাটোৱে দোলা দি গ'ল। যাহওঁক, এটা বিশৃঙ্খল মানুহৰ জীৱনলৈ শান্তি আহিব। শিশুৰ হাঁহিৰে ঘৰখন উপচাই পেলাব আৰু সুৰেন্দ্ৰ চক্ৰৱৰ্তীৰ জীৱনৰ গতিয়েই হয়তো নতুন পথ লব। অৰুণে নিজে নিজে হাঁহিলে। সুৰেণে তাকতো মাতি পঠাব পাৰিলেহেঁতেন। বাৰু যি নহওঁক নামাতিলেও সি যেতিয়া খবৰটো পাইছে, নিশ্চয় যাব। সি লৰা-লৰিকৈ ৰেল লাইন কেইডাল পাৰ হ ল। সুৰেন্দ্ৰৰ বাপেক হৰ-গোবিন্দ চক্ৰৱৰ্তীৰ মনত ছাগে কিমান আনন্দ? তাৰ চকুৰ আগত ধুতি পাঞ্জাবী পিন্ধা বঙালী ভদ্ৰলোক এজনৰ ছবি ভাঁহি উঠিল। ৰেলৰ উকি এটা আহি তাৰ কাণত পৰিলহি। হয়তো ৰেল এখন যাবৰ হ'ল। হৰগোবিন্দ চক্ৰৱৰ্তীক সি ভক্তি কৰে। নকৰিব কিয়? তেওঁ তাৰ অন্নদাতা, তেওঁৰ অনুগ্ৰহতে অৰুণ পামেগামে ৰেলৰ চাকৰিটো পাইছিল। ৰুক্ষ চুলি, কোটৰগত চকু, মুখত ম্লান হাঁহিৰে হৰগোবিন্দ চক্ৰৱৰ্তীয়ে এসময়ত সময়ৰ সোঁতত উটি ভাঁহি আহি এইখিনি পাইছিলহি। দেশ বিভাজনৰ আগতে বৃটিছ চৰকাৰৰ অধীনত হৰগোবিন্দ চক্ৰৱৰ্তীৰ বাপেক চন্দ্ৰ মোহন চক্ৰৱৰ্তীয়ে শিলচৰ ষ্টেচনত কাম কৰিছিল। মৃত্যুৰ সময়ত চন্দ্ৰমোহনে ডেকা পুতেক হৰগোবিন্দ চক্ৰৱৰ্তীক কৈছিল

ভাই ইয়ালৈ গুচি আহে। তাত থাকিব নালাগে সোণৰ অসম দেশৰ মাটি বহুত অবাদে পৰি আছে। কিন্তু সেইখিনি সময়ত নিজৰ ঘৰ দুৱাৰ এৰি হৰগোবিন্দৰ মাক আহিবলৈ ইচ্ছা কৰা নাছিল। কিন্তু সময়ে কালমূৰ্ত্তি ধৰিলে। স্বাধীনতা লাভৰ সময়ত ভাৰতবৰ্ষ বিভাজন হ'ল, ৰক্তাক্ত হ'ল আৰু সঁচাকৈয়ে এদিন হৰগোবিন্দ চক্ৰবৰ্ত্তীয়ে বিধবা মাক নিজৰ পৰিবাৰ সুচন্দা আৰু গাভৰু ছোৱালী দুজনী লগত লৈ কুচিয়াৰা নদীত জীৱনৰ টুলুঙা নাওঁ মেলি দিলে। তেতিয়া পিতৃভিঠা এৰি হৰগোবিন্দই চকুপানী টুকিছিল, সুচন্দাই হিয়া ধাকুৰি কান্দিছিল, বৃদ্ধা মাক মায়াদেবীয়ে স্থিৰ দৃষ্টিৰে আকাশলৈ চাই ভাবিছিল এইবোৰ কি হৈছে? নিজৰ ঘৰবাৰী, লামলাকটু এৰি থৈ তেওঁলোক বাৰু ক'লৈ আহিছে? মায়াদেৱীয়ে যেন একো বুজি পোৱা নাছিল। হিয়াখন তেওঁৰ ধৰফৰ ধৰফৰ কৰিছিল, কিন্তু সন্মুখত গাভৰু নাতি ছোৱালী দুজনীৰ মুখত ত্ৰাসৰ ভাব দেখি সেই সময়ত তেওঁ সাহসেৰে কব খুজিছিল—নাই, নাই, একো ভয় নাই। কিন্তু চাৰিও ফালৰ কান্দোনৰ অট্টহাসেই তেওঁৰ কণ্ঠৰোধ কৰিছিল।

নদীৰ বুকুত নাৱৰ ভিতৰত বমি কৰি কৰি অজ্ঞান হৈ পৰা সৰুজনী ছোৱালী দেখি— ডাক্তৰ! ডাক্তৰ! বুলি হৰগোবিন্দ চক্ৰবৰ্ত্তীয়ে মাথোন চিঞৰিছিল। কিন্তু অসমৰ মাটি চোৱাৰ আগতেই বমি কৰি কৰি তাই শেঁতা হৈ পৰিছিল আৰু নাৱৰ বুকুতে তাই প্ৰাণ হেৰুৱাইছিল। মৃত নাতি মধুচন্দাৰ গাভৰু দেহাটো বুকুত সাৱটি মায়াদেৱীয়ে কান্দিবলৈ পাহৰি বহুপৰ চকু দুটা মেলি ক'বলৈ চেষ্টা কৰিছিল হৰে কৃষ্ণ, হৰে কৃষ্ণ, কৃষ্ণ, কৃষ্ণ কৃষ্ণ হৰে হৰে!

এইখিনি কথা হৰগোবিন্দ চক্ৰবৰ্ত্তীয়ে এদিন নিবিবিলি সময়ত অৰুণক কৈছিল আৰু তাক কৈছিল বদৰপুৰ ষ্টেচনৰ সৰু কোৱাৰ্টাৰটোত থাকোতেই তেওঁৰ ডাঙৰ ছোৱালী ছায়াদেৱীৰ নিৰুদ্দেশ হোৱাৰ কথা।

দেশ বিভাজনৰ সময়ত এচাম তথাকথিত গুণ্ডাই ছায়াদেৱীক বাটৰ পৰা ধৰি নি পাশবিক অত্যাচাৰ কৰি বৰাক নদীৰ পাৰত পেলাই থৈ হোৱা ক্ষত বিক্ষত মৃতদেহটো জীয়েকৰ বুলি তেওঁ চিনাক্ত কৰিছিল।

এই ভয়াবহ দুখ আৰু নিজৰ জন্মভূমি এৰি অহা যন্ত্ৰনাই এদিন মায়াদেৱীক হেঁচি ধৰিছিল আৰু যন্ত্ৰণাকাতৰ হৈ মায়াদেৱীয়ে পৃথিবীৰ পৰা বিদায় লৈছিল।

অকণে নিজৰ কোৱাৰ্টাৰটোৰ দুৱাৰ মুখত ৰ'লগৈ আৰু পকেটৰ পৰা চাবিপাত উলিয়াই সৰু তলাটো খুলি ভিতৰলৈ সোমাই গ'ল।

সি নীলাৰঙৰ কোটটো আল্‌না দালত দলি মাৰি থৈ বিচনাখনত এনেয়ে বাগৰ দিলে। অতীতৰ সোঁৱৰণে তাক বেদনা ক্লিষ্ট কৰি তুলিলে।

কিছুসময় তলকা মাৰি থাকি এটা সময়ত সি উঠি বহিল। চকুদুটা দুয়োখন হাতেৰে মোহাৰি দি হাঁহিবলৈ চেষ্টা কৰিলে—যাহওঁক মমতাৰ সন্তানে ঘৰ খনলৈ শান্তি আনিব। বোৱাৰীয়েক, মমতা; পুতেক সুৰেন্দ্ৰ, পৰিবাৰ সুচন্দাৰে সৰু সংসাৰ খনলৈ নবাগত শিশুটিয়ে কঢ়িয়াই আনিব শান্তিৰ সুষমা।

নাতিৰ মুখলৈ চাই বৃদ্ধ হৰগোবিন্দ চক্ৰবৰ্তীয়ে অতীতৰ সমষ্ট দুখ পাহৰিব পাৰিব।

অকণে বিচনাৰ পৰা উঠি থিয় হ'ল আৰু চাহ একাপ খাবৰ মনেৰে ষ্টোভটো জ্বলাই দি পানীৰ কেটলিটো তুলি গুনগুনালে-

বুকু হম হম্ কৰে মোৰ আই
কোনে নিন্দ্ৰা হৰে মোৰ আই

—×—

( ৩ )

ভগৎসিঙ হস্পিতেল পাই দেখে হৰগোবিন্দ চক্ৰৱৰ্তী বাৰান্দাতে চিন্তাক্লিষ্ট হৈ পাইচাৰি কৰি আছে। ভগৎসিঙক দেখি হৰগোবিন্দ চক্ৰৱৰ্তীয়ে তালৈ একেথৰে চাই ৰ'ল।

– বাবু! ভগৎসিঙৰ মাত শুনি হৰগোবিন্দ চক্ৰৱৰ্তীয়ে খোকা থুকি মাতেৰে ক'লে— খবৰ ভাল নহয় ভগৎসিঙ, বোৱাৰীয়ে সন্তান জন্ম দিব পৰা অৱস্থাত নাই।

—কি কৈছে বাবু?

—হয়, ভগৎসিঙ হয়। কাথাবাৰ কৈ তেওঁ কমালেৰে চকুহাল মচি আতৰি গ'ল। তাৰপিচত আকৌ তাৰ ওচৰ চাপি আহি ক'লে— ডাক্তৰে কৈছে; অপাৰেচন কৰিব লাগিব।

—হায় ভগৱান! পিছে উপায়?

–উপায় আৰু কি আছে ভগৎসিঙ। সকলো ভগৱানৰ ইচ্ছা। তই ভিতৰলৈ যা। বিজয়াই, বেচেৰী দিনটো লাগি আছে।

ভগৎসিঙ ভিতৰলৈ সোমাই গৈ দেখিলে—মমতাৰ গাত চেলাইন দি থৈছে। বিজয়াই তাক কোৱামতে, মমতাৰ বিৰ অহা নাই। ভগৎসিঙ লগে লগে বাহিৰলৈ আহিল। বিজয়াও তাৰ লগতে ওলাই আহি ক'লে—তই যা! খানা খাই লগৈ! মই এতিয়া নাযাওঁ। সুৰেণ বাবুৰো খবৰ নাই, ক'ত গল নাজানো।

– তোৰটো দুই বজাৰ পৰা ডিউটি আছে?

ভগৎসিঙৰ কথাত বিজয়াৰ খং উঠি গ'ল।

—আচে, পিছে কি হ'ল।

—যদি বৰ বাবুয়ে খং কৰে ?

—আৰে বাদ দে। সিহঁতে চবদিন কামত ফাকি দিব আৰু আমি একদিন ছুটী ললে জগৰ লাগে। যা-যা বাবুক কৈ দিবি মই আজি নাযাওঁ।

ভগৎসিঙে তাইৰ ওপৰত কথা কব নোৱাৰিলে। সি তাইক মৰম কৰে। কোনো দিনেই সিহঁতৰ মাজত কাজিয়া হোৱা নাই।

সি ভিতৰলৈ চালে আৰু খট্‌খটিৰে তললৈ নামি আহিল। ইতিপূৰ্ব্বে বিজয়া মমতাৰ ওচৰ পাইছিলগৈ। ভগৎসিঙ ঘুৰি যোৱাৰ পাচত তাই পুনৰ দৌৰি ওলাই আহিল আৰু তাক পিচফালৰ পৰা চিঞৰি মাতিলে—আৰে শুন্‌ৰে। ঐ সুৰেণ বাবুক বিচাৰি আনিবি; মাইকীটো হস্পিতেলত পৰি আছে আৰু সি গৈছে মদ পিবলৈ। তাক ধৰি আনিবি। চাল্লা এইসব মৰদলোকক গুলি কৰি মাৰিব লাগে। কথা কৈ কৈ বিজয়া ভিতৰলৈ সোমাই গ'ল।

—আৰে কাক গুলী কৰিবি অ' বিজয়া ?

—নাই বাইদেউঃ এই মমতা বহেনৰ মৰদটোক ?

—অ' হয়নেকি ? চাবি আকৌ জেল, ফাঁচী হৈ যাব। চিষ্টাৰ অম্বিকাই তাইলৈ চাই হাঁহিলে।

—হওঁক না ফাঁচী। মই ভয় নকৰো। চা চোন দিদি ! আজি দুদিন হ'ল হস্পিতেলৰ বিচনাত তাৰ মাইকীটো পৰি আছে, কিন্তু তাৰ খবৰ নাই। পেটত সন্তান দিব পাৰে, খবৰ কৰিব নোৱাৰে, আৰে বাপৰে বাপ লাজ লাগে।

—তই ঠিকেই কৈছ বিজয়া ! ঠিকেই কৈছ।

কথা কৈ কৈ চিষ্টাৰ অম্বিকাই হাতত চিবিঞ্জৰ ট্ৰেথন লৈ ভিতৰলৈ সোমাই গ'ল। লগে লগে বিজয়া সোমাই গৈ আকৌ মমতাৰ ওচৰত থকা কাঠৰ টুলখনতে বহিলগৈ।

মমতাৰ টোপনি। চেলাইন চলি আছে। বিজয়াই আকৌ অম্বিকাৰ ওচৰলৈ উঠি গৈ সুধিলেগৈ—চিষ্টাৰ, মমতাৰহঁতৰ ভাল হ'বনে ?

—কিয় নহ'ব ? বিষ আহিলেই খালাচ হ'ব।

—মোৰ বৰ ভয় লাগিছে চিষ্টাৰ।

—কিহৰ ভয় ! একো ভয় নাই। অম্বিকাই তাইলৈ নোচোৱাকৈ ক'লে মমতাৰ গিৰিয়েকটো অহা নাই কিয় ক' ? বেচেৰা শহুৰেকটোক দেখিলেই বেয়া লাগে। পিছে তই আজি ৰাতি থাকিব লাগিব দেই ! সোনকালে খাই বৈ আহিবি। ময়ো থাকিম।

—থাকিম চিষ্টাৰ, মমতাৰহঁতে মোক যে কিমান মৰম কৰে। মই জাতিত হৰিজন হ'লে কি হ'ব; মমতাহঁতে মোক ভনীৰ দৰে ভাবে।

—এৰা অ' বিজয়া ! তই যেনেকৈ আমাৰ লগত মিলামিছাকৈ থাক তোক আমি জানো জাত বিচাৰ কৰো ? জাত পাত কি আছে, পৰিষ্কাৰ পৰিচ্ছন্নতাই হে আচল। সকলো ভগৱানৰে সন্তান।

—হয় চিষ্টাৰ, সকলো ভগৱানৰে সন্তান।

কথা কৈ কৈ তাই পুনৰ মমতাৰ ওচৰতে মাটিতে বহিল গৈ। সুৰেন্দ্ৰৰ খবৰেই নাই। সময়বোৰ আগবাঢ়িল।

সন্ধিয়া হ'ল, হৰগোবিন্দ চক্ৰৱৰ্তী আকৌ আহি বাহিৰৰ বেঞ্চখনতে বহিলহি। আন্ধাৰে পৃথিৱী আবৰি ধৰিলে। পিচ বেলাৰ ডিউটি শেষ কৰি ভগৎসিঙে আহি হস্পিতেলৰ পকা বাৰান্দাখনতে বহিলহি। সি বিজয়াক লগ পাবলৈ বিচাৰিলে, কিন্তু কোঠালিটোৰ দৰ্জাখন বন্ধ। ভিতৰত হুলস্থুল লগা সি গম পালে। মমতাৰ বিষ আহিছে, অম্বিকাই লগে লগে লেবাৰ ৰুমলৈ লৈ গৈছে।

হৰগোবিন্দ চক্ৰৱৰ্তীয়ে কিবা এটা খবৰ পাবলৈ বাট চালে। সেইখিনি সময়তে ডাক্তৰ বাৰান্দাইদি ওলাই যোৱা দেখি চক্ৰৱৰ্তী

দৌৰি তেওঁৰ কাষলৈ গৈ সুধিলে—ডাক্তৰ বাবু ! মোৰ বোৱাৰী ?
—ভাল হব চিন্তা নকৰিব।

ওচৰতে থকা ভগৎসিঙে হাতযোৰ কৰি ক'লে — ডাক্তৰ বাবু ! আপুনি আমাৰ মাই বাপ আছে।
—বহ্ ! গণ্ডগোল নকৰিবি। ডেকা ডাক্তৰ অবিনাশে ভগৎসিঙক এৰাই গুচি গ'ল।

হৰগোবিন্দ চক্ৰবৰ্তীয়ে পুনৰ বাৰান্দাতে ইফাল সিফাল কৰি থাকিল। কিন্তু হস্পিতেলৰ বাৰান্দাত আঁৰি থোৱা ঘড়ীটোৰ টক্ টক্ শব্দটোৱে তেওঁক বৰ আমনি দিলে।

লেবাৰ ৰুমৰ ভিতৰত সৰু বিছনাখনত মমতাই অসহ্য যন্ত্ৰণা অনুভৱ কৰি বিজয়াক মাতিলে !
—বিজয়া ! তোৰ ভাই ক'ত আছে মাতি আন ! মই এবাৰ চাই লওঁ। মই আৰু নাবাচো বিজয়া ! তাই আকৌ বিস্মত চিঞৰিলে।
—নাই নাই দিদি ! এনেকৈ নক'ব। বাচ্চা হলে কষ্ট হ'বই।
— নহয় নহয় বিজয়া ! মই আৰু নোৱাৰো, বেগতে যা ! তই তোৰ ভাইক মাতি আন !

বিজয়া লেবাৰ ৰুমৰ দৰজাখন খুলি সুৰেন্দ্ৰক বিচাৰি ওলাই গ'ল। তাই ককালত শাৰীৰ আচলটো খুচি ললে আৰু ষ্টেচনত সুৰেন্দ্ৰক বিচাৰিলে। সুৰেন্দ্ৰ ষ্টেচনত নাই, ঘৰতো নাই। অৰুণেই নাই দেখা বুলি ক'লে। তেনেহলে ক'লৈ গ'ল ? নিশ্চয় ক্লাবত থাকিব। তাই ষ্টেচনৰ পাচ ফালে থকা ক্লাব ঘৰটোলৈ আন্ধাৰে মুন্ধাৰে খোজ ললে। ঠিকেই, সুৰেন্দ্ৰ ক্লাব ঘৰত জুৱাত বহি আছে, লগত আছে চহৰৰ ভব্য গব্য কেইজন মান মানুহ। বাতি বিজয়াক দেখি সুৰেন্দ্ৰ আচৰিত হ'ল—আৰে বিজয়া ?
—অঁ মই। তই ইয়াত আছ, আৰু তোৰ মাইকীটোৰ কি হৈছে খবৰ ৰাখিছনে ?

—যা-যা বাচ্চা হ'লে খবৰ দিবি।

সুৰেন্দ্ৰৰ কথা শুনি লগৰ বিলাকে কিৰিলি পাৰি হাঁহিলে আৰু চিঞৰিলে—তেনেহলে কালিলৈ বৰা খানা হ'ব ?

বিজয়াৰ খং মূৰত উঠিল গৈ। তাই চিঞৰি চিঞৰি ক'লে—আৰে, সুৰেন্দ্ৰবাবু, তোৰ লাজ নালাগে, অত লেখা পঢ়া শিকিলি, কিন্তু কি লাভ হ'ল। ছিঃ ছিঃ তহঁতে দেশখন শেষ কৰিলি। জহন্নামে যাবি তহঁত; তহঁতৰ ক্লাব ঘৰত জুই দিব লাগে—জুই।

সুৰেন্দ্ৰই বিজয়াৰ কথা শুনি তাচপাত খিলা হাতত লৈ একেথৰে তাই যোৱাৰ ফালে চাই থাকিল।

বৰুৱা বাবুৰ খং উঠি গ'ল। এজনী হৰিজন মাইকীৰ মুখত ইমান কথা। ইহঁত বহুত ওপৰলৈ উঠি গৈছে !

—ঠিকেই কৈছে বৰুৱা। এনেকুৱা ক্লাব ঘৰত জুই দিব লাগে। য'ত মদ আৰু জুৱাৰ আড্ডা হয়, য'ত নিশাৰ পাচত নিশা ঘৰ সংসাৰ ল'ৰা তিৰোতা এৰি তুখিলা মান তাচপাত লৈ আমি বহি থাকো, তাই ঠিকেই কৈছে। আমাৰ পৰা দেশখনৰ কি লাভ হ'ব। নিচা নাথাকিলে আমি ভদ্ৰলোক হ'ম, লেক্‌চাৰ দিম আৰু নিচা হলে শিক্ষা, দিক্ষা, কলা সংস্কৃতি সকলো পাহৰি গোলাপী ৰঙত মচগুল হৈ আপোন বিভুৰ হৈ থাকো। ধেৎতেৰি পাগল কাহাকা। সি তাচপাত কিটা হাতত ললে আৰু চিৰাচিৰ কৰি ফালি বৰুৱাহঁতলৈ চাই ক'লে—মই যাওঁ বৰুৱা বাবু আৰু কোনো দিন ইয়ালৈ নাহোঁ। সি বেগা বেগিকৈ ক্লাব ঘৰৰ পৰা ওলাই হস্পিতেলৰ ফালে খোজ দিলে। সি গৈ থাকোতে শুনিবলৈ পালে ক্লাব ঘৰৰ মজিয়াত পুনৰ হাঁহিৰ কিৰিলি।

প্ৰায় দৌৰি অহাদি আহি সি হস্পিতেলৰ ভিতৰলৈ সোমাই গ'ল। বিজয়াই তাক দেখি লৰা-লৰিকৈ আহি ক'লে—মমতা দিদি লেবাৰ ৰূমত।

—হয় নেকি ? কেনে আছে ?

—খুউব কষ্ট হৈছে। কথাষাৰ কৈ বিজয়াই তাইৰ মুখ খন চাদৰৰ আৰেৰে ঢাকি ধৰিলে।

সুৰেন্দ্ৰই হাতেৰে চুলিখিনি মোহাৰি বাপেকলৈ চালে। বাপেকে বাৰান্দাত অহা যোৱা কৰি আছে। ভগৎসিঙ একুকত মন মাৰি থিয় হৈ আছে।

হঠাতে সি দেখিলে বিজয়া লৰা-লৰিকৈ তাৰ ওচৰলৈ আহিছে।

—কি হ'ল বিজয়া ? কি হ'ল ?

—এইমাত্ৰ বাচ্চা হ'ব।

—হয় নেকি ? সুৰেন্দ্ৰই হাঁহিলে।

বিজয়া লৰালৰিকৈ আকৌ লেবাৰ ৰুমলৈ সোমাই গ'ল।

সময়বোৰ খৰগতিৰে অতিবাহিত হ'বলৈ ধৰিলে। হঠাতে সিহঁতে এটা নতুন শিশুৰ কান্দোন শুনিবলৈ পালে। এইমাত্ৰ যেন আন্ধাৰ গহ্বৰৰ পৰা এটা মানুহৰ সন্তানে পৃথিৱীৰ পোহৰ বোধ খেপিয়াই তেজেৰে লুটুৰি পুটুৰি হৈ চিটিকি পৰিছে। ভগৎসিঙ হৰগোবিন্দ চক্ৰবৰ্তীৰ ওচৰলৈ গৈ ক'লে সেয়া বাবু, বাচ্চাৰ কান্দোন শুনিছেনে ? হৰগোবিন্দ চক্ৰবৰ্তীয়ে কমালেৰে চকুদুটা মুচি মিচিকি হাঁহি মাৰি মূৰ দুপিয়ালে।—হয়, তেওঁ শুনিছে।

সেইখিনি সময়তে অৰুণ আহি হস্পিটেল পালেহি। পৰিবেশটো দেখি সি একো বুজিব নোৱাৰিলে। সি সুৰেন্দ্ৰৰ ওচৰ চাপি গ'ল।

বিজয়া দৌৰ মাৰি ওলাই আহি সুৰেন্দ্ৰলৈ চাই ক'লে—সুৰেন্দ্ৰ বাবু, ছোৱালী হৈছে, ছোৱালী।

লগে লগে অৰুণে সুৰেন্দ্ৰক পিঠিত চাপৰ এটা মাৰি ক'লে—অভিনন্দন।

সুৰেন্দ্ৰই অৰুণৰ হাতখন খামোচ মাৰি ধৰিলে তাৰ পিচত কইছে পৰ হ'ল মাত বোল নাই। বাহিৰত বাকী মানুহখিনিৰ উচ পিচ লাগিল।

—ডাক্তৰ বাবু ! বিজয়াৰ চিঞৰ শুনি ভগৎসিঙ ভিতৰলৈ দৌৰ মাৰিলে লগে লগে সুৰেন্দ্ৰ আৰু অৰুণ।

সিহঁতক দেখি বিজয়াই আটাহ পাৰি ক'লে—মমতা বৰুৱেন আৰু নাই।

সুৰেন্দ্ৰই বিজয়াক ঠেলা মাৰি মমতাৰ ওপৰত আচাৰ খাই পৰিল। ডাক্তৰ আৰু নাৰ্চ অম্বিকাই আহি সুৰেন্দ্ৰক তুলি ধৰি বুজনি দি ক'লে—অধিক ৰক্তক্ষয় হোৱাৰ কাৰণে অনেক চেষ্টা কৰিও বচাব পৰা নহ'ল। মমতাই হাৰ্ট ফেইল কৰিলে।

কিন্তু কিয় ? কিয় ? কিয় ? সুৰেন্দ্ৰ বলিয়া যেনকুৱা হ'ল ! অৰুণে তাক সাৱটি ধৰিলে।

প্ৰায় এঘণ্টা মানৰ পাচত ৰগা কাপোৰেৰে মমতাৰ মৃত দেহটো ঢাকি যেতিয়া বাহিৰলৈ উলিয়াই আনিলে, তেতিয়া মুকুন্দগো-বিন্দ চক্ৰৱৰ্তীয়ে আকাশলৈ স্থিৰ দৃষ্টিৰে চাই দেখা পালে এক মহা শূণ্য।

সেই মহাশূণ্যই তেওঁক চাৰিওফালৰ পৰা আগুৰি ধৰি চিঞৰি চিঞৰি যেন কৈছে-

জয় জয় পৰমা নিষ্কৃতিহে নমি নমি
জয় জয় পৰমা নিবৃত্তিহে নমি নমি
অশ্ৰু শ্ৰাৱন প্লাৱন হে নমি নমি
পাপ ক্ষালন প্লাৱন হে নমি নমি
সৰ্ব্ব ভয় ভ্ৰম ভাৱনাৰ
চৰম আবৃত্তিহে নমি নমি।

—x—

## ( ৪ )

দপ্ দপ্‌কৈ চিতাৰ জুইকুৰা জ্বলি উঠিল। মুখাগ্নি কৰি সুৰেন্দ্ৰ চক্ৰৱৰ্তীয়ে চিতাখনৰ পৰা অলপ দূৰত বহিল গৈ। ধনেশ্বৰ, মুকুন্দ, ৰামেশ্বৰ দোকানী, ৰামলাল ঠাকুৰীয়াই চিতাত খৰি জাপি দি চাৰিওফালে ঘিউ আৰু ধুঁনা চতিয়াই দিলে! জুইকুৰাৰ লেলিহান শিখাই অকমান সময়ৰ ভিতৰতে মমতাৰ চিতাখন ঘেৰি ধৰিলে।

জ্বলি উঠা জুইকুৰালৈ চাই চাই অৰুণৰ সুৰেন্দ্ৰই ক'লে অৰুণ! মোৰ সচাঁকৈয়ে আজি স্বপ্ন ভগ্ন হ'ল। মই যেন পাঁচ বছৰে এটা সপোনহে দেখিছিলো। কিন্তু মই ভবা নাছিলো মমতাই মোক এইদৰে ঠগি গুচি যাব।

মই মদ খাইছিলো, জুৱা খেলিছিলো, ঘৰত নথকা হৈছিলো কিন্তু কিয়? সুৰেন্দ্ৰৰ চকুকিটা তিক্ তিক্‌কৈ ৰঙা হৈ পৰিছিল! সি গভীৰ বেদনাৰে ওচৰত বহি থকা অৰুণক ক'লে— মমতাইটো মোক কোনো দিন বাধা দিয়া নাছিল। তেওঁ মোক বাধা দিব পাৰিলেহেঁতেন। জুৱা, মদ এৰুৱাব পাৰিলেহেঁতেন। কিন্তু নোৱাৰিলে অৰুণ এৰুৱাবলৈ যত্ন নকৰিলে। ইয়াৰ প্ৰধান কাৰণ কি?

এডাল বাঁহ ফুটাৰ শব্দ হ'ল। জুইকুৰা বেছিকৈ জ্বলি উঠিল। মমতাৰ বুকুৰ কাঠ ডাল ওপৰলৈ উঠি আহিল। ৰামেশ্বৰে ডাঙৰ ডাঙৰ কাঠৰ টুকুৰা দুটা চিতাখনৰ মাজলৈ দলিয়াই দিলে।

সুৰেন্দ্ৰই থৰ লাগি চিতাখনলৈ চাই থাকি আকৌ ক'লে—

—অৰুণ ?

— উঁ !

— তই মোৰ কথা শুনিছনে নাই ?

—শুনিছোঁ ক ! চিতাখনলৈ চাই অৰুণে অন্যমনস্ক ভাবে উত্তৰ দিলে ! সুৰেন্দ্ৰই আকৌ আৰম্ভ কৰিলে শুন ! ইয়াৰ প্ৰধান কাৰণ হ'ল আদৰ্শৰ অমিল। মোৰ আদৰ্শৰ লগত তেওঁৰ আদৰ্শৰ মিল নাছিল। যি নাৰীয়ে পুৰুষৰ আদৰ্শৰ লগত আদৰ্শ মিলাই চলিব নোৱাৰে, সেই নাৰীয়ে পুৰুষৰ কি কল্যাণ সাধন কৰিব ? সি চুলিখিনি দুইহাতেৰে টানি টানি অনৰ্গল বকি গ'ল। কলিকতা মহানগৰীত লালিত পালিত হোৱা আধুনিকা মমতাই মোৰ স্বাধীনচেতীয়া আদৰ্শ মানিবলৈ টান পালে। জীৱনত সকলো হেৰুৱাই অসমী আইৰ বুকুৰ বিশুদ্ধ বায়ু পানী গ্ৰহণ কৰি মোক দেউতাই মানুহ কৰিছিল আৰু মাৰাত্মক অতীতক দুঃস্বপ্ন বুলি ভাবি পাহৰি পেলাইছিল। বাৰিষাকালত অসমৰ মাটি, বোকা পানী গছকাৰ ভয়ত মাকৰ ঘৰত মাহৰ পিছত মাহ অতিবাহিত কৰা মমতাই কোনো দিন ভৰা নাছিল, মোৰ দেউতাৰ মনৰ বেদনা। সুৰেন্দ্ৰই এইবাৰ আঠুত মূৰ গুজি হুকহুকাই কান্দিলে।

খুচনিবাডি ডাল হাতত লৈ বিপুলে অৰুণলৈ চাই ক'লে - তাক লৈ যা। আমি এইখিনি শেষ কৰিহে যাম।

—ব'ল সুৰেন্দ্ৰ; ঘৰলৈ ব'ল !

—নাই-নাই নেযাওঁ, ইয়াতেই ভাল লাগিছে। কান্দি কান্দি ফুলি উঠা ৰঙা চকু হালেৰে সুৰেন্দ্ৰই আঁতৰত মন মাৰি বৈ থকা ভগৎসিঙলৈ চাই চিঞৰি দিলে—কি কৰিছ ভগৎসিঙ, মমতাৰ চিতাত খৰি জাপি দে ! তইঁতৰ মমতা বহেন আৰু ঘূৰি নাহে।

ভগৎসিঙে সুৰেন্দ্ৰলৈ ৰ চাই থাকিল। সুৰেন্দ্ৰই আকৌ চিঞৰিলে—অ' তই চিতাখন সুচুৰ, চুলে চুৱা যাব নহয় ? মই

কিয়নো তই ধৰি জাপি দে ! তইঁতে জানো মমতাক আকৌ ঘূৰাই আনিবলৈ পাৰি ? সি আকৌ কান্দিলে।

অৰুণে এইবাৰ তাক ধৰি ঘৰলৈ লৈ আহিল। বাটত আহোঁতে সুৰেশ্বৰে অৰুণৰ ডিঙিত ধৰি কান্দি কান্দি ক'লে - তইঁতে ভাবিছ মই পাগল হৈছোঁ, নাই নাই অৰুণ মই পাগল হোৱা নাই।

সিহঁত দুয়োটা গৈ যেতিয়া সুৰেশ্বৰহঁতৰ বাৰান্দা পালেগৈ তেতিয়া পোহৰ হ'বলৈ বহুত বাকী।

× × ×

জগৎসিঙ শ্মশানত শেষলৈকে থাকিল। সকলো মানুহ যোৱাৰ পিছত সি চিতাখনত সেৱা কৰিলে আৰু ঘৰলৈ উভতিল। তেতিয়া নিশা শেষ হোৱা নাই। ঘৰলৈ আহি বাহিৰে বাহিৰে কুঁৱাৰ পাৰলৈ গৈ গা ধুলে আৰু বিজয়াক জগাই দি কাপোৰ যোৰ সলাই ভিতৰ সোমাল।

ঠাণ্ডা দিন। বিজয়াই জুইকুৰা জ্বলাই দি পানীৰ কেট্‌লিটো তুলি দিলে আৰু চকুপানী মচি মচি পিৰাখনত বহি থাকিল। জগৎসিঙেও জুইকুৰাৰ ওচৰতে বহি তাইক বুজনি দিলে, নাকান্দিবি, দুখ নকৰিবি, আমিও এদিন মৰিবই লাগিব।

—মৰিবতো লাগিবই, কিন্তু এনেকৈ মৰিলে কোনে সহ্য কৰিব পাৰে ? অকমান আগতে মমতা দিদিয়ে মোলৈ চাই হাঁহিছিল, তাৰ পিছত শেষ। উস্ ! কি আচৰিত; ডাক্তৰ চিকিৎসকহঁতে কতযে কি কৰিলে; কিন্তু সকলো মিছা হ'ল। তাই হুকহুকাই কান্দিলে।

অলপ সময় দুয়োটা মনে মনে ব'ল। বাহিৰত নিজম নিতাল। পৃথিৱীৰ বুকুত ক'ৰাত নাম নজনা চৰায়ে কিৰাইছে, কলপাতৰ গছৰ চেপে চেপে জোনাকী পৰুৱাই টিপ্ চাকি জ্বলাই ফুৰিব লাগিছে।

ভগৎসিঙে নিৰৱতা ভঙ্গ কৰি ক'লে-চাহ কৰ, পানী উতলি উতলি শেষ হ'ব এতিয়া। বিজয়া চক্ খাই উঠিল। এবা পানী শেষ হ'ব এতিয়া। তাই চাহ কৰিবলৈ ধৰিলে।

ভগৎসিঙৰ গাটো কিবা লাগিছে। গোটেই দেহাটোত তাৰ পোৰণি উঠিছে।

বিজয়াই বড়া চাহৰ গিলাচটো তাৰ হাতত তুলি দিলে আৰু তায়ো এটা গিলাচ লৈ জুইৰ ওচৰত আকৌ বহিল।

দুয়োটাই চাহ দুগিলাচ খাই শেষ কৰিলে। বিজয়া থিয় হ'ল আৰু কাষৰ তক্তাপোচ খনতে লেপখন লৈ শুই পৰিল। ভগৎসিঙেও অলপ সময় মনে মনে বহি থাকি দুৱাৰ খনত দাংডাল লগাই বিজয়াৰ কাষতে একেখন লেপকে গাতলৈ বিচনাখনত দীঘল দিলে। ভৰি দুখন মেলি দি তাৰ বৰ আৰাম লাগিল। বেৰৰ ফালে মুখ কৰি শুই থকা বিজয়াক সি আমনি নকৰিলে। কিন্তু হঠাতে এটা উচুপনি তাৰ কাণত পৰিল। বিজয়াই কান্দিছে। সি তাইক বুকুৰ ওচৰ চপাই আনিলে। তাই তাৰ বহল বুকুখনত সোমাই মূৰটো তাৰ বাওঁহাতৰ বাহুটোত থৈ উচুপি উঠিল। সি তাইৰ পিঠিখনত হাত ফুৰাই দিলে।

—বিজয়া! দুখ নকৰিবি।

—ঐ, মমতা দিদিৰ বাচ্চাটো?

—কি কৰিবি, হস্পিতেলৰ চিষ্টাৰ বিলাকে ৰাখিছে।

—নাই নাই, কেচুৱাটোৱে ছাগৈ কান্দি আছে। বিজয়াই আকৌ কান্দিলে।

ভগৎসিঙে তাইক বুজনি দিলে—ঈশ্বৰে জন্ম দিছে যেতিয়া পালন কৰাৰ ব্যৱস্থা কৰিবই। গতিকে চিন্তা কৰি লাভ নাই। কিন্তু বিজয়াই সেইবোৰ একো নুবুজে। তাই কান্দি কান্দি এসময়ত ভগৎসিঙৰ বুকুৰ মাজতে টোপনি গ'ল। কিছু সময়ৰ পাচত ভগৎসিঙো

টোপনি আহিল ।

এটা অভিশপ্ত নিশা কোনফালে পাৰ হ'ল সিহঁতে গমকে নাপালে ।

—বিজয়া ! দৰজা খোল বিজয়া !

—আৰে উঠৰে ! সুৰেন্দ্ৰ বাবু আহিছে ।

বিজয়াই ভগৎসিঙক গাত ধৰি জগাই দিলে । তাই একেজাপে খাট খনৰ পৰা নামি শাৰীখন ভালদৰে পিন্ধি দৰজাখন খুলি দিলে ।

—বাবু !

—ওঁ বিজয়া মই । তোলৈ এটা খবৰ আনিছোঁ ।

—কি খবৰ সুৰেন্দ্ৰ বাবু ?

—মোৰ কেচুৱাটো ৰাতি মৰিল ।

—হঁা !' বিজয়াই বহলকৈ চকুহাল মেলি সুৰেন্দ্ৰলৈ চালে ।

তেতিয়া সুৰেন্দ্ৰই কন্দা নাছিল । তাৰ চকু দুটা ৰঙা পৰিছিল, শুকান চুলিবোৰ বতাহত উৰিছিল ।

অলপ সময় থৰ লাগি থকাৰ পিচত সুৰেন্দ্ৰ খৰ খোজেৰে সিহঁতৰ দুৱাৰ মুখৰ পৰা আঁতৰি গ'ল । বিজয়াই সি যোৱাৰ ফালে ৰ লাগি চাই থকাৰ পিচত দৰজাখন জোৰেৰে বন্ধ কৰি দি বিছনাত পৰিল আৰু হুকহুকাই কান্দিবলৈ ধৰিলে ।

ভগৎসিঙে একো বুজিব নোৱাৰিলে, এইবোৰ কি হ'ল ? কি হ'ল ? সি মূৰত পাগুৰিটো মাৰি ললে আৰু বাহিৰলৈ ওলাই গ'ল । তেতিয়া পৃথিৱী পোহৰ হৈছিল ।

—x—

## ( ৫ )

অৰুণৰ মনটো অস্থিৰ হৈ পৰিল। ভগৱানো ইমান নিষ্ঠুৰ হ'ব লাগেনে? ভাবি ভাবি তাৰ অস্থিৰ লাগিল। আজি দিনত সি ডিউটিলৈকো নাযায়। গোটেই দিনটো সি কোৱাৰ্টাৰটোৰ ভিতৰতে সোমাই থাকিব। সি কি সতে সুৰেন্দ্ৰৰ ওচৰলৈ যাব? কি বুলি বুজনি দিব? মানুহৰ জীৱনলৈ কেতিয়াবা এনে কিছুমান মুহূৰ্ত্ত আহে যি মুহূৰ্ত্তত আমাৰ কোনো বুজনিয়ে কাম নিদিয়ে। সি চিগাৰেট এটা উলিয়াই ল'লে আৰু দীঘলকৈ হোপা এটা মাৰি ধোঁৱাবোৰ এৰি দি চকুহুটা মুদি দিলে। লগে লগে তাৰ চকুত ভাঁহি উঠিল তাৰ চিৰ চেনেহী গাওঁখন। সেই সোৱণশিৰিৰ পাৰৰ সৰু গাওঁখন, যি খন, গাঁৱত তাৰ মৰমৰ মাকে চিৰদিনৰ কাৰণে পৃথিৱীৰ পৰা বিদায় লৈছিল।

সি মাকৰ মৈদামত মাটি দিছিল কিন্তু মমতাক জ্বলাই দিয়াৰ নিচিনাকৈ সি তাৰ মাকক দাহ কৰা নাছিল। কাৰণ সিহঁতৰ মিচিং সমাজত দাহ কৰা প্ৰথা নাই। তাৰ এতিয়াও মনত পৰে তাৰ মাকৰ মৃত্যুৰ লগে লগে মানুহ বিলাকে ওখ ঠাইত থিয় হৈ বৰকাঁহ আৰু ঢোল বজাইছিল। ই বাইজৰ কাৰণে তাৰ মাকৰ মৃত্যু হোৱাৰ জাননী আছিল।

এই সংকেত ধ্বনি শুনি মানুহবোৰ আপঙৰ টোপোলা লৈ সিহঁতৰ ঘৰলৈ আহিছিল। মাকক মাহ-হালধীৰে ধোৱাই নতুন কাপোৰ পিন্ধাইছিল আৰু মুখ আচুৰি দিছিল। সকলোৰে লগত সিও মাকক

ভক্তি ভাৱৰে সেৱা কৰিছিল। তাৰ পাছত ? তাৰ পাছত কাপোৰেৰে মেৰিয়াই মাকক সাঙী কৰি শ্মশানলৈ লৈ গৈছিল। তেতিয়া সি চিঞৰি চিঞৰি কান্দিছিল আৰু তাৰ ভনী পাছিয়ে মাটিত পৰি পৰি বিনাইছিল। সেইবোৰ দিন অতীত হ'ল। সি হুমুনিয়াহ কাঢ়িলে আৰু চিগাৰেট এটা হুপি হুপি শেষ কৰি সৰু টুকুৰাটো খিৰিকিৰে বাহিৰলৈ দলিয়াই দিলে। সেই সময়তে ষ্টেচনৰ পৰা ৰেলৰ উকি এটা আহি তাৰ কাণত পৰিলহি। সি মনতে ভাবিলে— আমি সকলো যেন একেখন ৰেলৰে যাত্ৰী, অহা আহিছে যোৱা গৈছে তাৰ মাকো আহিল আৰু গ'ল।

ৰাইজে তাক বান্ধি থকা অৱস্থাতে শ্মশানলৈ লৈ গ'ল। সি গৈ তাত দেখা পালে, আগতেই খান্দি থোৱা গাঁতটোৰ তলত বাঁহৰ চ'চালি পাৰি মাকৰ মৃতদেহটো শুৱাই দিলে। তাৰ পিচত ৰাইজে তাক মাটি এচপৰা দিবলৈ কৈছিল। সি সেইমতেই বাওঁ-হাতেৰে এচপৰা মাটি মৈদামত দিছিল। তাৰ পিচত ৰাইজে কৈছিল— "দিংকে পাকেমাং" তোমাক আমি কিলাই মৰা নাই, তুমি নিজৰ থানলৈ যোৱাগৈ। আমালৈ পিঠি পাচ কৰিবা।" এই বুলি কৈ সকলোৱে এচপৰাকৈ মাটি দিছিল। মৈদামৰ ভিতৰত মাকে ব্যৱহাৰ কৰা সকলো বস্তু দিছিল। জীয়াই থাকোঁতে ব্যৱহাৰ কৰা মাকৰ বাতিটো ৰাইজে ফুটা এটা কৰিহে— মৈদামত দিছিল। কাৰণ মানুহে কয়-মৃত্যু হ'লে বোলে জীৱই বিপৰীত কাম কৰে।

তাৰ সকলোবোৰ কথাই ভালকৈ মনত আছে। চেনেহী মাকৰ কথা সি পাহৰে কেনেকৈ ? শ্মশানৰ পৰা সি বাহিৰে বাহিৰে আহি পাধুই ভিজা চুৰিয়া পিন্ধি তেল ধঁহি কাপোৰ সলাই চাঙৰ ওপৰলৈ উঠিছিল আৰু লিপি-মচি থোৱা জুহালৰ চাৰিওকাষ ভাল ভালকৈ চাইছিল। কাৰণ সিহঁতৰ সমাজৰ বিশ্বাস মতে জুহালৰ কাষত যি খোজৰ চিন দেখা পাই মৃতকৰ আত্মাই বোলে সেই জন্ম লয়।

সি কিন্তু কাৰো খোজৰ চিন দেখা পোৱা নাছিল। দেখা পাইছিল— মাকৰ ভৰিৰ খোজৰ চিনহে। মাকৰ ভৰিৰ খোজবোৰ সিহঁতৰ লেপি- মচি থোৱা মজিয়াখিনত জিলিকি থকা তাৰ চকুয়ে স্পষ্টকৈ দেখিছিল।

সি হুমুনিয়াহ কাঢ়িলে আৰু লবালবিকৈ কাপোৰবোৰ পিন্ধি ওলাল। যি গ'ল তাৰ কাৰণে চিন্তা কৰি লাভ নাই, কাৰণ জন্ম হ'লে মৃত্যু অনিবাৰ্য্য।

— অৰুণ বাবু! অৰুণ বাবু!

হঠাতে অৰুণে ভগৎসিঙৰ মাত শুনি আচৰিত হ'ল আৰু দুৱাৰখন খুলি দিলে।

— ভগৎসিঙ! কি হ'ল ৰাতিপুৱাই আহিলি যে?

— বাবু!

— কি হ'ল ভগৎসিঙ?

— মমতা বহেনৰ কেচুৱাটো মৰিল।

— কি কলি?

— হয় অৰুণ বাবু; সুৰেন্দ্ৰ বাবু আহি এইমাত্ৰ কৈ গৈছে।

সি আৰু একো কব নোৱাৰিলে। কাপোৰখনেৰে মুখখন ঢাকি ধৰিলে আৰু অৰুণৰ মুখলৈ নোচোৱাকৈ খৰ খোজেৰে তাৰ পৰা আঁতৰি গ'ল।

— x —

## ( ৬ )

অৰুণ হতাশ হ'ল। সুৰেন্দ্ৰৰ কেচুৱাটোৰ মৃত্যুৰ বাতৰিয়ে তাৰ হৃদয় বিদাৰি গ'ল। ভগৱান ইমান নিষ্ঠুৰ হব লাগে নে ?

সি কাপোৰযোৰ পিন্ধিলে আৰু সুৰেন্দ্ৰইঁতৰ কোৱাৰ্টাৰৰ ফালে খোজ দিলে। কিছুসময়ৰ পাছতেই সি সুৰেন্দ্ৰইঁতৰ ঘৰ পালেগৈ। সি ভিতৰ সোমাই গৈ দখিলে সুৰেন্দ্ৰৰ বাপেকে মন মাৰি বহি আছে আৰু সুৰেন্দ্ৰ ও চকুমেলি ওপৰলৈ চাই বিচনাত পৰি আছে। সি ভিতৰলৈ সোমাই গ'ল আৰু সুৰেন্দ্ৰক মাতিলে— সুৰেন্দ্ৰ !

—হোঁ, তই ইমান দেৰি কৰিলি ? মোৰ কেচুৱাটো বাতিয়েই·········

সুৰেন্দ্ৰই হুকহুকাই কান্দি দিলে।

—দুখ নকৰিবি সুৰেন্দ্ৰ। কান্দি কিবা লাভ হ'ব জানো ?

তইতো জানই, পৃথিৱীত মানুহ জন্মিলে মৰিবই লাগিব। পূৰ্ব্বজন্মৰ কৰ্ম্মফল ভোগ কৰি হয়তো কোনোবাই আগ আৰু কোনোবাই পাচ পৰিব লাগিব। মৃত্যুৰ বিষয়ে জ্ঞানীসকলে কেতিয়াও চিন্তা নকৰে, কিয়নো শ্ৰেষ্ঠলোকে জানে মৃত্যুৰ পিচত আত্মাটো এটা শৰীৰ এৰি আন এটা শৰীৰলৈ যায়। গতিকে শোক কৰা অনুচিত। এতিয়া ব'ল হস্পিতেললৈ যাওঁ !

—হস্পিতেললৈ কিয় ?

—অকমাণি কেচুৱাটোৰ সৎকাৰ কৰিব লাগিব নহয়। ব'ল উঠ। অৰুণে সুৰেনক বুজনি দি হস্পিতেললৈ লৈ গ'ল। একাশৰীয়াকৈ

থৈ দিয়া কেচুৱাৰ বিচনা খনত ঢাকি থোৱা কেচুৱাটো সুৰেন্দ্ৰই দুহাতেৰে তুলি ললে আৰু শ্মশানৰ ফালে খোজ ললে। পাছে পাছে কোৰ এখন লৈ ভগৎসিঙও আৰু কাষে কাষে গ'ল অৰুণ। সিহঁত যেতিয়া শ্মশান পাইছিল গৈ বদ উপৰলৈ উঠি আহিছে। ভগৎসিঙে মাকৰ চিতাৰ কাষতে গাত এটা খান্দিলে আৰু সুৰেন্দ্ৰই কোলাৰ কেচুৱাটো কাপোৰেৰে মেৰিয়াই গাতৰ তলত শুৱাই দিলে। অৰুণে মাটি একাঞ্জলি দি ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰিলে—হে শিশু সন্তান তোমাৰ আত্মাই মুক্তি পাওক!

সুৰেন্দ্ৰই শিশুটিৰ ওপৰত মাটি জাপি দি ওচৰতে বাগৰি পৰিল। মাটিত মুখ থৈ উচুপি উঠা সুৰেন্দ্ৰলৈ চাই অৰুণ আৰু ভগৎসিঙে একো মাতিব নোৱাৰিলে।

বহুত পৰৰ মূৰত সিহঁত শ্মশানৰ পৰা ফিৰি আহিল—অৰুণলৈ চাই হুমুনিয়াহ কাঢ়ি ক'লে—বুজিছ অৰুণ, মই আৰু সহ্য কৰিব নোৱাৰো। বৰ অসহ্য। ক'ৰবালৈ গুচি যাবৰ মন গৈছে অ'।

—ব'ল তেনেহলে, আমাৰ তালৈ, অলপ ফুৰি আহিলে ভাল লাগিব।

—এৰা যাব লাগিব। তোৰ তালৈকে যাম দে।

—বাৰু থাৰি দে, এতিয়া উঠ।

সি একেচাৰে উঠিল আৰু তাৰ কান্ধত ধৰি ক'লে—ঐ অৰুণ, মই কিমান অকলশৰীয়া হলোঁ?

—কিয় মই নাই জানো? অৰুণে তালৈ চালে।

—তই? তইতো আছই, কিন্তু মমতাৰ স্থান, মোৰ অকমাণি কেচুৱাটিৰ স্থান তই জানো পূৰাব পাৰিবি অৰুণ?

—নোৱাৰো সুৰেন। তোৰ অতি প্ৰিয়তমা ভাৰ্য্যা আৰু প্ৰিয়তম শিশুটিৰ স্থান মই পূৰাব নোৱাৰিলেও তোৰ প্ৰিয় বন্ধুৰ স্থানটো পূৰাব পাৰিম আৰু দুখে সুখে সম ভাগি হ'ব পাৰিম।

—নিশ্চয় হ'ব পাৰিৰি। আৰু কচোন কেতিয়া যাবি বুলৈ ?
—সোনকালেই যাব লাগিব। ভনীজনীয়ে চিঠি এখন দিছে।
—ভনী ? মানে—পাহীয়ে ? তাই ছাগৈ বহুত ডাঙৰ হ'ল নহয় ?
—কিয় নহব, সদায় সৰুহৈ থাকিবনে ? এতিয়া গাভৰু হ'ল। ল'বা এটা পালে বিয়া দিয়াৰ কথাহে চিন্তা কৰিছো।
—ভাল কৰিছ। ভাল পাত্ৰ পালে দান দিব লাগে।

অৰুণে সুৰেন্দ্ৰলৈ চালে-আমাৰ আৰু কি ভাল পাত্ৰ হ'ব, খেতিবাতি কৰি খাব পাৰিলেই হ'ল।
—তাতে বানৰ লগত যুদ্ধ কৰিব লাগিব নহয় জানো ?
—সেইটো আৰু কব নালাগে। সোৱণশিৰিৰ বানৰ লগত আমাৰ বাইজৰ বন্ধু হৈ গৈছে। অৰুণে হাঁহিলে।

সুৰেন্দ্ৰৰ অৰুণৰ লগত কথা পাতি অলপ মনটো পাতল লগিল। অৰুণৰ ষ্টেচনত ডিউটি আছে। সি সুৰেন্দ্ৰৰ পৰা বিদায় ললে আৰু পোনে পোনে ষ্টেচনৰ কালে খোজ দিলে। দিনটো ষ্টেচনত ডিউটি কৰি অৰুণ পুনৰ সুৰেন্দ্ৰৰ ওচৰলৈ আহিল। তেতিয়া সুৰেন্দ্ৰ বিচনাত পৰি ওপৰলৈ উদাস দৃষ্টিৰে চাই আছিল। অৰুণক দেখি একেচাৰে সি বিচনাত উঠি বহিল আৰু অৰুণলৈ চাই কঠোৰ ভাবেৰে সুধিলে— অৰুণ মই ট্ৰেইনিঙত গ'লে কেনে হয় ?
—কিহৰ ট্ৰেইনিঙৰ কথা কৈছ ?
—ৰেল ড্ৰাইভাৰৰ।
অৰুণ মনে মনে থাকিল।
—কিয় মনে মনে থাকিলি দেখোন ? ভাব মানে ৰেলৰ ড্ৰাইভৰ হলে তই বেয়া পাব নহয় ?
—নাই মানে, তোৰ দেউতাই দিয়ে বা নিদিয়ে ?

দেউতাই নিদিয়ে মই জানো। দেউতাই আৰে মই শিক্ষা দিক্ষা ললো বি, এ, পাচ কৰিলো, সেই কাৰণে আনৰ দৰে মযো

বেল ডিপাৰ্টমেণ্টৰ আন চাকৰিবোৰত চাকৰি বিচাৰি লব লাগে। মই নলওঁ। কিয় জান অৰুণ, এই একবকমৰ চাকৰিবোৰ মোৰ ভাল নালাগে। সেই কাৰণে মই নতুন কিবা এটা কৰিম বুলি ভাবিছোঁ।
—ভাল কথা সুৰেন মই তোক নিৰাশ নকৰো, আচলতে চাকৰিটোৰ লগত মন নিমিলিলে চাকৰি কৰি আৰাম নালাগে।
—তেনেহলে মই Form Fill up কৰি দিওঁ।
—তোৰ ইচ্ছাৰ ওপৰত মই কি কম ?

অৰুণে ভাবিলে—সুৰেন্দ্ৰই কিবা এটা কৰক। ইমান দিনৰ মূৰত যে তাৰ কিবা এটা কৰিবলৈ মন গৈছে ? হয়তো কামত লাগিলে মনৰ অশান্তি তাৰ কিছু দূৰ হ'ব।

অলপ পৰ মনে মনে থকাৰ পিচত অৰুণে ক'লে- এতিয়া হোৱা কথা হৈ গ'ল বাকী থকা কামখিনি কৰাতোহে আমাৰ কৰ্ত্তব্য হ'ব !
—মানে ?
—মানে মমতাৰ শ্ৰাদ্ধ !
—ওঁ।

পুনৰ অসহ্য অনুভৱ কৰিলে সুৰেন্দ্ৰই ! কিন্তু উপায় নাই, মায়ামময় সংসাৰখন এনেকৈয়ে চলে—দুদিন দুখ কৰে, কান্দে, আকৌ শ্ৰাদ্ধপিণ্ড কৰি আগৰ নিচিনা হয়, সুৰেন্দ্ৰৰো সেয়ে হ'ব লাগিব।

এইবাৰ সি শ্ৰাদ্ধ পতাৰ আলোচনাত বহিল। কেনেকৈ পাতিলে ভাল হ'ব- কি কি খুৱাব লাগিব- কাক মাতিব লাগিব ইত্যাদি। আলোচনা কৰি থাকোতেই বহুত ৰাতি হ'ল ! অৰুণে ক'লে —ৰবাকভেলি আহি পাবৰ হ'লহি মই যাও। তই শুবলৈ চেষ্টা কৰ মই আৰু নাহো। একেবাৰে কোৱাৰ্টাৰলৈ যামগৈ। কালিলৈ ৰাতিপুৱাহে তোক দেখা কৰিম।

অৰুণ সুৰেন্দ্ৰৰ ওচৰৰ পৰা বাহিৰলৈ ওলাই আহি দেখিলে

বাহিৰত অন্ধকাৰ। সি ষ্টেচনৰ কালে থৰকৈ খোজ কাঢ়ি যাওতে ভাবিলে—এই অন্ধকাৰ নিশা মমতা যেন চিতাৰ পৰা উঠি আহিছে আৰু ওচৰতে মাটিত পোৰ্ট গৈ থকা শিশুটি কোলাত লৈ স্তনপান কৰাইছে— ! আৰু ! আৰু আকাশৰ তৰাই ধিমিক ধামাক পোহৰেৰে শ্মশানখন পোহৰাই তুলিছে। হঠাতে সি চক খাই উঠিল। এটা কাণ ভাল মৰা বেলৰ উকি আহি তাৰ কাণত লাগিলহি। ৰৰাকভেলি এক্সপ্ৰেছ ষ্টেচনত ৰৈছেহি।

—x—

## ( ৭ )

ভগৎসিঙ পোনে পোনে গৈ ষ্টেচন পালেগৈ। মুৰত ডাঙৰ পাগুৰি মাৰি আঠুৰ মুৰত চুৰিয়াখন পিন্ধি হাতত দীঘল ঝাকডাল লৈ ভগৎসিঙে প্লেটফৰ্মত পৰি থকা ময়লাবোৰ চাফা কৰিবলৈ লাগি গ'ল। প্ৰতিখন ৰেল যোৱাৰ পাচত প্লেটফৰ্ম সাৰি চাফা কৰা, লাইনত পৰি থকা ময়লাবোৰ পানীৰ পাইপ দি ধুই দিয়া সিহঁতৰ নিত্য নৈমিত্তিক কাম। ইয়াকে কৰি সিহঁতে শান্তি পাইছে, সুখ পাইছে সি মনতে ভাবিলে এইয়া জানো কম মানব সেৱা? কিন্তু কি হ'ব মানুহ বিলাকে সিহঁতক ঘিণ কৰে, সিহঁতযে হৰিজন। মানুহে ঘিণ কৰিলে কি হ'ব? ঈশ্বৰেটো ঘিণ নকৰে। কিন্তু এটা কথা ঠিক যে সিহঁতে এইবোৰ কাম নকৰিলে যাত্ৰীবোৰ থিতাতে মৰিব। তাৰ হাঁহি উঠিল, মানুহবোৰ বোলে শ্ৰেষ্ঠ জীৱ, কিন্তু কথাবোৰ নুবুজে কিয়? এইয়া হ'ল এক শ্ৰেণী মানুহৰ অহঙ্কাৰ। জাতিভেদ বিচাৰ কৰি মানুহ বোলা শ্ৰেষ্ঠ জীৱটো পশুৰ শাৰিলৈ গতি কৰিছে, কিন্তু সি জানে সুখ দুখ, লাভ অলাভ সকলোকে সমান জ্ঞান কৰিব লাগে।

লেভেৰা জাবৰবোৰ টিণটোত বাঢ়নি ভালেৰে ভৰাই ভগৎসিঙে ককালটো পোনাই থিয় হ'ল। আজি কিছুদিনৰ পৰা ভগৎসিঙৰ ককালটোৰ বিষ হৈছে।

হঠাতে ভগৎসিঙে কিবা এটা হুলস্থুল শুনিবলৈ পালে। এনেকুৱা হুলস্থুল সব দিনেই আছে বুলি ভগৎসিঙ একে ঠাইতে বৈ

থাকিল। অকমান সময়ৰ পাচতে ল'ৰা এটা তাৰ কাণে সৌৰি আহি তাক সাবটি ধৰিলে। এটা ৮/৯ বছৰীয়া ল'ৰা। ভগৎসিঙে হাত দাঙি বাকী মানুহ কেইটাক মাৰিবলৈ বাধা দি সুধিলে—আৰে ভাই কথাটো কি? মিছাকৈ মাৰ-পিট নকৰিবি।
—কি হ'ব আৰু সি ৰুটি চোৰ কৰিছে। তাক পিটিব লাগে। আজি ৰুটি চুৰ কৰিছে, কালিলৈ পইচা চোৰ কৰিব।

ল'ৰাটো থৰ থৰ কৈ কঁপি ভগৎসিঙৰ বুকুৰ মাজত সোমাই কান্দিবলৈ ধৰিলে। ভগৎসিঙে ক'লে—সি সৰু ল'ৰা, মাফ কৰি দে।

এটাই চিঞৰি ক'লে—এৰি দে ভগৎসিঙ আমাৰ ওচৰত ক্ষমা নাই। তাক একদম খতম কৰি দিওঁ। —আৰে যা যা, বাচ্ছা মাৰনেসে ক্যা ফইদা হ'গা? বৰ বৰ আদ্‌মি লোককো মাৰ, যি চুৰ কৰনেকো শিখায়া।

ভগৎসিঙে খঙেৰে কথাকিটা কৈ ককালৰ খোচনিৰ পৰা ৫০ পইচা এটা উলিয়াই লালু দোকানীলৈ দলিয়াই দিলে—ঐ লালু লৈ যা তোৰ ৰুটিৰ দাম। আৰে বেইমান তয়ো এদিন এইদৰেই এই ষ্টেচনত ভিক্ষা কৰিছিলি তাৰ পিচত পান বিড়ি বেচি হৈ গলি চাহৰ দোকানী, পাহৰিলি আগৰ কথা। চাল্লা নিমখহাৰাম?

লালুৱে একো নামাতি পইচাটো তুলিলৈ গুছি গ'ল। এৰা, সি এসময়ত বাংলাদেশৰ পৰা আহিছিলি। অত ত'ত দুই এপইচা খুজি বিড়ি চিগাৰেট বেচি তাৰ পাচত চাহ ফেৰি কৰিছিল। এবাৰ কৰা চাহৰ চাহপাত বোৰ ৰ'দত শুকুৱাই পাউদাৰ গাখীৰ কিনি আনি মাকে তাক চাহ বনাই দিছিল। লামডিং ষ্টেচনত কেঁহেতো কেঁহেতো লগা তাৰ চাহকে যাত্ৰীয়ে খাইছিল আৰু এদিন সি হৈ গ'ল চাহৰ বৰ দোকানী।

লালু দোকান পালেগৈ। সি যোৱাৰ পাচত ভগৎসিঙে এইবাৰ ল'ৰাটোক দুইহাতে ধৰি দুগালৰ চৰ সোধাই দি সুধিলে—

—কি নাম ?

— চৌকত আলী।

— কিয় চোৰ কৰিছিলি ?

এইবাৰ সি কান্দিলে আৰু মুখেৰে একো নামাতি ভগৎসিঙৰ হাতত ধৰি টানি লৈ গ'ল। ষ্টেচনৰ অলপ দূৰত প্লেটফৰ্মৰ ওপৰত সি আঙুলিয়াই যি দৃশ্য দেখুৱালে, ভগৎসিঙ তাতে থৰ হ'ল। হাড়-ছাল ওলোৱা গোটেই শৰীৰত এখন মাত্ৰ শাৰীৰে আবৰা এগৰাকী মানুহ। চাৰিটা খাবলৈ নোপোৱা সন্তান, তাইৰ কাষত মৃত্যুৰ ক্ষণ গণি পৰি আছে।

—তোৰ বাবা ?

— আছিল; কিন্তু আজি চাৰি মাহ হৈ গ'ল, ক'ৰবালৈ গুচি গৈছে।

—ক'ৰ পৰা আহিছিলি ?

সি মনে মনে ৰ'ল।

—নকৱ কিয় ? ক'ৰ পৰা আহিছিলি ?

—বাংলাদেশৰ পৰা।

—কিহত আহিলি ?

—ধৰ্ম নগৰ পেছেঞ্জাৰত।

—হোঁ, কিয় আহিছিলি ?

—বাবাই লৈ আহিছিল।

ভগৎসিঙে কিছুসময় মনে মনে থাকি খঙেৰে ক'লে—তোৰ বাবাৰে আনি ইয়াত পোনা মেলি দি গ'ল, আসাম দেশত খাবলৈ আছেনে ? আৰু কিছুমানক লগত নানিলি কিয় ? ভগৎসিঙৰ খং উঠিছিল যদিও কি কৰিব একো ঠিৰাং কৰিব নোৱাৰিলে। হাজাৰ হওক মানুহ। মানুহৰ আটাইতকৈ প্ৰয়োজনীয় নিম্নতম বস্তুকেইটাৰ অভাৱ হলে মানুহ হৈ পৰে পশুতকৈও অধম। চৌকত আলীৰ এটাও নাই। খাবলৈ নাই, পিন্ধিবলৈ নাই, থাকিবলৈ ঘৰ নাই,

মাক আৰু ভায়েক ভনীয়েকৰ কাৰণে সি এখন কটি চোৰ কৰিছে। কিন্তু কিয় ? যি যুগত মানুহ জোনলৈ গৈছে, এটম বম উলিয়াইছে, সেই যুগত মানুহ ভিক্ষাৰী হব লাগে, ভাত কাপোৰৰ কাৰণে এখন ঠাইৰ পৰা আন এখন ঠাইলৈ জীয়াই থকাৰ প্ৰয়াস হেপাহত ঘূৰি ফুৰিব লাগে। সি চাৰিওকালে যেন অন্ধকাৰ দেখিলে, সি চৌকত আলীক ওচৰলৈ মাতি আনি ক'লে—হেঁা এই দুই টকা ল আৰু যা, কিন্তু চোৰ নকৰিবি, কাম কৰি খাবি বুজিলি ?

—নাই চোৰ নকৰেঁা বাবু। মই চোৰ নহয়। আপুনি মোৰ বাপ আছে বাবু।

—যা, বেগতে !

চৌকত আলী ভগৎসিঙৰ ওচৰৰ পৰা ষ্টেচনৰ ফালে দৌৰ মাৰিলে, হয়তো সি সেই দুটকাৰে মাক ভায়েকলৈ কিবা কিনি আনিব।

ভগৎসিঙ উভতি আহি কামত লাগি গ'ল। সি মনতে গালি পাৰি ক'লে—চাল্লা গৰীবেৰে দেশ ভৰি গ'ল, সেই সময়তে হৰিচৰণ আহি তাক ক'লেহি—তোক বৰ বাবুয়ে মাতিছে।

—হয় নেকি, যা মই গৈ আছোঁ।

ভগৎসিঙ বৰ বাবুৰ ওচৰ পালেগৈ।

—তহঁতৰ তেল ফাটিছে, কামত ফাঁকি দিছ; বহু এক দিনৰ দৰমহা কাটি দিম।

—নাই বাবু ফাঁকি দিয়া নাই। মই চব চাফা কৰি গৈছোঁ।

—ইস্ চাফা কৰিছ ? সেই কাৰণে কম্‌প্লেন আহিছে নহয়। যা জল্‌দি ৰেটিং কম চাফা কৰি দেগৈ।

সি লৰা-লৰিকৈ ৰেটিং কম চাফা কৰিবলৈ গ'ল। ঝাড়ুকৈয়ে কোনোবাই লেতেৰা কৰি গৈছে। তাৰ নিজৰ ওপৰতে খং উঠিল

কি পাপৰ ফলত সি এই জন্ম ধৰিলে ? ভাবিছিল মহাত্মাজীয়ে সিহঁতক পৰিত্ৰাণ কৰি গ'ল, কিন্তু ক'তা ? এতিয়া সেই ৰামো নাই অযোধ্যাও নাই, সকলো ফুটুকাৰ ফেন ।

কথাবোৰ ভাবি ভাবিয়েই সি জিৰণি কোঠালীটো চাফা কৰিলে আৰু ওলাই আহিল । আজি পঞ্চল্লিছটা বছৰে সিনো ক'ত ৰথী মহাৰথী দেখিলে আৰু ক'ত বক্তৃতা শুনিলে—কিন্তু, সিহঁতৰ জীৱনলৈ পৰিবৰ্ত্তন আহি ধৰা নিদিলেহি । টং টং টং । কাজি ৰঙা এক্সপেছ আহি পাবৰ হ'ল । সি কলটোৰ পাৰত ভৰি দুখন ধুলে আৰু বিড়ি এটা জ্বলালে । বিড়িটোত হোপাটো মাৰি সি দেখিলে, অগনন মানুহ ক'ৰ পৰা আহিছে, ক'লৈ যাব ? সেইবোৰ তাৰ বিচাৰ্য্য বিষয় নহয় । সিহঁতৰ মাত্ৰ জন্ম হৈছে, লেতেৰা উকতি-বলৈ । সেই বুলি তাৰ গাত ঈশ্বৰ নাইনে ? আছে । অসমত জন্ম হোৱা শঙ্কৰদেৱে বোলে কৈ গৈছে—কুকুৰ, শৃগাল সবাৰে আত্মা ৰাম ।

সি হাঁহিলে । সেই কথা কোনে মনত ৰাখিছে ? কিন্তু এটা কথা হলে সি ঠিক জানে তাক সেই কথা হৰগোবিন্দ বাবুয়ে কৈছিল "হেৰ' ভগৎ কাম কৰ । কৰ্ম্মই হে ধৰ্ম্ম বুজিলি ?" সি কাম কৰি আহিছে, ধৰ্ম্ম হৈছে নে নাই কিন্তু নাজানে ।

সি বিড়িটোত হোপা এটা মাৰি ভাবিলে-ধৰ্ম্ম কিয় হোৱা নাই ? হৈছে । নহলেনো তাৰ বিজয়াৰ গৰ্ভত তাৰ সন্তানে স্থিতি লয়নে ? অ', তাৰ মনত পৰি গ'ল, আৰুতো বেছি দিন নাই, এই মাহতে ডাক্তৰে তাইক তাৰিখ এটা দিছিল । কি তাৰিখ আছিল ? মাঘ মাহৰ ১৪ তাৰিখ । আজি কি তাৰিখ সিটো নাজানে, ঠিক ! অৰুণ বাবুয়ে জানিব, সি বিড়িটো দলিয়াই দিলে আৰু অৰুণৰ ওচৰলৈ দৌৰ মাৰিলে ।

—x—

( ৮ )

মমতাই পৃথিবীৰ পৰা বিদায় লোৱা তিনিমাহ হ'ল। মমতাৰ শেষ স্মৃতিকণা থকা শ্মশানখন চাবলৈ সুৰেন্দ্ৰৰ কেতিয়াবা মনটো ব্যাকুল হৈ উঠে, হিয়াখন কপি উঠে, মনটো বিজা বিজা লাগে। সি গৈ শ্মশানখন পালেগৈ আৰু বননি ডবাতে বহিলগৈ। তেতিয়া সন্ধিয়াৰ বেলিটোৰ শেতা ৰশ্মি জাকে গছৰ আগবোৰত পৰি ঠাই ডোখৰ মায়াপুৰি কৰি তুলিছিল। আবেলিৰ শেষ ৰ'দ জাকে যেন পৃথিৱীৰ মায়া এৰি যাব খোজা নাই। সি থৰ লাগি আকাশলৈ চাই থাকিল। দিনবোৰ সদায় আহিব আৰু যাব, কিন্তু তাৰ মমতা আৰু নাহে। হয়তো ক'ৰবাত জন্ম ল'লে, হয়তো নাই লোৱা। মমতাৰ আত্মাই কোনো দিনেই তাক আৰু আমনি নকৰেহি। তাৰ কিন্তু এবাৰ মমতাক লগ পাবৰ মন যায়। সপোনতে যদি এবাৰ দেখা পালেহেঁতেন। মমতা! — সি কেইবাৰমান মাতিলে। তুমি ছাগৈ ভাবিছা মমতা, মই মোৰ জীৱনটোক তুচ্ছ জ্ঞান কৰি অৰণ্যলৈ গুলাই নগলো কিয়? কিন্তু মই জানো মমতা, যি সকলৰ স্বপ্ন বাস্তৱত পৰিণত হোৱা নাই, তেওঁলোকেই পৃথিৱীত সুখী। সি এটা হুমুনিয়াহ কাঢ়িলে আৰু মমতাক পুৰি শেষ কৰা ঠাই ডোখৰ সি আকৌ এবাৰ চালে। যি গৰাকী নাৰীক অগ্নি সাক্ষী কৰি সি নিজৰ জীৱন সঙ্গীনি কৰি লৈছিল, সেই মমতাই তাক এৰি থৈ গুচি গ'ল। খেয়ালী মনৰ ছোৱালী আছিল মমতা। নিজৰ আকোৰ গোজ মনোভাবলৈয়ে সদায় থাকি গ'ল। তাৰ আদৰ্শ মমতাই গ্ৰহণ

[illegible]কৰিলে । তাৰ আদৰ্শ ? সি নিজকে এবাৰ আকৌ বিশ্লেষণ কৰিলে । তাৰ আদৰ্শ আছিল নিজৰ জন্মভূমিক ভালপোৱা কিন্তু মমতাই কি কৰিলে ? মমতাই তাৰ জন্মভূমিক কোনো দিন ভাল পাপালে । মনটো তাৰ চঞ্চল হৈ উঠিল । কিবা এটা [illegible] চিন্তা ভাবে তাক চঞ্চল কৰি তুলিলে । হঠাতে এচাটি বতাহে তাক চুই গ'ল । সি আকৌ বহিল । নাই সি আৰু নাভাবে ।

যি হব লগা আছিল হৈ গ'ল । মানুহে মৃত্যুকে শেষ বুলিওতো হাত সাৱটি বহি নাথাকে । ভোগেও মানুহক কেতিয়াবা আমুৱায় । জীৱনত পোৱা আৰু হেৰুৱাৰ কৈ হিচাব নিকাচ কৰি থাকোতেই এদিন মানুহৰ জীৱনৰ অৱসান ঘটে । সি থিয় হ'ল আৰু দূৰলৈ চাই পঠিয়ালে । বেলি ডুবিল । [illegible] শেষ ৰঙা বংশিনিয়ে শ্মশানৰ মাজত থকা শিমলুজোপাৰ আগত পৰি বাগুলী বৰণ ধৰিছে ।

সি চিগাৰেট এটা জ্বলাই ললে আৰু হুপি হুপি খোজ কাঢ়ি ঘৰৰ ফালে আগবাঢ়িল । মমতাৰ মোহে যেন তাক মোহাচ্ছন্ন কৰি তুলিলে । তাৰ মনত ভাব হ'ল জীৱন যুদ্ধত যেন তাৰ পৰাজয় হৈছে । নাই, নাই, সি কেতিয়াও পৰাজয় বৰণ নকৰে, যি জয়ী হবই লাগিব ।

জীৱনৰ 'সংগ্ৰাম' যেন আৰম্ভ হৈছেহে, তাৰ এনে ভাব হ'ল । সি বেগাই তাৰ কোৱাৰ্টাৰৰ ফালে খোজ দিলে ।

মাজ বাটতে সি ভগৎসিঙক লগ পালে । কি হ'ল ভগৎসিঙ ?

—সুৰেন্দ্ৰ বাবু, এটা খবৰ আছে ।

—কি খবৰ ?

—[illegible] এটা [illegible]ালী হৈছে ?

—ছোৱালী হৈছে !

—হয় বাবু, আজি-[illegible] ।

—বৰ ভাল কথা হৈছে ভগৎ। কথাষাৰ কৈ সুৰেন্দ্ৰ কপি উঠিল। তাৰ যেন ডিঙিটো শুকাই গৈছে, ভৰি দুটাৰ স্থিৰতা নাইকীয়া হৈছে, সি আৰু কথা কব নোৱাৰিলে। ভগৎসিঙে বুজিলে সুৰেন্দ্ৰবাবুৰ কি হৈছে। হয়তো মমতাৰে মনত পৰিছে, হয়তো মমতাৰ নিচিনা হয় বুলি ভয় খাইছে।

ভগৎসিঙ তাৰ ওচৰৰ পৰা গুচি গ'ল! সুৰেন্দ্ৰই ৰাস্তাৰ কাষতে কিছুসময় থৰ হৈ বৈ থাকিল। তাৰ মনত আনন্দ আৰু বেদনাই আহি দোলা দিলেহি। বিজয়াৰ ছোৱালী হৈছে, তেনেহলে সি আনন্দ কৰিব লাগে। সি বেগাই বিজয়াহঁতৰ ঘৰৰ ফালে খোজ দিলে।

সেইখিনি সময়তে আন্ধাৰৰ বগাবোৰ ঝিৰ ঝিৰকৈ পৃথিৱীলৈ নামি আহিছে। সি ভাবিলে, তাৰ ভাগ্যখনে কিজানিবা কণামুনাকৈ হলেও শিশুৰ কেকুৰা চুলিৰ মাজত সোমাই পৰে তেনেহলে কি হব? সি হাঁহিবলৈ চেষ্টা কৰিলে, তাৰ খোজৰ গতি প্ৰবল হ'ল। হৃদয়ত তাৰ কিহৰ যে হেন্দোলনী উঠিছে সি ধৰিবই নোৱাৰিলে।

সুৰেন্দ্ৰই কব নোৱাৰাকৈ গৈ বিজয়াহঁতৰ ঘৰৰ দুৱাৰ মুখ পালেগৈ।

—বাবু!

ভগৎসিঙে সুৰেন্দ্ৰক দেখি আচৰিত হ'ল— সুৰেন্দ্ৰ বাবু সিহঁতৰ ঘৰলৈ আহিছে?

—আহক সুৰেন্দ্ৰ বাবু! আহক! আমিতো গৰীব আছো, ক'ত বহিব?

ভগৎসিঙে তালৈ মূঢ়া এটা আগবঢ়াই দিলে। সুৰেন্দ্ৰই মূঢ়াটোত বহি সুধিলে—এতিয়া কচোন বিজয়া ভালে আছেতো? আৰু বাচ্চাটো?

—সব ঠিক আছে বাবু। আমাৰতো হস্পিতেললৈ নাযায়। ঘৰতে

বাচ্চা হয় ।
—ঠিক আছে, ঠিক আছে, এইয়া পইচা ল, বিজয়াক ভালকৈ খুৱাবি !

সুৰেন্দ্ৰই ভগৎসিঙক এশ টকাৰ নোট এখন আগবঢ়াই দিলে। ভগৎসিঙে নোটখন লবলৈ হাতখন আগবঢ়াই দি ক'লে— সুৰেণ বাবু ?
—অঁ ল ! মই তহঁতৰ একো নহয় নেকি ?
—কিয় নহয়, সুৰেণ বাবু ? আপুনিটো আমাৰে ল'ৰা আছে। আপুনি বহুত ভাল মানুহ আছে সুৰেণ বাবু।

সুৰেন্দ্ৰৰ সি কি ক'লে, শুনিবলৈ ধৈৰ্য্য নহল । সি মূঢ়াটোৰ পৰা উঠিল আৰু খৰখোজেৰে তাৰ পৰা আতৰি গ'ল। তাৰ মনতো যেন কিবা এটা আনন্দৰে ভৰি গ'ল । সি ভাবিলে ঈশ্বৰ তেনেহলে আছে। মানুহৰ অন্তৰত শান্তি দিবলৈ. শুভকাৰ্য্য সমাধান কৰিবলৈ এজন পৰম পুৰুষ আছে, যি জনে পৃথিৱী সুন্দৰ আৰু প্ৰাণময় কৰি তুলিছে। কিন্তু, মানুহ ? এই মানুহেই নিজৰ গন্তব্য পথত আগবাঢ়ি গৈ থকাৰ মাজতেই আনন্দ আৰু বিষাদৰ টোপোলাবোৰ বিচাৰি পাই, কিন্তু সুখী হব পাৰে জানো ? পৃথিৱীত অসুখী জীৱ এটাই, সেইটোৱেই কিজানি মানুহ।

এইবাৰ তাৰ হাঁহিবৰ মন গ'ল। হঠাতে যেন পৃথিৱীখনৰ পৰিবৰ্ত্তন ঘটিল । ওপৰ পৃথিৱীলৈ এজাক সুখৰ বৰষুণ নামি আহিল। তাৰ মনত এনে ভাব হ'ল—O ! the joys, that come down shower like !

—x—

পুৰাৰ ৰ'দ আকে বিজয়াইহঁতৰ চোতালখন জলমলাই তুলিলে। বিজয়াই কেচুৱাটো কাপোৰেৰে মেৰিয়াই ভগৎসিঙৰ কোলাত দি কলৰ পাৰত বাচন ধুবলৈ গ'ল। চাওঁতে চাওঁতে কেচুৱাটোৰ এমাহেই হ'লছি। তাই বাচন মাজি থকাৰ পৰ, সুৰেন্দ্ৰক অহা দেখি আচৰিত হ'ল। কলৰ পাৰতে বাচনখিনি এৰি তাই দৌৰ মাৰি সুৰেন্দ্ৰৰ ওচৰ পালেগৈ, — আহ। সুৰেন্দ্ৰ বাবু!

—আৰে, শুনৰে সুৰেন্দ্ৰ বাবু আহিছে। তাই ভিতৰলৈ চাই ভগৎসিঙক চিঞৰি মাতিলে। ভগৎসিঙে টাৱেল এখনেৰে কেচুৱাটো লৈ ওলাই আহিল। বিজয়াই সুৰেন্দ্ৰক নতুনকৈ অনা বেতৰ চকী এখন উলিয়াই দিলে।

—মই নবহোঁ দে বিজয়া, তোৰ ছোৱালীটো চাবলৈ বৰ মন গ'ল। সেই কাৰণে গুচি আহিলো।

—নাই, অলপ বহিব লাগিব।

সুৰেন্দ্ৰ বহিল। ভগৎসিঙে কেচুৱাটো লৈ ওচৰতে মুঢ়াটোত বহিল। সুৰেন্দ্ৰই তাৰ মুখলৈ চাই হাঁহিলে। ভগৎসিঙে লাজ কৰি ক'লে—আপে বাবু, বচ্চুত দিগ্দাৰ কৰে অ'।

তাৰ লাজটো বুজিব পাৰি সি তৎক্ষণাৎ ক'লে—দিগ্দাৰ কিয়ই, অকমান শিশু।

—বাবু, শিশুৱেই ভাল, যাৰ জাত-পাত নাই. ভাল বেয়া একো নুবুজে।

—তই ঠিকেই কৈছ ভগৎসিঙ। শিশুৰ কোনো জাত-পাত নাই, কিন্তু ডাঙৰ হ'লে সিয়েই জাত-পাতৰ বিচাৰ লয়। উচ্চ-নীচৰ বিচাৰ লয়, সমাজৰ চাকনৈয়াত পৰি সিও হৈ পৰিব সমাজৰ এক জাত-পাতৰ প্ৰতিনিধি।

বিজয়া আহি সুৰেন্দ্ৰলৈ চাই ক'লে—আৰে সুৰেন্দ্ৰ বাবু বহুত লেক্‌চাৰ মাৰিছ, পিছে ক্লাবলৈ গৈছনে নাই। আৰু মই ?

—চুপকৰ বিজয়া! তই সেইদিনা কৈছিলি মহয়া ক্লাব ঘৰত জুই দিবি, তেতিয়াৰ পৰাই নাই নাযাওঁ। পিছে বিজয়া এটা কথা—

—কি বাবু ?

—তই মোক সুৰেন্দ্ৰ বাবু বুলি কিয় মাত ? মইতো বেলৰ কোনো চাকৰি নকৰোঁ। মই জানো বাবু ?

—তেনেহলে কি বুলি মাতিম ? বিজয়াই আচৰিত হৈ ডাঙৰ কৈ চকুহাল মেলি তালৈ চালে।

—ককাইদেউ।

বিজয়াই খুউব হাঁহিলে—তাই কবলৈ চেষ্টা কৰিলে—ক—কাই—দেউ।

—হ'ব দে ককাইদেউ কবি।

বিজয়াই হাঁহি হাঁহি ক'লে নকওঁ, মই ভাইজী কম।

—বাক হ'ব দে, তোৰ যি মন যায় কবি। সঁচাকৈয়ে বিজয়া তই মোৰ এজনী ভনী হলি, তোৰ ছোৱালীজনীয়ে মোক মামা বুলি মাতিব। বচ্‌ হৈ গ'ল।

বিজয়াই সুৰেন্দ্ৰৰ মুখলৈ ৰ লাগি চাই থাকিল। বিজয়ালৈ চাই সুৰেন্দ্ৰই ক'লে—মই ট্ৰেইনিঙত যাম বুলি ভাবিছোঁ।

—ট্ৰেইনিং ? কিহৰ বাবু ?

ভগৎসিঙে সুৰেন্দ্ৰলৈ চালে।

—ড্ৰাইভাৰৰ ট্ৰেইনিং। ডিজেল ইঞ্জিনৰ।

- কি কৈছে সুৰেন্দ্ৰ বাবু, ইমান শিক্ষা-দিক্ষালৈ ড্ৰাইভাৰ হ'ব ? বিজয়ায়ো তাৰ লগতে মুৰ জোকাৰিলে।

—ড্ৰাইভাৰ বেয়া কাম নেকি ভগৎসিঙ ? কি হ'ব ড্ৰাইভাৰ হলে ?

ভগৎসিঙ মনে মনে থকা দেখি সুৰেন্দ্ৰই পুনৰ ক'লে—নহয় ভগৎসিঙ নহয়। ৰেলৰ ড্ৰাইভাৰ বেয়া কাম নহয়। এইটোহে আচলি কাম বুজিলি। আৰু আমিয়েই যদি এইবোৰ কাম নকৰো, তেনেহলে কোনে কৰিব ? মন কৰিছনে ভগৎসিঙ আজি ৰেলত কেইটা শিক্ষিত ড্ৰাইভাৰ আছে ? সেইকাৰণে আমি ৰেলগাড়ী চলাবই লাগিব। হাজাৰ হাজাৰ যাত্ৰীক আমি কঢ়িয়াই লৈ যাম, কিমান ভাল লাগিব ! বুজিছ ভগৎসিঙ, অসমত যদি মোৰ দৰে দহটা ডেকা ল'ৰাই ৰেল গাড়ীৰ ড্ৰাইভাৰ হয়, তেনেহলে অসমৰে কল্যাণ হ'ব। অসমৰ সোণ, কোনেও লুটি নিব নোৱাৰিব।

—বাবু, কথাটো ঠিকেই, কিন্তু আপোনালোকৰ ল'ৰাবোৰে সৰু সৰু কামবোৰ শিকিবলৈ নাহে।

—তই ঠিকেই কৈছ, ভগৎসিঙ। সেই কাৰণেই আজি অসম দেশৰ এনে অৱস্থা হৈছে। নিজৰ দেশতে আমি বিদেশী হ'ব লগা হৈছোঁ। সৰু সৰু কাম হাতত নললে আমি মৰি যাম ভগৎসিঙ।

সুৰেন্দ্ৰই কথাবোৰ কৈ কৈ একেচাৰে উঠিল আৰু গুচি গ'ল। সি যোৱাৰ ফালে বিজয়া আৰু ভগৎসিঙে চাই ৰ'ল। তাইৰ চকু দুটা পানীৰে উপচি পৰিল। দিনে নিশাই মদ খাই জুৱা খেলা মানুহটোৰ আজি কি হ'ল ?

বিজয়া বজাৰ পাৰলৈ গ'ল আৰু আধা খোৱা কাঁহি বাতি খিনি ধুই আনি ভিতৰত থৈ ভগৎসিঙৰ ওচৰত বহিলহি। সিহঁতে দেখিলে সুৰেন্দ্ৰ আকৌ ফিৰি আহিছে।

আৰে বিজয়া, কথা এটা পাহৰি গলো। জোৱালীটোৰ গ্ৰাম কি দিলি ?

—পায়েল ।

—পায়েল, পায়েল, খুউব বঢ়িয়া নাম দিলি অ' বিজয়া। বৰ সুন্দৰ নাম দিলি, কিন্তু এই পায়েলৰ ঝঙ্কাৰ এদিন মানুহে শুনিবই লাগিব।

—ঠিক আছে ভাইজী, তই চিন্তা নকৰিবি ।

বিজয়াই ভগৎসিঙৰ কোলাৰ পৰা কেচুৱাটো লৈ গালখনত তাইৰ নিজৰ মুখখন লগাই দিলে ।

সুৰেন্দ্ৰই মাক আৰু জীয়েকলৈ এবাৰ চালে আৰু সিহঁতৰ ঘৰৰ পৰা ওলাই পদূলী মুখ পালেগৈ। কিয় জানো বিজয়াৰ ছোৱালী জনীৰ মোহে তাৰ মন আকাশখন আবৰি ধৰিছে। হয়তো নিজৰ কণমানি সন্তানটি হেৰুৱাৰ বেদনাই তাক এনে কৰিছে। পানীত পৰা মানুহে খেৰ-কুটা এডাল ধৰিয়েই বাচি থাকিবলৈ যেনেদৰে চেষ্টা কৰে সুৰেন্দ্ৰৰো সেয়ে হৈছে। বিজয়াই ছোৱালীজনী চাই চাই সি কিজানি বাচি থাকিব পাৰেই।

সি পদূলী মুখৰ কাঞ্চন জোপাৰ পৰা ফুল এটা চিঙি ল'লে। মৃদু গোন্ধ এটাই তাক চুই গ'ল। তাৰ মনটো হঠাতে ভাল লাগি গল -

ঝক ঝক ৰেল চলে মোৰ

ৰেল চলে,

সাম্য বিলিয়াই— শান্তি উকিয়াই

ৰেল চলে ।

গানটো গুণগুণাই গৈ থাকোতে, সি দেখিলে শ্যামলাল আহি আছে ।

—নমস্কাৰ সুৰেন্দ্ৰ বাবু !

—নমস্কাৰ ! পিছে তোমালোকৰ স্কুল কেনে চলিছে ?

— কেনে চলিব বাবু, স্কুললৈ ল'ৰা-ছোৱালী নাহেই ।

—হয় নেকি ? এইটো বৰ বেয়া কথা হৈছে। ল'ৰা-ছোৱালী নাহিলে কেনেকৈ হব ? আনিবলৈ চেষ্টা কৰিব লাগিব।

—এইতো সদায় কৈ আছোঁ। কিন্তু কি হ'ব, একো কামত অহা নাই, বাবু!

—বাক হ'লাচোন, তোমাৰ স্কুলখন চাই আহোঁ।

হৰিজন কলনিৰ মাজত এটা সৰু স্কুল ঘৰ। এইটো ঘৰ বনোৱা প্ৰায় দহবছৰ মানেই হ'লছি। কোনোবা বজা হোৱাৰ আশাতে বন্দী হৈ স্কুল ঘৰটো নিৰ্ম্মাণ কৰি দিছিল। বজাক তোষামোদ কৰিবলৈ কোনোবা পালি-পহৰীয়াই ছয় খোৰ মান বেঞ্চ বনাই দিছিল। কিন্তু সেই যি বনোৱা হ'ল, তাৰপৰা আৰু চুন তেল দিয়া হোৱা নাই আৰু কোনেও ভুমুকিয়ে চোৱাহি নাই। দৰমহাটো অৱশ্যে মাষ্টৰে পাই থাকে। খিৰিকি দুখন ভাঙি তললৈ পৰি আছে। বেঞ্চবোৰত আখৰ নবহে। মাষ্টৰ বহা চকীখনৰ এডাল ঠেঙেল নাই। চাৰিওফালে আৱৰ্জনা। হাবি জঙ্গলেৰে পৰিপূৰ্ণ।

সুৰেন্দ্ৰ হতাশ হ'ল। তাক যোৱা দেখি দহটা মান ল'ৰা-ছোৱালীয়ে হাউযোৰ কৰি থিয় হ'ল। সুৰেন্দ্ৰ আগবাঢ়ি গ'ল, ৰেজিষ্টাৰ বহীখন চাই দেখিলে, তাত পঞ্চাশজনমো বেছি নাম আছে।

শ্যামলাল মাষ্টৰে তললৈ মূৰ কৰিলে।

—সচাঁ কথা কোৱা শ্যামলাল, আচল ঘটনাটো কি?

—বাবু, নামবোৰ এনেয়ে লিখি থৈছোঁ, কাৰণ নাম নাথাকিলে স্কুল উঠি যাব আৰু ময়ো দৰমহা নেপাম।

—অ' সেই কাৰণে হবলা তুই নম্বৰী ধান্দা লগাইছা। মাষ্টৰ হৈ দুৰ্নীতিত নামিছা?

- ৬০ (ষাঠী) টকাকৈ অহা ক'লাৰশ্বিপৰ টকা কি হ'ল? কাক কাক দিলা? শ্যামলালৰ মুখখন বিবৰ্ণ হৈ পৰিল।

ল'ৰা বিলাকে ভয়তে কঁপিবলৈ ধৰিলে। এনেয়ে সিহঁতে সুৰেন্দ্ৰক দেখিলে ভয় খাই।

— এই, ভইঁতৰ চৰ্দাৰক মাতি আনগৈ।

ল'ৰাবিলাকৰ মাজৰ পৰা এটা ল'ৰা লাইনলৈ দৌৰি মাৰিলে। অলপ সময়ৰ পাচতে লাইনৰ চৰ্দাৰ ঢেকা মদনলাল সুৰেন্দ্ৰৰ ওচৰ পালেহি। ওখ-পাখ, মজবুত চেহেৰাৰ মদনলালক দেখি সুৰেন্দ্ৰই ক'লে—তহঁতৰ স্কুলৰ অৱস্থা এইটো হৈছেগৈ, তহঁতে দেখা নাই? চৰ্দাৰ হৈছ?

-- কি কৰিম বাবু, এইচব লোকে একদম কথা নুশুনে, ক'লেও নামানে।

—আচ্ছা, তই লাইনত শুনাই দিবি দেওবাৰে দহ বজাত লাইনৰ চাৰিওফালে চাফা কৰিব লাগিব —আৰু চাফা কৰিবলৈ মই নিজে আহিম বুজিলি?

— হয় বাবু! মই আজি ৰাতি সকলোকে কৈ দিম।

—শ্যামলাল তুমি বিহাৰৰ পৰা আহিছা, শিক্ষকতা কৰিছা, ভাল কথা। কিন্তু চাধা, শিক্ষকতাৰ নামত ভণ্ডামি নকৰিবা। এইবোৰ ভাই ভনী বুলি ভাবিবা, আৰু স্কুলাৰশ্বিপৰ টকাৰ হিচাপ অতি সোনকালে দিবা!

— সুৰেন্দ্ৰ গুচি গ'ল, যাওতে বাটে বাটে ভাবি গ'ল সিও বহুত দিন অন্ধাৰত খেদিলে। জুৱা খেলিলে, মদ খালে, লেক্‌চাৰ মাৰিলে, বাজাই-ঘাটে মানুহ পিটিলে। হাতে-কামে একো কাম নকৰিলে।

তাকে নকৰি যদি কিছু কামকে কৰিলেহেঁতেন? অনুশোচনাৰে তাৰ দেহমন আচ্ছন্ন কৰি তুলিলে।

সি দূৰলৈ চালে— নাই নাই এতিয়াও তাৰ হাতত বহুত সময় আছে, বহুত সময়॥

—×—

—আৰে বাবুৱা, আৰে শ্যামলাল, হীৰালাল, জানকী দিপালী আহুৰে ! জলদি কৰ, ভাইজী আগিয়া ।

বিজয়াই সৌহাতৰ ওপৰেদি শাৰীখন আনি বুকুখন ঢাকি ঢুকি কৰালত শাৰীৰ আগটো খুচি ললে ।

—হাঁ ! হাঁ ! হ্বামলোক আগিয়া ।

হাতত ঝাক লৈ জানকী, বিজয়াহঁতে সিহঁতৰ কলনিৰ ভিতৰত থকা গলিবোৰ চাফা কৰিবলৈ লাগি গ'ল । শ্যামলালহঁতে হাতত কোৰ লৈ দ'মাই থোৱা লেতেৰা জাবৰৰ দ'মটো কাটি কাটি দূৰত পেলালেগৈ । কাগজ, ফাটা কানিবোৰ বিজয়াহঁতে বাঢনিৰে সাৰি সাৰি পাচিৰে দূৰত পেলাই দিলে । গাহৰি পোহা গৰালৰ চাৰিওকাষে পৰি থকা ভাতৰ দানাবোৰ মদনলালে ল'বা মখাক লগাই দি চাফা কৰিলে ।

অৰুণ আৰু সুৰেন্দ্ৰয়ো হাতত ঝাকলৈ চাফা কৰিবলৈ গ'ল । মদনলাল, শ্যামলালহঁতে সুৰেন্দ্ৰহঁতৰ হাতৰ পৰা ঝাক ডাল কাঢ়ি ললে ।

ল'ৰা-ছোৱালী বিলাকে আনন্দতে নাচি-বাগি স্কুলঘৰ চাফা কৰাত লাগি গ'ল ।

ক্ষন্তেকৰ ভিতৰতে হৰিজন ক'লনিৰ চোতালতে ভাত খাব পৰা হৈ গ'ল । সকলো কাম শেষ কৰি সিহঁত সকলোবোৰ কলনিৰ ভিতৰতে থকা বিৰাট আহঁত গছজোপাৰ তলতে বহিল গৈ আৰু অম্বিকা চিঞৰিবে ক'লে—বুজিছ, বিজয়া, লক্ষ্মী,—আমি সকলো বাই

জনী, কিন্তু আচল কথা কি জান ? পৰিষ্কাৰ পৰিচ্ছন্নতা। নিজৰ স্বাস্থ্যৰ কাৰণেও পৰিষ্কাৰ হৈ থকা ভাল। তহঁতৰ ল'ৰা-ছোৱালী বিলাক স্কুললৈ যাব লাগে, পঢ়িব লাগে, তেহে অজ্ঞানতা দূৰ হব, নহয়নে বাৰু ?

সিহঁতে বহি কথা পতা সময়তে সুৰেন্দ্ৰ, মদন লালহঁত সিহঁতৰ ওচৰলৈ আহিল। দেখিলি কিমান সুন্দৰ হ'ল ? আজিৰ পৰা এইদৰে পৰিষ্কাৰ কৰি ৰাখিবি, তহঁতক কোনে ঘিণ কৰিব ?

—হয়, হয়! আমি সকলোৱে কলনি চাফা কৰিম, ল'ৰা-ছোৱালী স্কুললৈ পঠাম। কিন্তু বাবু ইয়াত মদৰ আড্ডা হয়, মদ বিচাৰি চহৰৰ গণ্য-মান্য ব্যক্তি আহি ৰাতি ভিৰ কৰেহি।

লচমীৰ কথা শুনি সুৰেন্দ্ৰ বহাৰ পৰা উঠিল—মদনলাল! তহঁতে কলনিত মদ বেচা বন্ধ কৰি দে। তহঁতৰ তাতে ৰাতি মদ খাব, দিনত তহঁতকে ঘিণ কৰিব।

—সঁচা বাবু, আজিৰ পৰা চুলাই বেচা বন্ধ কৰি দিম। মদনে চিঞৰি ক'লে।

কাম শেষ কৰি অৰুণ, সুৰেন্দ্ৰ আৰু অম্বিকা নিজৰ নিজৰ ঘৰলৈ গ'ল। বাটত যাওঁতে সুৰেন্দ্ৰই অম্বিকাক ক'লে—বুজিছা অম্বিকা! এই বিলাক হৈছে মহিলাৰ কাম। সমাজৰ সেৱা মহিলাই হে আগবঢ়াব লাগে। মহিলাই হৈছে জনতাৰ শক্তি। শক্তিৰূপিনী মা! অম্বিকাই হাঁহিলে আৰু আগবাঢ়ি গৈ থাকিল।

—x—

# ( ১১ )

সময়ৰ খটখটিত পায়েলৰ তিনিমাহ পাৰ হ'ল। হ'াহিছে, কলকলাইছে। বিজয়াই পাটি এটা পাৰি পায়েলক এৰি দি ওচৰতে বহি চোলাটো চিলাই আছে। এবাৰ তাই উবুৰি হৈ অকমান সময় থাকি কান্দিবলৈ ধৰিলে। বিজয়াই তাইক পাটিখনৰ পৰা তুলি লৈ মুখখনলৈ চালে, কিমান মৰম লগা তাইৰ মুখখন, সেই কাৰণে সুৰেন্দ্ৰই পায়েলক হয়তো মৰম কৰে। সি পায়েলক মৰম কৰা কাৰণে কিছুমানে হিংসাও কৰে। কৰক, তাই ভয় নকৰে। পায়েল ডাঙৰ হলে সুৰেন্দ্ৰই ডাঙৰ স্কুলত পঢ়াব বুলি কৈছে। নাম ভৰ্তি কৰোঁতে স্কুলৰ ডাঙৰ মেডামে ছাগে কি ভাবিব ? হাজাৰ হওক সিহঁত গৰীব হৰিজন। সিহঁতৰ লগত থাকি পায়েল কি ডাঙৰ মানুহ হব ? তায়ো সিহঁতৰ নিচিনাকৈ কাম কৰিব লাগিব. ৰাস্তাঘাটত ঝাৰু লগোৱা, পাইখানা চাফা কৰা। —নাই - নাই তাই পায়েলক এইবোৰ কৰিবলৈ নিদিয়ে ? তাইৰ বুকুখন পুৰি গ'ল, কিন্তু তাই কৰিব কি ? তাই পায়েলক তুলি সাৱটি ধৰিলে।

—আৰে বিজয়া দিদি কি কৰি আছ, ডিউটিলৈ নাযাৱ নেকি ?

—যাম, কিন্তু পায়েলক ৰখাব কোনে ?

—কিয় ভগৎসিঙ ?

—অহাই নাই।

—এই আৰো মজ্জৰ। এতিয়া মোৰ ডিউটি নাই। তই কিয় চিন্তা

কৰিছ ? ভই যা। মদনলালে একেকোবে পায়েলক কোলাত তুলি ললে আৰু গাবলৈ ধৰিলে—

"মেঘা স্বপ্নকো

ৰাণী মেৰা আয়েগতো" মদনলালে তাইক লৈ ঘূৰি ঘূৰি নচা দেখি বিজয়াই খিল্ খিলকৈ হাঁহি দিলে। তাইৰ বুকুখন পাতল লাগিল। বিজয়াই ভিতৰলৈ সোমাই গৈ বেলেগ শাৰী এখন পিন্ধি হাতত ঝাকুভাল লৈ ষ্টেচনৰ ফালে খোজ দিলে।

দীঘল নালৰ ঝাকুডালৰে ভাই পোন হৈ প্লেটফৰ্মত থিয় হ'ল। মূৰত উৰণিখন দীঘলকৈ টানি বুকুখন শাৰীখনেৰে ঢাকি আৰু ডালেৰে লাহে লাহে বিস্কুটৰ কাগজ, চিগাৰেটৰ বাহবোৰ সাৰি সাৰি গৈ এঠাইত গোটালেগৈ।

বিজয়াক দেখি ভগৎসিঙ দৌৰি তাইৰ ওচৰলৈ আহি সুধিলে— পায়েলক কাৰ ওচৰত থৈ আহিছ ?

—মদনলালে লৈ গৈছে।

—কিয় মই যোৱালৈ বাট নেচালি ? তাইক লোকৰ হাতত দি আহিলি যে। তাৰ থং উঠিল ইমান বছৰৰ মূৰত এটা সন্তান, সি যেন বুকুৰ পৰা এৰিয়েই নিদিব।

সি বেগা-বেগিকৈ ঘৰলৈ গ'ল। ঘৰখন যেন একেবাৰে আন্ধাৰ, পায়েল নাই, বিজয়া নাই। পায়েল সকলোৰে ৰাণী হৈ পৰিছে। সুৰেন্দ্ৰ বাবুয়ে পায়েলক যে সজাইছে আৰু — হওক, সুৰেন্দ্ৰ বাবুৰ অন্তৰ বিছু ঠাণ্ডা পৰিলেই হ'ল। চৰ কিছু হেৰুৱাই সুৰেন্দ্ৰ বাবু একদম পাগলা হৈ গৈছিল। কিন্তু সি দেখিছে, পায়েল হোৱাৰ পৰা সুৰেন্দ্ৰ বাবুৰ মেজাজ কিছু ঠাণ্ডা হৈ গৈছে। সি মনতে ভাবিছিলে—সংসাৰতো কি আছে—? কোনেনো কাৰ আপোন। তুমিহঁতৰ কাৰণে আমি নকলো আছিলোঁ, আকৌ শুভি বাৰ আছিলো— তাৰ বুকুখন চিৰিংকৈ উঠিল। নাই-নাই-এইটো হব নোৱাৰে, সি

সময়ে, পায়েল বুঢ়ি হোৱালৈকে সি তাইক বুকুতলৈ জীয়াই থাকিব। বিজয়া সুখী হৈছে। আজি কালি পায়েলক লৈয়ে বিজয়া ব্যস্ত হৈ থাকে। মুঠতে, পায়েলক লৈয়ে যেন সিহঁতৰ পৃথিৱীখন ঘূৰিব লাগিছে।

সি বহাৰ পৰা থিয় হ'ল আৰু কলৰ পাৰলৈ গৈ আপোন মনে গা-ধুবলৈ বহিল। কলৰ ওচৰতে ড্ৰামটোত থৰি যোৱা পানী আমোলৰ টিনটোৰে একেবাহে মূৰত ঢালি দিলে! তাক সেইদৰে পানী ঢালি থকা দেখি ওচৰৰ লাইনৰ ওপৰেদি গোদাম বাবু কনপায়ে মাত লগালে—

—হেৰৌ ভগৎসিঙ! বৰ দেখোন পানী ঢালিছ, বোলো গৰম উঠিছে নেকি?

—নহয় বাবু, কামৰ পৰা আহিছো।

—এৰা, এৰা ভালকৈ চাফা হৈ থাকিবি। আজিকালি সুৰেণ বাবু ঘনাই আহে নহয়। সেই বৰলাটোৱে অলপ সুখ পাওক দে তোৰ ছোৱালীটো চাই। কণপায়ে এটা বিভৎস হাঁহি মাৰিলে।

—তেনেকৈ নকব বাবু, সুৰেন্দ্ৰ বাবু খুউব ভাল মানুহ আছে।

—হেৰৌ' কেনেনো কৈছে তোক বেয়া বুলি। বোলো—চাই চাই বুলিবি বাট, জীৱনৰ বাটতে আছে খলা বমা পিচলি পৰিবি তাত।

—হঁা কি ক'লে কণপাই বাবু?

—এহ্ কৈছো দে, 'ওই বুজিব নালাগে থাক দে ঈশ্বৰৰ কৃপাত তোৰ ছোৱালী হৈছে ভাল পাইছো, তুলি তালি ডাঙৰ কৰ। যাওঁদে, বুজিলি ইফালে আকৌ সিজনীৰ টান নবিয়া হৈছে — বোলো আহিবি চোন!

'ভগৎসিঙ কণপাই 'বোৱাৰ' ফালে ৰ'লাগি. চাই থাকিল। সুৰেন্দ্ৰ বাবুৰ কথা' সি কি 'কৈ গ'ল? —অ' ভাৰ ভালৈ আছে, কাৰণে, সিহঁতে বেয়া পাইছে।' এৰা, ইমান ঘনাই 'আহিলে মানুহে'

বেয়া কৰই, ইকালে বিজয়াতো একদম যোৱান আছে। থোং সি এইবোৰ কি ভাবিছে ?

ৰেলৰ লাইনেৰে ৰেলবোৰ অহাযোৱা কৰা দেখি তাৰ নিজকেই এখন ৰেল যেন লাগিছে। যাত্ৰী নোহোৱা এখন যেন উদং ৰেল গাড়ী।

কিছুসময় সি তাতে থৰ হৈ থাকি গামোছাখনৰে গাটো মচি মচি ভিতৰলৈ সোমাই আহিল। ডাং ডাঙত কাপোৰ বোৰ চাই চাই সি এখনো চাকা চুৰিয়া নেদেখি, তাৰ মেজাজটো গৰম উঠি গ'ল। চাল্লা! ছোৱালী পাই একদম পাগলী বনি গৈছে। ডাঙৰ মানুহৰ মাইকীৰ নিচিনাকৈ থাকিবলৈ লৈছে।

কণপাই বাবুয়ে ঠিকেই কৈছে এই মাইকী জাতিটো বৰ বেইমান আছে বে, তাৰ বৰ খং উঠিল গ'ল, আৰু গামোছাখন কান্ধত পেলাই বাহিৰলৈ ওলাই গ'ল। মদনলালে যে পায়েলক লৈ গৈছে, সেই কথা সি পাহৰিলেই।

কিছুসময়ৰ পাচত বিজয়া ডিউটিৰ পৰা আহি ঘৰত ভগৎসিঙ আৰু পায়েলক নেদেখি আচৰিত হ'ল। তাই পোনে পোনে মদন লালৰ ওচৰলৈ গ'ল। তাত গৈ দেখে লচমীয়ে পায়েলক লৈ আছে। আৰে' ইয়াঁলে পায়েলৰ বাবা অহা নাই নেকি ?

—নাইতো! লচমীয়ে আচৰিত হৈ বিজয়ালৈ চালে। —আৰে, ক'লৈ গ'ল ? বাৰু পায়েলক দে-মই লৈ যাওঁ।

বিজয়াই পায়েলক বিচনাত শুৱাই থৈ কাপোৰ কানি সলাই ললে।

—বিজয়া !

—আৰে ! ভাইজী ?

—অঁ ময়ে, পায়েল ক'ত ?

—সোৱা বিছনাত খেলিছে।

সুৰেন্দ্ৰই সৰু ঘৰটোলৈ চাপৰি সোমাই গ'ল আৰু লেমৰ

পোহৰত পায়েলক চাবলৈ চেষ্টা কৰিলে-পায়েলৰ মুখখন যেন ঠিক মমতাৰ নিচিনা হৈছে। তাৰ মনটো কিবা লাগি গ'ল। অৱশ্যে হবও পাৰে, কাৰণ মমতাৰ লগত অনবৰতে বিজয়া লাগি আছিল।
—আৰে ভাইজী, একদম কথা বন্ধ কৰি দিলি।
—নাই অ' পায়েলক চাইছো তাই হাঁহিছে।
—অঁ, হাঁহিছে. কলকলাইছে আৰু দুদিন মানৰ পিচত তোক মাতিব।
—হয় নেকি ?
—কি বুলি মাতিব ?
—মামা। ছুয়োটাই হাঁহি দিলে।
—বাৰু বিজয়া, এটা কথা কবলৈ আহিলো। মই কালিলৈ লক্ষীম-পুৰলৈ যাম। অৰুণৰ ঘৰলৈ। সিহঁতৰ বিছু হব নহয়, অৰুণে লগ ধৰিছে' সিহঁতৰ বিছু বোলে বৰ ভাল হয়। ভগৎসিঙ ক'ত ?
—নাজানো ক'ত গ'ল।
—বাৰু তোক কৰি অলপ ফুৰি আহো', বহুত দিন ঘৰত সোমাই থাকিলো অ' বিজয়া ! —ভাল হৈছে দে। তই যা ফুৰি আহগৈ। মনটো অলপ ভাল লাগিব। কিমান দিন তই তাত থাকিবি ভাইজী ? তই নাথাকিলে যে আমাৰ লাইন শূণ্য হৈ যাব।
—হব কেইদিন মান। মদনলালহঁতক মই কৈ আহিছোঁ, আগৰ নিচিনাকৈয়ে সিহঁতে কাম কৰি যাব। মই আহিলো বিজয়া।
সুৰেন্দ্ৰ ওলাই গ'ল। বিজয়াৰ হিয়াখন কিবা এটা বেদনাই খুন্দা মাৰি ধৰিলেহি। সেয়া কিহৰ বেদনা তাই কিন্তু বুজি নেপালে।

— × —

# ( ১২ )

অৰুণাচল এক্সপ্ৰেছ। দ্বিতীয় শ্ৰেণীৰ দবা এটাত সিহঁতে ছুটা বহি ললে। ৰেলখন চলিবলৈ আৰম্ভ কৰাৰ অলপ পাচতে সুৰেন্দ্ৰই কাঠৰ বেঞ্চখনতে বিচনাখন পাৰি ল'লে আৰু শুই পৰিল। সাত সাগৰৰ ভাগৰে যেন হঠাতে তাক হেঁচি ধৰিলেহি। ৰঙিয়া ষ্টেচনৰ পৰা এটা বাতি গৈ পিচদিনা দুপৰীয়া বাৰটামান বজাতহে উত্তৰ লক্ষীমপুৰ ষ্টেচন পাবগৈ। সি এটা স্বস্তিৰ নিঃশ্বাস পেলালে আৰু চকুহুটা মুদি দিলে। ৰেল চলিল।

গোটেই নিশাটো কেনেকৈ পাৰ হ'ল সি গমকে নাপালে। ৰাতিপুৱা যেতিয়া সি সাৰ পালে অৰুণ তেতিয়া ওচৰৰ বেঞ্চখনত শুই আছিল। সি নিশ্চয় দেৰিকৈ শুইছে। সুৰেন্দ্ৰই তাক নজগালে। ৰেলৰ খিড়িকিৰে মুকলি পথাৰবোৰ আৰু পাহাৰৰ গাতে লাগি থকা ডাঠ বননি আৰু পাহাৰৰ লানি দেখি তাৰ মনটো মুকলি লাগিল। পুৱাৰ কোমল ৰ'দ কাচলি আছি ইতিপূৰ্ব্বে পৃথিৱীত পৰিছিলহি। নিমিষতে তাৰ চিন্তা ভাৱনা, হৃদয়ৰ বেদনা অন্তৰতে নাইকিয়া হ'ল। সি মনতে গুণগুণালে—

কি জানি কি হ'ল আজি
জাগিয়া উঠিল প্ৰাণ
দূৰহতে শুনি যেন
মহা সাগৰেৰ গান॥

নতুনকৈ আকৌ এটা চিগাৰেট জ্বলাই ললে সুৰেন্দ্ৰই।

তাৰ মানসপটত ভাঁহি উঠিল অতীতৰ কিছুমান আধা ডুখৰিয়া ছবি। সি জন্ম হৈছিল, লক্ষীমপুৰৰ সৰু কোৱাৰ্টাৰ এটাত। তাতেই সি ডাঙৰ দীঘল হৈ প্ৰাইমাৰী স্কুল পঢ়া শেষ কৰি লক্ষীমপুৰ হাইস্কুলত পঢ়িছিল। তাতে সি লগ পাইছিল—আজিৰ বন্ধু অৰুণক।

সৰুৰে পৰা একেলগে খেলিছিল, একেলগে ফুৰিছিল, একেলগে খাইছিল আৰু মাজে মাজে অৰুণহঁতৰ চাংঘৰত থাকি বৰা চাউলৰ জুতি লৈছিল গৈ। বহুত দিন হ'ল, সি সেইবোৰ কথা পাহৰিয়েই আছিল। ধুনীয়া মৰম লগা অতীত এটা বিস্মৃতিৰ গৰ্ভত হেৰাই গৈছিল। কিন্তু অতীত জানো হেৰাই ?

সিহঁত মেট্ৰিক পাচ কৰাৰ পিচত লামডিঙলৈ বদলি হৈ আহিছিল আৰু তাৰ বন্ধু মিচিং ডেকা অৰুণ হৈ পৰিছিল ৰেল গাড়ীৰ টিকেট চেকাৰ। সি এটা হুমুনিয়াহ কাঢ়িলে আৰু কিছুসময় তলকা মাৰি চিগাৰেটটো মনোযোগেৰে হুপিবলৈ ধৰিলে।
ৰেলৰ ঘৰ্ঘৰণিটো তাৰ বৰ ভাল লাগিল। সি তাৰ মৰমৰ মিচিং গাওঁখনলৈ আহিছে—য'ত তাৰ শৈশৱৰ সোণালী দিন বোৰৰ এৰাব নোৱাৰা সম্বন্ধ আছে। সোৱণশিৰি পাৰতে থকা সিহঁতৰ গাওঁখনৰ নাম আছিল সোণাতলি।

মিচিং সকল বহুতদিন পাহাৰত বসতি কৰাৰ পাচত জনসংখ্যা বৃদ্ধি হোৱাত ক্ৰমান্বয়ে ভৈয়ামলৈ নামি আহিছিল। সিন্ধু নদীৰ পাৰত এসময়ত ভাৰতবৰ্ষৰ সভ্যতাৰ পোহৰেৰে পৃথিৱী আলোকিত কৰাৰ দৰেই মিচিং সকলেও সোৱণশিৰি, ভৰলু, লুইত, ধনশিৰি আদি নদীৰ পাৰত মানৱ সভ্যতাৰ ফেহুঁজালি দেখি আনন্দত নাচি উঠিছিল। মিচিংসকলৰ অন্তৰত জাগি উঠিছিল চেতনামুখৰ এটি সুৰ। সেই সুৰ হ'ল সমগ্ৰ মানৱ জাতিৰ অন্তৰৰ সুৰ। অ'ইনিতম—এই সুৰেই আত্মাক আলোকিত কৰে, প্ৰাণত তেজৰ সঞ্চাৰ কৰে,

আৰু সমাজ আৰু সভ্যতাৰ প্ৰাণ প্ৰতিষ্ঠা কৰে। এটা বেলৰ উকি আহি হঠাতে তাৰ কাণত পৰিলহি। অৰুণ তেতিয়াও টোপনিতে আছিল। সুৰেন্দ্ৰই ভাবিছিল-ষ্টেচন পাবলৈ আৰু বেছি দেৰি নাই।

× × × × ×

প্ৰায় এঘণ্টামান যোৱাৰ পিচত সিহঁত উত্তৰ লক্ষীমপুৰ ষ্টেচন পালেগৈ। তাতে সিহঁতে জানিব পাৰিলে যে, সিহঁতৰ গাঁৱলৈ বাছ নেযায়, কিন্তু বগী নদীৰ দলংৰ কাষলৈকে বাছ যায়। এইটো সিহঁতৰ কাৰণে নতুন কথা নহয়। পোন্ধৰ মাইল বাট বাছেৰে গৈ ভঙা দলং পালেগৈ। তাৰ পৰা সিহঁতে শিলগুটি দিয়া আলিয়েদি খোজ ললে। কিছুদুৰ যোৱাৰ পিচত সোৱণশিৰি নদীৰ সিপাৰে থকা মিচিংসকলৰ চাং ঘৰবোৰ সুৰেন্দ্ৰহঁতৰ চকুত ৰিণিকি ৰিণিকি জিলিকি উঠিল। সিহঁতে নদীৰ পাৰত থকা টুলুঙা নাও এখন লৈ সোৱণশিৰি নদীৰ বুকুত সিপাৰলৈ বুলি নাও মেলি দিলে, নাৱত বহি অৰুণে সুৰেন্দ্ৰলৈ চাই ক'লে—সুৰেন এইখনেই আমাৰ প্ৰাণৰ সোৱণশিৰি যি সোৱণশিৰিয়ে মিচিংসকলক জীয়াই থাকিবলৈ পিয়াহৰ পানী দিছে, যোগাযোগৰ পথ দিছে। এই সোৱণশিৰিয়েই দেলু আবুং (লুইত) চিয়াং আবুং (দিহিং) ৰ লগত মিলি আমাৰ সভ্যতা আৰু সংস্কৃতি কঢ়িয়াই ভৈয়ামলৈ নামি গৈছে।

এসময়ত সোণ আৰু বালিচন্দাৰ কাৰণে এই নদী বিখ্যাত আছিল। সোণোৱাল কছাৰী সকলে মাঘ ফাগুন মাহত ঠাই বুজি বালিত বাহৰ সাজি লৈছিল আৰু সোণছপা সঁজুলিৰে বালি বোৰ খান্দি খান্দি দুৰণিত (বালি ধোৱা সঁজুলি) ধুই তাৰ পৰা সোণ গুৰি বুটলিছিল। পিতাইহঁতৰ মুখত শুনিছিলো, চাৰিটা মানুহে বোলে এটা দিনত এমহামান সোণ কমাব পাৰিছিল।

সুৰেন্দ্ৰই নদীৰ বুকুত তাৰ কথাবোৰ মনোযোগেৰে শুনি ক'লে —বুজিছ অৰুণ! এই সোণৰ চেকুৰা দেখিয়েই হ'বলা মোগলে

সোতৰখাৰ অসম আক্ৰমণ কৰিছিল। কথা কৈ কৈ সুৰেন্দ্ৰই গৌৰৱ অনুভৱ কৰিলে আৰু হাত চাপৰি বজাই গালে—

গোটেই জীৱন বিচাৰিলেও
অলেখ দিৱস ৰাতি
অসম দেশৰ দৰে নেপাওঁ
ইমান ৰসাল মাটি ॥

গীত শুনি নাৱৰীয়াটোৱে ব'ঠাপাত খৰকৈ মাৰিবলৈ ধৰিলে। নাওঁখন লাহে লাহে গৈ পাৰত লাগিল গৈ। সিহঁত নামিল। নদীৰ পাৰত বালিত খোজ পেলাই অৰুণহঁতে নিজৰ গাওঁখনৰ ফালে যাবলৈ ধৰিলে।

সেইখিনি সময়ত বেলি লেহিয়ান দিছিল। গাঁৱৰ সুৰ-সুৰিয়া আলিয়েদি যাওঁতে ভৰিৰ গছকত শুকান পাতবোৰত মচক্ মচক্ এটা শব্দ হৈছিল। অৰুণৰ মন আৰু আত্মাত কিবা এটা বুজিব নোৱাৰা অনুৰাগে হেন্দোলনি তুলিছিল। সিহঁতে ক'ব নোৱাৰাকৈয়ে এটা সময়ত সিহঁতগৈ ঘৰৰ পদুলি-মুখ পাইছিলগৈ।

আগফালৰ ভুংগাঁওত (বাৰান্দা) বাপেকে বহি থকাৰ পৰাই আনন্দত চিঞৰি মাতিলে।

—অ' তহঁত আহিছ? আহ্-আহ্!

সিহঁতে ওপৰলৈ চালে আৰু কগদাওঁদি (জখলা) উঠি গৈ ভুংগাঁও পালেগৈ। সিহঁতলৈ চাই বাপেকে ক'লে—এইটো আৰু' কোন?

বাপেকৰ ফালে চাই অৰুণে আচৰিত হৈ ক'লে—তই হ বলা পাহৰিলি? সেই যে সুৰেন্দ্ৰ! —অ' সেই ষ্টেচন মাষ্টৰৰ ল'ৰাটো? আহ্ আহ্! বহ! কিয় থিয় হৈ আছ? তেতিয়া সৰু আছিলি, এতিয়া বৰ ডাঙৰ হলি। নিজৰ ল'ৰা আছিলি, ইমান দিন ক'লৈ গুচি গৈছিলি?

সুৰেন্দ্ৰই এটা নিশ্বাহিত হাঁহি মাৰিলে আৰু চাংখনতে বহিল।

অৰুণ অনুম (ঘৰ) ৰ ভিতৰলৈ সোমাই গ'ল। ভনীয়েক পাছীয়ে আহি তাক সাৱটি ধৰিলে। সি ভনীয়েকৰ মূৰত হাত ফুৰাই দি ক'লে—আহচোন তুংগাঙত কোন বহি আছে চাহি।

—কোন ককাই? টুলাহতে তাই জপিয়াই উঠিল।

—চাহিচোন, তেতিয়া চিনি পাবি।

তাই তুংগাঙলৈ ওলাই আহিল। অৰুণে তাইলৈ চাই সুধিলে—চিনি পাইছনে?

পাহীয়ে একেথৰে সুৰেন্দ্ৰলৈ চাই থাকি মুখত বিহাখন দি থুক্‌থুক্‌কৈ হাঁহি ভিতৰলৈ দৌৰ মাৰিলে।

তাই চিনি পাইছে, চিনি পাইছে, সেই যে সুৰেন্দ্ৰ ককাই, তাইক কাণ চেপা দিয়া ককাইটো॥

—×—

# ( ১৩ )

বিজয়াই ডিউটি কৰি আহি দেখিলে ভগৎসিঙৰ মনটো ভাল নহয়। পায়েল বিছনাত শুই আছে। আঠুৱাটোও ভগৎসিঙে তৰি দিয়া নাই। তাই আচৰিত হ'ল।

—আৰে. তই দেখা নাই নেকি ছোৱালীটোক মহে কামুৰিছে ?

ভগৎসিঙে একো নামাতিলে। জুপুকা লাগি একে ঠাইতে বহি থাকিল। বিজয়াই গম পালে ভগৎসিঙে মাল খায় আহিছে। তাইৰ বৰ খং উঠি গ'ল। কিয় খাব লাগে এইবোৰ ? এইবাৰ তাই তালৈ খঙেৰে চাই ক'লে - তই হবলা আকৌ খাইছ ?

—নেখাই কি কৰিম। মনটো একেবাৰে খাৰাপ হৈ গ'ল।

—কিয় ? আৰে, মাতনা, কিয় খাৰাপ হৈ গ'ল ?

—নাই, নাই বলিব। তই সুখী থাক, মোৰনো কি আছে ?

বিজয়া আচৰিত হ'ল। ভগৎসিঙৰ মুখত নতুন কথা। আজি তাৰ কি হ'ল তাই একো ধৰিব নোৱাৰিলে। তথাপিও তাই তাক শান্তনা দিবলৈ চেষ্টা কৰি ক'লে—আৰে যা, মনটো ঠিক হৈ যাব। কেতনা দিন দুনিয়া মে থাবি ৰে, স্ফূৰ্ত্তি কৰ। ছোৱালী একটা হৈছে, তথাপিও ভাল লগা নাই ?

—বিজয়া ! ভগৎসিঙে চিঞৰি উঠিল।

—আৰে ! আস্তে ! তোৰ কি হ'ল ? কেলেই এইৰকম চিল্লাইছ ? লছমীইতে গম পালে চৰম নাপাবি ?

—কি চৰম আছে বিজয়া ? মই আক থাম আক থাম।

—বাপরে বাপ্ ! আৰু খাবি ? এইবাৰ বিজয়াই চিঞৰি উঠিল—চৰম নেলাগে তোৰ ? আজিৰ পৰা এইচৰ খালে কথা খাৰাপ হ'ব ।
—কি খাৰাপ হৈ যাব অ' ? একদম বিস্থাৰত্ত হৈ আহিলগৈ । বেইমান কাহাকা । ভগৎসিঙৰ কথাত বিজয়া উচুপি উঠিল । ভগৎসিঙে একেকোবে দৰজাখন খুলি দিলে । আকৌ বাহিৰলৈ ওলাই গ'ল । তেতিয়া সন্ধিয়া হৈছিল । সি লামডিংৰ ষ্টেচনৰ আউটাৰ চিগনেলৰ ফালে খোজ দিলে । চাল্লা আমাৰ দাৰু খোৱা বন্ধ কৰিবলৈ আহিছে ! ক'ৰ বাবু ওলাইছে সুৰেন্দ্ৰ ? মোৰ সংসাৰ একদম বেয়া কৰি দিছে । জহন্নামে যাবি চাল্লা, জহন্নামে যাবি বেইমান কাহাকা । সি বকি বকি অলপদূৰ যোৱাৰ পিচত ৰেলৰ লাইনৰ কাষেদি নামি গৈ এটা সৰু ঘৰত সোমাল । ভিতৰত লেম্প এটা জ্বলি আছিল ।
—আৰে ভগৎসিঙ দেখোন ! ইমান দিনৰ মূৰত আহিলি ? বৰ ভাল কৰিলি আহ্ আহ্ ! কণপাই বাবুয়ে আগফালৰ সৰু কোঠালীটোত তাক বহিবলৈ সৰু টুলখন আগবঢাই দিলে । ভগৎসিঙ বহিল । তাতে তক্তাপোচ এখনত পাটি এটা পৰা হৈ আছিল আৰু এখন টেবুলত বটল এটা আৰু গিলাচ এটা । কণপায়ে ভিতৰলৈ মুখখন ঘূৰাই চিঞৰিলে - বাবা ! গিলাচ এটা লৈ আহ !

অকনমান পৰৰ পাছতে সৰু গামোছা এখন পিন্ধি উদং গাৰে, হাড়-ছাল ওলোৱা ল'ৰা এটাই বাপেকৰ ওচৰত গিলাচ এটা থলেহি । যা ! মাৰক কৈ অলপ ভাজি লৈ আহ ! লৰাটো লাউৎকৰে ভিতৰলৈ সোমাই গ'ল ।
—ভগৎসিঙ খা । বহুত দিন তই অহা নাই, আজি আহিছ ভাল লাগিছে । তোৰ মাইকীটো কিন্তু বৰ ভাল আছে দেই । কনপাই বাবুয়ে এটা নিলাজ হাঁহি মাৰিলে ।
— কি ভাল আছে বাবু, আজি কালি মাইকীখোৰ বৰ বেয়া হৈ

গ'ল। আলপানী খাবলৈ মানা কৰে, একদম বাণী বনি গৈছে।
—মই কৈছোঁ নহয় ভগৎ, ইহঁতৰ বিশ্বাস নাই। এটা হুঁাহি মাৰি কনপায়ে গিলাচ দুটাত ঢুলাই মদ দুগিলাচ ঢালি দিলে। কোঠালিটোত ভেকেটা-ভেকেট গোন্ধ এটা বিয়পি গ'ল। কনপায়ে চিঞৰিলে—ঐ বাবা মৰিলিনে কি? বাপেকৰ মাত শুনি বাবাই মাকক ক'লে—সেইয়া দেউতাই চিঞৰিলেই, দে সোনকালে।
—মই কৈছোঁ নহয়, ভাজি নাই ক'ৰ পৰা দিওঁ? শুদা ভাত মুঠি যে পাইছ? মদ পানী খাই খাই গোটেই সংসাৰ খনৰ গতি নাইকিয়া কৰিলে। এতিয়া আকৌ মদ খাবলৈ ভাজি লাগে? ক গৈ নাই বুলি। মাকৰ গালি খাই বাবাটোৱে চুচুক-চামাককৈ বাপেকৰ কোঠালিটোৰ লেতেৰা পৰ্দাখন দাঙি ক'লে—দেউতা, ভাজি বোলে নাই।
—ক'ত থাকিব, যখিনী এজনী চপাই ললো, ভাজি তৰকাৰী থাকিবনে?
ভিতৰৰ পৰা কনপাইৰ ঘৈণীয়েকে কথাবোৰ শুনি আছিল। তাইৰ আৰু ধৈৰ্য্য নহল—বোলো লাগে যদি মদৰ লগত খাবলৈ মোৰ মূৰটোকে নিয়কহি।
কথাটো শুনি কনপাই চোঁচামাৰি ভিতৰলৈ যাব খুজিলে।
—আৰে বাবু! জানানাকো পিত নেসে ক্যা ফয়দা হোগা? ভগৎসিঙৰ হাতখন এক্ৰয়াই কনপায়ে ক'লে—নামাবো বুজিলি? মাৰি পিটি লাভ নাই। খা! খালি খালি মাল। নিচাৰ কোবতে ভগৎসিঙে বটলটো এবাৰ ওপৰলৈ দাঙি চালে।
—বাবু! বটল একদম খালি হৈ গৈছে। মই যাওঁ কনপাই বাবু।
—যা যা ভগৎসিঙ! লগ পাম।
—হাঁ হাঁ জৰুৰ। ঢলং পলংকৈ ৰাস্তাত আহি থাকোতে সি দেখিলে কাষৰ ৰেলৰ লাইনবোৰ দেখোন তললৈ গ'ল আৰু তলৰ নৰ্দমাবোৰ ওপৰলৈ আহিল। সি মাথো গম পালে যে নৰ্দমাৰ পানী বোকা বোৰত তাৰ ভৰি দুখন সোমাই পৰিছে। সি চিঞৰি উঠিল—

নৰ্দমা ! দিনত হ'লে কাষত থাক আৰু ৰাতি হ'লে মাজলৈ আহ ? বোকাৰে লুতুৰি-পুতুৰি হৈ সি গাবলৈ আৰম্ভ কৰিলে—চল, চলৰে নৱ জোৱান — —

—×—

# ( ১৪ )

সুৰেন্দ্ৰ লক্ষীমপুৰলৈ যোৱাৰ পাছৰ পৰাই বিজয়াৰ মনটো ভাল নহয়। সেই দিনা ভগৎসিঙক বেলৰে কলনিৰ নৰ্দমাৰ পৰা দাঙি আনি মদনলালহঁতে তাক বহুত গালি গালাজ কৰিলে। বিজয়াই মনে মনে নিজকে ধিক্কাৰ দিলে। সিহঁতৰ লাইনৰ সকলোৱে বুজি পালে যে গোদাম বাবুয়ে তাক সদায় মদপানী খাবলৈ মাতি নিয়ে, আৰু সেই সুযোগতে ভগৎসিঙ বেয়া হৈছে।

বিজয়াই ভাবিলে ভগৎসিঙে আগতে খাইছিল যদিও মাজতে বহুত দিন খাবলৈ এৰি দিছিল। হৰগোবিন্দ চক্ৰবৰ্তীয়ে তাক নিজৰ ল'ৰাৰ দৰে মৰম কৰিছিল। সদায় গীতা-ভাগৱত পঢ়ি তাক শুনাইছিল। ডিউটি নাথাকিলে সন্ধিয়া দুয়োটাই বেলৰ লাইনে লাইনে গৈ বহুত দূৰ পাইছিলগৈ। কিন্তু সদায় যদি এইবোৰ কথা শুনিবলৈ পাই তেনেহলে গোবিন্দ বাবুয়ে সিহঁতক বেয়া পাব। কিয়নো বেয়া নাপাব ? তাই চকু দুটা শাৰীৰ আচলেৰে মচি পায়েলক তুলি লৈ এনেয়ে পদূলী মুখলৈ ওলাই গ'ল।

আগদিনাৰ বৰষুণ জাকত মাধৱীলতা জোপাৰ ফুলি থকা থোপা থোপা ফুলবিলাক জহি-খহি গ'ল। তাইৰ মনটো বৰ বেয়া লাগিল।

—আৰে, বিজয়া দিদি, তোৰ ডিউটি নাই নেকি ?

—হঁা হঁা ! আছে জেনেৰেল ডিউটি আছে।

জেনেৰেল ডিউটি মানে সিহঁতৰ বাবু বিলাকৰ ঘৰে ঘৰে

ডিউটি কৰা, কলনিৰ ৰাস্তাঘাট চাফা কৰা। জেনেৰেল ডিউটি কৰি কৰিয়েই তাই এসময়ত মমতা দিদিৰ বন্ধু হৈছিল। কালিৰ পৰা ভগৎসিঙৰ জ্বৰ। গতিকে আজি ভগৎসিঙৰ কাম মদনলালে কৰিব। লচমী যোৱাৰ পাচত বিজয়া ঘৰটোৰ ভিতৰলৈ সোমাই গ'ল। ভগৎসিঙৰ জ্বৰ হলেও কি হব, ফজিৰেই ঘৰৰ পৰা ওলাই গৈছে। তাই পায়েলক মাটিতে কাপোৰ এখন পাৰি শুৱাই দিলে। তাই ভগৎসিঙৰ কাপোৰবোৰ এখন এখনকৈ চাবলৈ ধৰিলে চব কাপোৰ লেতেৰা। এৰা, আজিহে তাই মন কৰিছে—ভগৎসিঙৰ এখনো কাপোৰ চাফা নাই বুলি। পায়েলক পোৱাৰ পিচৰে পৰা তাইৰ মানুহটোৰ প্ৰতি মৰম কমি গ'ল নেকি ? হয়, হয় তাই পায়েলক পাই মানুহটোক একেবাৰে পিঠি দিলে। কাপোৰৰ টোপোলাটো মাটিতে থুপোছ কৰি থৈ তাই ভাবিলে, সচাকৈয়ে তাই মানুহটোক একেবাৰে পিঠি দিলে। তাই এতিয়াহে বুজিছে যে মানুহটোয়ে কিয মদ খাবলৈ ধৰিছে। তাইৰ হাঁহি উঠিল এই মতা মানুহবোৰৰ বৰ অভিমান। তাৰনো কি ভাল লাগিব, পায়েল জন্ম হোৱাৰে পৰা তাই ভগৎসিঙৰ বুকুত শোৱা নাই। সি অকলে অকলে শুই থাকে। এবাৰোতো তাই তাৰ ওচৰলৈ যোৱা নাই। সিনো বাৰু কেনেকৈ বাচি থাকিব ? নাই, নাই তাইৰহে ভুল হৈছে, তাই আৰু তাক খং নকৰে। আগৰ নিচিনাকৈ মৰম কৰিব। আগৰ দৰেই প্যাৰ দিব, আগৰ দৰেই তাৰ বুকুত সোমাই মৰম বিচাৰিব। তাইৰ নিজকে বৰ লাজ লাগি গ'ল। ধেৎ তাই যে কি ভাবিছে। কিন্তু যিয়েই নহওক তাই তাক আৰু মদ খাবলৈ নিদিয়ে। তাই থিয় হ'ল আৰু পদূলী মুখত দেখা পালে ঢলং পলংকৈ ভগৎসিঙ ঘৰলৈ সোমাই আহিছে। এইবাৰ তাইৰ খং মুঠিল। তাক আধা বাটৰ পৰা ধৰি আনি বহুৱালে আৰু পায়েলক কোলাত আনি দিলেহি। আগেয়ে ভগৎসিঙে মদ খালে পায়েলক তাৰ কোলাত আনি নিদিয়ে,

কিন্তু তাই আজি দিছে, যি কৰে কৰক। ৰঙা চকুহাল মেলি সি তাইলৈ চালে।

—ল, মই কাপোৰ ধুব লাগে।

ভগৎসিঙে এইবাৰ চিঞৰি উঠিল—লৈ যা, নহলে—

—নহলে কি মাৰি পেলাবি ? মাৰ, মাৰি পেলা। বিজয়াই ডাঙৰ'ক কথাষাৰ কৈ বৈ থাকিল।

—লৈ যা ! ভগৎসিঙৰ চিঞৰ শুনি অকনমানি পাযেলে প্ৰথমে তালৈ চাই ফেকুৰিলে, তাৰ পিচত চিঞৰি কান্দিলে।

ভগৎসিঙে তাইৰ ফালেৰ লাগি কিছু সময় চাই থাকি ঠিয় হ'ল আৰু তাইক বুকুত সোমোৱাই ললে। নাই, নাই, সি তাইক একো কৰিব নোৱাৰে। সি পায়েলৰ বুকুত সাৱটি ললে আৰু মুখেৰে বিড়বিড়মান কথা কিবা বিবালে।

বিজয়াই কিন্তু একো নুবুজিলে, মাত্ৰ তাই দেখা পালে, ভগৎসিঙৰ চকুত পানী।

—×—

## ( ১৫ )

সোৱণশিৰি নদীৰ ঘাটত সোণাগিয়ে অকণলৈ বাট চাই ৰ'ল। সি দেখোন আজিও নাহিল। তাইৰ মুখৰ হাঁহি শুকাইছে, সি অহা নাই। দুদিনেই হ'ল। তাইৰ আৰু ৰ'ব মন [illegible]। ভাবি ভাবি তাইৰ চকু লোৰে [illegible] গ'ল। আজি [illegible] ইমান ডাঙৰ উৎসৱ, বন্ধু তাইৰ দেখোন নেই [illegible]। [illegible] নাই। গাভৰুবোৰ [illegible] নদীৰ ঘাট। আহি। বন্ধু তাইৰ মনৰ আশা মনতে ৰ'ল।

তাই গৈ পঁজাৰ [illegible] বহিল গৈ। দূৰত তাই দেখিলে ঘাটত ডোঙাবোৰ নাচে। হাঁহি মাছ [illegible] স্ফূৰ্তি কৰিছে। নিৰ্জনৰ হাঁহিৰ খনখনিয়ে তাইৰ লোণ চেপিলে, যেন দগমগিয়া হিয়াখন [illegible] নিষ্কাদি [illegible]। তাই এবাৰ [illegible] তলুৱাখন দি চালে—[illegible] ধপধপাই আছে। [illegible] টোৰ ভিতৰৰ পৰা অকণে তাইক দিয়া সৰু ফনি ( [illegible] ) খন উলিয়াই ললে, সেইখন নিজৰ পিৰিতিৰ চিন। কিমান ধুনীয়া ফনিখন! কাঠৰ গুটি গুটি ফুল কটা, কিমান কষ্ট কৰি যে অকণে তাইক এই ফনিখন দিছিল। দিব নে, কিয়? এইয়া যে [illegible] মিচিং সমাজৰ প্ৰথা। মিচিং সমাজত পিৰিতিৰ চিন স্বৰূপে ডেকাই প্ৰাণৰ প্ৰেয়সীক ফনি এখন দিব লাগিব। এনেয়ে যে অকণৰ তাইৰ প্ৰতি থকা মৰমৰ চিন। ফনিখন তাই দুয়োহাতে ধৰিলে আৰু চুমা এটা খাই বুকুত সুমুৱাই ললে। আৰু নদীৰ পাৰত

চকুমুদি আঠুত মূৰটো গুজি বৈ থাকিল।
—ফুলি। তাই উচপখাই থিয় হ'ল।
—বহ! উঠিলি কিয়? মই জানিছো তোৰ খং উঠিছে, ফুলি। পিছে কি কৰিবি, মোৰ লগত এটা বন্ধু আহিছে তাক এৰি আহিবলৈ টান হৈছে। তাক এৰি আহিলেযে সি বেয়া পাব।
—কোননো সেইজন মহাপুৰুষ আহিল?
—কিয় তোৰ দেখোন মনত থাকিব লাগে, সেই যে সুৰেন্দ্ৰ। ষ্টেচন মাষ্টৰৰ ল'ৰা টোযাৰ বাপেকে মোক চাকৰিটো দিলে।
—অঁ মনত প'ৰিছে, এতিয়া ছাগৈ ডেকা হ'ল।
—এৰা, কৈছহেনে?
অৰুণ তাইৰ ওচৰতে বহিল আৰু ওচৰ চাপি গৈ সুধিলে-বাৰু, এতিয়া কচোন তোৰ খবৰ?
—কি খবৰ কবি? পিতায়ে ল'ৰা এটা ঠিক কৰিলেই। অহা মাহতে বোলে সি ঘৰ জোঁৱাই চাপিবহি। ফুলিয়ে উচুপি উঠিল। আৰু অৰুণৰ কোলাত মূৰটো পেলাই দিলে।
—তেনেহলে তই গুচি যাবি ফুলি?
—নাই নাই, তই তেনেকৈ নকবি, তোৰ অবিহনে মই সোৱণশিৰিত পৰি মৰিম।
—সঁচানে? অৰুণে ফুলিৰ মূৰটো দাঙি ধৰি চকুত চকু থৈ সুধিলে।
—সচাঁ। ফুলিয়ে কথাষাৰ কৈ তাইৰ মুখখন তাৰ বুকুত হেঁচা মাৰি ধৰিলে।
—তেনেহলে তই সাজু হৈ থাকিবি।
তাই তাৰ বুকুৰ মাজৰ পৰা ওলাই উঠি বহিল আৰু আচৰিত হৈ সুধিলে—কিয়?
—তোক মই পলুৱাই লৈ যাম।
—হয় নেকি? তাই খিল্‌খিলকৈ হাঁহি দিলে আৰু লৰমাৰি গৈ

সোণশিৰিৰ পানীত পৰি তাইলৈ দুয়োহাতেৰে পানী চতিয়াবলৈ ধৰিলে।
—পানী নচতিয়াবি ফুলি, কাপোৰবোৰ একেবাৰে তিতি যাব।
—যাওঁক।

—ধ্যেৎ মোৰ বন্ধুটোৱে দেখিলে কি বুলিব ?
- দেখক যা ! তাই কথাষাৰকৈ পানীৰ বুকুলৈ সাতুৰ মেলিলে। মাজ পানীত তাই বুৰ মাৰি, আকৌ পানীৰ মাজতে ভুমুকি মাৰি ওলাই পাৰত থিয় হৈ থকা অৰুণলৈ চাই খিল খিলাই হাঁহি দিলে।

তাইৰ সুন্দৰ সুঠাম দেহাটো সোৱণশিৰিৰ পানীয়ে সোণত সুৰগা কৰি তুলিলে; অৰুণে তাইৰ সতেজ, চঞ্চল, কেতেকীফুলৰ দৰে দেহাটো দেখি ভাবিলে—কিমান সুন্দৰ ! সোণাফুলিৰ দেহাৰ লাৱণ্যই তাক ব্যাকুল কৰি তুলিলে। প্ৰকৃতিৰ সৌন্দৰ্য্য বাজিৰ লগত ফুলিৰ সৌন্দৰ্য্য গভীৰ, সুশীতল সোৱণশিৰিৰ জলধাৰাৰ লগত মিলি গৈ এক অপূৰ্ব্ব সৌন্দৰ্য্যৰ সৃষ্টি কৰিছে, সি তৃপ্তিত চকুহাল মুদি দিলে।
—এই, কি হ'ল একেবাৰে থৰ লাগিলি দেখোন ! তাই দুয়োহাতেৰে পানীবোৰ সিঁচি সিঁচি তালৈ চালে।
—মই তোকে চাইছো অ' বৰ ভাল লাগিছে।
—থ থ, কথা কবলৈ নাপালি ?
—এৰা কথাবোৰচোন হেৰাল, বাৰু মই যাওঁ দে পিচত আহিম।
—অঁ, যাগৈ যা ! তোৰ তাকৌ বন্ধুটো বৈ আছে নহয় ? কথাষাৰ কৈ তাই পানীৰ মাজলৈ চিলনী সাতুৰ দি গুচি গ'ল। তাইৰ ফালে আকৌ এবাৰ চাই অৰুণে ঘৰলৈ বুলি খোজ দিলে। সোৱণশিৰিৰ বালিত খোজ দি সি যাওঁতে গুণগুণাই গালে—

গাত জুই লাগিছে
সৰিয়হ ফুটিছে
ধনক পানী ঘাটত দেখি,

তোমাৰ দাঁত ছুপাটি
এনেনো ধুনীয়া
যেন ডালিমৰে গুটি ॥

অৰুণ যোৱাৰ পিচত পাহাৰে পানীৰ গাগৰীটো লৈ নদীৰ পাৰ পালেহি। সোৱণশিৰিৰ পাৰত থিয় হৈ ফুলিয়ে অকলে অকলে পানীত সাতুৰি থকা দেখি চিঞৰ মাৰি সুধিলে—ঐ ফুলি, অকলে অকলে দেখোন সাতুৰি আছ? পিচে কিয় অ'! গাত পিৰিতিৰ জুই লাগিছে নেকি?

ফুলিয়ে মুখেৰে পানীখিনি বৰবুৰণি তুলি কলে—কি কৈছ অ' একো শুনা নাই। বহু পাৰলৈ গৈছো। ফুলিয়ে তিতা মেখেলাখন সোঁ হাতখনেৰে দাঙি ধৰি পাৰলৈ উঠি আহিল। উঠি আহোঁতে বুকুৰ কোনো অংশ বান্ধা জিলিঙণি পৰি জিলিকি উঠা দেখি পাহাৰে চিঞৰি কলে এই এই! চকুখন ঢাকি লা! ককাইয়ে দেখিব লাগিলে লাজ হব।
—তোৰ একেবাৰে লাজ নাই অ' পাহাৰী পিচে ন কি কৈছিলি?
—তোমো তোৰ গাত পিৰিতিৰ জুই লাগিছেনেকি? আমি তোলৈ বাট চাই আছো কিন্তু নাই, ভাবিছো। কিজানি নকাইৰ লগত পিৰিতি কৰি আছ?

মেখেলাখনৰ পানীখিনি অলপ একাষৰে চেপা মাৰি, সোঁ হাতখনেৰে মূৰৰ চুলি খিনি উঁৱাবাই দি তাইৰ মুখলৈ চাই ভেঙুচি মাৰি কলে—ইহ্ থ থ তোৰ ককায়েৰৰ লগত পিৰিতি নকৰে পাহিছো, এনে ককায়েৰটো হলে সোণত সুৱাগা চৰা, ৰূপত মিনা কৰা।
—ঐ ফুলি নকবি দেই তেনেকৈ? মোৰ ককাই বেয়া যদি যা তোৰ পিতায়েৰে চাইছে নহয়, কোনোবা এটা গদাধৰ কোঁৱৰ। বহ! মই ককাইক আজিয়েই কৈ দিমগৈ।

ফুলিয়ে ভিতা গাৰেই পাহীক সাৱট মাৰি ধৰি ক'লে—নকৰি পাহি নকৰি ! মোৰ শপত নকৰি, মোৰে শপত মই এনেয়ে ধেমালিহে কৰিছোঁ ।

পাহীয়ে কলহটো কাষৰপৰা নমাই পানীৰ কাষলৈ গৈ বালি আৰু মাটিৰে কলহটো ঘঁহি ঘঁহি তাইলৈ নোচোৱাকৈ অভিমানৰ সুৰত ক'লে—তেনেহলে কচোন বাৰু ককাইক লগ পাইছিলি নে নাই ?

ফুলিয়ে আকৌ পানীলৈ গ'ল আৰু তাইৰ মুখা-মুখি হৈ বাওঁহাতখন আচলৰ আগটোৰে ঘঁহি ঘঁহি তাইলৈ নোচোৱাকৈ ক'লে—পাইছিলো ।

—ক'ত ফুলি ? ক'ত পাইছিলি ?

পাহীয়ে কথাষাৰ সুধি কলহটো পানীত লৈ ধুবলৈ ধৰিলে ।

—সেই কহুঁৱা বন ডৰাৰ ওচৰতে ।

—পিছে কি ক'লে ককায়ে ? সি তোক বিয়া কৰাবনে ? তই মোৰ বৌ হৈ আহিবিনে ফুলি ! নে মোক আগতে বিয়া দি আহৰি হৈ লবলৈ পাং পাতিছ ?

এনেকৈ উশাহতে কথাখিনি কৈ পাহীয়ে গাগৰীটো পানীত জুবুৰিয়াই জুবুৰিয়াই ধুলে আৰু পানী এগাগৰী ভৰাই কাষত তুলি ললে ।

নহয় নহয় পাহী, তই সেইবোৰ কথা নেভাবিবি । মই তোক আগতে কেতিয়াও বিয়া হ'বলৈ নিদিও । -বাৰু বাৰু দেখিলেহে লেখিম । কথা কৈ কৈ পাহীয়ে পানীৰ গাগৰীটো লৈ ঘৰলৈ বুলি খোজ ললে ।

অকুমৰ তুংগাঁওত সুৰেন্দ্ৰৰ লগত অৰুণে বহি থাকোতে পাহীক দেখি কৃত্ৰিম খং দেখুৱাই ক'লে তহঁতৰ ঘাটতনো ইমান বেলি লাগেনে ? কিনো কৰগৈ পানীৰ ঘাটত ?

তাই ককায়েকৰ চকুলৈ চাই দুষ্টামিৰ হাঁহি মাৰি ক'লে—ফুলিৰ লগত আছিলো । অৰুণ মনে মনে থাকিল, কাৰণ সুৰেন্দ্ৰই

যদি গম পাই ? ইমান দিন সি তাৰ পৰা কথাটো লুকুৱাই ৰাখিছিল। এতিয়া যদি সি গম পাই যায়, কম লাজ পাবনে ? কিন্তু পাহীয়ে যি খনহে কৰিবলৈ লৈছে, সি যে জানিবই সেইটো ধুৰুপ।

—ঐ অৰুণ ! কি চিন্তা কৰি আছ ? ঘৰলৈ আহি দেখোন একেবাৰে সলনি হৈ গলি, কি হৈছে ? তোৰ কিবা হৈছেনে, মই অহা দেখি বেয়া পাইছ ?

—ধেৎ সুৰেন্দ্ৰ, তইনো এইবোৰ কি বাজে কথা চিন্তা কৰিছ। মই এনেয়েহে এনেকৈ আছো। দেখা নাই নে ঘৰৰ আৰ্থিক অৱস্থা, ঘৰটোও বেয়া হৈ গৈছে, নতুনকৈ সাজিব লাগে, ইফালে পাহীকো বিয়া দিব লাগে।

—আৰু তোৰখন ? সুৰেন্দ্ৰই অৰুণলৈ চালে।

—ধেৎ মোৰ বিয়া এতিয়া নহয়। বাৰু ব'ল, এতিয়া পথাৰলৈ যাওঁ। পিতায়ে চাগৈ আমালৈ বাট চাই ৰৈ আছে।

সুৰেন্দ্ৰ আৰু অৰুণ একেলগে পথাৰলৈ গ'ল। গাঁৱৰ সৰু আলিয়েদি যাওঁতে সুৰেন্দ্ৰই অৰুণক সুধিলে — আলি য়াই লিগাং তহঁতৰ ভাওৰ উৎসৱ নহয়নে অৰুণ ?

অৰুণে কেঁচা ছাবি বনত খোজ কাঢ়ি যাওঁতে কিছুসময় চিন্তা কৰিলে, তাৰ পিচত ক'লে—এৰা সুৰেন্দ্ৰ, আলিযাই লিগাং আমাৰ প্ৰাণৰ উৎসৱ।

পৃথিৱীৰ বুকুত শীতৰ পিছত যেতিয়া বসন্ত আহে প্ৰকৃতি ন ন কুঁহিপাতেৰে সেউজীয়া হয়। ফল ফুলেৰে জাতিস্কাৰ হৈ উঠে তেতিয়া এই উৎসৱৰ আগমনী হয়। বসন্ত ঋতুৰ প্ৰান প্ৰাচুৰ্য্যৰ লগত এই আলিয়াই লিগাঙৰ ওতঃপ্ৰোত সম্বন্ধ আছে। এই উৎসৱত উপধি পুৰুষ সকললৈ স্মৃতি তৰ্পণ জনোৱা হয় আৰু তেওঁলোকৰ প্ৰতি প্ৰাৰ্থনা জনোৱা হয়। বাইজে কয়— জীৱিত লোক সকলৰ অন্ধকাৰছন্ন

আৰু দুৰ্দশাময় জীৱনৰ ৰক্ষক হওঁক, জীৱনৰ অপায় অমঙ্গল দূৰ কৰি শক্তিময়, শান্তিময় আৰু দৃঢ়ময় জীৱন যাপন কৰিবলৈ শক্তিদান কৰক ॥

অকণে কথা কৈ কৈ পথাৰত বাপেক বৈ থকা ঠাই খিনি পালেগৈ ।

— × —

## ( ১৬ )

সচাঁকৈয়ে আলিয়াই লিগাং মিচিং সকলৰ প্ৰাণৰ উৎসৱ। এই উৎসৱ একেৰাহে পাঁচদিন ধৰি চলে। এই উৎসৱ হোৱাৰ এমাহ মানৰ আগৰে পৰা ৰাইজে গোট খাই আলোচনা কৰে, এইবেলি বিহু কাৰ ঘৰত পাতিব। যাৰ ঘৰত কোনো অভাব নাই, যাৰ ভৰালত ধান মাহ ঠাহ খাই আছে সেই ঘৰতে বিহু পতাৰ ব্যৱস্থা কৰে আৰু ডেকালৰা বিলাকে তেনে এঘৰ মানুহৰ দুৱাৰ মুখত ৰাতি গৈ শিলগুটি এটা সৰু টেমা এটাত ভৰাই ওলোমাই থৈ আহেগৈ। ৰাতিপুৱাই গৃহস্থই যেতিয়া দুৱাৰ খুলি শিলগুটিটো দেখিব তেতিয়াই বুজি পাব যে ৰাইজে এইবেলি তেওঁৰ চোতালতে বিহু পতাৰ ব্যৱস্থা কৰিছে।

- তাৰ পিছত ?

অৰুণে সুৰেন্দ্ৰলৈ চালে।

—তাৰ পিছত গৃহস্থই আপত্তি নকৰিলে বুজিব গৃহস্থৰ মন আছে। তেতিয়া ৰাইজেও গৃহস্থক সহায় কৰিবলৈ আগবাঢ়ি আহিব আৰু ঘৰৰ গৃহস্থয়ো ৰাইজক সহায় সহযোগ কৰি দিবলৈ মানস কৰিব।

ৰাইজে ছাইমদ পকিব পৰাকৈ গৃহস্থৰ চোতালত কৌপাত পেলাই দিব আৰু ৰাইজক খুৱাব পৰাকৈ ছাইমদ বনোৱাত ৰাইজেই তেওঁক সহায় কৰিব। আৰু যথা সময়ত ৰাইজে গৃহস্থৰ ঘৰত দুটা খুটি পুতি বৰকাহ এডাল আৰি দিব আৰু এই বৰকাহত কোব পৰিলেহে ঢোল পেপা বাজি উঠিব আৰু বিহু আৰম্ভ হ'ব।

—এইবাৰ তেনেহলে কাৰঘৰত বৰকাহ ওলোমাইছে ?

—নাহেন পেগুৰ ঘৰত। তেওঁৰ ঘৰত ডুবছৰৰ ধান গোট খাই আছে, গতিকে ৰাইজক খুৱাব পাৰিব।

তইঁতৰ ৰঙালি বিহু বা ভোগালী বিহুৰ নিচিনাকৈ আমাৰো এইটো জাতীয় উৎসৱ সুৰেন্দ্ৰ।

ফাগুন মাহৰ প্ৰথম বুধবাৰে এই উৎসৱ পালন কৰে। সেই সময়ত অসমলৈ বসন্ত নামি আহে। ফলে ফলে প্ৰকৃতি জাতিস্কাৰ হ'বলৈ আৰম্ভ কৰে। সেই কাৰণে এই উৎসৱক বসন্ত উৎসৱ বুলিব পাৰি। উৎসৱত উপৰিপুৰুষ সকলক সোঁৱৰণ কৰি স্মৃতি তৰ্পণ কৰে আৰু নৃত্য গীতেৰে নতুন আশাৰে পৃথিবীক শস্য শ্যামলা হ'বলৈ আহ্বান জনায়। মুঠতে কৃষি কৰ্মৰ শুভাৰম্ভই হ'ল—আলিয়াই লিগাং।

কিছুসময় অৰুণে মনে মনে খোজ কাটি গ'ল। পাছে পাছে সুৰেন্দ্ৰই প্ৰকৃতিৰ ৰূপ মাধুৰি চাই যাবলৈ ধৰিলে— বনৰ সেউজ বুলীয়া ৰং, গছৰ দালত পখীৰ কলকলনি, সাৰ পৰা শুকান পাতত নতুন দিন অহাৰ খচ-খচনি। দূৰত গছ গছনিৰ আৰে আৰে দেখা পোৱা আকাশৰ সুগভীৰ ৰঙ, লগতে সুৰযৰ সোণোৱালী প্ৰখৰ কিৰণে চকমকাই তোলা সমুখৰ বহল পথাৰ। খোজ কাটি যাওতে সুৰেন্দ্ৰই নিজে নিজে ক'লে— আলিয়াই লিগাং— আলিয়াই লিগাং।

অৰুণে তালৈ উভতি চাই হাঁহিলে। হাঁহি হাঁহি ক'লে কিয় বুজা নাই নেকি ? আচলতে ইয়াৰ অৰ্থ কি জান ? আলি মানে— মাটিৰ তলত হোৱা আলু বা ফলমূল, আয়ে মানে গছৰ গুটি বা ফল, লৃগং মানে সিচাৰ প্ৰথম দিন। পৃথিবী হ'ল শস্যৰ প্ৰজনন শক্তিৰ আধাৰ। সেই কাৰণে কৃষিজীৱী আমাৰ মিচিং সমাজে বসন্ত অহাৰ লগে লগে ফাগুণ মাহতে কঠিয়া সিচা আৰম্ভ কৰি - প্ৰকৃতি শস্য শ্যামলা হোৱাতো কামনা কৰে। অ বুজিলো দে— তাৰ মানে

আজিৰ দিনটোত গুটি সিচিবই লাগিব ।

—অঁ সুৰেন্দ্ৰ, বুধবাৰে মিচিং সকলৰ কাৰণে পবিত্ৰ দিন। গতিকে ফাগুণ মাহৰ এনে এটা পবিত্ৰ বুধবাৰৰ দিনাই শস্যৰ গুটি সিচি মিচিং সকলে আলিয়াই লিগাং উৎসৱৰ পাতনি মেলে। এই আলিয়াই লিগাঙত আচলতে আহুধানৰ খেতি আৰম্ভ কৰা হয় যদিও লগতে এঙে ( কচু ) তাপা ( কোমোৰা ) মিৰচি ( জলকীয়া ) তাকে ( আদা ) আলি ( কাঠ আলু ) কপাক ( কল ) আদি শস্যও বোৱা হয়। আলিয়াই লিগাঙৰ দিনা পুৱাতে ঘৰৰ ঘাই গৃহিনীয়ে পথাৰৰ এচুকত কোবেৰে মাটি চহাই নতুন শস্য সিচা আৰম্ভ কৰিব লাগে কিন্তু আমাৰ—

কথাষাৰ কওঁতে অৰুণৰ মাতটো থোকাথুকি হ'ল। কাৰণ অৰুণৰ মাক নাই।

সিহঁতে কথাপাতি গৈ থাকোতে দূৰত বাপেকে সিহঁতলৈ বৈ থকা দেখা পালে।

সিহঁত গৈ পথাৰ পালেগৈ। বাপেক পথাৰৰ পূব কোণলৈ গ'ল। তাতে কেইদিনমান আগতে তেওঁ মেগেলা গছৰ পাতেৰে চিন দি থৈছিলহি। আটাইকেইটা তাতে থিয় হ'ল। অৰুণৰ মনটো হঠাতে বিষাদেৰে ভৰি পৰিল। আজি তাৰ মাক থকা হলে নিশ্চয় এই উৎসৱত যোগ দিলেহেতেন।

বাপেকে মেগেলা গছৰ পাত খিলা আঁতৰাই দিলে। সুৰেণে গছৰ পাত খিলা হাতেৰে ওপৰলৈ দাঙি চালে—

—কি গছৰ পাত অ' অৰুণ ?

—মেগেলা গছৰ পাত বুলিহে কয়। এই গছৰ পাতহে আমাৰ মাঙ্গলিক চিন হিচাবে ব্যৱহাৰ কৰে। অৰুণে কথা কৈ কৈ কোৰ খন হাতত লৈ মাটি খিনি চহাবলৈ ধৰিলে। অৰুণ আৰু বাপেকে লগ লাগি পথাৰৰ পূব কোণত দীঘে এহাত পথালিয়ে এহাত মাটি

চহাই মিহি কৰিলে আৰু তাতে কঠিয়া সিঁচি দিলে আৰু মাটিৰ বুকুত থাকি, এই শস্য যাতে নষ্ট নহয়, পোক পৰুৱাই, বনৰীয়া জন্তু, প্ৰাকৃতিক দুৰ্য্যোগে যাতে অনিষ্ট নকৰে তাৰ বাবে পূৰ্ব্ব পুৰুষ সকলৰ ওচৰত স্মৃতি তৰ্পণ কৰি প্ৰাৰ্থনা কৰিলে ॥

ওপোকা—গুচিং গামাং তল্ দল্ লাংকা
চিন্, তাকয়িং ৱাকগু
দপে তিপেনামনেম চিতচুং অপান আৰোলম্,
কগং মাগনেম বিচুয়েকে ॥
কুমদাং ৰিকওংঙে কাত্ তাদত লাংকা,
চিনে য়কনে তা—তঃ যা—যঃ নালোাত
কালাং তাতলাংকা।

( দুখ আপদবোৰ বিফলত। আৰু বাধা বিঘিনিবোৰ ইয়াৰ পৰা চাৰিও ফালে আঁতৰি যোৱা,, আজি পাচ দহ বছৰৰ খাব লগীয়া শস্য সিচা আৰম্ভ কৰিছোঁ., নিচলা, দুখীয়া, খোজনীয়া, মগনীয়াক দান দিম। ঘৰৰ লক্ষ্মীদেৱী বা মঙ্গল ৰাখোতাই দৃষ্টি ৰাখক। মৃত আত্মা মাত্ৰা পূৰ্ব্ব পুৰুষ সকলে শস্যবোৰ ৰখি ডাখি দিয়ে যেন )

বচন মাত্তি অৰুণৰ বাপেকে সুৰেন্দ্ৰলৈ চাই হাঁহি মাৰি ক'লে—মাগহে জানো নিজৰ পেটটোৰ কাৰণে জীয়াই আছে সুৰেন্দ্ৰ ?

—নাই নাই নিজৰ পেটটোৰ কাৰণে জীয়াই থাকিবলৈ হ'লে আমি বহুত স্বাৰ্থপৰ হ'ব লাগিব।

গুটি সিচাৰ পাছত অৰুণৰ বাপেকে কোৰখন হাতত লৈ ক'লে—বোপাই; সংসাৰত সকলোৱে একেলগে সমানে ভগাই বতাই খাব পৰাটোহে আচল কথা। কৈ কৈ তেওঁ কোৰখন ভালকৈ ধুই তাত ছাই মদ ঢালি কৌপাতেৰে মেৰিয়ালে। কাৰণ কোৰখনেই হৈছে সিহঁতৰ জীৱনৰ প্ৰথম আহিলা। প্ৰথমে পৰ্ব্বতৰ পৰা নামি আহোঁতে মিচিং সকলে কোৰখন লৈয়ে পথাৰৰ খেতি আৰম্ভ কৰিছিল।

সেইয়েহে কোৰখনলৈ সিহঁতৰ ইমান মৰম।

কিছুসময় পাচত সিহঁত গৈ ঘৰ পালেগৈ। অৰুণৰ বাপেকে কৌপাত্তেৰে কোৰখন মেৰিয়াই চাঙত তুলি থলে। নজোন নোলোৱা-লৈকে কোৰখনৰ কাম নাই, চাঙতে থাকিব। বাপেকে অৰুণলৈ চাই ক'লে—বোপাই অ' নজোন নোলোৱালৈকে এই পোদ্ধৰ দিন সাৱধানে থাকিবি, মাটি নাকাটিবি, পোক পৰুৱা, কীট-পতঙ্গ আদিৰ অনিষ্ট নকৰিবি। অঘটন হ'ব। বেত-বাঁহ, খেৰ-খাগৰি নাকাটিবি সিহঁতৰ জীৱ আছে। ধান বিলাকৰ গজালি ধৰিলে অমঙ্গল ঘটিব। ভজা-পোৰা নাখাবি, পুলিবোৰ শুকাই যাব। ধৈর্য্য ধৰি থাকিবি বোপাই! অৰুণে মনোযোগেৰে কথাকিটা শুনিলে।

পাহীয়ে ৰন্ধা-বঢ়াৰ কাম শেষ কৰি সিহঁতলৈকে বাট চাই আছিল। সিহঁত আহিলত তাই পিছফালে সৰু আলিৰ নিচিনাকৈ মাটি উঠাই থোৱা ঠাইলৈ গ'ল। মাটিৰ আলিটোৰ ওপৰত পাত্তেৰে সৰু সৰু বাতি সাজিলে।

লিগাওৰ পৰা আহি অৰুণৰ বাপেকে পাত্তেৰে সজা সৰু সৰু বাতিবোৰত চাই মদ ঢালি দিলে আৰু আমনি (ৰৰা চাউল) চতিয়াই দি অৰুণৰ মৃত মাকৰ নামত উম আপিন (জলপিণ্ড) দি ক'লে তোমাক বছৰৰ উন্নতিৰ খাব পিবৰ কাৰণে ৰৰা চাউল আৰু আপং দিছোঁ, গোটেই পৰিয়াল আৰু ওচৰ-চুবুৰীয়াক সুখে শান্তিৰে থাকিবলৈ দিবা। জলপিণ্ড দিয়া নাই বুলি নাভাবিবা।

এই বুলি অৰুণৰ বাপেকে অৰুণৰ মাকৰ জলপিণ্ড দিলে। খন্তেকতে বাপেকৰ চকু দুটা ৰঙা হৈ পৰিল। পাহীয়ে উচুপিলে, অৰুণৰ দুই চকুৰেদি চকুপানী টপ্ টপ্ কৈ সৰি পৰিল। সুৰেন্দ্ৰৰ বুকুখন কিবা উদং উদং লাগিল।

সি হঠাতে হিয়াৰ কোনোবা এঠাইত ৰম্ ৰম্কৈ বিষ এটা অনুভৱ কৰিলে।

—x—

বেলি লেহিয়ালে। পাহীৰ গাত তত্ নোহোৱা হ'ল। বৰকাহ বজোৱাৰ সময় হলেই। তাই বাপেকলৈ চপচপিয়াকৈ এবাতি মদ সজাই থলে। ওচৰতে সুৰেন্দ্ৰ আৰু অৰুণলৈকো দুবাতি সজালে।

অৰুণে গা ধুই নতুন সাজপাৰ পিন্ধিলে আৰু আগফালৰ তুংগাঁওত বৈ থকা সুৰেন্দ্ৰক সুধিলে,– তোৰ ছাগৈ ভোক লাগিছে নহয় ?

– নাই, কিয় লাগিব ?

—কিয় নালাগিব ? দেখি হোৱা নাই জানো। আমাৰ আকৌ লেনাং বাৰবাং বাজিলেহে খোৱা আৰম্ভ কৰিব পাৰি। প্ৰথমে মুৰবী জনক এবাটি আপং আৰু এটি পুৰাঙৰ বাতি দিব, আৰু তেৱেঁই প্ৰথমে খোৱা আৰম্ভ কৰাৰ পাচতহে আন বিলাকে খাব পাৰিব।

—বৰ ভাল কথা অৰুণ. আমাৰতো প্ৰথমতে অগ্নিক উৎসৰ্গা কৰি তাৰ পাচতহে সকলোৱে বিহুৰ পিঠাপনা খায়। পিছে অৰুণ, সেই বাজটো কৰ পৰা বজাব ?

– আমাৰ গাঁৱৰ গাওবুঢ়াৰ ঘৰৰ পৰা। বাজটো এবিধ থালৰ দৰে। তোক বাৰু মই দেখুৱামগৈ।

—বাৰু দেখুৱাবি। তইঁতৰ নিয়মবোৰ বৰ ভাল অ'।

হঠাতে লেনং বাৰবাং বাজি উঠিল। গাঁৱত উখল মাখল লাগিল। ঘৰে ঘৰে জীৱাৰী বোৱাৰীবোৰে—উকলিকৃত হৈ পৰিল। পাহীয়ে জুহালৰ কাষতে বাপেকৰ হাতত এবাতি আপং

আৰু এটি পুৰাণৰ টোপোলা তুলি দিলে। প্ৰথমে ঘৰৰ মূৰব্বী অৰুণৰ বাপেকে খোৱা আৰম্ভ কৰাৰ পাচতহে অৰুণ আৰু সুৰেন্দ্ৰই খাবলৈ আৰম্ভ কৰিলে। অৰুণৰ বাপেকে পাহীলৈ চাই ক'লে— সোনকাল কৰ, বুঢ়াসকল আহিবই এতিয়া। গাঁৱৰ মূৰৰ ঘৰ যেতিয়া আমাৰ ঘৰতে মিজিংসকল সোমাবহি।

পাহীয়ে আলহীলৈ বাতিবোৰ ঠিক কৰিলে। কাৰণ প্ৰত্যেক ঘৰৰ পৰা বুঢ়া সকল প্ৰথমে আহিব। তাৰ পিচতহে ল'ৰা-ছোৱালীবোৰ আহিব। পাহীয়ে আপং আৰু পুৰাণৰ টোপোলা ঠিক কৰোতেই তুংগাঙত আলহীৰ মাত শুনা গ'ল। মিজিং ( অতিথি ) সকল আহিলেই। অৰুণে সকলোকে ঢাৰি পাৰি বহিবলৈ দিলে। পাহীয়ে প্ৰতিজনৰ আগত আপঙৰ বাতি আৰু পুৰাণৰ টোপোলা দি খাবলৈ অনুৰোধ কৰিলে। সকলোৱে খোৱাৰ আগতে প্ৰথমে আপং অপিন (আপং ভাত) আৰু বসুমতীক আপং যাচি মাটি পানী উৎসৰ্গা কৰি খাবলৈ ধৰিলে।

"হে সৃষ্টিকৰ্তা! মাটি, পানী, তোমালোক সকলোকে বছে-ৰেকীয়া উৎসৱৰ খোৱা বস্তুৰ পৰা প্ৰথম ভাগ দিছোঁ। ঘৰৰ সকলোকে কুশলে ৰাখা, খেতি বাতি ভাল হ'বলৈ দিয়া. অহা বছৰ দুই তিনিটা ভড়াল হোৱাকৈ ধান পাবলৈ দিয়া।"

পাহী আৰু অৰুণ, লগলাগি বঢ়া মেঠা সকলক খোৱাই বোৱাই শুশ্ৰূষা কৰিলে আৰু খোৱা বোৱা শেষ কৰি তেওঁলোক গ'লগৈ। পাহীৰ গাত তৎ নাইকিয়া হ'ল, নিশালৈ ঢোল পেঁপা বাজিব, তায়ো নাচিবলৈ যাব। এইবাৰ নাহেন পেগুৰ ঘৰতে ৰাইজে বৰ কাহঁৰ খুটি পুতিলে। গতিকে সোনকাল কৰিবৰ হ'ল। গৰখীয়া ল'ৰামখা সোনকালে আহিলেই হ'ল। তাই পাচফালৰ আপকুৰ (বাৰান্দাতে) কাঁহি-বাতি ধুই অতাইছেহে মাত্ৰ, গৰখীয়া ল'ৰাবোৰ আহি সিহঁতৰ তুংগাঙত ঠাহ খালেহি।

অৰুণ আৰু সুৰেন্দ্ৰই সিহঁতক ঢাৰি কঠ পাৰি বহিবলৈ দিলে।

পাহীয়ে আকৌ আপং ভাত আনি সিহঁতৰ আগত দিলেহি। অৰুণে তাইক সহায় কৰি দিলে। ল'ৰাবিলাকে আশীৰ্ব্বাদ দিলে - অহা বছৰতো যাতে এই বছৰৰ দৰে খুৱাবলৈ গৃহস্থক সামৰ্থ দিয়ক।

সুৰেন্দ্ৰৰ মনত পৰিল যোৱা বেলি বিহুতো সিহঁতৰ ঘৰত গৰখীয়া ল'ৰামখাই এই বুলি আশীৰ্ব্বাদ দিছিল।

গৰখীয়া ল'ৰাবোৰ অৰুণহঁতৰ ঘৰৰ পৰা ওলাই যোৱাৰ পিচত সুৰেন্দ্ৰই অৰুণলৈ চাই হাঁহি মাৰি ক'লে—বুজিছ অৰুণ, আমাৰ বহাগ বিহুতো হুচৰি গায় গৃহস্থক গৰখীয়া ল'ৰাহঁতে আশীৰ্ব্বাদ দি যায়।

– অ' হয় নেকি ?

--হয়তো আকৌ। আশীৰ্ব্বাদবোৰ মোৰ বেছিকৈ মনত নাই। আজি কালি আকৌ চহৰত এইবোৰ নাইকিয়াই হৈছে নহয়, তথাপিও সৰুতে গাইফুৰা হুচৰি এফাকি মনত আছে—

এটা বাতিত নহৰু
এটা বাতিত পনৰু
এটা বাতিত মৰলীয়া শাক
মূৰৰ চুলি চিঙি আশীৰ্ব্বাদ কৰিছোঁ
গৃহস্থ কুশলে থাক ॥

— x —

## ( ১৮ )

নাহেন পেঙুৰ চোতালত "গুমবাগ গুমবাগ" নাচোনৰ তালে তালে ধৰণী কঁপি উঠিল—

দিন্ দিন্ পাক্ পাক্ বাৰ দিন্ পাক্

দিন দিন পাক পাক দাং দিন পাক।

ঢোলৰ শব্দে সেউজীয়া প্ৰকৃতিখন আনন্দ মুখৰ কৰি তুলিলে। লৰা ছোৱালী ডেকা গাভৰুবোৰে হাতত ধৰি ধৰি নাচিবলৈ আৰম্ভ কৰিলে। বুঢ়াসকলে চাইছেহি লৰা বিলাকে বজোৱা ঢোলত আচল চেও ফুটি উঠিছেনে নাই। অকস্মাৎ সময় শুনাৰ পিছত বুঢ়া সকলে চিঞৰি উঠিল—নাই, নাই ঢোলত চেও ভালৰে ফুটি উঠা নাই। অকণৰ বাপেক আগবাঢ়ি গ'ল আৰু লৰা এটাৰ হাতৰ পৰা ঢোল এটা লৈ বজাই দেখুৱাই দিলে। এনেকৈ বজা তেহে

দিন্ দিন্ পাক্ পাক্ বাৰ দিন পাক্

দিন্ দিন্ পাক্ দাং দিন পাক্॥

এৰা, এইয়াহে আচল ঢোলৰ চেও, ঢোলত আচল মাত নুফুটিলে কি নাচিবা বুলি কৈ গাঁৱৰ বুঢ়ী সকলেও নাচি নাচি আচল নাচৰ ভঙ্গি গাভৰু বিলাকক দেখুৱাই দিলে।

সেইদৰে ডেকা গাভৰুৰ নৃত্য ভঙ্গিমাত আৰু খোজত গুমবাগ আৰু দিনপাক্ আদি ঢোলৰ চেও সমানে মিলাই লৈ বিশেষ ধৰণৰ নৃত্যৰ ৰীতিৰে নাচিবলৈ আৰম্ভ কৰিলে। নৃত্যবোৰত ডেকা গাভৰুৱে শাৰি পাতি চক্ৰকাৰে— বা ঘূৰণীয়া হৈ প্ৰথমে নাচনীৰ হাতৰ

ভঙ্গিত সমানে মিলাই নাচিবলৈ আৰম্ভ কৰিলে।

নাহেন পেগুৰ চোতালৰ ধূলি - বালি কঁপি উঠিল। ডেকা গাভৰুৱে চক্ৰাকাৰে ঘূৰি ঘূৰি নাচিলে আৰু গালে—

ল - ল - লে ললে ল - লে

দায় ললে ললে ল -লে

চিচুক চুকব্ চুকব্ বদি যা

ৰেগাম গাম্ব গাম্ব বদি-যা

( আজি এই উৎসৱত গোৱা আৰু নচাৰ দৰে আমাৰ ঐক্য সদায় যুগে যুগে ৰৈ থাকিব। যেনেকৈ শৰ পক্ষৰে ভেলেঙ্গীক পাই উন্মাদ আৰু উদাত্ত মনেৰে আনন্দত মতলীয়া হয়, সেইদৰে আমিও আনন্দত আত্মহাৰা হৈছোঁ।)

পাহীয়ে গাভৰুবিলাকৰ হাতত ধৰি ধৰি সুৰেন্দ্ৰলৈ কেৰাহিকৈ চাই চাই চকু পিৰিবাই হাঁহিলে।

য় কুচে পাম চুতকা -

অমুম বুলুৱা বেবেং চুতকা

অমুম বুলুৱা বেক তঙে বেৰেং চুতকা

( আহা বন্ধুহঁত! সাজি কাচি আমাৰ লিগাং উৎসৱক আনন্দ মুখৰ আৰু ৰঙেৰে ৰঙীন কৰোঁ।)

পাহীয়ে গাভৰুবিলাকৰ হাতত ধৰি ধৰি সুৰেন্দ্ৰলৈ কেৰাহিকৈ চাই চাই চকু পিৰিকিয়াই হাঁহিলে আৰু গাবলৈ ধৰিলে -

য় এতচাঙে চাম্ চুদচেম

লেমিং এতচাঙে চাম্ চুদ্ চেম

য় লেচেনেম চেনমান লাজে

মেব্ বুলুৱা লেচেনেম চেনমান লা-জে

( আহঁা! আমি সুস্থ হৈ থাকোতেই আনন্দ কৰা, যাতে আনন্দত নাচি নাচি আমাৰ দুখ, শোক পাহৰি পেলাওঁ আহঁা ডেকা সমনীয়াহঁত ?)

সুৰেন্দ্ৰৰ বৰ ভাল লাগিল। লিগাং উৎসৱত হাঁহি আনন্দৰ মাজত সি নিজকে মিলাই দিবলৈ চেষ্টা কৰিলে। নাহেন পেগুৰ আগ চোতালত লিগাং নাচৰ দেওধ্বনী উঠিছে, গোৰাই গাইছে, নচাই নাচিছে, ঢোল বজোৱাই ঢোল বজাইছে। গাভৰুবোৰে নিজ হাতে বোৱা ধুনীয়া ধুনীয়া ফুলৰ চানেকি তোলা মেখেলা চাদৰ পিন্ধি নাচিবলৈ লাগিছে। গাভৰুসকলে হাত মেলি মেলি ঢোলৰ ছেৱে ছেৱে লাৱণি দেহৰ ভাজে ভাজে প্ৰেমৰ পোহৰ্নীয়া আনন্দৰ ঢৌ তুলি নিধে নিধে নাচোন নাচিছে।

লিগাং নাচৰ ককাল ভঙাৰ নিয়ম. বঠিয়া তোলা, ভুঁই ৰোৱা, ধান দোৱা, সূতা কটা আদি তৰহে তৰহে নাচোনত সোৱণশিৰিৰ পাৰৰ কলুৱা বন কপাই তুলিছে। পেম্পাই কিৰিলি পাৰিছে, বাহৰ চুঙাৰ তুম্পাকে গুণগুনাইছে। গগনা। গভীৰ সুৰে সেউজীয়া প্ৰকৃতিৰ বুকুত প্ৰেমৰ কঁপনি তুলিছে। ধনিয়েও জোৰানাবিলাৰৰ লগতে হালি জালি নাচিছে।

অৰুণে তাইকে হেপাঁহ পলুৱাই চাইছে। সুৰেন্দ্ৰই কিন্তু ফুলিক চিনি নাপায়।

—কোন জনী অ' তোৰ প্ৰেমিকা অৰুণ?

—ধেৎ তই মাৰ খাবি দেই সুৰেন্দ্ৰ, মই কাকো ভাল নাপাওঁ।

ভাল নাপাৱ? মই সকলো গম পাইছোঁ। তই ইমান দিন মোক ফাঁকি দি আছিলি। তই কিন্তু আজি দেখুৱাই নিদিলে মই যামগৈ।

সুৰেন্দ্ৰই খং দেখুৱাই যাবলৈ খুজিলে। অৰুণে তাৰ হাতখন থাপ মাৰি ধৰিলে। সুৰেন্দ্ৰই গম পালে অৰুণ কঁপিছে। সি সুৰেন্দ্ৰৰ হাতত ধৰি আন এটা কোণলৈ লৈ গ'ল। সুৰেন্দ্ৰই ক'লে— এতিয়া দেখুৱা! অৰুণে তাক দেখুৱাই দিলে—সেইযা হালি জালি হে পাহীৰ হাতত ধৰি নাচিছে, দেখিছ।

—অ' দেখিছোঁ, বাঃ ধুনীয়া ' বঙা পৰা গাল, সোণসেৰিয়া কলাফুল, ক'লা চিকমিকিয়া চুলি। সুৰেন্দ্ৰৰ বৰ ভাল লাগিল। ইহঁত যেন সৰগৰ

পৰা নামি অহা একো একোজনী পৰীহে। তাৰ এনে ভাব হ'ল - সৰল, সহজ মিচিং গাভৰু; প্ৰকৃতিৰ সুন্দৰী জীয়াৰি।

কিছুসময় মনে মনে থকাৰ পিচত অৰুণে সুৰেন্দ্ৰলৈ চাই ক'লে ব'ল এতিয়া ঘৰলৈ যাওঁ।

—কিয় তোৰ হেপাহ পলাল জানো? তয়ো নাচগৈ যা'

--ধেৎ, মই নাচিবলৈ পাহৰিলোৱেই।

--এৰা, পাহৰিবিহো, নেলব চাকৰি কৰিছ, বৰ মানুহ হৈছ, কিয় মনত থাকিব? আমি নিজৰ কৃষ্টি এ'ৰ বাবে এওলোৱা ঠাচ লৈছোঁ নহয় জানো?

অৰুণ মনে মনে থাকিল। সি একো মাতিব নোৱাৰিলে। সুৰেন্দ্ৰই তালৈ চাই গুণ গুণালে

বিহুৰে বিৰিণা পাতে মোৰ মইনা
বিহুৰে বিৰিণা পাত

অৰুণে তালৈ চাই ক'লে—ঐ সুৰেন্দ্ৰ নাযাব নেকি? আপং খাবি নেকি?

—নাই নাই নাখাওঁ, পেট ভৰি আছে।

- বল তেনেহলে ঘৰলৈ যাওঁ।

সিহঁত দুয়োটা ঘৰলৈ বুলি খোজ ললে। তেতিয়া নিশাৰ এন্ধাৰ নামি আহিছিল। বাটৰ দুৱৰি বন গচকি গচকি সুৰেন্দ্ৰই গাই গ'ল—

ৰাঙলী মদাৰৰ পাণ অ' মইনা
ৰাঙলী মদাৰৰ পাণ
এই বেলি বহাগতে যাওঁগৈ মইনা
অহাবেলি বহাগতে পাম॥

বিহু গীত ফাকি শুনি অৰুণে সুৰেন্দ্ৰক সাবটি ধৰিলে - অৰুণে বুজিলে—সুৰেন্দ্ৰৰ মনত আৰু আগৰ বেদনা নাই॥

— x —

## ( ১৯ )

আলিয়াই লিগাঙৰ আজি দ্বিতীয় দিনা। পুৱাৰে পৰা গাওঁখনৰ ভৎ নাইকিয়া হৈছে। আজি বিহু (চমান)ত গাঁৱৰ সকলো ৰাইজে যোগদান কৰিছে। পাহীয়ে নিজ হাতে বোৱা মেখেলা চাদৰ পিন্ধিলে, আন ছোৱালীবিলাকেও নিজ হাতে বোৱা 'বিবি, গাচেং, পেতালি (হাতে বোৱা বংচঙীয়া ফুল থকা মেখেলা চাদৰ আৰু ককালৰ মেঠনি) কাপোৰ পিন্ধিলে। ডেকা ল'ৰা বিলাকেও হাতে বোৱা চুৰীয়া, আৰু চোলা "উগন" আৰু "গালোক" পিন্ধি লিগাং কৃষ্টিৰ চিন স্বৰূপে পতাকা হাতত লৈ শোভাযাত্ৰা আৰম্ভ কৰিলে।

শোভাযাত্ৰাত ডেকা-গাভৰু, বোৱাৰী, বুঢ়া মেঠাসকলেও গুম্‌ৰাগ গুম্‌ৰাগ নাচ নাচি গাঁৱৰ সেন্দুৰীয়া আলিবাটেদি আগুৱাই গ'ল। সুৰেন্দ্ৰই সিহঁতৰ কৃষ্টিৰ শোভাযাত্ৰা দেখি তবধ মানিলে। তাৰ চিঞৰি চিঞৰি কবৰ মন গ'ল - কেনি ক'ত আছ আহ ঐ অসমীয়া ওলাই আহ! চা হি অসমৰ মজিয়াত কৃষ্টিৰ অপৰূপ ৰূপ, কেঁচা সেন্দুৰীয়া ৰং। সি নিজেই ভাবিলে, অসমৰ বিহু তলিত প্ৰীতিৰ মাদকতা, ঐক্য, জাতিক জীয়াই ৰখাৰ চেতনা নাই বুলি কোনে ক'লে? জাতিক জীয়াই ৰখাৰ সঞ্জীৱনী এতিয়াও অসমৰ বুকুত লুপ্ত হোৱা নাই। চা হি অ' চাহি এইয়া ডেকা-গাভৰুৰ প্ৰাণ খোলা নাচোনৰ ধ্বনি শুনহি অ' শুনহি অসমৰ ডেকা গাভৰুৰ প্ৰাণৰ সুৰ। এই সুৰ পৰ্ব্বত ভৈয়ামৰ জনজাতি অজনজাতি জাতি ধৰ্ম্ম নিৰ্বিশেষে

প্ৰাণত সাৱটি লহি। নললে যে অসম মৰিব, বৰ অসমৰ বুকুত তিতা লাওঁ গজিব, অসমীয়া বুলি কোনো এটা জাতিৰ চিন-চাব নাথাকিব। অসমীয়া সমনীয়াহঁত আগবাঢ়ি আহ আৰু নিজৰ বাই ভাইহঁতক সাৱটি লৈ আকৌ আগবাঢ়ি যা।

সি কথাবোৰ ভাবি থাকোঁতেই বিহুৰ দলটো তাৰ আগেদিয়েই পাৰ হৈ গ'ল। সিও সিহঁতৰ পাচে পাচে খোজ ললে। সি কিন্তু পাহী, ফুলি, অৰুণ কাকো দেখা নেপালে। দলটোৱে প্ৰতি ঘৰে ঘৰে সোমাই বিহুমাৰি গৈছে। গুমৰাগ, গুমৰাগ ঢোলৰ ছেৱত প্ৰতি ঘৰৰ চোতালৰ বননি কঁপাই তুলিছে। গাভৰু ছোৱালী বিলাকৰ লগত বোৱাৰী বিলাকেও নাচিছে। বোৱাৰীবোৰে নানাচিলে যে পৃথিৱী সগৰ্ভা নহ'ব। ধানৰ থোক নেমেলিব।

প্ৰতি ঘৰ গৃহস্থই আপং যাচিছে। খোৱাই খাইছে, খাব নোৱাৰিলে কলহত গোটাই আনিছে আৰু গৃহস্থই দিয়া মাননি লৈ বিহুৰ দলে হৰি ধ্বনি দি গৃহস্থৰ কুশল কামনা কৰিছে।

সি দলটিৰ পিছে পিছে গৈ থাকিল। কি সুন্দৰ এই অই নিতমবোৰ! ভাষাৰ জটিলতা নথকা এই গীতবোৰত মাত্ৰ প্ৰাণৰ আকুলতা প্ৰকাশ পায়। অৰুণে কালি তাক কৈছিল—"অই" মানে অতি আপোনজন আৰু "নিতম" মানে চেনেহৰ গীত।

বিশাল ব্ৰহ্মপুত্ৰ, ৰঙানদী, আৰু সোৱণশিৰিৰ পাৰে পাৰে দীঘলীয়া শাৰী শাৰী মিৰি চাংবোৰৰ পৰা যেন অতি আপোনজনৰ চেনেহৰ গীত ভাহি আহিছে।

আধুনিক জগতৰ পৰা আতৰত বাস কৰা এই মিচিং লোক সকলে সদায় পেট ভাতৰ কাৰণে যুদ্ধ কৰি আহিছে, বছৰি অহা বাৰিষাৰ বানপানীয়ে জুকলা কৰা মিচিংসকলে প্ৰকৃতিকে আপোন বুলি ভাবি ধ্বংসৰ বুকুতে সৃষ্টিৰ সৃজনী শক্তিৰে বিনন্দীয়া সংসাৰ গঢ়ি তুলিবলৈ চেষ্টা কৰিছে। সেয়েহে তেওঁলোকৰ প্ৰাণত বসন্তৰ

আগমনৰ লগে লগে জান জুৰিৰ সুৰে সুৰে, বতাহৰ ছেৱে ছেৱে নতুন সুৰে সুৰে পুলকতা আছে।

মিচিং গাভৰুবিলাকে জাউৰিয়ে জাউৰিয়ে গোৱা অইনিতম বোৰত সি দেখিবলৈ পাইছে দৈনন্দিন জীৱনৰ ঘাট প্ৰতিঘাট হাঁহি কান্দোনৰ প্ৰতিচ্ছবি।

গৰু আ:লোম লাগিমাং
মেন্ ঞেক আঃ লাগিমাং লোম
ঙক্কো অয়মো পাঃ মৃল
কুযাব তাগলা দবপো"।

(খেতি কৰি খাবলৈ মোক গৰু হাল নালাগে, ম'হৰ হালখনো প্ৰয়োজন নাই। কিন্তু মোৰ মৰমীৰ সৈতে যদি মোৰ মিলন হয় তেন্তে কোৰেৰেই খেতি কৰি খাম।)

দুখীয়া কৃষক শ্ৰেণীৰ আশা আকাঙ্খা এই অ'ইনিতম বোৰত ফুটি উঠিছে, লগতে নতুন ডেকা গাভৰুৱে নতুনকৈ পাতনি মেলা জীৱনৰ গভীৰ প্ৰত্যাশা।

কাজে অইয়া মলাজো
আৰ্জ্জিদা গম অকুম্‌ক
অৱনৰি ৰোকামপো
দঞি প'ল দাক কামপো॥

(আহা গুৱনী সোৱণশিৰিৰ পাৰত এটি ঘৰ সাজি তুমি আৰু মই মিলি এখন সুখৰ সাংসাৰ পাতো। ধুনীয়া ধৰণীৰ চন্দ্ৰ সূৰ্য্যৰ মুকলি আকাশৰ তলত সেই ঘৰটিত আশ্ৰয় লৈ ভালপোৱাৰ উমেৰে জীৱন নিৰ্ব্বাহ কৰিম।

সুৰেন্দ্ৰই খোজকাটি গৈ থাকোতে গীত কেইটা আকৌ আওৰালে। মানুহ আশাধাৰী জীৱ। সুখেৰে থাকিবলৈনো কোনে বাৰু নিবিচাৰে?

ইতিপূৰ্ব্বে বিহুদলটো বহুদূৰ পালেগৈ। তাৰ মনত ভাবৰ হেন্দোলনী উঠিল। হাজাৰ বিজাৰ সমস্যা ৰাজিৰ লগতে মানুহৰ কল্যাণ সাধন কৰাও এটা বিৰাট সমস্যা। এই কল্যাণৰ কাৰণে সকলোৱে এক সৎ পথেৰে আগুৱাই যাব লাগিব।

এই প্ৰচেষ্টা অহিংসাৰে সাধন কৰিব লাগিব। প্ৰতিজন ব্যক্তি হ'ব লাগিব সৎ আৰু নিস্পাপ। প্ৰলোভনৰ পৰা আঁতৰি থাকি জনতাৰ কল্যাণৰ হকে কাম কৰিবলৈ আহি ৰাইজৰ একতাৰ মাৰল ঘৰত প্ৰাণ প্ৰতিস্থা কৰিব লাগিব ৰাইজেই। তাৰ মাজতে থাকিব লাগিব সমূহীয়া ঐক্য আৰু আন্তৰিকতা। দূৰৰ পৰা অই-নিতমৰ সুমধুৰ সুৰে তাক বিহ্বল কৰি তুলিলে। হঠাতে সি যেন বৰ দুৰ্ব্বল হৈ পৰিছে। সি যেন বৰ অকলশৰীয়া আৰু অসহায়।

সি দেগাই খোজ দিলে। নাই, সি কিয় অকলশৰীয়া হ'ব? অৰুণ আছে, পাহী আছে আৰু আছে তাৰ বিজয়া, পায়েল আৰু ভগৎসিঙ্। পায়েললৈ মনত পৰাৰ লগে লগে তাৰ বুকুখনত কিবা এটা দাৰুণ যন্ত্ৰণা অনুভৱ কৰিলে।

কেঁচা দুবৰি বন গছকি সি একাত্মমনে খোজ কাঢ়ি গল। সি গৈ যেতিয়া অৰুণহঁতৰ তুংগীঙত থিয় হ'ল, তেতিয়া ঘৰত কোনো নাছিল। সি তুংগীঙত থিয় হৈ দূৰলৈ চাই পঠিয়ালে— মুকলি আকাশ, মুকলি বতাহ, দূৰৰ পৰ্ব্বতৰ বিনন্দিয়া ৰূপ, গছৰ ডালত চৰাইৰ কোলাহল—তাৰ মনতো কিবা এটা অনুভূতিয়ে আকুল কৰি তুলিলে। সি গুণগুণালে—

অনুৰাগ যদি অগনি হয়
সেই অগনিত দহিবা
সজাৰ পখীৰ বুকুৰ বেদনা
আৰু কিমান সহিবা॥

— x —

## ( ২০ )

এদিন দুদিন কৰি প্ৰায় পোন্ধৰ দিন হ'লহি, সুৰেন্দ্ৰ অহাই নাই। বিজয়াই পায়েলক কোলাত তুলি লৈ চোতালতে ইফাল-সিফাল কৰি চিন্তা কৰিলে। ইফালে সুৰেন্দ্ৰৰ বাবা হৰগোবিন্দ চক্ৰৱৰ্তীৰো শৰীৰটো ভাল নহয়। তাই পদূলি মুখলৈ ওলাই গ'ল আৰু দূৰলৈ চাই পঠিয়ালে, কিন্তু তাইৰ চকুৰ আগত দীঘল ৰেলৰ লাইন এটাৰ বাহিৰে আন একো দেখা নাপালে।

- দিদি!

মদনলালৰ চিঞৰত বিজয়াই ফিৰি চালে মদনলাল! কি ৰে মদনলাল!

— দিদি, কালিৰ পৰা আমি আন্দোলন কৰিম।

— আৰে, কিহৰ আন্দোলন ৰে?

— আমাৰ দাবী, মানিবই লাগিব।

— আৰে বাবা, কিহৰ দাবী আগে ক!

— আমাৰ ডিউটিৰ সময় কমাই দিব লাগিব। ১৪ ঘণ্টা ডিউটি আমি নকৰো।

— আৰু?

— আমাক ৰেচনৰ দোকান বেলেগ লাগে, আমাক ভাল কোৱাৰ্টাৰ লাগে, খোৱা পানীৰ ব্যৱস্থা কৰি দিব লাগে, প্ৰতি ঘৰে ঘৰে লাইট লাগে, মেডিকেলৰ পইচা লাগে কথা কৈ কৈ মদনলালে পায়েলক তাইৰ হাতৰ পৰা কোলাত তুলি ললে।

বিজয়াই কিছুসময় চিন্তা কৰি ক'লে-মদন ভাই এটা কথা, সকলো কথা আন্দোলন কৰি নহয়, একবাৰ আমি ষ্টেচন বাবুৰ লগত আলোচনা কৰি লওঁ !

—আৰে বাদ দে দিদি, বহুত হ'ল, কিমান বাৰ আলোচনা কৰিলো, খালি হ'ব, চাম বাৰু কৰোতেই বছৰ বছৰ গৈ আছে আৰু গৰীবৰ কান্ধৰ ওপৰেদি সিহঁতৰ মুনাফাৰ ৰেলগাড়ী চলাই নিছে, সেই কাৰণে আমি কালিৰ পৰা হৰতাল কৰিম, মানে কাম নকৰো ।

—হয় নেকি ?

-অঁ দিদি, দুই নম্বৰ কলনিত মিটিং হৈ গ'ল !

--তাৰ মানে তহঁতে কৰিবিয়েই ?

—অঁ দিদি, আমি কাম নকৰিলে ষ্টেচন চাবি চোন কেনে মজা লাগিব ।

- পিছে মদনভাই সুৰেন্দ্ৰ বাবু অহা হ'লে ভাল আছিল ।

- নালাগে বিজয়া দিদি, আমি নিজেই আমাৰ প্ৰাপ্য বিচাৰিবলৈ শিকিব লাগিব । আজি ৰাতি তই লাচমীহঁতক বুজাই দিবি । কাম কৰিম আৰু বাবু লোকৰ গালিও খাম । অথচ, পাব লগা প্ৰাপ্য খিনিও আমি নাপাওঁ । এইটো হ'ব নোৱাৰে দিদি । কালিলৈ যাতে কোনো কামলৈ নেযায় ।

পায়েলক বিজয়াৰ কোলাত দি মদনলাল বেগা বেগিকৈ পুনৰ ষ্টেচনৰ ফালে গুচি গ'ল । বিজয়াই পায়েলক লৈ ভিতৰলৈ সোমাই গ'ল । তাই ওপৰলৈ চালে সচাঁকৈয়ে সিহঁতৰ ওপৰত অন্যায কৰা হৈছে । মহাত্মা গান্ধীয়ে অস্পৃশ্যতা দূৰীকৰণ আচনি কৰি গ'ল, কিন্তু আঁচনি আঁচনি হৈয়ে ৰ'ল । সমাজত মাত মতাৰ অধিকাৰৰ পৰা সিহঁত আজিও বঞ্চিত । তাইৰ গাটো কঁপি উঠিল । সচাঁকৈয়ে সিহঁতে আন্দোলন কৰিব । মানুহক, মানুহৰ দৰে থাকিবলৈ দিব লাগে, মানুহৰ ন্যায্য প্ৰাপ্য সিহঁতক লাগে । সিহঁতৰ অধিকাৰ সাব্যস্ত কৰিবলৈ সিহঁতে আন্দোলন কৰিব লাগিব ।

—বিজয়া !

হঠাতে ভগৎসিঙক দেখি বিজয়া আচৰিত হ'ল।

—তোৰটো ডিউটি আছিল ?

—অ' জলদি আহিলো। এটা বহুত দৰকাৰী কাম আছে।

—কি কাম বে ?

—নাই পিছে জানিবি।

ভগৎসিঙে মূৰত পাগুৰীটো মাৰি ওলাই গ'ল। পায়েলক বিচনাত থৈ বিজয়াই লেমটো জ্বলাই দিলে।

পায়েলক বিচনাত শুৱাই দিয়াৰ লগে লগে পায়েলে ভৰি দুটা মাৰি মাৰি খেলিবলৈ ধৰিলে। পায়েলৰ বয়স চাৰিমাহ হৈছে। তাই এতিয়া ভালকৈ হাঁহিব পাৰে, কলকলাব পাৰে, উবুৰি হয়। তাই পায়েলক গাখীৰ আৰু বিস্কুট খুৱাই দিলে।

গাখীৰৰ চামুচখন পায়েলৰ মুখত দি বিজয়াৰ মনটো হঠাতে বেয়া লাগিল। ভগৎসিঙে আকৌ মদ পানী খাবলৈ লৈছে। এই কেইদিনতে যেন ভগৎসিঙে সিহঁতৰ সৰু সংসাৰখন দেৱলীয়া কৰি পেলালে। তাইৰ চকুদুটা পানীৰে উপচি পৰিল।

কিছুসময় তাই উদং গাখীৰৰ কাপটো হাতত লৈ থাকি কান্দিলে। আচলৰ আগেৰে চকুপানী মচি তাই ভাবিলে—আন্দোলন কৰিলে কি হব ? মদে সিহঁতৰ খাই পেলালে। হাতৰ খালি কাপটো মজিয়াখনতে থৈ তাই পায়েলক বুকুত মাজত লৈ বিচনাত বাগৰ দিলে।

পায়েলৰ লগতে তাইৰো টোপনি গ'ল। গোটেই দিনটোৰ ভাগৰে তাইক হেঁচা মাৰি ধৰিলে। নিশা এটা "হাল্লাত" তাই চক্ খাই সাৰ পালে। তাই শুনিলে ভগৎসিঙৰ চিঞৰ। তাই একেচাবে উঠি বাহিৰলৈ ওলাই গ'ল। সটাকৈয়ে ভগৎসিঙে মদপানী খাই হুলস্থুল কৰিছে। মদন, শ্যাম, লচমি, চব গোট খাইছেহি। বিজয়া দৌৰি গৈ মদনলালৰ ওচৰত ৰ'লগৈ। আৰে মদন, ক্যা হুৱাবে ?

- আৰে দিদি! আজি খুন কৰি দিলোহেঁতেন, কিন্তু তোৰ কাৰণে বাচি গ'ল।

- আৰে কথাটো কি ?

-- তোৰ ভগৎসিঙ জমাদাৰ হৈ গোদাম বাবু কণপাইৰ লগ লাগি ৰূপেয়া খাইছে আৰু আমাৰ হৰতাল বন্ধ কৰিবলৈ আহিছে। চাল্লা কাহাকা! কণপাই বাবু! হামলোগকো ৰূপেয়া মত দেখাও। লচমিয়ে এই সময়তে কণপাইক মাৰিবলৈ ঝাৰুডাল লৈ খেদি আহিল - চাল্লা মদপানী খাবলৈ টকা আনিছ। ইহঁতে একদম দেশ খাই দিলে, দালাল ওলাইছে, দালাল।

--আৰে লচমি বহিন মাফ কৰি দে ' বৰ বাবুয়ে তহঁতক টকা দিবলৈ দিছিল, মই ভাবিছিলো তহঁতেও ভাল পাবি, মোৰো লাভ হ'ব।

- আবে যা যা ? আগৰ দিন আৰু নাই। মাল খাই কাম কৰিম ? লচমিয়ে হাতত ঝাৰুডাল লৈ খুউব হাঁহিলে।

মদনলালে কণপাইলৈ চাই ক'লে—কণপাই বাবু! তহঁতৰ নিচিনা আমি দেশ নাখাও বুজিলি, যেইমানি নকৰো, ভাবিছিলি টকাই চব হৈ যাব ?

- মোক মাফ কৰি দে মদনলাল '

— চুপ্! কাহাকা ' আৰু ভি কথা নকবি ' এতিয়াই ইয়াৰ পৰা বাহিৰ হ।

এইবাৰ মদনলালে ভগৎসিঙলৈ চাই ক'লে—তুইতো হামলোকৰ জমাদাৰ আছ ? ইজ্জত বুজি পাব নে নাপাব ?

ভগৎসিঙে মদৰ জালত মুখেৰে কিছুমান কথা বিৰ্‌বিৰালে। বিজয়া ভগৎসিঙৰ ওচৰলৈ গ'ল আৰু ক'লে তই একদম শেষ কৰি দিলি বে!

— কি শেষ কৰিলো চাল্লা হাবামজাদী। বিজয়াক চৰ এটা মাৰিবলৈ আহি ভগৎসিঙ মদনহঁতৰ চোতালতে পৰি গ'ল। বিজয়াই তাক তুলিবলৈ গৈ দেখিলে ভগৎসিঙে বমি কৰিছে।

— x —

আবেলি পাহীয়ে বিহুমাি ঘূৰি আহি ভিতৰত কাপোৰ সলাই থাকোতে গুণগুণালে--

ৰেল আলি তুবৰি এদিলনো কিঙাবযেন

ঐন্নিভয়িক আগমদেম এদিলনা লুঙাবয়েন

অকল গ্নৈয়া দোংকাংকোন অক আগেৰ নেৰকাংকোন

সায়িঙৰ কাবেগ দাগ তালেঙ আমচ কাবো মাং

( ৰেলৰ আলিত গজি থকা তুবৰি বন গণি শেস কৰিব নোৱাৰাৰ দৰে তোমাৰ মোৰ অন্তৰৰ নিহিত ভাল পোৱা কথাও কৈ শেষ কৰিব নোৱাৰো )

সুৰেন্দ্ৰই অৰুণৰ পৰা গীতৰ অৰ্থটো বুজিলৈ ক'লে—পাহীৰো কোনোবা পেমিক আছে নেকি ?

—ধেৎ নাই। আমাৰ ছোৱালীবিলাকে এইদৰে অইনিতমবোৰ গাই ভাল পায়।

পাহী ! সুৰেন্দ্ৰই মাত দিলে।

সুৰেন্দ্ৰৰ মাত শুনি পাহী সেই ফালে লাজতে মুচকচ গ'ল।

- তাই লাজ পাইছে অৰুণে ক'লে।

—এৰা তাইৰ বৰ লাজ অ', মোৰ আগত ভালকৈ কথাই নকয়।

-- তই ওলাই যাবি নেকি ? অৰুণে সুৰেন্দ্ৰক সুধিলে।

নাযাওঁ অ', বৰ ভাগৰ লাগিছে, ওই যাব যদি যা !

অৰুণ বহাৰ পৰা উঠিল আৰু ক'লে--মই অলপ ওলাই

যাওঁ তই তেনেহলে জিৰণি ল। কথা কৈ কৈ অৰুণ ওলাই গ'ল। তেতিয়া সন্ধিয়া লাগিছিল। অস্তাচলৰ বেলিয়ে সোণোৱালী ৰিহাৰ আচলত তৰাৰ বুটা বাচিব'ল চেষ্টা কৰিছিল। সি আগবাঢ়িছিল নদীৰ ঘাটলৈ বৰ আহঁতৰ তলা। সিহঁতৰ চিনাকি বৰ আঁহত গছজোপা, কত দিন যে এই গছজোপাৰ তলতে সিহঁত বহিছিল। মনৰ কথা পাতিছিল। মুখনি আকাশৰ তলত জোনবায়ে সিহঁতক দেখি লাজতে যেন শুকুলা মেঘৰ আঁৰত মুখ লুকুৱাই হাঁহিছিল।

তাৰ গাটো লাজতে ৰোমাঞ্চিত হ'ল। সি ইফালে সিফালে চালে। ক'তা! ফুলিৰ দেখোন দেখা দেখিয়েই নাই। সি গৈ বৰআহত জোপাৰ তলতে বহিলগৈ। চাৰিওফালে আন্ধাৰবোৰ যেন ঝিৰ ঝিৰ কৰি পৃথিৱীলৈ নামি আহিছে, ওচৰতে পানীৰ ঘাটত বতাহৰ সোঁ-সোঁৱনি শব্দ, দূৰৰ কহুৱা বনৰ মাজত এটা দুটা জোনাকী পৰুৱাই টিপচাকি জ্বলাইছে। আজি আৰু ফুলি নাহে। নিশা ঘন হৈ আহিছে সি থিয় হ'ল আৰু এটা ভাৰাক্ৰান্ত মনলৈ যাবলৈ ওলাল। হঠাতে সি দেখিলে কহুৱা বননি ডবাৰ কাষেদি ফুলি তাৰ ওচৰলৈকে দৌৰি আহিছে। সি অভিমানৰ সুৰত ক'লে—বলৈনো গৈছিলি, ইমান দেৰি কৰিলি যে?
—কলৈকো নাই যোৱা অ', পিতায়ে ঘাটলৈ আহিবলৈকে নিদিয়ে। আগফালে পিতাই বহি আছে, সেই কাৰণে—
—এতিয়ানো কেনেকৈ আহিলি?
—পিছফালেদি।
—অ' মই আকৌ ভাবিছিলো, তই কাৰবাৰ লগত পিৰিতিকে কৰিছ কিজানি?
—মই যাওঁ তেনেহলে।

ফুলিয়ে অভিমান কৰি যাবলৈ ওলাল। অৰুণে ফুলিৰ ককালটোত ধৰি তাৰ ওচৰতে বহুৱাই ললে। মই দুদিন মানৰ পাচতে যামগৈ ফুলি।
—তই যাবিগৈ?

—অ' ফুলি যাব লাগিব। ছুটী শেষ হৈছে। কালিলৈ বিহুৰ ভোজ শেষ হ'ব, পৰহিলৈ যাম বুলি ভাবিছোঁ।

—কিয় আৰু কেইদিন মান থাকিব নোৱাৰনে ?

—নোৱাৰো ফুলি, কামত জইন কৰিব লাগে।

কথা কৈ কৈ অৰুণে ফুলিক বুকুত সুমুৱাই ললে। ফুলি কিছুসময় নিৰৱে অৰুণৰ বুকুৰ মাজত সোমাই থকাৰ পিচত তাই ক'লে—আয়ে পিতায়ে কালি নিশা তোৰ কথা পাতিছে।

—পিছে কি কথা ?

—তোৰ কথা।

—মোৰ কথা ? মোৰ কথা আকৌ কি ?

—মোক তোলৈ বিয়া নিদিয়ে। আইৰ মন আছে, পিতাইৰহে নাই।

—কিয় ?"

—চাকৰিৰ ধনেৰে বোলে আমাৰ পৰিয়াল চলাব নোৱাৰিবি। বছৰে বছৰে বানপানীয়ে শইচ ধ্বংস কৰে, ঘৰ দুৱাৰ ভাঙে, গৰু-গাই উটুৱাই নিয়ে। সেই কাৰণে পিতায়ে কৈছে—বানপানীৰ লগত যুদ্ধ কৰিব পৰা খেতিয়ক ল'ৰাকহে বোলে মোক বিয়া দিব।

অৰুণে খুউব হাঁহিলে। সি ফুলিৰ গালত লাহেকৈ চৰ এটা মাৰি দি ক'লে- তেনেহলে ভালেই হৈছে দে পিতাইৰ মতেই হওঁক।

ফুলি লাব ওচৰৰ পৰা একেচাপে উঠি ক'লে নাই—নাই, সেইটো হব নোৱাৰে। মই তোৰ অবিহনে আনলৈ নাযাওঁ। তাই উচুপি উঠিল। উচুপি উচুপি তাই ক'লে মই মই -মৰিম।

—আই ঐ মোৰ সোণজনী, তেই এনে কথা নকবিচোন। অৰুণে তাইক পুনৰ বুকুত সাৱটি ধৰিলে। তই চিন্তা নকৰিবি, মই কথা দিছোঁ নহয় এইবাৰ মই আহি তোক মোৰ জীৱনৰ লগৰী কৰি লম।

কেনেকৈ ? পিতায়ে তোলৈ কেতিয়াও নিদিয়ে।

—পলুৱাই লৈ যাম ফুলি, অহা "পৰাগ'ত বুজিলি ? অৰুণে কথা

কৈ কৈ ফুলিৰ গালত তাৰ ওঁঠ দুখন দি হেঁচি ধৰিলে।

অকনমান সময়ৰ পাচত অকণে ক'লে মই এতিয়া যাওঁ ফুলি, দেখি হৈছে।

—তই সচাঁকৈয়ে 'পৰাগত'' আহিবিনে ?

— নিশ্চয় আহিম যুলি।

অকণে শেষবাৰৰ কাৰণে ফুলিক বুকুত সাৱটি ধৰি বিদায় দিলে —যা! মোৰ সোণজনী।

কহুৱা বনৰ আঁৰে আঁৰে নদীৰ বালি গছকি ফুলিয়ে ঘৰলৈ ঢাপলি মেলিলে।

তাই যোৱাৰ ফালে চাই থাকি সি বুকুখন হাতেৰে মোহাৰি দিলে। তাৰ মনটো উদং উদং লাগিল। কিন্তু সি জানে তাৰ সপোন এদিন বাস্তবত পৰিণত হ'বই। সি আকৌ এবাৰ ফুলি যোৱাৰ ফালে চালে আৰু নিজে নিজে হাঁহিবলৈ চেষ্টা কৰি ঘৰলৈ বুলি খোজ দিলে। সি মনে মনে ক'লে—ফুলি তই মোৰ। তই মোৰ।

সি আগবাঢ়িল। নিমিষতে তাৰ চকুৰ আগত জিলিকি উঠিল ফুলিৰ শুৱণী মুখ, যিখন মুখত সি অকমান সময়ৰ আগতে দেখা পাইছিল, প্ৰেমৰ এক প্ৰশান্তিৰ স্নিগ্ধতা।

—x—

## ( ২২ )

নিশা চাংঘৰৰ মজিয়াত জুহালৰ কাষত সুৰেন্দ্ৰ আৰু অৰুণে কথা পাতি থকাৰ সময়তে হাতত হোকাটো লৈ বাপেকে সিহঁতৰ ওচৰত বহিলহি। আৰু হোকাটোত হুহোপামান মাৰি অৰুণলৈ চাই সুধিলে

—তহঁতনো কেতিয়া মানে যাবি ?

—পৰহিমানে যাম বুলি ভাবিছোঁ। অৰুণে কলে।

—পৰহিলৈকে গেনাই হ'ল, কেনেকৈ যাবি ?

—গেনা মানেনো কি দেউতা ? সুৰেন্দ্ৰই মাজতে সুধিলে

—সেই দিনা আমাৰ বাইজে এনে কাম বন নকৰে। লিগাঙৰ দ্বিতীয় দিনা বিস্তু গায পোৰা আপং আৰু টকা পইচাৰে তৃতীয় দিনা সকলোৱে মিলি দপান্ ডিপান (ভোজ ভাত) খাব আৰু চতুৰ্থ দিনা কোনো কাম বন নকৰি গেনা হৈ থাকিব। কাম বনৰ ভিতৰত গছ কটা, মাছ মৰা, মাটি খন্দা, পথাৰত জুই জ্বলোৱা আদি কাম বৰ দোষনীয। সেইবোৰ আমি নকৰো। আৰু খোৱা বোৱাৰ ভিতৰতো বৰণী সিজোৱা, মাছ মাংস তেলেৰে ভজা, চিৰা সান্দহ বনোৱা, টেঙা খোৱা, আৰু ফলমূল খোৱা দোষণীয় বুলি আমাৰ মিচিং সমাজে ভাবে আৰু এনে কৰিলে পথাৰত শস্য নগজে বুলি বিশ্বাস কৰে।

- তাৰ পিচৰ দিনা ?

- অ' তাৰ পিচৰ দিনা ? তাৰ পিচৰ দিনা অৰ্থাৎ পঞ্চম দিনা চাগলেনা কাৰ্য হয় অৰ্থাৎ গেনা ভাঙে। এই উপলক্ষে

প্ৰত্যেক ঘৰৰ পৰা একোজন পুৰুষ "ৰুকবাদ' লৈ যায়, অৰ্থাৎ চিকাৰ কৰিবলৈ যায়। পহু থকা এখন হাবিলৈ গৈ অধিক সংখ্যক মানুহে হৈ চৈ কৰি পহু খেদে আৰু চিকাৰী বোৰে এটা বিশেষ ঠাইত বৈ পহু মাৰে।

সেইদিনা যদি পহু মাৰিব পাৰে, তেনেহলে কুমদাং বিংঙং (আই বসুমতী) সন্তুষ্ট হৈছে বুলি বিশ্বাস কৰে।

- তাৰ পিছত ?

- তাৰ পিছত সেই চিকাৰত পোৱা পহু লৈ ঘৰলৈ যাব আৰু পহুৰ মাংসৰে চাগলেন কৰিব। এই চাগলেন উৎসৱলৈ গাঁৱৰ বুঢ়া-বুঢ়ী সকলক নিমন্ত্ৰণ কৰিব লাগিব।

এই চিকাৰত পোৱা মাংস ৰন্ধা-বঢ়া কৰি প্ৰথমে "এমে" (জুই) "লিচিক" ব্যৱহাৰিক বাচন "কিৰে" জাতিক আপং আৰু মাংস উৎসৰ্গা কৰি এইদৰে কব লাগিব "চিনা এমে লিচিক কিৰে নলুম আপপিঙেম আপং আচি বিপলা লিগাং চাগলেন ডুকুবং।

কাঞ্চি তাঞ্চি মেঞ্চি মেচাক মালাংকা।

—তাৰ মানে কি দেউতা ? সুৰেন্দ্ৰই অৰুণৰ বাপেকৰ মুখলৈ চাই সুধিলে।

অৰুণৰ বাপেকে হাঁহি মাৰি ক'লে—তই বুজি পোৱা নাই ? তাৰ মানে হ'ল—হে অগ্নি দেৱতা, ব্যৱহাৰ কৰা বাচন বৰ্তন, আৰু কিৰে (জাতি) তহঁতক সকলোকে আপং পানী দি লিগাঙৰ গেনা ভাঙিছোঁ। দায় দোষ যেন নথৰা। এইদৰে পাঁচদিন আমাৰ আলিয়াই লিগাং উৎসৱ ৰাইজে পালন কৰে। সেয়েহে মই তহঁতক কৈছোঁ—বোলো আৰু দুটা দিন থাকি যা। তহঁত থাকোতেই যদি তাইক চাবলৈ মানুহ আহে, কথাটো ভালেই হ'ব।

সুৰেণে অৰুণলৈ চাই ক'লে—তেনেহলে কি কৰ অৰুণ ? একেবাৰে লেঠাটো মাৰি যোৱা ভাল হ'ব নেকি ? নহলে তই আকৌ আহিব লাগিব, দিগদাৰ নহ'ব জানো ?

—তেনেহলে পিতাই , ল'ৰাৰ ঘৰত খবৰটোকে দে !

এৰা, ল'ৰাটো ভাল, বাপেকো ভাল মানুহ আছিল, পিছে অতি সোনকালে স্বৰ্গলৈ গ'ল। এতিয়া তাৰ ঘৰত মাক আৰু এজনী ভনীয়েকহে আছে। স্বভাৱ চৰিত্ৰ ভাল, খেতি-বাতিত মন দিয়া ল'ৰা।

ওঁ। অৰুণে লাহেকৈ শলাগি সুৰেণক সুধিলে পিছে তোৰ কিবা দিগদাৰ হব নেকি ?

- কিহৰ ?

—সেই যে ট্ৰেইনিঙৰ কিবা কাগজ পত্ৰ অহাৰ কথা আছিল ?

—আহিলে আহিব—সময় থাকিব নহয় ?

তেনেহলে শুভকামটো সমাধা কৰি যোৱাই ভাল হ'ব নহয় জানো ?

—অঁ·অঁ হব দে অৰুণ, পিছে পাহীৰ মত লৈছ নে নাই ?

—তাইৰনো কি মতৰ কথা আছে। আমাৰ সমাজত ছোৱালীৰ মতৰ প্ৰশ্ন নাই। আমি বিবাহ দিলে তাই বেযা ঘৰত দিমনে ?

বাপেকে কথাষাৰৰ জোৰ পালে। হোকাটোৰ পৰা মুখখন একৰাই গলগলিয়া মাতেৰে হাঁহি হাঁহি ক'লে—এৰা ! সুৰেণ বোপা ! আমাৰ আকৌ চকুক সুধি চাউল বচোৱাৰ নিয়ম নাই।

তেনেহলে মই সিহঁতৰ ঘৰলৈ খবৰ দিওঁ ?

দে পিতাই।

অৰুণৰ বাপেকে হোকাটো বেৰত ওলোমাই থৈ বাহিৰলৈ ওলাই গ'ল। অৰুণে পাহীৰ চিঞৰি মাতি ক'লে এই পাহী 'জলপান লৈ আহ ! সুৰেণৰ ভোক লাগিছে।

নেৎ ক'ত ভোক লাগিছে। এতিয়া একো খাবৰ মন নাই।

- কিয় খাবৰ মন নাই ? খাব লাগিব।

অৰুণ পাহীৰ ওচৰলৈ গ'ল। সি গৈ দেখে পাহীয়ে পিৰা এখনত বহি কান্দি আছে।

— x —

# ( ২৩ )

পাহীয়ে উচুপি উচুপি বুকু ফুলাই ফুলাই কান্দিলে। তাইক এই-খন ঘৰৰ পৰা উলিয়াই দিব। যিখন ঘৰত তাইৰ জন্ম হৈছিল, যিখন ঘৰ তাইৰ বুকুৰ আপোন আছিল, সেইখন ঘৰ তাই চিৰদিনৰ কাৰণে এৰি যাব লাগিব। কোনোবা অচিনাকী মানুহ এটাৰ লগত তাইৰ জীৱনৰ দিনবোৰ পাৰ কৰি দিব লাগিব। হায়! তাইৰ জীৱনটো অথলে গ'ল, নে কোনোবাই তাইক পিৰিতিৰ ভাগ দিলে? নে তাই কাকোবাক পিৰিতিৰ ভাগ দিব পাৰিলে? নাই একেবাৰে পৃথিৱীৰ অলাযক গাভৰু।

তাই চাদৰৰ আচলেৰে মুখখন মচিলে আৰু জলপানৰ বাটি দুটা সজাই নি সিহঁতৰ আগত দি আহিল গৈ। তাইৰ মনটো আজি অস্থিৰ লাগিছে, তাইক চাবলৈ যোলে মানুহ আহিব, দৰা ঘৰৰ মানুহ। তাইৰ বৰ ভয় লাগিল।

তাই পিচফালৰ দুৱাৰখন খুলিলে আৰু 'য়াপকুৰ'ত (পিচ-ফালৰ বাৰান্দা) বহিলগৈ। কিয় জানো অৰুণৰ লগত সুৰেন্দ্ৰক দেখাৰ দিন ধৰি তাই চকুৰ আগত দেখোন সুৰেন্দ্ৰৰ ছবিখনহে ভাঁহি থকা হৈছে? সুগঢ়ি, ওখ সুৰেন্দ্ৰৰ লগত বিয়া হয় পৰা হ'লে তাই সদায় ককায়েকক পালেহেঁতেন।

ধেৎ, তাই যে কি ভাবিছে? সুৰেন্দ্ৰ তাইৰ ককায়েকৰ বন্ধু। সৰুতে সিয়ে তাইক কোলাত তুলি বোকোচাত লৈ নদীৰ পানীত গা ধুৱাবলৈ নিছিল। তাৰ পিচত বহুত দিন তাই তাক দেখা

পোৱা নাছিল। দেখা নোপোৱা দিনতে তাই গাভৰু হৈছিল। আৰু সি? তাই মুখখন ঢাকি ধৰিলে তাইৰ দুটাচকুয়েদি দুধাৰি চকুলো বৈ গ'ল।

কিছু সময়ৰ পাচত তাই স্থিৰ হৈ বহিল। আৰু দূৰলৈ চাই ভাবিলে ইমান ডাঙৰ কথাটো তাই কাৰ আগত ক'ব? অজাতিত তাইৰ বাপেকে কেতিয়াও বিয়া নিদিয়ে। জানিব পাৰিলে ককাযেক বাপেক দুয়ো লগলাগি শাইক টুকুৰা টুকুৰ কৰি নদীৰ বুকুত উটুৱাই দিব।

তাই এটা হুমুনিয়াহ কাঢ়িলে আৰু ভিতৰলৈ সোমাই গৈ কঠ এটা পাৰি ললে আৰু দীঘল দি পৰিল। বহুত সময় চটফটাই থকাৰ পিচত তাইৰ কুমাৰী দেহাটো টোপনিত লালকাল দিলে।

সুৰেন্দ্ৰৰ বৰ স্ফূৰ্ত্তি লাগিল। সি চিকাৰলৈ যাব, কাৰণ আজি গেনা ভাঙিব। সি চিকাৰৰ নাম হে শুনিছে, আজিলৈকে কিন্তু সি চিকাৰলৈ যোৱা নাই।

ৰাইজ চিকাৰলৈ ওলাইছে, প্ৰত্যেকৰ হাতত যাঠি, জোং, দা, বন্দুক লৈ দূৰৰ হাবিলৈ ওলাল। সিহঁতে জানে সেইখন হাবিত পহু আছে। পাহাৰৰ নামনিত সেউজীয়া গহীন হাবিৰ মাজে মাজে আমলখিৰ গছ। মাজে মাজে জলাহৰ দৰে পানী গোট খায় আছে, তাত নিশা বনৰীয়া জন্তুবোৰে পনী খাযহি। ৰাইজে তাত পহুৰ খোজৰ চিন পাই কিৰিলি পাৰি উঠিল—আছে আছে, চাৰিও ফালে ৰাইজে বেঢ়ি ধৰি হাই হুই কৰিবলৈ ধৰিলে।

হঠাতে সিহঁতে পহুৰ জাক এটা পলাই যোৱা দেখা পালে। শেষত এজনী পহু প্ৰাণ পণে পলাবলৈ চেষ্টা কৰিছে যদিও নোৱাৰিলে, এজন চিকাৰীৰ এটা মাত্ৰ গুলিৰেই তাইৰ বুকু ভেদি গ'ল, তাই মাটিত লুটি খাই পৰিল। পহুজনীয়ে কিছুসময় চট্‌ফটাই তাৰ পিচত নিটাল মাৰিলে। দুই ধাৰে চকুপানী বৈ গ'ল। পহুজনী মৰিল আৰু ৰাইজে দাংদোলাকৈ তাইক কঢ়িয়াই গাঁৱলৈ লৈ আহিল।

পহুৰ মাংসৰে প্ৰতি ঘৰে ঘৰে ভোজ পাতিলে। অৰুণহঁতৰ ঘৰলৈকো সেইদিনা সেই পহুৰ ভাগ আনিলে। পাহীয়ে বাঢ়িলে। অৰুণৰ বাপেকে গাঁৱৰ বুঢ়া বুঢ়ী সকলক খাবলৈ নিমন্ত্ৰণ কৰিলে।

এসময়ত সকলো খাবলৈ বহিল আৰু ঘৰৰ গৃহস্থই প্ৰথমে "এমে", "লিচিক", "কিৰে" ক আপং আদি উৎসৰ্গা কৰি ক'লে -- হে অগ্নিদেৱতা, ব্যৱহাৰ কৰা বাচন বৰ্ত্তন আৰু জাঁতি, আপোনালোক সকলোকে আপং আদি দি লিগাওৰ গেনা ভাঙিছোঁ, দায় দোষ নধৰে যেন।

প্ৰাৰ্থনা কৰাৰ শেষত সকলোৱে আপং খালে। সুবেগে সকলোবোৰ কথা চাই থাকি ভাবিলে - মিচিং কৃষ্টি যেন জীয়াই থাকক।

সি কিন্তু পহুৰ মাংস আজি খাব নোৱাৰিলে। পহুজনীৰ ডুচকুয়েদি বৈ অহা ডুধাৰি চকুৰ পানীয়ে তাক আজি এই সময়ত বৰ আমনি দিলে।

- x —

# ( ২৪ )

আজি পাহীহঁতৰ ঘৰলৈ দৰা ঘৰৰ মানুহ আহিব। খবৰটো জানিব পাৰি ওচৰৰ দুই এগৰাকী বোৱাৰী আহি পাহীক সহায় কৰি দিলেহি।

সুৰেণে মন মাৰি আগফালে বহি থকা দেখি অৰুণে তাৰ ওচৰলৈ আহি সুধিলেহি মন মাৰি কিয় বহি আছ? পায়েললৈ মনত পৰিছে নেকি?

—এৰা অ' পায়েললৈ বৰকৈ মনত পৰিছে।

—কি কৰিবি সুৰেণ, আজিৰ দিনটো গ'লেই আমি কালিলৈ মানে যাবগৈ পাৰিম। আজিতো সিহঁতৰ ঘৰৰ মানুহ আহিবই।

- অঁ, ভালেই হৈছে, শুভ কাম সোনকালে সম্পন্ন হোৱা ভাল। পিছে তহঁতৰ বিবাহৰ পদ্ধতিবোৰ আমাৰ নিচিনাই নে?

—আমাৰ "মিদাঙৰ অৰ্থাৎ শুভ বিবাহ পদ্ধতি অন্য সমাজৰ লগত পাৰ্থক্য কিছু আছে। আগৰ দিনৰ ইয়াৰ গঠন, আয়োজন আৰু সমাধানৰ কিছুমান পুৰণি বিশ্বাস আছিল, বৰ্ত্তমানে আধুনিক যুগত শুভবিবাহ বিলাকতো সেই পুৰণি ৰীতি-নীতিও কেতিয়াবা অনুকৰণ কৰা দেখা যায়।

আমাৰ শুভবিবাহ হ'বলৈ হ'লে—ল'ৰাই ছোৱালী পচন্দ কৰিব লাগে। পুৰণি কালত ঘাইকৈ অভিভাৱকৰ ইচ্ছা অনুযায়ীহে বিবাহ পাতিছিল। বৰ্ত্তমানে ল'ৰা, মাক বাপেকৰ সমিল মিলতহে ছোৱালী বা কন্যা পচন্দ কৰে। ছোৱালী পচন্দ কৰাৰ পাচত দৰাঘৰে মিতিৰ ঘৰত "আকুনে'ৰে (টোপোলা) কন্যা (য়ামনে) খোজা বঢ়া কৰে।

—তাৰমানে আজি তহঁতৰ ঘৰলৈ টোপোলা লৈ দৰা ঘৰৰ মানুহ আহিব।

কথাপাতি থাকোঁতেই-সিহঁতে দেখিলে মানুহ আহিলেই। অৰুণ আৰু সুৰেণ আগবাঢ়ি গ'ল। তেওঁলোকক ভিতৰত বহিবলৈ ঢাৰি কঠ পাৰি দিলে।

সকলো ঢাৰি পাটিত বহিল আৰু দৰাঘৰীয়া মুৰব্বীজনে পান পাঁচ গুচি তামোল ত্ৰিশ চল্লিটা মান, ৰূপ এটকা সহ ধুনীয়াকৈ টোপোলা এটা বান্ধি মিতিৰৰ ঘৰলৈ আগবঢ়াই দি ক'লে—"ঙলু মিতুৰে নলুকলক আমলি পেলি ক মালা চি আকোন চেম বিতাদদং (আমি মিতিৰে আপোনালোকৰ পৰা সঁচ কঠিয়া বিচাৰি এই টোপোলাটো আগবঢাইছো)

ৰাইজে টোপোলাটো চাই হাঁহি মাৰি ক'লে--বৰ ভাল হৈছে, এতিয়া টোপোলাতো খুলিব লাগে।

ৰাইজৰ এজনে ক'লে নিজৰ মোমাযেক আহিছে যেতিয়া মোমায়েকেহে খুলিব লাগে। সকলোৱে একেমুখে—এৰা, এৰা, মোমাযেক যেতিযা ভাগিনীযেকৰ চাওঁতা চিতোতা গতিকে মোমায়েকেই টোপোলা খুলিবৰ যোগ্য।

পাহীৰ মোমায়েকে টোপোলটো খুলি ৰাইজলৈ আগবঢাই দি ক'লে—আমি আনন্দ পাইছো, কিন্তু কেইদিনমানৰ পিচতহে আমি খবৰ পঠাম।

অৰুণে মোমায়েকলৈ চাই ক'লে—মোমাই আৰু দেৰি কৰিব নেলাগে। আমাৰ যেতিয়া মত আছে আৰু দেৰি নকৰাই ভাল। ময়ো যামগৈ ছুটীও নাই, গতিকে আজিযেই খাটাং সিদ্ধান্ত কৰি থোৱা ভাল।

দৰাৰ বাপেকে গহীন হৈ ক'লে—এৰা সিও যাবগৈ যেতিয়া এটা খাটাং সিদ্ধান্ত কৰি থোৱা ভাল।

এইবাৰ মোমায়েকে মাত লগালে—মোৰো একো আপত্তি

নাই বাইজ, ভাগিনজনীৰ ভাল হওঁক, সুখ হওক তাকে মই বিচাৰিছোঁ। ভাগিন ল'ৰাটোৰ যেতিয়া ছুটী নাই শেষ বন্দবস্ত (তাংপিল) যেতিয়া কৰিব পাৰি আমি আলোচনা কৰি খবৰ পঠিয়াম।
—মোমাই তাংপিল উৎসৱত মই নাথাকিলেও হ'ব। তই থাকিবি, তয়ে সকলো কৰিবি। মই কালিলৈ যামগৈ।

সকলো বাইজে হয়, হয় কৰি হাঁহিলে আৰু অৰুণহঁতে বাইজক আপং ভাত খুৱাই ভালদৰে সেৱা শুশ্ৰূষা কৰি বিদায় দিলে।

বাইজ গৈ পদূলী পাইছেগৈহে পাহীয়ে ককায়েকক সাৱট মাৰি ধৰি —মোক ক'লৈ দিবলৈ ওলাইছ অ' বুলি চিঞৰ মাৰি চাংখনত পৰি গ'ল।

তিৰোতাবিলাকে তাইৰ মূৰত পানী দিলে। অৰুণে ওচৰতে মনে মনে বহি থাকিল।

নিশা হ'ল, তিৰোতাবিলাক গ'লগৈ। পাহীয়ে ককায়েকক সাৱটি ধৰি হুৰাওৰাৱে কান্দিলে। ককায়েক আৰু বৃদ্ধ দেউতাকে জুহালৰ ওচৰত বহি চকুপানী মচিলে। সুৰেণ সিহঁতৰ ওচৰতে বহি থাকিল যদিও একো কথাৰে শাস্তনা দিব নোৱাৰিলে।

আজি তাইৰ মাক নাই। মাক থকা হ'লে -? অৰুণৰ দেউতাকে আকৌ এবাৰ হুমুনিয়াহ কাঢ়িলে। ডেকা কালতে মানুহজনীক কালে পালে।

সুৰেন্দ্ৰই পৰিৱেশটো সহ্য কৰিব নোৱাৰি, বাহিৰলৈ ওলাই গ'ল।

তাৰ মনতো হঠাতে অস্থিৰ হৈ পৰিল। তাৰ চকুৰ আগত মমতা আৰু অৰুণমানি শিশুটিৰ ছবিখনিয়ে আহি ধৰা দিলেহি। সি কাণ দুখনত হেঁচা মাৰি ধৰি চিঞৰি উঠিল—মমতা……… !

— x —

## ( ২৫ )

সিহঁতৰ লামডিঙলৈ যাবৰ সময় হ'ল। অকণে ফুলিক লগ পাবলৈ বলিয়া হৈ পৰিল। সি লাহে লাহে নদীৰ ঘাটত থকা বৰ আঁহতৰ তললৈ গ'ল। নদীৰ পাৰৰ বালিত সি লেপেতা কাঢ়ি বহি পানীৰ ৰূপোৱালী ৰংটোলৈ চাই চাই ভাবিলে পাহীক বিয়া দিলে সি একেবাৰে অকলশৰীয়া হ'ব। তাৰ লগত কোনেনো হাঁহি-মাতি কথা পাতিব? নাই নাই কিয় অকলশৰীয়া হ'ব? ফুলিক সি তাৰ জীৱন সঙ্গিনী কৰি লবই ল'ব। আন একো উপায় নহলে পলুৱাই নিব। তাৰ যে প্ৰেম, সঁচা প্ৰেম। হঠাতে সি দেখিবলৈ পালে কাষত কলহটো লৈ ফুলি তাৰ ফালেই আগুৱাই আহিছে। সি ফুলিক ওচৰলৈ মাতিলে। তাই কাষৰ কলহটো মাটিতে নমাই থৈ ঘপহকৈ তাৰ ওচৰতে বহি পৰিল। সি তাইৰ হাত দুখনত ধৰি বুকুৰ মাজলৈ আনিলে। নিমিষতে তাৰ মন আৰু প্ৰাণত এটা নতুন পুলকতা অনুভৱ কৰিলে। ফুলিয়েও কুচমুচ খাই তাৰ বুকুত সোমাই পৰিল আৰু উচুপিবলৈ ধৰিলে।

—ফুলি!

—উঁ!

—মই কালিলৈ যামগৈ।

—আকৌ কেতিয়া আহিবি?

—পৰাগ উৎসৱত!

—পাহীৰ বিয়া কেতিয়া পাতিবি?

-- তোৰ বিয়াৰ পাছত ।
—ধেৎ এনে কথা নকবি । মোৰ আৰু বিয়া নহয় ।
তাই বালি এমুঠি হাতত লৈ এনেয়ে বতাহত এৰি দিলে ।
- কোনে ক'লে তোৰ বিয়া নহ'ব বুলি ? মই তোক পলুৱাই নিহে পাছীক বিয়া দিম ।
—সঁচানে ?
—অ সঁচা । পিতায়েৰে যেতিয়া মোলৈ বিয়া নিদিয়ে, মই পলুৱায়েই নিব লাগিব । বুজিছ ফুলি, আমি এখন নতুন সংসাৰ কৰিম আৰু নতুন সুৰুযৰ ৰশ্মিৰে পোহৰেৰে আমি নতুন দিনত নতুন আলহীক নিমন্ত্ৰণ কৰি আনিব লাগিব ।

সি ফুলিৰ মুখখন দুয়োহাতেৰে ওপৰলৈ তুলি ধৰি দেখিলে, ফুলিয়ে কান্দিছে । সি হাতৰ আঙুলি কিটাৰে ফুলিৰ গালৰ চকু-পানী খিনি মচি দিলে । সি হঠাতে চঞ্চল হৈ উঠিল আৰু তাৰ ওঁঠদুটিয়ে প্ৰেম মন্দাকিনীৰ জলধাৰাত অৱগাহনৰ হাবিয়াসত চঞ্চল হৈ উঠিল । নদীৰ বুকুত বতাহৰ সোঁ-সোঁৱনিয়ে সিহঁতৰ ভীতিগ্ৰস্ত হৰিণৰ দৰে চঞ্চল কৰি তুলিলে ।

কিছুসময় পাৰ হৈ যোৱাৰ পাচত অৰুণে সুধিলে— কচোন তোৰ মত আছেনে নাই ? পিতায়েৰে যেতিয়া নিদিয়ে, মোৰনো উপায় কি ?

ফুলিয়ে মাত্ৰ উচুপিলে । তেনেহলে তই পৰাগত সাজু হৈ থাকিবি ?

এইবাৰ ফুলিয়ে চকুপানী মচি দৃঢ় ভাৱে ক'লে - মোক পলুৱাই নিলে পিতায়ে তোক সুখেৰে নেৰে ।
—তোৰ পিতায়েৰে মোক মাৰি পেলাব নহয় ? নোৱাৰে ফুলি তই ভুলতো নেভাবিবি ।
—নহয়, নহয়, তই নুবুজিবি । পিতাই বৰ বেয়া, বৰ বেয়া । ধন

পালে একো নেলাগে।

—আৰু তোক ?

ফুলিয়ে তললৈ মূৰ গুজিলে। অৰুণে ফুলিৰ বাহুটোত ধৰি ক'লে— মই বুজিছোঁ ফুলি! তই মাত্র ভয় নকৰিবি, মই তোক মোৰ কৰিহে এৰিম। এতিয়া উঠ ফুলি, পানী লৈ ঘৰলৈ যা। ময়ো যাওঁ, বেলি বহুত হ'ল।

অৰুণ যোৱাৰ ফালে তধা লাগি চাই থাকি ফুলি নদীৰ কাষ পালেগৈ। নদীৰ সিটো পাৰত যেন সূর্য্য নামিবৰ হৈছে। তাই তধা লাগি বেলিটোলৈ চালে। ৰঙা, তেজ ৰঙা বেলিটো যেন অকমান সময়ৰ পাচতে নদীৰ বুকুত বিলীন হৈ যাব। সন্মুখত তাইৰ সোৱণশিৰিৰ অপূর্ব্ব জলধাৰা, সেই অপূর্ব্ব জলধাৰাৰ জলতৰঙ্গৰ মৃদু মূর্চ্ছানাই তাইক যেন ঘনে ঘনে ক'লে—আহা ফুলি! এইয়া যে উপলব্ধিৰ সময়।

............এটা নিশা পাৰ হ'ল। একেৰাহে পোন্ধৰটা দিন থকাৰ পিচত সিহঁত লামডিঙলৈ যাবলৈ ওলাল। সোৱণশিৰি নদীৰ পাৰলৈ আহি পাহীয়ে সিহঁতক বিদায় দিলেহি। অলপ দূৰৰ পৰা পাহীয়ে সিহঁতলৈ কৰুণ দৃষ্টিৰে চাই থাকিল।

অৰুণ আৰু সুৰেন্দ্ৰৰ তুলুঙা নাওখনি সোৱণশিৰিৰ বুকুত সিটো পাৰলৈ বুলি মেলি দিলে!

সুৰেন্দ্ৰই মনত অজানিতে এটা বেদনা উপলব্ধি কৰিলে। ইমান মৰম, ইমান চেনেহ যেন সি কেতিয়াও পোৱা নাছিল, এতিয়া সেই চেনেহ এৰি থৈ আহিবলৈ তাৰ মনে মনা নাই। তাৰ বৰ কষ্ট লাগিছে।

সিহঁতকে দেখি দূৰৰ নাৱত নাৱৰীয়াই গীত জুৰিলে—

উজাই গৈ আছিলোঁ
তোমাৰ মাত শুনিলো
কাষলৈ চপালোঁ নাওঁ।

তোমাৰে বাতৰি
নেপাওঁ ভালে কৰি
ভাটিলৈ ভটিয়াই যাওঁ ॥

দূৰৰ পৰা বিহুগীতৰ সুৰে অৰুণ আৰু সুৰেণৰ মন বেদনা বিধুৰা কৰি তুলিলে। তুলুঙা নাও খনিৰ পৰা অৰুণ আৰু সুৰেণে এবাৰ তললৈ চালে। বহল সোৱণশিৰিৰ বুকুত তলবল পানীৰ ঢৌ। সি এবাৰ ভাবিলে- নদী আৰু জীৱন; জীৱন আৰু নদী দুয়োটাৰ যেন ওতঃপ্ৰোত সম্বন্ধ। নদী নাথাকিলে মানুহৰ জীৱনৰ উত্থান-পতন, ঘাত প্ৰতিঘাতৰ মূল্য থাকিলহেতেন জানো ? নদীয়ে কেতিয়াবা বানপানীৰ সংহাৰ মূৰ্ত্তি ধাৰণ কৰি এফালৰ পৰা ধ্বংস কৰি নিয়ে, কেতিয়াবা আকৌ যৌৱন পয়োধাৰা শুকাই গৈ ক্ষীণকায় হৈ পৰিছে, মানুহৰ জীৱনো সেইদৰে নানান ঘাত প্ৰতিঘাতৰ মাজেদি আগবাঢ়িছে। কিন্তু ক্ষণস্থায়ী মানুহৰ জীৱনে স্মৃতি ধৰি ৰখাৰ ক্ষমতা নাই। কিন্তু নদীয়ে ? নদী বৈ আছিছে যুগে যুগে আৰু বুকুত সাৱটি ধৰি ৰাখিছে স্মৃতি, নানা জাতি উপজাতিৰ সোণসুৱগা কৃষ্টি।

নাও গৈ পাৰঘাট পালেগৈ। সোৱণশিৰিৰ ইটো পাৰত নামি সিহঁতে সিটো পাৰত বৈ থকা ফুলি আৰু পাহীলৈ চাই পঠিয়ালে। বহল পানী ডৰাৰ সিপাৰে দুয়োজনীকে সিহঁতে ৰিণিকি ৰিণিকি দেখা পালে। অৰুণৰ চকু দুটা ৰঙা পৰি উঠিল। সিহঁতে খৰকৈ খোজ দিলে বেলখন পাবগৈ লাগিব। সময় আৰু বেছি নাই।

— x —

## ( ২৬ )

ষ্টেচনৰ প্লেটফৰ্মত বিজয়াই সুৰেন্দ্ৰক দেখি হাতত ঝাকুডাল লৈ ষ্টেচনৰ ফালে দৌৰ মাৰিলে।

-আৰে সুৰেণ বাবু! তই আহিলি? ইমান দিন দেৰি কৰিলি?

অ' বিজয়া! দেৰি হৈ গ'ল কি কৰিবি। পাযেল কেনে আছে? ভগৎসিঙৰ ভালনে? লাইনৰ সকলোৰে ভালনে?

- চব ভাল আছে, ব'ল ঘৰত গ'ল — জানিবি।

- তোৰ এতিয়া ডিউটি আছে নেকি?

হঁা বাবু ডিউটি আছে। এই যা পাচত কথা হম।

বাৰু যা যা। ডিউটি কৰি আহ! পাচত কথা পাতিম।

বিজয়াই ঝাকুডাল আৰু পাচিটো হাতত লৈ ষ্টেচনৰ প্লেট-ফৰ্মখন ঝাৰু দিবলৈ আৰম্ভ কৰিলে। আজি পাঁচ-ছদিন ধৰি তাইৰ বৰত কষ্ট হৈছে। ভগৎসিঙৰ বেমাৰ হোৱাৰে পৰা দুটা মানুহৰ কাম তাই অকলে কৰিব লগা হৈছে। তাই মূৰৰ উৰণিখন টানি ললে। শাৰীৰ ফটা অংশটো তাইৰ মূৰৰ ওপৰতে পৰিল। শাৰীখন ফাটিছে, আজি দুটা মাহে তাই এখন শাৰী কিনিব পৰা নাই, সিহঁতৰ কাৰণে সুলভ মূল্যৰ দোকান নাই। থাকিলেওনো কি হব, সিহঁতে সুলভ মূল্যৰ বাপোৰৰ কথা শুনিবলৈহে পায়, পিন্ধিবলৈ নাপায়। বাহিটোৰ ভিতৰতে বিশটকীয়া শাৰীখন চুছি-মাজি মাৰোৱাৰী গোলাত চল্লিশ টকীয়া হৈ পৰে।

বিজয়াই ঝাকুডালেৰে কলৰ বাকলিটো জোৰেৰে দূৰলৈ

মাৰি দি ক'লে— "চাল্লা বেইমান কাহাকা" ।

আজি যান্ত্ৰিক যুগত আচৰিত বস্তুৰে পৃথিৱীৰ কোলা উপচাই দিয়াৰ সময়তো এচাম দৰিদ্ৰ জনতাই খাবলৈ নাপায়, পিন্ধিবলৈ নাপায়, থাকিবলৈ ঘৰ নাপায় আৰু যন্ত্ৰৰ বলত লেখ জোখ নোহোৱা বিৰাট সম্পদৰ মাজতো নৈতিকতা আৰু মানসিকতাৰ অধঃপতন হয়।

আজি মানৱ জাতিৰ লক্ষ্য কোন পিনে হব লাগে তাৰ বাবে গৱেষণা কৰিবৰ প্ৰয়োজন হৈছে । যন্ত্ৰ যুগৰ অৱদানে মানুহক জানো প্ৰকৃততে শান্তি দিব পাৰিছে নে প্ৰতি পলে পলে মৃত্যুৰ ভয়ত মানুহ অস্থিৰ হৈ পৰিছে ? আৰু মানুহৰ অন্তৰাত্মা কঁপাই তুলিছে ? গান্ধীজীৰ আদৰ্শ আৰু অহিংসাৰ বাণী অথলে গৈছে । যীশুৰ প্ৰেম, ৰচ্‌লনবীৰ ভাতৃত্বৰ বান্ধোন যেন আজি সোলোক-ধোলোক হৈ পৰিছে । বিশ্বৰ মানৱ জাতি এক পৰিয়ালৰ হৈ কাম কৰিবলৈ আজিৰ যান্ত্ৰিক যুগত একো যন্ত্ৰ উলিয়াব নোৱাৰে । সমাজে যান্ত্ৰিক যুগত একো যন্ত্ৰ উলিয়াব নোৱাৰে । সমাজে আজি এটা পৰিবৰ্তন বিচাৰিছে ।

কাম কৰি কৰি এটা সময়ত বিজয়া ঘৰ পালেগৈ । কলৰ পাৰলৈ গৈ শাৰীৰ আচলটোত চাবোন সানি সানি হাতৰ ঠাৰি দুটা ঘঁহি দিলে, তাৰ পাচত মুখখনত চাবোন ঘঁহি পানী ঢালি চকু দুটা মুদি দিলে ।

বিজয়াক দেখি লচ্‌মীৰ কোলাত থকা পায়েলে কান্দিলে । লচ্‌মীয়ে চিঞৰি ক'লে—দিদি জল্‌দি কৰ পায়েলৰ ভোক লাগিছে ।

বিজয়াই গাটোত পানী ঢালি ঢালি ঘঁহি ঘঁহি আকৌ গাধুলে । শাৰীখন তাইৰ উঠন বকুখনত লেপেটা খাই লাগি ধৰিলে । তাই তেতা গাবেই ককালটো পোনাই থিয় হ'ল ।

—আৰে দিদি জল্‌দি কৰ ।

বিজয়াই লৰালৰি কৰিলে ! তিতা শাৰীখন সোলোকাই তাঁৰ

ডালত মেলি দি তাই পায়েলক লচ্মীৰ কোলাৰ পৰা তুলি ল'লে । সেইখিনি সময়তে সুৰেন্দ্ৰ আহি সিহঁতৰ ঘৰ পালেহি ।

পায়েলক দেখি তাৰ মনটো সেমেকি গ'ল । পায়েল ক্ষীণাইছে, ক'লা পৰিছে । সি তাইক বিজয়াৰ কোলাৰ পৰা কোলাত তুলি ললে । বিজয়াই দুপাত কাঁচৰ খাৰু তাইৰ দুখন হাতত পিন্ধাই দিছে ।

—তই হবলা ছোৱালীক খাৰু পিন্ধালিয়েই ।

—অ' কাঁচৰ চুৰি অ' ভাইজী ।

—হওক দে, কাচৰ হলে কি হব দেখিবলৈ ধুনীয়া হৈছে ।

বিজয়াই হাঁহি মাৰি ক'লে— ভাইজী ! এতিয়া তাইক অকলে এৰিবই নোৱাৰি একদম বদমাচ হৈছে ।

সুৰেন্দ্ৰই পায়েলক কোলাত তুলি জোকাৰি জোকাৰি নচুৱাই ক'লে মোৰ পায়েল নৰ দুষ্ট হৈছে, দুষ্ট হৈছে বুলি তাৰ ওঁঠ দুটা পায়েলৰ গালত লগাই দি তুপুচ কৈ চুমা এটা খাই দিলে ।

অকমান সময় পায়েলক লৈ নচুৱাই নচুৱাই বিজয়াৰ কোলাত দি ক'লে বিজয়া ! ভগৎসিঙৰ কিবা এটা ব্যৱস্থা কৰিব লাগিছিল । তাৰ গাত এতিয়াও জ্বৰ আছেই ।

—কৰিবি কি ভাইজী ! কনপাই বাবুৰ লগত মদপানী খাই খাই একদম শেষ কৰি দিলে ।

— কোন কনপাই বাবুৰ কথা কৈছ অ' ?

—সেই গোদামবাবুটো যে মদপী । চাল্লা, তই যোৱাৰ পিচত মানুহটোক একদম বেয়া কৰি দিলে ৰে ।

—হয় নেকি ? তাক চিনেহলে মই ঠিক কৰিব লাগিব ।

—তই ঠিক কৰিব নালাগে ভাইজী, মদনলালহঁতে লাইনৰ পৰা একদম গতিয়াই বাহিৰ কৰি দিছে । আমি লোকৰ লেতেৰা ময়লা চাফা কৰো, আমাক চাওঁতা কোনো নাই ভাইজী । ডাক্তৰ আহিবলৈকো বেয়া পায়, ঔষধৰ নামত পানী এসোপা দিব, বচ্ হৈ গ'ল ।

—বিজয়াই ক্ষোভেৰে কথাখিনি কৈ গ'ল।

—নহয় বিজয়া, আজি আৰু সেই দিন নাই, তইঁতে মানহ, মানুহৰ দৰে জীয়াই থাকিব লাগিব তইঁতে মেহনতি কৰিছ, কষ্ট কৰিছ, জাননে এই মেহনতিৰ নাম কি ? এই মেহনতিৰ নাম জীৱন, বিজয়া - আচল জীৱন।

কথা কৈ কৈ সুৰেন্দ্ৰই বিজয়ালৈ চালে আৰু ক'লে—মই এতিয়া আহিছো বিজয়া, তই কলৈকো নাযাবি।

—সুৰেন্দ্ৰই খৰধৰকৈ গৈ ইচ্মাইলৰ ঘৰ পালেগৈ।

সুৰেন্দ্ৰৰ মাত শুনি ডাক্তৰে দৰ্জাখন খুলি সুৰেন্দ্ৰক দেখি আচৰিত হ'ল।

—আৰে, ইমান দিনৰ মূৰত তই !!

—অঁ ইচমাইল, এটা বৰ ডাঙৰ কামত আহিছোঁ।

- কি কাম সুৰেন্দ্ৰ ?

—এটা ৰোগী চাব লাগে, হৰিজন কলনিলৈ যাবিনে ?

তই কি কৈছ সুৰেন্দ্ৰ ? নাযাবলৈ কি হৈছে, অকমান পৰ ৰহ ! মই কাপোৰ পিন্ধি লওঁ।

- সুৰেন্দ্ৰ ৰহিল। ইচ্মাইল ডাক্তৰে অকমান সময়ৰ ভিতৰতে যন্ত্ৰ-পাতি বোৰ বেগৰ ভিতৰত ভৰাই লৈ সুৰেন্দ্ৰৰ লগত হৰিজন লাইনৰ ফালে খোজ দিলে।

দূৰৰ পৰা বিজয়াই সিহঁতক দেখি সাৱধান হ'ল। বাৰান্দাত ভৰি দিয়াৰ লগে লগে বিজয়া ওলাই আহিল।

বিজয়া, এইয়া ডাক্তৰ আহিছে, বল ভগৎসিঙক চাবলৈ।

—বাহিৰ দৰ্জাখন খুলি বিজয়াই সিহঁতক আগবঢ়াই নিলে। কাঠৰ তক্তা এখনত কুঁচ-মুচি ভগৎসিঙ পৰি আছে।

—ভগৎসিঙ ! সুৰেন্দ্ৰৰ মাতত ভগৎসিঙে শেতা পৰা চকুহাল মেলি তালৈ চালে।

—ডাক্তৰ আহিছে।

সুৰেন্দ্ৰৰ কথা শুনি সি উঠিবলৈ চেষ্টা কৰিলে।

—নাই নাই তুমি উঠিব নালাগে। ডাক্তৰে ভগৎসিঙক বাহুত ধৰি বহুৱাই দিলে আৰু ভালদৰে পৰীক্ষা কৰি ৰাহিৰলৈ ওলাই আহিল।

বিজয়াই হাত ধুবলৈ চাবোন আনি দিলেহি। হাতখন ধুই ডাক্তৰে বিজয়ালৈ চাই ক'লে

—ভগৎসিঙৰ মদ খোৱাটো বন্ধ কৰিব লাগিব। নহ'লে কোনো ঔষধে কাম নকৰিব।

—মইতো মানা কৰিছো, কিন্তু নামানে।

—মানিব লাগিব। ডাক্তৰে লাহেকৈ বিজয়াই আগবঢ়াই দিয়া মুঢ়াটোত বহি লৈ প্ৰেচক্ৰিপচন লেখিবলৈ ধৰিলে। সুৰেন্দ্ৰই পকেটৰ পৰা চিগাৰেট এটা উলিয়াই জ্বলাই ললে। ইচমাইল ডাক্তৰে চিগাৰেট নাখায়। বিজয়াই ওচৰতে বৈ থকা দেখি সুৰেন্দ্ৰই জোৰেৰে ক'লে—

—কি চাই আছ, চাহ আন! বুজিছ ইচমাইল এইজনা মোৰ ভনী।

—অ' মই বুজিছো সুৰেন্দ্ৰ। তুই কিন্তু বৰ মহান।

—কেনে? সুৰেন্দ্ৰ আচৰিত হ'ল -

বুজিছ সুৰেন্দ্ৰ পৃথিৱীত এনে কিছুমান মহৎ কাম হৈ থাকে; যিবোৰ কামৰ কথা মুখেৰে ব্যক্ত কৰিব নোৱাৰি।

—অ' সুৰেন্দ্ৰই জোৰেৰে হাঁহি দিলে।

বিজয়াই দুগিলাচ চাহ আনি সিহঁতৰ ওচৰতে সৰু টেবুল খনতে থলেহি ।

খা! গিলাচটো আগবঢ়াই দি সুৰেন্দ্ৰই ডাক্তৰৰ ফালে চালে।

গিলাচটো হাতত লৈ ডাক্তৰে ক'লে ঔষধ খিনি আনি এতিয়াৰ পৰা আৰম্ভ কৰি দিয়া, ভাল হ'ব চিন্তা নাই। পিছে মদ পানী এৰিব লাগিব।

—বিজয়া শুন!

—ভাইজী! বিজয়া ওচৰলৈ আহিল।

তই ভগৎসিঙক মদ এৰুৱাব লাগিব, অকল ভগৎসিঙকে নহয়, তহঁতৰ লাইনৰ সকলোকে।

বিজয়াই শাৰীৰ আচলটো দুয়োহাতেৰে খামুচি ধৰি মনে মনে থাকিল।

- কিয় ? মনে মনে থাকিলি যে ? তয়ো সকলো বিসৰ্জ্জন দিলি নেকি ? তোৰ ভগৎসিঙ স্বামী কাৰণে সি যি কৰিব মানি লবি। পুৰুষক পশুত্বৰ শ্ৰেণীলৈ নমাই দিবি ? তই বিদ্ৰোহ কৰিব লাগিব বিজয়া ! পাৰিবিনে নোৱাৰ ?

—পাৰিম বাবু, পাৰিম !

—অ' তই পাৰিব লাগিব। তই মোৰ ভনী। স্বামীক অনাচাৰ, ব্যাভিচাৰ, পঙ্কিলতাৰ পৰা উদ্ধাৰ কৰিব পাৰিব লাগিব।

সুৰেন্দ্ৰ উত্তেজিত হোৱা দেখি ইচমাইল ডাক্তৰে থিয় হৈ সুৰেন্দ্ৰক ক'লে - ব'ল হব আৰু। ইচমাইলে হঁহিলে। সুৰেন্দ্ৰ থিয হ'ল আৰু ক'লে—নহয অ' ডাক্তৰ ! এই তিৰোতা মথাই কেৱল স্বামী গুৰু বুলি পূজা কৰোঁতেই গৈছে। চোৰ কৰিলেও একো নকয়, ঠগ কৰিলেও একো নকয়, মদ খাই মাতলামি কৰিলেও একো নকয়। কিয ? সমগ্ৰ নাৰী জাতিয়েই অন্তৰৰ শক্তি বৃদ্ধি কৰি অন্যায়ৰ প্ৰতিবাদ কৰিবলৈ আগবাঢ়ি যাব পাৰে নহয়।

কথা কৈ কৈ সুৰেন্দ্ৰ চোতালৈলৈ ওলাই গ'ল। ডাক্তৰে পিছে পিছে খোজ কাঢ়ি গৈ ক'লে

—পাৰে, পাৰে, নিশ্চয পাৰে সুৰেন্দ্ৰ, নাৰী হৈছে অসীম শক্তিৰ আধাৰ। ত্যাগ, ক্ষমা, ধৈৰ্য্য, আৰু সহিষ্ণুতাৰ ফালৰ পৰা চাবলৈ গ'লে নাৰী পুৰুষতকৈ শ্ৰেষ্ঠ হে সুৰেন্দ্ৰ। বৰ্ত্তমান নাৰী জাগৰণৰ প্ৰয়োজন হৈ পৰিছে।

—নিশ্চয় ! নাৰী জাগৰণ নহলে সুস্থ সমাজ এখন সৃষ্টি হ'ব নোৱাৰে।

সিহঁত মনে মনে কিছুদূৰ গৈ থাকিল। ডাক্তৰে কথাৰ

সুৰ সলাই ক'লে—বুজিছু সুৰেন্দ্ৰ ভগৎসিঙৰ যিটো কাঁহ আৰু জ্বৰ হৈছে, ভালকৈ যত্ন নললে পিচত ইয়ে ভয়ঙ্কৰ ৰূপ ল'ব। কেতিয়াবা ইয়ে ক্ৰনিক হৈ বেয়া বেমাৰো হব পাৰে। ধৰ টি, বি,।

- নহবলৈ আৰু কিটো আছে। তাৰোপৰি মদপানীতো খায়েই। ইয়ে একেবাৰে শেষ কৰি দিছে।

—বাৰু এইবোৰ কথা বাদ দে। তোৰ ট্ৰেইনিঙৰ কাগজ আহিল নে নাই ?

—নাই অহা। উত্তৰ পূব সীমান্ত ৰেলতো যাতে কোনো থলোৱা প্ৰাৰ্থীয়ে সুবিধা নাপায় তাৰ বাবে ষড়যন্ত্ৰ চলিছে।

—হয় নেকি ?

—চাবি থলুৱা যুৱক সকল আজি ঘৰতে নিবনুৱা হব লাগিব।

—এৰা অ' সুৰেন্দ্ৰ যোগ্যতা সম্পন্ন থলুৱা প্ৰাৰ্থীক বঞ্চিত কৰা দেখিলে সহ্য কৰিব নোৱাৰি।

--ইচ্ মাইল ! এইদৰে আৰু সমাজ বিৰোধী চক্ৰক প্ৰশ্ৰয় দিব নোৱাৰি। মোৰ ট্ৰেইনিঙৰ কাগজ আহিবই লাগিব। কাৰণ, আগতে ইঞ্জিনত কয়লা মাৰা ( Fireman ) আৰু কয়লাৰ ইঞ্জিন চলোৱা চাৰ্টিফিকেট ইত্যাদি যিবোৰ চাৰ্টিফিকেট সিহঁতে বিচাৰিছিল, সকলোবোৰ দিয়া হৈছে।

—হয় নেকি ? তেনেহলে আৰু চিন্তা নাই।

-কিয় চিন্তা নাই ডাক্তৰ ? আজি কালি যোগ্যতা চাই কাম নিদিয়ে নহয়, গাঠিৰ ধন ভাঙিব লাগিব তেহে কাম পাব পাৰি। কথা কৈ কৈ সুৰেন্দ্ৰই হাঁহিলে। সিহঁত গৈ ফাৰ্মাচি পালেগৈ। ডাক্তৰৰ পৰা ঔষধ কিনিলৈ—সি পুনৰ বিজয়াৰ ওচৰলৈ খৰ গতিৰে খোজ দিলে।

সি যেতিয়া বিজয়াৰ ঘৰ পালেহি বিজয়াই তেতিয়া ভগৎসিঙৰ ওচৰত বহি বিছি আছিল।

— x —

( ২৭ )

ককায়েক আৰু সুৰেন্দ্ৰক পঠাই দি পাহীৰ মনটো উদং উদং লাগিল। ঘৰত মন নবহা হ'ল। বিয়া ঠিক হোৱাৰ দিন ধৰি তাইৰ গাটোত যেন পোৰণি দেৱনি আৰম্ভ হৈছে। সিহঁতৰ ঘৰৰ পৰা তাই লাহে লাহে ফুলিহঁতৰ ঘৰৰ ফালে খোজ ললে! অলপ সময়ৰ পাচতে তাই ফুলিৰ ঘৰ পালেগৈ।

সেইখিনি সময়ত ফুলিয়ে ঘৰত আপোন মনে কাপোৰ বোৱাত ব্যস্ত আছিল। তাই পাহীক দেখি জপিয়াই উঠিল। আহ, আহ! পাহী, তই যে আহিবি ভাবিবই পৰা নাছিলো।

পাহী আহি ফুলিৰ ওচৰ পালেহি। ফুলিয়ে অকুমৰ আগফালে তাইৰ তাঁতশাল তৰি লৈছে। এফালে টোলোঠা দুটা খুটাত আউজাই লৈ আনফালে ককালত পেটি মেৰিয়াই লৈছে। পাহীক দেখি ফুলিয়ে ওচৰলৈ মাতি আনি বহুৱালে।

- বহ পাহী! মোৰ ওচৰতে!

- গাত্ব বলিয়েই হ'বলা?

— অ'। ফুলিয়ে লাহেকৈ কলে।

— সোনকালে কৰ' ককায়ে নিব যেতিয়া — পাহীয়ে ফুলিৰ কাণৰ কাষত ফুচ্ ফুচ্ কৈ কথাষাৰ কৈ খুক্‌খুকাই হাঁহিলে।

— ধেৎ তোৰ আৰু ক'বলৈ একো নাই হ'বলা?

দুয়োজনীয়ে হাঁহি দিলে। হাঁহি শুনি মাক ভিতৰৰ পৰা ওলাই পাহীক দেখি গহীন হ'ল।

—পাহী তই আহিলি ? তোৰ হ'বলা কাপোৰ ববলৈ নাই ?

পাহীয়ে তলমূৰ কৰি ক'লে—কাপোৰ বব লাগিব এণ্টিঞ্জ (আইতা)। পিছে কালিলৈ পথাৰলৈ যাম বুলি ভাবিছোঁ, সেই কাৰণে ফুলিক লগ ধৰিবলৈ আহিছোঁ।

—জানো তাইহে জানে, কাপোৰ ববলৈকো ঢেৰ আছে।

—ফুলিৰো বিয়া নেকি এণ্টিঞ্জ ?

—অ' গাভৰু ছোৱালী বিয়া নিদিলে হ'বনে ? তোৰ হ'বলা ঠিক হ'লেই ?

-পাহীয়ে লাজতে তলমূৰ কৰিলে।

– এৰা, ভালৰে কথা। আমাৰ আকৌ নিজে বাচি লৈ বহি আছে।

কথাষাৰ শুনি পাহীৰ বৰ ভয় লাগিল। কিজানি ফুলিৰ মাকে ককায়েকৰ কথা কিবা কয়েই ? পিচে ককায়েকৰ কথা একো নক'লে। অবমান সময় মনে মনে থকাৰ পিচত মাকে পাহীলৈ চাই সুধিলে তোৰ হাতত ফুলৰ চানেকী আছে নেকি ? মাৰৰ হাতৰ জিম সূতাৰ বাঁহৰ খৰিকা সুমুৱাই কৰা ফুলৰ আৰ্হি থাকিব নিশ্চয়। সেইবোৰ আকৌ কেইবা পুৰুষো হাত বাগৰি গ'লেও নষ্ট নহয়।

—আছে এণ্টিঞ্জ।

—এৰা, মই জানো নহয়, তোৰ মাৰ যিহে শিপিনী আছিল। আমাৰ মিচিং গাভৰু শিপিনী হ'বই লাগিব। তোৰ মাৰ কিন্তু একাচি চৰা আছিল।

ফুলিৰ মাকে হোকাটো খাই খাই পাহীক কথাকিটা ক'লে। পাহীয়ে আমন-জিমনকৈ বহি কথাকিটা শুনি গ'ল।

—তোৰ মাৰৰ পিছে আৰু এটা ভাল গুণ আছিল।

পাহীয়ে ফুলিৰ মাকৰ চকুলৈ চালে।

—তাই বৰ ভালকৈ ৰং মিলাব জানিছিল। আই ঐ দেহি ! এনেজনী গুণী মানুহ ঠাইতে নাইকীয়া হ'ল। এণ্টিঞ্জয়ে আকৌ হোকাত

ধপাত টনাত লাগিল।

কথা শুনি পাহীৰ চকুত প্ৰকৃতিৰ নানা ৰংবোৰে পোহাৰ মেলিলে। তায়ো ৰং মিলোৱাত পাৰ্গত বুলি লগৰ ছোৱালীবোৰে কয়। সেইটো গুণ ডাঙৰ আইৰ মাকৰ পৰাই আহিছে। কপাহী সূতাত বুৰবাং নামৰ এবিধ গছৰ বাকলিৰে ৰং কৰিব পাৰি। উতলা পানীত গছৰ বাকলি জুৰুলিয়াই ৰঙা, গোলপীয়া, তেজ ৰঙা, আদি ৰং তাই কৰিছে। তাই হালধী পানীত ফুট ছাঁই দি সৰিয়হ ফুলিয়া ৰং কৰি নিজৰ মেঠনী কাপোৰৰ বৈ লোৱা দেখি লগৰ লগৰীয়া বিলাক আচৰিত হৈছিল। এইবোৰ তাই মাকৰ পৰাই শিকিলে।

ফুলিৰ মাকে আকৌ মাত লগালে —তই হ'বলা নিজে কপাহ খেতি কৰিছ ?

—হয় ঞাঞি।

—এৰা, কৰিবই লাগিব। এইবা আমাৰ নিজৰ কাম বুজিলি। মিচিং তিৰোতাই নিজে কপাহ খেতি আচৰিযাকৈ নকৰিলে নিজেই জিম কাপোৰ বৱি কেনেকৈ ? পাহীয়ে হাঁহিলে।

—হাঁহিলে নহয়, বুজিলি ? জিম কাপোৰ বব জানিব লাগিব, তাত ফুল তুলিবলৈ হ'লে চানেকীও জানিব লাগিব। জিম কাপোৰত দিয়া ফুলৰ চানেকী আকৌ বেলেগ। কিছুমান ফুলৰ চানেকী আকৌ আকাশৰ তৰা, বেলিৰ কিৰণ, লংকাফলা-পাত, বামধেনুৰ দৰে সাজোন কৰি তোলা ফুল চকুত লগা হয়। তোৰ মাৰে এনেবোৰ চানেকী তুলি বাইজক চমক খুৱাইছিল। হায়, হায়! ক'ৰ মানুহ ক'লৈ গ'ল ? আমাৰো সময় আহিছে আই। কথা কৈ কৈ ফুলিৰ মাক ঘৰৰ ভিতৰলৈ সোমাই গ'ল।

—ঐই ফুলি, মই যাওঁ। তই দেখোন একো নামাতিলিয়েই ?

—বহচোন। মইনো কি মাতিম ? দেখা নাইনে, আয়ে আহি বকলাখন মেলেহি।

—পিছে যাবিনে ?

—কেতিয়া ?

—কালিলৈ বেলা ভাটি দিলে।

—যাম দে।

—তই ইমান ধুনীয়াকৈ বাপোৰ বৈছ, গোটেইখন দেখোন তেজৰ ৰং।

—অ', মোৰ কলিজাৰ তেজেৰে বৈ তোৰ বকায়েৰক দিম বুলি জিম বাপোৰ বৈছোঁ।

দুয়োজনীয়ে হাঁহিলে। যুগিয়ে বকালৰ পৰা পেটি ডাল খুলি থিয় হ'ল।

—ব'ল ভিতৰলৈ।

—নহয় ফুলি মই যাওঁ দেৰি হ'ব।

হাঁয, হাঁয। এনে নোখোৱাকৈ যাবি ? সেইটো হ'ব নোৱাৰে, ব'ল ভিতৰলৈ যাওঁ।

পাহীক বহুৱাই যুগিয়ে জলপান সজাবলৈ গ'ল। পাহীয়ে অকলে বহি থাকি গুণগুণালে—

ধনে গৈ আছে গৈ মিছিমি পাহাৰত
আনিব বপাহৰ জোলা,
তুমি বৈ লবা বিহাকৈ মেখেলা
মোকো বৈ দিবা চোলা।

— x —

# ( ২৮ )

সিন্ধু নদীৰ পাৰত সভ্যতাৰ বস্তি গঢ়ি পালি উঠাৰ দৰে নীল নদীৰ পাৰত ইজিপ্তৰ সভ্যতাই ঠন ধৰি উঠিছিল। ইয়াং চিকিয়াংৰ পাৰত চীনৰ সভ্যতা গঢ়ি উঠাৰ দৰে মিচিংসকলে সভ্যতাৰ উজ্জ্বল পোহৰ দেখিছিল সোৱণশিৰিৰ পাৰত।

অসমৰ সমগ্ৰ উত্তৰ পূৰ্ব্বাঞ্চলৰ পৰা দিহিং, দিবং লোহিত সোৱণশিৰিৰ পবিত্ৰ জলধাৰা বৈ আহোঁতে লগত লৈ আহিছিল উত্তৰ পূব অঞ্চলৰ বিভিন্ন জনগোষ্ঠীৰ বিভিন্ন সংস্কৃতি। অসমৰ খিলঞ্জীয়া জাতিসমূহৰ বিভিন্ন সংস্কৃতিয়ে সকলোকে আদৰি লৈছিল। এইদৰে বিভিন্ন জাতি, ধৰ্ম্ম, ভাষা, দৰ্শন আচাৰ, নীতি গীতপদ আদিৰ আদান প্ৰদানৰ সংমিশ্ৰনতে অসমৰ বিস্তৃত ভৌগলিক সীমাৰ ভিতৰতে গঠন হৈছিল এক মহান অসমীয়া জাতি আৰু সোৱণশিৰিৰ পাৰৰ মিচিংসকলৰ অপূৰ্ব্ব সংস্কৃতিয়ে লুইত পৰীয়া অসমৰ লোক সংস্কৃতিৰ মাৰল ঘৰত জাক-জমকতাৰে ঐক্য আৰু সংহতিৰ ঐক্যতাপেৰে সোণত সুৱগা চৰাইছিল!

আদিম যুগৰ পৰাই মিচিংসকলে নদীক কেন্দ্ৰ কৰিয়েই নিজৰ জীৱন নিৰ্ব্বাহ কৰিছিল আৰু নদীমাতৃক সভ্যতা গঢ়ি তুলিবলৈ সক্ষম হৈছিল। লুইত, সোৱণশিৰিয়ে দিলে মিচিংসকলক জীয়াই থকাৰ অনুপ্ৰেৰণা আৰু ঐক্য আৰু সংহতিৰে জীয়াই থকাৰ প্ৰেৰণা। লুইত, সোৱণশিৰিত সাঁতুৰি - নাদুৰি মিচিং ডেকা-গাভৰু সকলে যৌৱনৰ উত্তাল তৰঙ্গমালাৰ লগত নিজকে উটুৱাই দিলে। দিহিং, দিবং, ভোগদৈ, ধনশিৰি, লুইত, ৰঙানদী, ধল, ভৰলী,

সোৱণশিৰিৰ পাৰে পাৰে ঘৰ বান্ধি টুলুঙা নাৱেৰে জীৱন নিৰ্ব্বাহৰ পথ উলিয়াই ললে মিচিংসকলে। পকাধানৰ মাজেৰে মিচিং গাভৰুৱে সাজি-কাচি, হালি-জালি অ'ইনিতম গায় গাভৰু বুকুৰ পোৱণি মাৰ নিয়ালে। গগনাৰ সুৰে সুৰে পৃথিৱীতে স্বৰ্গ ৰচিবলৈ মিচিং গাভৰুৱে দক্ষিণপলৰ ওচৰত মিনতি কৰিলে। সময় বাগৰি যোৱাৰ লগে লগে সোৱণশিৰি, ধল, ৰঙানদীৰ গড়া খহনীয়াৰ বুকুত জীৱনৰ সকলো সঁাচতীয়া লামলাকটু বছৰি বছৰি বিসৰ্জ্জন দি মিচিং সকলে জীয়াতু ভোগে। নদীৰ পাৰে পাৰে পুনৰ নল খাগৰি গজে কহুৱাৰ শুভ্ৰফুলে প্ৰকৃতিক সম্ভাষণ জনায়। মিচিং সকলেও অতীতৰ দুখ পাহৰি আকৌ হঁাহে, আকৌ বাৰিষাৰ বুকু গছকি পথাৰলৈ যায়, পানীত উটি অহা কাঠৰ টুকুৰা পুৰি আকৌ আপং তৈয়াৰ কৰে, তেওঁলোকে আকৌ জীৱাই থকাৰ সপোন দেখে - আইনিতমৰ সুৰে সুৰে মিচিং সকলৰ বাৰে বৰণীয়া কৃষ্টিয়ে অসমৰ মাজ মজিয়া জাতিস্কাৰ কৰি তোলে। এইবাৰে বৰণীয়া কৃষ্টিৰ মাজত জন্ম গ্ৰহণ কৰা দুজনী কোমল গাভৰু পাহী আৰু ফুলি, সিহঁতেও আপোন মনে নিজৰ প্ৰাণৰ কথা ক'বলৈ বন বননিত জঁপিয়াই ফুৰে।

তেতিয়া পৰি অহা বেলিৰ পোহৰ সেউজীয়া গছ বনবোৰ সেঁতা হালধীয়া ৰঙেৰে উপচাই পেলাইছিল। ফুলি আৰু পাহিয়ে শুকান মাটি গছকি কপাহৰ পুলিবোৰ চাবলৈ বুলি পাহাৰলৈ খোজ দিলে।

জুম পদ্ধতিৰে কৰা আহুধানৰ খেতিৰ লগতে সিহঁতে কপাহৰ খেতিও কৰে। কপাহ গছৰ পুলিবোৰ ডাঙৰ হৈছে। দুয়োজনী খেতিৰ মাজতে বহিল। কোমল গছৰ পাতবোৰ দুই হাতেৰে চুই চুই পাহীয়ে ক'লে—ফুলি তই দেখোন আজি মনে মনে আছ? বেজাৰ নকৰিবি দে, ককাই পৰাগত আহিবই।

—আহিলেনো কি হ'ব? মোৰ বৰ ভয় লাগিছে, পিতাই যিহে মানুহ একেবাৰে মুৰং ঘৰত মেল দিব।

-- কিয় ফুলি ? পিতায়েৰে বিয় মেল দিব ?

কিয় তই হবলা নাজান--ককায়েৰে --

- কি কলি ? ককায়ে কি কৈছে ?

—পলুৱাই নিয়াৰ কথা কৈছে ।

—হয় নেকি ? সৰ ভাল হল । তোৰ পিতায়েৰে নিদিয়ে যেতিয়া, পলুৱাই নিবই লাগিব ।

তাই কথা কৈ কৈ ফুলিৰ সাৰটি ধৰিলে ।

—তই তেনেহলে মোৰ নৌহ'বি । এইবাৰ তেনেহলে তই ককাইক "তুমেৰ" (গামোচা) দিবি ?

ফুলিয়ে হাঁহি উচাট মাৰি উঠি আহি ক'লে কোনে ক'লে তোক, মই ককায়েৰক 'তুমেৰ' দিম বুলি ?

—কিয় তই ছে এনে দিনৰ ভিতৰতে সূতা সিজাই তাঁতবাটি কৰি উঘা চেৰেকা নকৈ পিচদিনা চল্লিশ পঞ্চাছ হাত কাপোৰ বব পাৰ । মোৰ আই জীয়াই থকা হ'লে--তোৰ নোহোৱা পাই কিমান ভাল পালেহেঁতেন ।

পাহীয়ে শুনিলে । চাই হুমুনিয়াহ এটা কাঢ়িলে ।

কি কৰিবি পাহী ! সকলো ভগৱানৰ ইচ্ছা । মোৰ ভাগ্যত নাই । ফুলিৰ কথা শুনি পাহীয়েও মনটো শান্ত পেলালে ।

সুযোজনা খেতিৰ পথাৰতে, বিচনাৰ ইফাল-সিফাল কৰি কপাহৰ পুলিবোৰ চুলৈ ধৰিছে । পুলিবোৰ ঠন ধৰি উঠিছে । লগে লগে আলুধানৰ গছবোৰ লহপহকৈ বাঢ়ি আহিছে । সিহঁতে মনে মনে খোজ কাঢ়ি কপাহ গছপুলিবোৰ আজেৰে কৈ থাকিল, কথাবোৰ যেন সিহঁতৰ হেৰাই গ'ল । নাম নজনা কিছুমান চৰায়ে গছৰ ডালত পাতৰ আঁৰত কিচ্ বিচালে ।

আকাশত ডাৱৰবোৰ ইফাল সিফাল কৰি ৰঙৰ পোহৰ মেলিবলৈ ধৰিলে । সন্ধিয়াৰ ৰ'দজাকে অকমান সময়ৰ পিচতে পশ্চিম আকাশৰ

পৰা মেলানি মাগিব। সময় আৰু বেছি নাই।

—ফুলি! পাহীয়ে মাতিলে।

—ক! কি কব খুজিছ।

—ব'ল ঘৰলৈ যাওঁ, দেখা নাইনে ৰাতি হবৰ হ'ল।

—পিচে কিয়নো মোক মাতি আনিছিলি?

—কিয়! মনৰ কথা পাতিবলৈ।

—ক'তা, মনৰ কথা নকলি দেখোন?

—যাওঁ আহ! মনৰ কথা মনতে যাওক।

—কি মনৰ কথা পাহী? মোকে নকৈ নো তই কাক কবি?

—কিনো কম? মোৰ মনৰ কথা কোনেনো বুজিব? কাকনো কম, কোনেনো পতিয়াব?

—কিয় তোৰ দেখোন (বিয়াৰ বন্দবস্ত) হৈ গল।

—হলে কি হ'ব, মোৰ মন নাই।

—তো তেনেহলে মন ক'ত আছে?

পাহীয়ে লেপেটা কাটি বগাহৰ তলিতে বহিল আৰু তললৈ মুৰটো কৰি কান্দিবলৈ ধৰিলে।

—কিয় কান্দিছ? পাহী! কি হৈছে তোৰ?

—নাই একো হোৱা নাই।

—তোৰ কিবা এটা হৈছে? তোৰ মন ক'ত আছে, তই কাক পিৰিতি দিছ কবই লাগিব।

পাহীয়ে ফুলিৰ হাতখন ধৰি বুকুত সাৱটি লৈ ক'লে—তই মোৰে শপত খা! ককাইক ক'লে মোক কাটিব।

—অ' শপত খাইছো নকওঁ। এতিয়া ক।

—ককাইৰ বন্ধুটোযে আহিছিল—?

ফুলিয়ে খুউব জোৰেৰে হাঁহি দিলে।

—অ' চহৰীয়া ডেকা দেখি মোহ গলি।

তাইৰ হাঁহিৰ খলকনিত কপাহৰ কোমল লাহি গছপুলিবোৰ হালিবলৈ লাগিল।

—কিয় হাঁহিলি ফুলি ? মোৰ ভুল হৈছে নেকি ?

—হৈছেতো। আমাৰ মানুহে আন জাতিলৈ বিয়া নিদিয়ে বুলি তই দেখোন জানই, ইফালে তোৰ বিয়াৰ বন্দবস্ত হ'ল, তোৰ ককায়েৰেতো কাটিবই, বাইজেও। সেইবোৰ বাদ দে ! এতিয়া যাৰ লগত বন্দবস্ত হৈছে তাৰ কথাকে চিন্তা কৰ।

--তয়ো তাকেই কলি। পাহীয়ে ফুলিৰ কোলাত মূৰ থৈ কান্দি পেলালে।

—নাকান্দিবি পাহী ! এতিয়া ব'ল, মনৰ কথা মনতে মনতে মাৰ যাবলৈ দে।

পাহীয়ে উচুপি উচুপি কান্দি কান্দি ফুলিক সাৱটি ধৰিলে।

—এৰা ফুলি, আমি নাৰী জাতি, আমাৰ কোনো স্বাধীনতা নাই নহয় ?

ফুলিয়ে একো নামাতিলে। পাহীক সাৱটি ধৰি কপাহৰ মাজে মাজে পাহাৰৰ ওপৰৰ পৰা তললৈ নামি আহিল।

পাহাৰৰ পৰা নামি আহোঁতে পাহীয়ে একো কথা নকলে। তাইৰ মন বিষাদেৰে ভৰি উঠিছিল। সিহঁতৰ ভাৰৰ লাহি খোজত আলিবাটৰ দুৱাৰি বনে লাজতে মূচ্‌ কচ্‌ গৈছিল। সিহঁতে ওপৰলৈ চালে গছৰ ডালত পখীবোৰে নিজৰ নিড বিছাৰি আৰাও লগাইছে। পোহৰবোৰ পৃথিৱীৰ পৰা আতৰি যাবলৈ আৰু বেছি সময় নাই। এই মাত্র ঘন পৃথিবীখনত এক মনোলোভা ছায়াই সাবটি ধৰিবহি ॥

— x --

## ( ২৯ )

লুইতক ভেটা দি
কিমান দিন বাখিবা
ভেটাও চেবায়ে বব
কোনোবা কাহানিব
কলিয়া এলাহ্মু
ধুমুহাই সামৰি থব ॥

গানটো গায় গায় সুৰেন্দ্ৰই বিজয়াইঁতৰ কলনি পালেগৈ ৰমক জমককৈ ফুলা গুলচফুল জোপাৰ তলৰ পৰা দুটা মান ফুল তুলিলৈ সি চিঞৰি মাতিলে বিজয়া অ' বিজয়া !

বিজয়াই সুৰেন্দ্ৰৰ মাত শুনি ভিতৰৰ পৰা দৌৰ মাৰি আহিল। আৰে ভাইজী ! আৰে কিৰে ? বাত ক্যা হ্যায়।
—বিজয়া বহেন, খুচি কা বাত হ্যায়। মোৰ ট্ৰেইনিঙৰ খবৰ আহিল।
—আহিল !
অ' এয়া চা মোক মাতিছে।

বিজয়াই কোলাত পায়েলক লৈ পদূলিলৈ গৈ চিঞৰি চিঞৰি ক'লে—আৰে শুনৰে ঐ মদনলাল, লচ্মী আৰে শুনৰে ভাইজীকা ট্ৰেইনিঙ হো গীয়া !

সুৰেন্দ্ৰই হাঁহি হাঁহি ক'লে আৰে পাগলী ট্ৰেইনিং হোৱা নাই কাগজহে আহিছে।

লগে লগে সকলো আহি সুৰেন্দ্ৰক বেঢ়ি ধৰিলেহি। মদন-

লালে পায়েলক বিজয়াব কোলাৰ পৰা দাঙি কান্ধত তুলি লৈ ঘূৰাই ঘূৰাই নাচিলে পায়েল আমাৰ ৰাণী হ ব, ৰেল গাড়ীত উঠি ফুৰিব।

সকলোৱে মদনৰ কথাত হাঁহিলে আৰু হাত চাপৰি বজাই নাচিলে।

সিহঁতে বিজয়াব চোতালতে 'চাৰপাই" খনতে বহিল। মদনলালে বেতৰ সৰু বিচনাখনত পায়েলক শুৱাই দিলে। মদনলালে এইবাৰ চিধা হৈ থিয় হ'ল, আৰু বিজয়ালৈ চাই ক'লে–বিজয়া দিদি এতিয়া চাহ মিঠাই খোৱাই দে !

বিজয়াই ক'লে—খাবি ৰে খাবি।

সুৰেন্দ্ৰই বিজয়ালৈ চাই সুধিলে–ভগৎসিঙ্ ক'ত ? তাৰ এতিয়া একেবাৰে ভাল নহয় জানো ?

- অ' একদম ভাল। মদপানী ভি বাদ দিছে।

—অ' ভাল হৈছে তেনেহলে। মই বৰ খুচি হৈছো বুজিলি। এইবাৰ সুৰেন্দ্ৰই মদনলালালৈ চাই সুধিলে।

—তহঁতৰ আন্দোলনৰ খবৰ কি ?

-ভাইয়া আমাৰ সকলো মানি লৈছে। কিন্তু আমি দুই তিনিমাহ চাম তাৰ পিচত আকৌ চুৰু কৰি দিম।

—বাৰু বাৰু ঠিক আছে–সুৰেন্দ্ৰই হাঁহিলে। পিছে তহঁতৰ কাৰবাৰ বন্ধ হৈছেনে নাই ? চুলাই বন্ধ নকৰিলে আন্দোলনে কাম নিদিব।

– এতিয়া বন্ধ হৈছে। খোৱাও বন্ধ, বিক্ৰীও বন্ধ।

– সি মিছা মাতিছে ভাইজী,–মদনলালে নিজেই দিনটো পি থাকে।

মদনলালে লচমীলৈ চাই ধমকি দিলে।

- কিয় মিছা কৈছ ? মই কেতিয়া খাইছোঁ।

—বাৰু বাৰু হব, খং কৰিব নালাগে মদনলাল ! তই লিডাৰ যেতিয়া হৈছ, তয়ে যদি নিয়ম ভঙ্গ কৰ, কোনে তোক মানিব ?

মদনলালে তললৈ মূৰ কৰিলে। সুৰেন্দ্ৰই হাঁহি হাঁহি

ক'লে—লচ্মী, বিজয়া তহঁতে ইহঁতক নজৰত ৰাখিবি যাতে, কোনেও চুলাই খাব নোৱাৰে।

সিহঁতে কথা পাতি থাকোঁতেই ভগৎসিঙ আহি ওলালহি। হাতত এসোপা জেলেপি।

—আৰে ভগৎসিঙ্ কি আনিছ ?

ভগৎসিঙে সুৰেন্দ্ৰলৈ চাই ক'লে--আপুনি ট্ৰেইনিঙলৈ যাব বুলি খবৰ পাই মিঠাই লৈ আহিছো।

সকলোৱে আনন্দ মনেৰে মিঠাই খায় স্ফূৰ্ত্তি কৰিলে।

—পিছে ক'ত খবৰ পালি ভগৎসিঙ ?

- বৰ বাবুৱে ক'লে।

—দেখিছ বিজয়া, ভগৎসিঙৰ মোলৈ কিমান মৰম ?

ভগৎসিঙে তললৈ মূৰ কৰিলে আৰু অলপ সময় নিমাতে থাকি সুৰেন্দ্ৰলৈ পুনৰ চালে আৰু সুধিলে—ট্ৰেইনিং কিমান দিন হ'ব বাবু ?

—ছমাহ। ছমাহ চাই থাকোতেই যাব, চিন্তা নকৰিবি। সৌৱা অৰুণো আহিছে।

অৰুণ আহি সকলো লৈকে চাই ক'লে - দেখিছা তোমালোকে, সি মোক অকলে এৰি থৈ যাবলৈ ওলাইছে।

—কিয় অকলশৰীয়া হব অৰুণবাবু, আমি আছো নহয়।

সিহঁতৰ লগতে সুৰেন্দ্ৰই লাহেকৈ ক'লে—অকলে কিয় ফুলিও থাকিব।

—চুপ্। অৰুণে সুৰেন্দ্ৰলৈ চালে।

—যেতিয়াই তেতিয়াই ধেমালি নহয় দেই। অৱশ্যে কথাষাৰ কোনেও নুবুজিলে।

সকলোৱে সিহঁতলৈ চালে।

—আৰে, কি চাই আছ ? মই ট্ৰেইনিঙ পাচ কৰি আহি ৰেলগাড়ীত

তহঁত সকলোকে তুলি নিম।

—ক'লৈ সুৰেশ ভাইয়া ?

—অৰুণ বাবুৰ বিয়া খাবলৈ।

সকলোৱে হাত চাপৰি বজাই হাঁহিলে।

—কিমান ভাল লাগিব। মই আহি পোৱালৈ পায়েল ডাঙৰ হ'ব, খোজ কাঢিব, হাঁহিব, কথা ক'ব। তাৰ পাচত এবছৰ হব, আমি তাইৰ জন্ম দিন ধুমধামেৰে পাতিম।

সিহঁতে কথা কৈ থাকোঁতেই লাহে লাহে সন্ধিয়া হৈ আহিল। সকলো ঘৰা-ঘৰি যাবলৈ থিয় হ'ল। অৰুণ আৰু সুৰেন্দ্ৰক পল্লী মুখত আগবঢাই দি বিজয়া আৰু ভগৎসিঙে ভাবিছিল—সিহঁতৰ কাৰণে এটা ভাল দিন আহি আছে।

— x —

# ( ৬০ )

সুৰেন্দ্ৰ ট্ৰেইনিঙলৈ যোৱা প্ৰায় এমাহেই হ'লহি। অৰুণৰ মনটো ভাৱাক্ৰান্ত হৈ পৰিল। সুৰেণ নহ'লে সি যে একেবাৰে অকলশৰীয়া হৈ পৰে। ছমাহৰ কাৰণে হলেও অৰুণে সুৰেন্দ্ৰক এৰি থকাতো অসহ্য হৈ পৰিছে।

সিহঁতৰ পৰাগ উৎসৱটো চমু চাপি আহিছে। এইবাৰ সি অকলেই যাবলৈ ওলাল। সি যে ফুলিক কথা দি আহিছে; ফুলিক সি নিজৰ কৰি লবই লাগিব। ইমান দিনে চাগৈ গাঁৱত উথল-মাথল লাগিলেই; কাৰণ পৰাগ উৎসৱ হলে বহুত দিন আগৰ পৰাই আয়োজন কৰিব লাগে। কিমান যে ডাঙৰ উৎসৱ সিহঁতৰ এই পৰাগ উৎসৱটো। এই উৎসৱতে সিহঁতৰ আটাইতকৈ বেছিকৈ মদ, আপং, মাংস যোগাৰ কৰিব লাগে। দাগলেক্ (হজ) কৰি হলেও এই উৎসৱৰ কাৰণে সিহঁতে ধন সংগ্ৰহ কৰে।

ছোৱালী বিলাকেও নিজা বৰীযাকৈ গাহৰি পোৱালীবোৰ সকতে কিনি লৈ পুহি-পালি ডাঙৰ কৰে। পৰাগৰ সময়ত বেছি উৎসৱত খৰচ কৰে।

এইবাৰো পাহীয়ে কেইটামান গাহৰি পোৱালী পোহা সি দেখিছে। তাৰ মনটো আবেগ আৰু আনন্দত ভৰি গ'ল। ফুলিয়ে চাগৈ তালৈ বাট চাই আছে। তাইৰ মনৰ আকুলতা সি এবাৰ উপলব্ধি কৰিলে। তাৰ বহল বুকুখনত এবাৰ হাত দি ভাবিলে, অজাপতে এৰি থৈ অহা ফুলিৰ কোমল পৰশ। এই চঞ্চলতাই তাক

যেন হঠাতে এটা আদিম মানুহলৈ ৰূপান্তৰিত কৰিব খুজিলে।

সি লৰালৰি কৰিলে। এইবাৰ সি এমাহৰ কাৰণে যাব। সেই কাৰণে চুটকেচটোত কাপোৰবোৰ চাই চাই ভৰাই থাকোঁতে সি ভাবিলে — সুৰেন্দ্ৰ, বিজয়া, পায়েল, মদনলাল, পাহী, ফুলি সি দেখোন কাকো এৰিব নোৱাৰে। তাৰ সকলো আপোন, সকলোৰে লগত তাৰ এৰিব নোৱাৰা সম্বন্ধ। তাৰোপৰি সুৰেন্দ্ৰই পায়েলৰ দায়িত্ব তাৰ হাতত দি গৈছে। তথাপিও সি পৰাগলৈ যাবই লাগিব। পৰাগ উৎসৱৰ ঢোল,-পেপা, গগনাৰ সুৰৰ ধ্বনিৰ মাজতে ফুলি তাৰ নিজৰ হব, আপোন হব। তাৰ মনটো ভাল লাগি গ'ল, সি সেই ভাল লগাৰ আমেজতে চুটকেচটো হাতত ললে আৰু দুৱাৰ খনত তলা এটা লগাই ওলাই গ'ল। বাটত যাওঁতে সি বহুত কথাই চিন্তা কৰি গ'ল — পাহীৰ কথা, ফুলিৰ কথা, সুৰেন্দ্ৰ আৰু পায়েলৰ কথাও। সকলোবে শেষত সি ভাবিলে, তাৰ বাপেকৰ কথা। ফুলিক সি পলুৱাই নিব, এইটো কথা কোনো দিনেই তাৰ বাপেকে ভাবিব নোৱাৰে। কিন্তু ইয়াৰ বাহিৰে তাৰ কোনো উপায়ো নাছিল, কাৰণ ফুলিৰ বাপেকে তালৈ ফুলিক বিয়া নিদিয়ে। তাৰোপৰি সিহঁতৰ সমাজত গন্ধৰ্ব্ব বিবাহৰ প্ৰচলন আছেই।

আৰু ফুলিতো একো বেয়া ছোৱালী নহয়, তাই ভাল শিপিনী, ভাল নাচনী, আন আন কৰ্ম্ম ক্ষমতা থকা মিচিং তিৰোতাৰ দৰেই তায়ো নাও চলাব পাৰে, গগনা বজাব পাৰে, তাঁতত মিৰিজিম বব জানে। ভুঁই কৰ জানে, কপাহ খেতি কৰিব জানে। তেনেহলে পিতায়ে বেয়া পাব কিয়? কথাবোৰে গোটেই ৰাস্তাটো তাৰ মুৰটো ঘোলা কৰিলে। পিচদিনা সি গৈ তাৰ মৰমৰ গাওঁখন পালেগৈ।

সেইখনেই তাৰ মৰমৰ গাওঁ। বছৰে বছৰে নৈৰ পানীৰ লগত যুদ্ধ কৰি লাওলোটা লৈ বাচি থকা তাৰ গাওঁখন। দুখীয়া হলেও সেইখন গাওঁ তাৰ মৰমৰ। এই গাওঁ বিলাকতে অসমৰ

সোণ সেৰিয়া সংস্কৃতি জীপ লৈ আছে। বৰ অসমক গঢ় দিবলৈ সিহঁতৰ কৃষ্টি সংস্কৃতি, ঐক্য সংহতি এতিয়াও নিভাজ হৈ আছে। মাত্র লাগে এদল প্রতিভাবান যুৱক— য'ত সুৰেন্দ্ৰহঁতৰ দৰে অসম প্রেমী এদল ডেকাই পৰ্ব্বত ভৈয়ামৰ চেনেহ বন্ধন সুস্থিৰ সবল কৰি গঢ়ি তুলিবলৈ চেষ্টা কৰিব আৰু মূল লক্ষ্য আগত ৰাখি আঁচনি যুগুত কৰিব পাৰিব।

নিমিষতে সি যেন সকলো পাহৰি পেলালে। তাৰ মনটো বিদ্রোহী হৈ উঠিল, পাহৰি গ'ল সি ফুলি, পাহী, সুৰেন্দ্ৰ আৰু পাৰেলৰ কথা।

সি সোৱণশিৰিৰ বুকুত নাও মেলি দিলে। নদীৰ সিপাৰে জিলিকি থকা সিহঁতৰ অতি মৰমৰ মুৰং ঘৰত তাৰ চকুত পৰিল।

মিচিং সকলৰ জীৱনৰ প্রাণ কেন্দ্ৰ সামাজিক ঐক্য আৰু সমন্বয়ৰ প্ৰতিক হ'ল এই মুৰং ঘৰ।

এই মুৰংঘৰ নহ'লে পৰাগ উৎসৱ হব নোৱাৰে। সিহঁতৰ গণতান্ত্রিক সমাজ পদ্ধতিৰ ঘাই ভেটি, মহান অসমীয়া জাতিৰ লোক সংস্কৃতিৰ ঐক্য আৰু সংহতিৰ প্ৰাণ কেন্দ্ৰ হ'ল এই মুৰং ঘৰেই।

নাওখন গৈ পাৰত লাগিল গৈ। সি নাৱৰ পৰা নামিল আৰু ৰূপোৱালী বালিৰ ওপৰেদি খোজ দিলে। খোজ কাঢ়ি যাওঁতে সি মনৰ ভিতৰত এটা নতুন পুলকতা অনুভৱ কৰিলে। সি আগ-বাঢ়ি যাব লাগিব, ফুলিক সি সোনকালে লগ পাব লাগিব। সি বেগাই খোজ দিলে। গাৱঁৰ তাৰ চিনাকী আলিবাটত সি দেখা পালে পৰাগ উৎসৱলৈ দলদোপ-হেন্দোলদোপ কৈ অহা যোৱা কৰা ডেকা-গাভৰুৰ ভৰিৰ খোজৰ চিনবোৰ।

কোন সময়ত সি ঘৰৰ পদূলী পালেগৈ সি গমকে নাপালে।

—ককাই অহিল! ককাই আহিল! অ' পিতাই; ককাই আহিল অ'—

পাহীয়ে দৌৰি দৌৰি গৈ অৰুণৰ ওচৰ পালেগৈ। অৰুণে পাহীৰ

হাতত হাতৰ টোপোলাটো দি সুধিলে— তোম ভালনে পাহী ? পিতাইৰ ভালনে ?

—ওঁ সকলোৰে, ফুলিবো ভাল।

—ধেৎ, ধ'ল এইজনী—! অৰুণ আগবাঢ়িল।

—ককাই ! তই দেখোন এইবাৰ অকলে আহিলি ?

—অ' পাহী; সুৰেন্দ্ৰ টে্ৰইনিঙত গ'ল।

—কিহৰ টে্ৰইনিং ?

—এ ৰেল চলোৱা।

পাহী মনে মনে থাকিল আৰু অৰুণৰ হাতৰ পৰা টোপোলাটো লৈ ভুংগোঁওলৈ উঠি গ'ল। ৰেল চলোৱা টে্ৰইনিং মানে সুৰেন্দ্ৰই ৰেল চলাব। কিন্তু তাই যে, এইবাৰ সি আহিব বুলি বৰ আশা কৰিছিল। তাইৰ যেন বুকুৰ কোনোবা খিনিত বিষ এটা অনুভৱ হ'ল। তাই টোপোলাটো চাঙৰ ওপৰতে থলে আৰু ভিতৰলৈ সোমাই ৰকায়েকলৈ চাহ কৰিবলৈ গ'ল।

অৰুণৰ বাপেকে হাতত হোকাটো লৈ অৰুণৰ ওচৰতে চাৰি-খনতে বহি সুধিলে তই হবলা অকলে আহিলি ?

অ' পিতাই, সি টে্ৰইনিঙলৈ গৈছে।

ভালেই হৈছে দে, ডেকা মানুহ কামত লাগিব লাগে। পিচে পাহীৰ খাটাং বন্দবস্ত (ঠাংপিল) এটাহে কৰিব লাগে।

হবদে পিতাই, মই আহি পাইছো যেতিয়া চিন্তা নকৰিবি।

ছুটী লৈ আহিছ হ'বলা ?

অ' এমাহৰ।

—ভাল কৰিছ তেনেহলে।

কথাবাৰ কৈ পামেগামে নিচিন্ত মনে হোকা খোৱাত লাগি গ'ল।

—ককাই জলপান দিছো, হাত-মুখ ধুই ল !

—অ' দে পাহী ! বৰ ভোক লাগিছে, দিনটো বৰ কষ্ট হৈছে।

পাহীয়ে অৰুণৰ কাৰণে জুহালৰ কাষতে ৰঙা চাহ এবাতি আৰু বৰা চাউলৰ জলপান আনি দিলেহি। চাঙৰ তলত গাহৰি মথাই হুলস্থুল লগালে জলপান এমোকোৰা মুখত ভৰাই দি অৰুণে সুধিলে— তোৰ গাহৰি পোৱালীকিটা বেচিলি নেকি ?

—নাই, সেইমখাৰ প্ৰকোপ দেখা নাই নে ? থাকিবই নোৱাৰা হৈছে।

কথা কৈ কৈ চাঙৰ ফাঁকেৰে ভাতৰ নিসনি এসোপা তললৈ পেলাই দিলে। নিসনি খিনি গৈ তলত গাহৰিৰ কাৰণে পাতি থোৱা টিঙটোত পৰিল গৈ।

অৰুণে হাতত বাতিটো লৈ জলপান খাবলৈ আৰম্ভ কৰিলে। বহুত দিন সি জলপান খোৱাই নাই। তৃপ্তিৰে জলপান খাই খাই সি পাহীলৈ চালে। তাৰ ভনী পাহী, সি তাইক আন এখনলৈ উলিয়াই দিব লাগিব, পাহী আন এঘৰৰ বোৱাৰী হবগৈ। এখন নতুন পৃথিৱীৰ বুকুত তাই কৰ্ম্মময় জীৱন আৰম্ভ কৰিব লাগিব। সেইখন ঘৰেই সময়ত তাইৰ আপোন হৈ পৰিব। কি বিচিত্ৰ এই সংসাৰ, কি বিচিত্ৰ এই নাৰীৰ জীৱন !

ভাবি ভাবি আঙুলিত লাগি থকা বৰা চাউল কিটা জিভাৰে চেলেকি দিলে। আৰু পৰম তৃপ্তিৰে ঘটিটোৰে পানী এঘটি খাই বহাৰ পৰা থিয় হ'ল।

সি বাহিৰলৈ গৈ দেখে তাৰ মৰমৰ গাওঁখনলৈ আন্ধাৰবোৰ নামি আহিছে।

—x—

## ( ৩১ )

গোটেই নিশাটো অৰুণৰ ভাল টোপনি নাহিল। পুৱতি নিশাতে সি সাৰ পাই উঠিল আৰু বাহিৰলৈ আহি দেখিলে পূৰ্ব্বাচলৰ বেলিৰ ৰ'দ কাচলি আহি সিহঁতৰ গাওঁখন আবৰি ধৰিবলৈ আৰু বেছি সময় নাই।

সি এনেয়ে বাটত ইফাল সিফাল কৰি ভিতৰলৈ পুনৰ সোমাই আহিল, যদিও ফুলিক লগ পাবৰ কাৰণে তাৰ মনটো ব্যাকুল হৈ পৰিল। পাহীয়ে তাক চাহ এগিলাচ দিলেহি। অৰুণে চাহৰ গিলাচটো হাতত লৈ ক'লে—ব'ল পাহী মুচং ঘৰলৈ যাওঁ!

—ইস্, মোৰ আৰু কাম নাই? তোলৈ ভাত বনাব লাগে; কুকুৰা কাটি ভাজিব লাগে, পানী আনিবলৈ ঘাটলৈ যাব লাগে মই এতিয়া যাব নোৱাৰো, তয়ে যা চাই আহগৈ! কিযে ধুনীয়া হৈছে?

— তেনেহলে তই নাযাৱ?

—ওঁহো এতিয়া নাযাওঁ। মই পানী আনিবলৈ যাওঁ ঘৰত এটুপিও পানী নাই।

- ককাই!

—হেঁ।?

—ফুলিয়ে কৈছে তাইৰ বাপেকে বোলে তোৰ ওপৰত মেল দিব কেবাং বহুৱাব।

- কিয়? মই কি অপৰাধ কৰিলোঁ?

—এতিয়া কৰা নাই, কিন্তু তই যদি ফুলিক পলুৱাই আ'ন— ।

—নোৱাৰে পাহী। ফুলিৰ বাপেকৰ ইমান সাহ নাই। পিচে পিতায়ে এইবোৰ কথা গম পাইছে নেকি ? তই কৈছ নেকি ?

—নাই পিতায়ে নাজানে।

—নকৰি দেই সোণজনী! মই তোক চহৰৰ পৰা যিহকে লাগে তাকে আনি দিম।

—এতিয়া হলে বৰ খাতিৰ কৰিছ, নকও বাক দে। কিন্তু ফুলিক তই সোণকালে আনিব লাগিব, নহলে তাই বোলে আত্মঘাতী হ'ব।

বথা কৈ কৈ পাহী ককায়েকৰ ওচৰৰ পৰা উঠি গ'ল। তাই মনতে ক'লে—তাই নিজে কিন্তু মৰিব নোৱাৰে। বাপেক আৰু ককায়েকৰ কাৰণেই তাই জীবটো উৎসর্গা কৰিব লাগিব। সেয়ে তাইৰ জীৱন পৰৰ কাৰণেই, তাই হুমুনিয়াহ কাঢ়িলে আৰু কাষত গাগৰিটো লৈ নদীলৈ বুলি ওলাই গ'ল।

অৰুণে পাহীলৈ চাই ভাবিলে—তাইৰ যে ইমান কাম। ফুলি আহিলে তাইৰ অলপ সহায় হব। সহায় হলেনো কি হ'ব; লোকৰ ঘৰলৈ উলিয়াই দিলে তাই আকৌ গেবাৰিকে কৰিব লাগিব। মিচিং ছোৱালী বিলাকৰ জিৰণি বোলা কথাতো নায়েই। ৰাতিপুৱা শুই উঠাৰ পৰা ৰাতিলৈকে বহি থাকিবলৈ সময় নাই। কৰ্ম্মৰত মিচিং নাৰী। আমাৰ সকলো নাৰী জাতিয়ে মিচিং নাৰী জাতিৰ দৰে সংঘবদ্ধ ভাৱে কাম কৰা হলে অসমৰ প্ৰগতিৰ পথ সেন্দুৰীয়া হ'লহেতেন।

সি থিয় হ'ল আৰু কথাবোৰ ভাবি ভাবিয়েই মুৰং ঘৰৰ ওচৰ পালেগৈ আৰু সোৱণশিৰি নদীৰ দাঁতিত গাঁৱৰ কালে মুখ কৰি সজা সিহঁতৰ মুৰং ঘৰটো তাৰ চকুৰ আগত জিলিকি উঠিল।

মুৰং ঘৰটো হ'ল মিচিং সমাজৰ গণতান্ত্ৰিক সমাজ পদ্ধতিৰ ঘাই ভেটি। প্ৰত্যেক গাঁৱৰ সভা বা কেবাঙৰ এই অনুষ্ঠানটি হ'ল সাৰ্ব্বভৌম গণতান্ত্ৰিক অনুষ্ঠান। এই মুৰং ঘৰৰ যোগেদি জন-

জাতীয় বাইজে সমাজৰ কৃষ্টি কলাবো প্ৰসাৰ বৃদ্ধি কৰি আছিছে। এই মুৰং ঘৰতে ডেকা সকলে জাগ্ৰত প্ৰহৰী হৈ গাঁৱক বাহিৰা শত্ৰুৰ হাতৰ পৰা ৰক্ষা কৰি আছিছে।

অৰুণ গৈ মুৰং ঘৰৰ ওচৰ পালেগৈ। তাক দেখি তাত নিশা টোপনি ক্ষতি কৰি কাম কৰি থকা সকলে চিঞৰি উঠিল—ককাই আহিলি? আমাৰ মুৰং ঘৰটো কেনে দেখিছ, ভাল হৈছে নে?

—অ' বৰ সুন্দৰ হৈছে। চাংখন ওখ হোৱাৰ কাৰণে আৰু ভাল হৈছে, পিচে এই বেলি ছাতিবোৰত ছবি আঁকিছে কোনে অ'।

এজনে মাত লগালে সেই যে ৰতন, ৰতন পেগুৱে। কিয় সুধিলি ককাই কিবা বেয়া পালি নেকি?

—নহয় অ' বৰ ধুনীয়া হৈছে কাৰণেহে সুধিছোঁ। মুৰং ঘৰত ছবি নাথাকিলে, কাৰুকাৰ্য্য নাথাকিলে কিহৰ মুৰং ঘৰ হ'ব, নহয় জানো?

--হয় ককাই। সেই কাৰণে আমি আহি এসপ্তাহৰ আগৰ পৰাই ছবি অঁকা, কাগজ লগোৱা কাম কৰি আছো, বেৰত কীৰ্ত্তনৰো পদ পঢ়িব পৰাকৈ লেখি দিছো।

—অ', বৰ ভাল হৈছে দে।

—পিছে ককাই কিমান দিন থাকিবি?

—বেছি দিন থাকিব নোৱাৰিম, তথাপিও এমাহ ধৰচোন।

অৰুণে লৰাহঁতৰ লগত কথা পাতি পাতি মুৰং ঘৰটোৰ চাৰিওফালে ঘূৰিলে আৰু তাৰ পিচত নদীৰ ঘাটৰ পিনে আগবাঢ়িল।

তেতিয়া পূবৰ বেলিয়ে পৃথিৱীখন আকোৱালী ধৰিছিল। ৰ'দৰ জিলিমিলি পোহৰে ধৰণীলৈ নমাই আনিছিল এক নতুন দিনৰ প্ৰতিশ্ৰুতি।

— x —

# ( ৩২ )

ককায়েক ওলাই যোৱাৰ পাচত পাহীয়ে নদীৰ ঘাটলৈ পানী আনিবলৈ গ'ল। তাই ভাবিছিল— এই সময়ত গলে নিশ্চয় ফুলিক নদীৰ ঘাটতে ল'গ পাব। সচাঁকৈয়ে পাহীয়ে ভবা মতেই হ'ল। ফুলিয়ে গাগৰীটো পানীৰ জোঁৱলীত লৈ ভৰি তুখন পানীলৈ নমাই দি কিবা ভাবি ভাবি বহি আছে। আঠুলৈকে তাইৰ সোণবৰণীয়া কলাফুল দুটা পানীয়ে তিয়াই পেলাইছে।

--ঐ ফুলি! ফুলি! কি কৰিছ?

পাহীয়ে গাগৰীটো মাটিত থৈ ফুলিৰ বাহুত ধৰি আকৌ ক'লে—এইজনী নামাত কিয়? বোলো জানিছ নে নাই, ককাই আহিল।

—আহিল ভাল হ'ল, মই কি কৰিব লাগে?

—আউ—এইজনীৰ ভেমটো চা। অ' খবৰ দিয়াত হবলা বেয়া পালি? বাৰু নকও দে, মই ককাইক কৈ দিওঁগৈ, বোলো কিয়নো আহিলি ককাই, ফুলিয়ে দেখোন বেয়াহে পাইছে।

পাহীয়ে খঙেৰে গাগৰীটো ভৰাই যাবলৈ সাজু হ'ল।

—ঐ পাহী! মোৰ শপত, তই ককায়েৰক একো নকবি। মই চিন্তাতে মৰিছো, সেয়েহে অকমান পেচ পাতি দেখুৱাইছিলোহে; তইনো ধেমালিও বুজি নাপাৱনে?

—চাওঁ বাট এৰি দে! মই ধেমালী চেমালি বুজি নাপাওঁ। ভাল বুলি খবৰটো দিলো, তই আকৌ ভেম কৰি দেখুৱালি। চাওঁ

বাট এৰি দে। আগভেটি ধৰিছ কিয় ? মোৰ হৰলা ঘৰত কাম নাই ?

—নহয়, নহয়, পাহী, তই বচোন নাযাবি ! মই সচাঁকৈয়ে ধেমালিহে কৰিছিলো।

—মই যাওঁ ফুলি, ককাইলৈ ভাত বনাব লাগে।

—বাৰু যা যা ! তোৰ বৰ ফুটনি হৈছে ।

—অ' হবতো। তই বৈ থাক, কঙ্কাই আহিব এতিয়া।

পাহী যোৱাৰ পাচত ফুলি আকৌ পানীৰ ঘাটতে বহিল। তাইৰ বুকুখন আনন্দ আৰু উত্তেজনাত উজনি-ভাটি কৰিবলৈ ধৰিলে। তাই বুকুখন দুয়োহাতেৰে হেঁচা মাৰি ধৰি দূৰলৈ চালে। কিমান সেউজীয়া দূৰণিৰ বন বননিৰ ৰং, কিমান মধুৰ চৰাইৰ কলকলনি বোৰ

অৰুণৰ মাতত ফুলি উচপ খাই উঠিল। তাই একো নামাতি তললৈ মুৰ কৰিলে।

– ফুলি উঠ !

- ফুলি থিয় হ'ল আৰু চকুতুলি তালৈ চালে।

- সেই কহুৱা বনৰ আঁৰত থকা ঘৰটোলৈ যাওঁ ব'ল ! ইয়াত কোনোবাই দেখিব। ফুলিয়ে মুখেৰে একো নামাতি হাতত উদং গাগৰীটো লৈ সিটো ঘাটলৈ খোজ ললে; অৰুণ পিছে পিছে গ'ল। সিহঁত গৈ কহুৱা এজোপাৰ আঁৰতে বহিল গৈ।

অৰুণে ফুলিক সাৱটি ধৰি সুধিলে— তোৰ ভাল নে ফুলি ?

—ওঁ ভালেই।

—চিন্তা নকৰিবি ফুলি ? আৰু নো কেইদিন বাকী, তই মোৰ হবলৈ ?

ফুলিয়ে অৰুণৰ বুকুৰ মাজত মুখখন লুকুৱাই লাহেকৈ ক'লে— তোৰ যে একেবাৰে লাজ নাই।

— x

## ( ৩৩ )

আজি পৰাগ বিস্তৰ গিছাং (প্ৰতিষ্ঠা) উৎসৱ। মিচিংসকলৰ গাত ততেই নাই। প্ৰাণৰ আপোন পৰাগ উৎসৱৰ আজি প্ৰথম দিন। আজি উৎসৱৰ আয়োজন সম্পূৰ্ণ কৰাৰ বাহিৰে ভোজ ভাত একো নহয়। প্ৰথমে বৰপুৱাৰী আৰু মিগম ৰৰাক তেওঁলোকৰ যি কোনো এঘৰৰ পৰা গুমৰাগ নাচৰ যোগেদি আগবঢ়াই আনিব আৰু দঞিপল (সূৰ্য্য-চন্দ্ৰ)ক সাক্ষী কৰি পৰাগ উৎসৱৰ প্ৰতিষ্ঠা কৰিব। তাৰ পিচতহে মিনম য়ামনাম [অতিথি আদৰি অনা] উৎসৱ আৰম্ভ কৰিব। মিনম মানে নিমন্ত্ৰিত অতিথি হিচাবে পৰাগত সহ-যোগ কৰিবলৈ অৰুণহঁতৰ গাৱঁৰ ৰাইজে নিমন্ত্ৰণ কৰিছে। নিমন্ত্ৰিত অতিথি সকলক গুমৰাগ নাচৰ যোগেদি মুৰং ঘৰলৈ বৰপুৱাৰী আৰু মিগম ৰবাই আদৰি আনিব লাগিব। কিয়নো বৰপুৱাৰী হ'ল পূজাৰী আৰু মিগম ৰবা হ'ল ৰজা।

ৰাইজৰ লগতে ফুলি পাহীয়েও সাজি কাচি পৰাগ উৎসৱলৈ ওলাই আছিছে। অৰুণহঁতৰ গাঁৱৰ ৰাইজে ওচৰৰ সকলো গাঁৱৰ ৰাইজক নিমন্ত্ৰণ কৰিছে। আনকি যিবিলাক ছোৱালী আনগাঁৱলৈ বিয়া হৈ গৈছে সেই ছোৱালী বিলাককো নিমন্ত্ৰণ কৰিবলৈ ৰাইজে পাহৰা নাই। পৰাগ উৎসৱত মাকৰ ঘৰলৈ যাবলৈ যে ছোৱালী বিলাকৰ কিমান হেঁপাহ!

সকলোৰে মনত আনন্দ। কিমান আশাৰ এই পৰাগ উৎসৱ। সকলো গাঁৱৰ ৰাইজে আপং লৈ লৈ পৰাগলৈ আহিছে সেই সকলো

অতিথিকে ডেকা-গাভৰুৱে শুমৰাগ নাচি নাচি পদূলী মূৰৰ পৰা আগবঢ়াই আনিছে। "মিনম য়ামনাম" উৎসৱ কিমান মিঠা লগা। অতিথি বিলাকক অন্তৰেৰে আদৰি অনা দৃশ্য কেনে মনোমোহা ইয়াৰ মাজত যেন সোমাই আছে বৃহৎ ঐক্য সংহতিৰ বুনিয়াদ।

অৰুণৰ মনটো আনন্দেৰে নধৰা হ'ল। পৰাগ উৎসৱত যেন সকলোৱে গা ঢালি দিছে, শ্ৰেষ্ঠ ঢুলীয়াৰ লগত শ্ৰেষ্ঠ নাচনীৰ প্ৰতিযোগীতা চলিছে, আনন্দৰ যেন পাৰ নাই। অৰুণহঁতৰ সৰু গাওঁ খনৰ ধূলি বালি, বনে-উপবনে যেন পৰাগ উৎসৱত অন্তৰৰ প্ৰেম নিবেদন কৰিছে। পশু পক্ষীয়েও আনন্দতে মতলীয়া হৈ গীত জুৰিছে, ঢোল পেঁপাৰ মাতে আকাশ বতাহ নিনাদিত কৰি তুলিছে।

দিনৰ পোহৰে মেলানি মাগিবলৈ বেছি পৰ নাই। আবেলিৰ বেলিৰ ৰঙে কাকিনী তামোলৰ আগত পৰি সোণালী সপোন ৰচনা কৰিছে। হঠাতে অৰুণৰ মনটো উচ্‌পিচ্‌ লাগিল। সি পাক্ষীক দেখিছে, তাই নাচি আছে; কিন্তু ফুলি হ'লে নাই। তাৰ মনটো অস্থিৰ হৈ পৰিল। নাচৰ ধ্বনি, হাত চাপৰি, কিৰিলিৰ শব্দই যেন তাৰ গাত চাটি-ফুটি লগাইছে। ফুলি? তাৰ ফুলি ক'ত? এই হেন উৎসৱত তাৰ প্ৰাণাধিকা প্ৰিয়াৰ চিন্তাই তাক আকুল কৰি তুলিলে। নাই, নাই! সি আৰু মুৰং ঘৰত থাকিব নোৱাৰে। সময় খৰগতিৰে আগবাঢ়িল।

অৰুণে বাহিৰলৈ ওলাই আহি আকাশলৈ চালে—ফৰকাল নীলা সুগভীৰ আকাশত তৰাৰ তৰাৱলী জোনৰ দিপাৱলী। সি কিছুসময় বাহিৰত কটোৱাৰ পিচত মুৰং ঘৰলৈ উভতি গ'ল। কিয়নো মাজ নিশাৰ পৰা প'ৰৰ'ত আপং ভৰাবলৈ বাইজে আৰম্ভ কৰিব। সি মুৰং ঘৰত সোমাই একে থৰে পৰৰটোলৈ চাই থাকিল—কেনে উৎকৃষ্ট বাঁহৰ সঁজুলি! ৮ ফুটৰ পৰা ১০ ফুট দীঘল এই সঁজুলিটোতে ১০০ পৰা ১২০ কলহ আপং ভৰাব পাৰে। ওপৰত ওলোমাই থোৱা

পৰবৰত পানী ঢালিবলৈ চাঙৰ ব্যৱস্থা কৰা হৈছে। আপং ভৰাই শেষ কৰাৰ পিচত অতিথি সকলে তাত পানী ঢালিবলৈ আৰম্ভ কৰিব।

কথাবোৰ চিন্তা কৰি থাকোতেই সময় আগবাঢ়িবলৈ ধৰিলে আৰু বাইজে আপং ভৰোৱা কাম তাৰ চকুৰ আগতে শেষ কৰিলত অতিথি সকলে তাত পানী ঢলা কাম আৰম্ভ কৰিলেই।

বৰপুৱাৰী আৰু মিগমবৰাৰ নেতৃত্বত সমূহ ডেকা গাভৰু আৰু অতিথি সকল মিলি মুৰং ঘৰটো পাঁচবাৰ প্ৰদক্ষিণ কৰিলে। সৰ্ব্বশেষত মিগম বৰা আৰু বৰপুৱাৰীয়ে "আচি কান্নাম অৰ্থাৎ পানী ঢলা কাম কৰিলে।

বাইজে আকাশ নিনাদিত কৰি "দঞ্রিপল", "কৰ্চিন কাৰ্টাগ" "গুমিন চইন", আদি নানা দেৱ দেৱীৰ প্ৰতি প্ৰাৰ্থনা জনালে যাতে গাঁৱৰ মঙ্গল হয়।

বাইজৰ লগতে অৰুণেও চিঞৰিলে "দঞ্রিপল", "কাৰ্চিন কাৰ্টাগ"। সি প্ৰাৰ্থনা জনোৱাৰ পাচত পবৰটোলৈ চালে—পবৰটোৰ পৰা আপং নিগৰি পৰিছেনে নাই। কাৰণ আপং নিগৰি উগ্ৰ মদৰ ৰস যেতিয়া তলৰ পাত্ৰত পৰিব তেতিয়া, চেউৰী গাহৰী এজনী উচৰ্গা কৰিবৰ সময় হ'ল বুলি জানিব লাগিব। প্ৰথমে গাহৰী জনীক পাঁচবাৰ গুমৰাগ নাচেৰে প্ৰদক্ষিণ কৰিব লাগিব। অৰুণে উচ্‌পিচ্‌ কৰি উঠিল; হঠাতে বাইজে চিঞৰিলে—পৰিছে, পৰিছে! উগ্ৰ মদৰ ৰস নিগৰি তলৰ পাত্ৰটোত পৰিছে, তেনেহলে গাহৰী উৎসৰ্গা কৰিবৰ সময় হ'ল।

অৰুণৰ চকুৰ আগতে গাহৰী জনী অনা হ'ল আৰু গুমৰাগ নাচেৰে পাঁচবাৰ প্ৰদক্ষিণ কৰি গাহৰীজনীৰ ঠিক বুকুৰ ফালে কটাৰীৰে ওপৰৰ ছালখন কাটি, কটা অংশই দি জোঙা বাঁহ এডাল প্ৰথমে মিগম বৰাই সোঁহাতে আৰু বৰ পুৱাৰীয়ে বাওঁহাতে ধৰি কটা অংশইদি ক্ৰমে ক্ৰমে ভিতৰলৈ সুমুৱাই ধৰিলে। তীক্ষ্ণ বাঁহৰ দুৰন্ত জোঙ ডাল

গাহৰী জনীৰ বুকুৱেদি সোমাই গ'ল আৰু কেঁচা তেজ বোৱ চাৰিও-ফালে চিটিকি পৰিল। গাহৰিজনীৰ আৰ্ত্তনাদ আওকান কৰি আনন্দত বিভুল বাইজে চিঞৰিলে—দক্ৰিপল, কাৰ্চিন ক্ৰাটাগ, গুমিন চাইন।

অৰুণে তাত আৰু ৰব নোৱাৰিলে। হাত দুখন কাণত দি থলং পলংকৈ বাহিৰলৈ ওলাই আহি সিও চিঞৰিলে—"দক্ৰিপল"—"দক্ৰিপল"!

—×—

( ৩৪ )

আজি পৰাগৰ দ্বিতীয় দিন। দিনে ৰাতিয়ে মিনম সকলক (অতিথি সকলক) খুৱাই বোৱাই আজি গুমৰাগ নাচেৰে শেষত আগবঢ়াই দি পুনৰ পাহীহঁত কামত লাগিলহি কিয়নো জীয়াৰী সকলৰ ভোজৰ দিন। পাহীয়ে ঘৰৰ আগফালৰ চোতাল সাৰি সাৰি ভাবিছে, তাই বিয়াহে গলেও পৰাগলৈ আহিব পাৰিব। কালিলৈ আকৌ বোৱাৰী সকলৰ ভোজৰ দিন আছেই। ঘৰুৱা জঞ্জালৰ পৰা মিচিং তিৰোতা সকলে কালিলৈ ৰেহাই পাব আৰু প্ৰাণ খুলি হাঁহি মাতি ভোজ ভাত খাব। সিহঁতৰ যে কিমান কাম; ৰাতিপুৱা কুকুৰা ডাকৰ পৰা ৰাতি শোৱাৰ সময়লৈকে তেওঁ-লোকৰ তিলমানো আজৰি নাই— সেই কাৰণেই হবলা মিকিৰ মিচিং সমাজত এই ব্যৱস্থা।

চতুৰ্থ আৰু পঞ্চম দিনা সৰ্ব্বসাধাৰণ ৰাইজৰ ভোজ হব। অবাল বৃদ্ধ বনিতাই যাতে হেঁপাহ পলুৱাই খাবলৈ পাই তাৰ বাবে ৰাইজে যত্ন লব। মাংস আৰু আপং হৈছে পৰাগ উৎসৱৰ উপ-ভোগ্য সম্ভাৰ। সেয়েহে পৰবত চাকি লোৱা আপং পানীৰ উপৰিও বিপুল পৰিমানৰ আপং আন সজুলিৰেও চাকি চাকি কলহে কলহে সিহঁতে যোগান ধৰিছে।

তাই পোন হৈ ঠিয় হ'ল আৰু দূৰলৈ চাই পঠিয়ালে-- মুৰং ঘৰৰ পৰা ঢোলৰ শব্দ আহি তাইৰ কাণত পৰিলহি। হাতত বাঢ়নিডাললৈ তাই ভাবিলে। বিয়াৰ পিছত তাই যদি পৰাগলৈ

আহিবলৈ নাপায়। বিয়া হৈ গলে ছোৱালীৰ ভাগ্যৰ চকৰি কোণফালে ঘূৰে কোনে জানে ? তিৰোতাৰ কপাল কচুপাতৰ পানীৰ দৰে এই ভাল, এই বেয়া – তাইৰ কপালত বা কি আছে ?

—ঐ পাহী কি কৰিছ ? বাঢনিডাললৈ দেখোন থৰ লাগিলি ?

—অ' ককাই !

ককায়েকৰ চেহেৰাটো দেখি তাই ভয় খাই উঠিল— আউল বাউল চুলি, চকুহাল গাতলৈ সোমাই গৈছে ?

—পাহী এইফালে আহ !

পাহীয়ে বাঢ়নিডাল মাজ চোতালতে পেলাই ভয়ে ভয়ে ককায়েকৰ ওচৰ পালেগৈ। তাইতো জানি বুজি একো জগৰ লগোৱা নাই।

- বহ,

—কিয় ককাই !

—বহ বুলিছো নহয়। বহ্।

সি তাইক হাতত ধৰি চাংখনতে ঠুপুচকৈ বহুৱাই দিলে। সি যে বহুত বেছিকৈ আপং খাইছে, পাহীৰ বুজিবলৈ বাকী নাথাকিল।

--পিতাই কলৈ গ'ল ?

—বৰ পিতাইক আগবঢাবলৈ গৈছে, আজি বোলে নাহে।

হোঁ !

—ককাই ?

- এটা কথা পাহী।

—কি কথা নকৱ কিয় ? তোৰ কি হৈছে, নকৱ কিয় ? ক সোনকালে ক তোৰ কি হৈছে ককাই !

—বহ ভয় নকৰিবি— মোৰ একো হোৱা নাই।

—ককাই ফুলিৰ কিবা হ'ল নেকি ?

—নাই একো হোৱা নাই। আজি মই তাইক আনিম।
—ককাই…… !

চিত্ৰৰ মাৰি ককায়েকক পাহীয়ে সাৱটি ধৰিলে।

—সঁচানে ককাই ? কেতিয়া কিমান সময়ত ?
—আজি নিশা— শেষ নিশা। তই সাৱধানে থাকিবি। তাইৰ বাপেকে জানিব পাৰি পহৰাৰ ব্যৱস্থা কৰিছে।
—ককাই— নাই, নাই— তোক সিহঁতে—তোক মাৰি পেলাব।
—নোৱাৰে পাহী— নোৱাৰে।

অৰুণে কথাকৈ কৈ ওলাই গ'ল। পাহীয়ে কিছুসময় চাং খনতে বহি বহি কান্দিলে। সিহঁতৰ মাক থকাহলে বা সুৰেন্দ্ৰককাই অহা হলেও এটা সাহস হলহেঁতেন কিন্তু আজি যে তাইৰ ককায়েক একেবাৰে অকলশৰীয়া।

চকুহাল ৰিহাৰ আচলেৰে মচি ললে। তেনেহলে ফুলি সচাকৈয়ে আজি সিহঁতৰ ঘৰলৈ আহিব। ককায়েকে নিশ্চয় পলুৱাই আনিব।

তাইৰ গাটো কপি উঠিল— কিছুসময় ভাবি থাকি তাই খপকৈ ঠিয় হ'ল— নাই, নাই, এনেকৈ বহি থাকিলে নহব। তায়ে এতিয়া ককায়েকৰ বিপদৰ বন্ধু। তাই ককায়েকৰ কাৰণে সকলো কৰিব পাৰিব লাগিব। কিয় নোৱাৰিব তাই যে যে মিচিং গাভৰু। তাইৰ সাহস আছে তাই থাকোতে ককায়েকৰ বিপদ হব সেইটো হব নোৱাৰে।

লৰালৰিকৈ তাই লতাখন (চোতাল) সাৰি শেষ কৰিলে। ঘৰৰ ভিতৰৰ চাংখন চাফা কৰি থাকোতে চাঙৰ তলৰ গাহৰী জাকে তাইলৈ চাই কক্ৰকাই উঠিল— তাই সিহঁতে শুনাকৈ ক'লে— বহু আমনি নকৰিবি ৰাতিলৈ তহঁতৰ নতুন বৌ আহিব বুজিলি— ফুলি নবৌ ! ককাইৰ দেহৰ ধন। বুকুৰ আমঠু, কালিৰ পৰা তহঁতে নতুন মানুহৰ হাতেদি সৰহকৈ খাবলৈ পাবি। তহঁতৰ পাহী বায়েৰ

আৰু বেছি দিন নাথাকিব— কোনোবা অচিনাকী ডেকাদৈ গিতায়ে দি দিব। তাই কব নোৱাৰাকৈয়ে চকুহালেদি দুধাৰি চকুপানী বৈ আহিল। হায়! তাইৰ বুকুৰ পিৰীতি কোনেনো বুজি পালে? তাই যে পিৰীতি, প্ৰাণৰ ধনৰ কথা কাকো কব নোৱাৰিলে। তাই হঠাতে আকৌ দুৰ্ব্বল হৈ পৰিল। তাইনো ইমান দুৰ্ভগীয়া হব লাগেনে? নাই—নাই তাই কিয় দুৰ্ভগীয়া হব তাইৰ সুখৰ কাৰণে তাইৰ বাপেক ককায়েকে যে কি নকৰিছে তাইৰ হাঁহি উঠিল— তাইৰ সুখ যে হাতে ঢুকি নোপোৱা ঠাইত আছে— সিহঁতে গমেই নাপায়।

এইবাৰ তাই খিলখিলকৈ হাঁহি দিলে আৰু গাহৰী জাকলৈ চাই গালে—অৱনৰি কৌৰাদ আচি ভূলল পুমচাদম

লাক্কে পংকেপ পংকেপল আইনক য়ালম কাপাচুং

(তৃষ্ণাতুৰ মুহুৰ্ত্তত সোৱণশিৰীৰ পাৰত ঠিয় হৈ পানী খাবলৈ পানীত হাত জুবুৰিয়াওঁতে আঙুলিৰ ফাঁকে ফাঁকে তোমাৰ প্ৰতিচ্ছবি মই দেখিব লাগিছো)

পাহীয়ে হাঁহি হাঁহি কান্দিলে—কান্দি কান্দি আকৌ হাঁহিলে—তাই হাঁহি আৰু কান্দোনৰ মাজত বিচাৰি পাবলৈ চেষ্টা কৰিলে— তাইৰ জীৱনৰ আচল প্ৰেম॥

—x—

( ৩৫ )

পাখী লগা কাড়ৰ আগত সময়ৰ গতিয়ে উৰা মাৰিলে। তথাপিও দিনটো যেন নাযায়হে নাযায়—অকণে কতো থাকি শান্তি পোৱা নাই। সি গোটেই দিনটো বহুত চেষ্টা কৰিও ফুলিক লগ পাব নোৱাৰিলে। দুপৰীয়া ভোজলৈকো তাই নাহিল। বাপেকৰ ছাগে কাবা পহৰা। কিন্তু যিমানেই চেষ্টা নকৰক লাগে সি ফুলিক নিজৰ কৰি লবই লব। তাৰ দেহ মন ইচাত বিচাত লাগিল। নদীৰ ঘাটত থাকিও তাৰ অন্তৰে যেন কিবা এটা অশান্তি অনুভৱ কৰিছে। দিনৰ পোহৰ শেষ হবলৈ আৰু বেছি পৰ নাই। ৰাতিৰ আন্ধাৰবোৰ আজি অকণৰ বৰ প্ৰয়োজন হৈ পৰিছে। তাক আজি আন্ধাৰ লাগে। সি আজি ফুলিক যেনে হলেও পলুৱাই আনিবই আনিব—এই কাম কৰিবলৈ সি গাঁৱৰে সহপাঠী বন্ধু গনেশক লগত লৈছে। গনেশ পেগু সাহসী আৰু খামি দাঠ লৰা।

সি ঘৰলৈ গ'ল আৰু পাহীক কৈ পুনৰ ওলাই আহিল। আজি সি ভাত খাব নোৱাৰিলে। চিন্তাই ভাৱনাই যেন তাৰ পেটটো ভৰি আছে—নিজান গহীন নিশা। আকাশত জোনবায়ে হাঁহি আছে। নিৰিবিলি পথৰ কাষত গণেশ পেগু আহি তাৰ লগত লগ লাগিলহি। তেতিয়া গাঁৱৰ বুঢ়া মেঠা সকলোৱে আগং খাই নিঘাল দি পৰিছিল, ডেকা গাভৰু সকলে নাচি নাচি ভাগৱত লাল কাল দিছিল। ঢোল পেপা, গগনাৰ মাত ধমকি বৈছিল, গাঁৱত কোনো মানুহৰে সাৰ সুৰ নাই—। সিহঁতে গাঁৱৰ আলিয়েদি খোজ দি ঘাওতে দেখা

পালে বন বিৰিণাৰ মাজে মাজে জোনাকী পৰুৱাই ভিপ্ ভিপাই নাছিচে—দূৰত অচিনাকী চৰাইয়ে কুকুলিয়াইছে। অৰুণ আৰু গণেশৰ মুখত মাতবোল নাই—অলপদূৰ গলেই সিহঁতে ফুলিহঁতৰ আকুম দেখা পাব।

সিহঁত আগবাঢ়িল। অলপ দূৰ যোৱাৰ পাছত গণেশে অৰুণক ক'লে -অৰুণ! এনেকৈ আলীয়েদি গলে মানুহে লগ পাব পাবে। ব'ল আন বাটেদি যাওঁ—

- হয় অ' গনেশ, হাবি—তলিয়া বাটেদি যোৱাই ভাল হ'ব।

সিহঁতে লাহে লাহে আলিবাটৰ পৰা আতৰি বৰ আহতৰ তলেদি খোজ দিলে। হাবি তলিয়া বাটেদি গৈ সিহঁতে ফুলিহঁতৰ আকুম দূৰৰ পৰা দেখা পালে।

—গনেশ

- ওঁ

—সৌৱা ফুলিহঁতৰ আকুম।

জোনৰ জিলিমিলি পোহৰত গণেশে গছ গছনিৰ মাজেদি ফুলিহ'তৰ আকুমটো দেখা পালে।

---অ' দেখিছো—অৰুণ! এতিয়া এটা কাম কৰ—তই যা মই এই সোনাৰু জোপাৰ আঁৰতে বৈ থাকো। যা—গণেশে অৰুণক ঠেলি দিলে। সি অকনমান আগবাঢ়ি গৈ আকৌ উভতি আহি গণেশৰ ওচৰ পালেহি। হাতত দাখন লৈ সি কপিছে। গণেশে সুধিলে - উভতি আহিলি কিয়? কি হৈছে?

—নাই—নাই—তয়ো ব'ল!

—ধেৎ মই নাযাও তই যা—মোক দেখিলে তাই ভয় খাব। বাৰু তাইক তই কিবা ইংগিত দিয়াৰ কথা কৈছিলি নে?

—অ' হাত চাপৰি মাৰি দিম বুলি কৈছিলো—

—ধেৎ মূৰ্খ—হাত চাপৰি মাৰিলে দেখোন গোটেই মানুহ জাকেই

সাৰ পাব।

—তেনেহলে!

—অ' এতিয়া বুদ্ধি সুধিবলৈ আহিছ? বুজিছ অৰুণ প্ৰেমত পৰিলে অতি বুধিয়কৰো বোলে বুদ্ধি ভোটা হয়—তোমো সেয়ে হৈছে--

—গণেশ! এইবোৰ কথা বাদ দে এতিয়া ক মই কি কৰিম-?

—দুৱাৰত টুকুৰ মাৰি দেগৈ--

—হয় নেকি?

--এতিয়া নজনাই হলি--লাহে লাহে খুপি খুপি গৈ পিচফালৰ জখলাবে উঠি দুৱাৰত টুকুৰ মাৰি দিবি!

—বাৰু হ'ব দে—মই যাওঁ।

—এতিয়া যা তেনেহলে। মই ইয়াতে আছো। গণেশৰ ওচৰৰ পৰা অৰুণ লাহে লাহে ফুলিহঁতৰ ঘৰৰ ফালে আগবাঢ়িল। পিছে পিছে যেন কোনোবা আহিছে—তাৰ এনে ভাব হ'ল-সি উভতি চালে--নাই কোনো অহা নাই সি শুনিছিল ভূতে বোলে মানুহৰ পিছে পিছে গৈ ভৰিৰ খোজবোৰ হাত দি চাই, গৰম নে ঠাণ্ডা, গৰম হলে ভূতে ভয় কৰে ঠাণ্ডা হলে—বোলে একেবাৰে ডিঙিত চেপামাৰি ধৰে।

তাৰ কাণ মূৰ হঠাতে গৰম হৈ উঠিল তাৰ বুকুখন ধপ্ ধপালে সি চকুৰ আগত দেখিলে—মানুহ এটাই লাখুটি এদাল লৈ বৈ আছে।

অৰুণ একেবাৰে গণেশৰ ওচৰ পালেগৈ আৰু তাক সাৱটি ধৰি ফুচফুচাই কলে—মানুহ! গণেশ মানুহ!

—মানুহ! ক'ত?

—অ' বহি আছে- অৰুণে সেপ ঢুকি কথাষাৰ ক'লে—।

—ধেৎ ক'ত মানুহ আছে - ব'লচোন!

গণেশে এইবাৰ হাতত দাখন লৈ আগবাঢ়িল। ইফালে বাড়িপুৱাবলৈ বেছি পৰ নাই।

—ক'ত অ' মানুহ? গণেশে ফুচফুচাই সুধিলে। অৰুণে তাৰ কাঁধত ধৰি আঙুলিৰে দেখুৱাই দিলে।

গণেশ আগবাঢ়িল—মানুহৰ দেখুন দেখা সাক্ষাৎ নাই। খেৎ কত মানুহ আছে? গণেশে পুনৰ আঙুলি টোৱাই দেখুৱাই দিলে—সেইটো—সেইটো—অৰুণে বাৰে বাৰে দেখুৱাই দিলে।

গণেশ আগবাঢ়িল — মানুহৰ লৰচৰ নাই। কত মানুহ দেখিছিলি এইটো গছৰ মূঢাহে। জোনৰ পোহৰ পৰি মানুহ যেন দেখিছে—বাৰু যা এতিয়া আৰু ধেমালি কৰিবৰ সময় নাই--তাইৰ কি অৱস্থা হৈছে ছাগে,--তই এবাৰ ভাবি চাইচনে অৰুণ। এইটো সাহ লৈ ছোৱালী পলুৱাবলৈ আহিছ!

এইবাৰ অৰুণৰ গালৈ তত্ আহিল। হয়টো! কথাটো মিছা নহয়—ফুলিয়ে ছাগৈ তালৈ বাট চাই টোপনিয়াই আছে। সি আগবাঢ়িল---আৰু একেবাৰে গৈ ফুলিহঁতৰ য়াপকুৰ ( পিচফালৰ বাৰান্দা ) ওপৰ পালেগৈ। তলতে অলপ সময় ৰৈ সি ককদাঙেদি উঠি গৈ বাহৰ দুৱাৰখন টুকুৰিয়াই দিলে।

অকমান সময়ৰ ভিতৰতে ফুলিয়ে দুৱাৰখন খুলি ওলাই আহিল আৰু কেচা মাটিত ভৰি দি অৰুণৰ ওচৰ চাপি আহিল—। অৰুণে ফুলিক হাতত ধৰি খৰ খোজেৰে আহি গণেশৰ ওচৰ পালেহি। গণেশে সিহঁতক আগবাঢ়িবলৈ দি হাতত দাখন লৈ সি মনতে হাঁহিলে—।

— পাহী! অ' পাহী উঠ!

ককায়েকৰ মাতত পাহী একেচাবে উঠি আহি আগফালৰ ভুংগৌত পালেহি। তাই তলত দেখিলে ককায়েকৰ লগত ফুলি। অলপ দূৰত গণেশ -

ৰাতিপুৱাবৰ হলেই। জিলিমিলি পোহৰে পৃথিৱী আকোৱালী ধৰিবলৈ বেছিপৰ নাই। তাই তললৈ নামি গৈ ফুলিক সাবটি ধৰিলে—তই আহিলি ফুলি তই আহিলি! ৰ, দেই তোক আকৌ আদৰিব

লাগিব নহয়—তই আজি আমাৰ ঘৰলৈ ন-কইনা হৈ আহিছ—তাই একেউশাহতে কথা কৈ কৈ ওচৰৰ সম্বন্ধীয়া পেহীয়েকক মাতিবলৈ দৌৰ মাৰিলে। পেহীও সাৰেই আছিল, তেওঁ লৰালৰিকৈ আহি পিৰা পাৰি আসন পাতিলে আৰু ফুলিক আদৰি ভিতৰলৈ নিলে।

অকণে ফুলিলৈ চালে ফুলিয়ে তেতিয়া কইনা হৈ ঢাৰিখনত বহি ভাবিছিল—তাই আজি এখন নতুন আকাশৰ তললৈ আহিছে য'ত তাই এটা নতুন সূৰ্য্য দেখা পাব।

তাই তললৈ মুৰ কৰিলে আৰু দূক দূককৈ কপি থকা অকমানি হিয়াখনক তাই বুকুৰ কোমল মঙহেৰে হেচি ধৰিলে।

—×—

## ( ৩৬ )

ৰাতিপুৱাতে ফুলিহঁতৰ গাঁৱত হুলস্থুল লাগিল। অৰুণে ছোৱালী আনিলে। নদীৰ ঘাটত বোৱাৰী জিয়াৰী বিলাকে মুখে মুখে বি-বি বা-বা কৰিলে। কথাটো চাৰিওফালে বিয়পি পৰিল। গাঁৱৰ বোৱাৰী জীয়াৰিবোৰে পাহীহঁতৰ ঘৰলৈ ন-ছোৱালী চাবলৈ আহি ভিৰ কৰিলেহি।

ৰাতিপুৱাৰ লগে লগে গনেশে ফুলিৰ বাপেকলৈ আন মানুহৰ যোগেদি খবৰ পঠালে কাৰণ যথা সময়ত ছোৱালীৰ ঘৰলৈ খবৰ নপঠালে নিয়ম ভঙ্গকৰা হব আৰু সেই অপৰাধত অৰুণে ধন দি জৰিমনা ভৰিব লাগিব। নহলে সমাজে অৰুণক গুৰুতৰ দণ্ডত দিব পাৰে।

ৰাতিপুৱাই—পুৱাই ফুলিৰ বাপেকে এনে এটা খবৰ পাই উগ্ৰমূৰ্ত্তি ধাৰণ কৰিলে আৰু লগে লগে কেবাং (মেল) বহুৱাবলৈ স্থিৰ কৰিলে। দুদিনৰ পিছত কেবাং বহিল। অৰুণৰ বাপেককো কেবাঙলৈ মতা হ'ল - ৰাইজে দুয়ো ঘৰৰ মাজত পূৰ্ব্বপুৰুষৰ কিবা বিবাহৰ চিহ্ন আছে নেকি বিচাৰ কৰি চালে আৰু ফুলিৰ বাপেকক ৰাইজে বুজালে যে বিধিমতে ফুলিক অৰুণলৈ বিয়া দিব পাৰে। কিন্তু এতিয়া সামান্য হলেও ফুলিৰ বাপেকে আকুন লব লাগিব। ইয়াৰ বিশেষ কাৰণ হ'ল ফুলিৰ যদি আকুন (গা ধন) বাপেকে নলয় তেতিয়াহলে সমাজৰ বিশ্বাস মতে ভৱিষ্যতে তাই সংসাৰৰ শ্ৰীবৃদ্ধি হোৱাৰ পৰা বঞ্চিত হব।

অৱশেষত ফুলিৰ বাপেকে আকুন লবলৈ বাধ্য হ'ল। ৰাইজে

সাধাৰণ নিয়মমতেই অৰুণৰ বাপেকক একুৰি পান তামোল আৰু আপং আদি আগবঢ়াবলৈ ক'লে। অৰুণৰ বাপেকে কথা মানিলে—। মেল ভাঙিল, ৰাইজ ঘৰাঘৰি গ'ল।

কেবাওৰ এদিনৰ পাছতে শুভকাৰ্য্যৰ দিন স্থিৰ কৰা হ'ল আৰু শুভকাৰ্য্য সম্পন্ন কৰিবলৈ বংশৰ মুৰব্বী লোক সকলক ওচৰ চুবুৰীয়া বয়োবৃদ্ধ সকলকে ধৰি বন্ধু বান্ধৱ সকলক অৰুণহঁতে নিমন্ত্ৰণ কৰিলে। যথা সময়ত সকলো অতিথি আহি অৰুণহঁতৰ আকুমত বহিলহি। অৰুণৰ দেউতাকে বংশানুক্ৰমে সংৰক্ষিত কৰি থোৱা পোৱালমনি ধাৰ ( দগনে তাদক ) আনিলে যি ধাৰ মিচিং সকলৰ প্ৰতিঘৰৰে আপোন, জাতিয় সম্পদ। সেই মনিধাৰৰ বাহিৰেও অৰুণহঁতে যোগাৰ কৰিলে এজোৰ কুকুৰা চৰাই, এজোৰ থুৰীয়া তামোল পান আৰু এগছি ধৰ্ম্মৰ শলিতা।

সময় খৰ গতিৰে আগবাঢ়িল গাৱঁৰ জীয়াৰী বোৱাৰীহঁতে ফুলিক দৰা ঘৰৰ নতুন বাপোৰ আৰু গহনাৰে সজ্জিত কৰালে। অৰুণকো ডেকা ল'ৰাহঁতে দীঘল হাতৰ চোলা চুৰীয়া পিন্ধালে আৰু দুয়োকে সমবেত ৰাইজৰ আগলৈ উলিয়াই আনি বহোৱালে। পুৰোহিতে ইষ্ট দেৱতাক স্মৰণ কৰি ধৰ্ম্মৰ শলিতা গছি সাক্ষী স্বৰূপে জ্বলাই লৈ দৰাৰ বংশৰ উপৰি পুৰুষ সকলৰ নাম উৎস্মাৰণ কৰি 'দগনে তাদক' পোৱালৰ মনি ধাৰ কইনাৰ ডিঙিত পিন্ধাই দিলে। ৰাইজে আশীৰ্ব্বাদ দিলে হৰ্ষধ্বনী কৰিলে। সেই মুহূৰ্ত্তৰ পৰা ফুলিয়ে নিজৰ কুলৰ পৰা দৰাৰ কুললৈ আহিল আৰু অৰুণহঁতৰ ঘৰত ন-বোৱাৰীৰ স্বীকৃতি পালে। পুৰুহিতে "আবুপ'ল" পিতৃস্বৰূপ আৰু মাতৃ স্বৰূপ "আনে দঞি" স্মৰণ কৰি অৰুণ আৰু ফুলিক আশীৰ্ব্বাদ দিলে। এই গন্ধৰ্ব্ব বিবাহ অনুষ্ঠানত জীৱৰ পৰিবৰ্ত্তে জীৱ উৎসৰ্গা পশু-পখীৰ বলিৰ দানেৰে মানৱ জীৱনৰ পৰিত্ৰাণ কামনা কৰি পুৰুহিতে কুকুৰাযোৰ নৱ দম্পতিৰ মঙ্গলৰ কাৰণে দেৱতালৈ উৎসৰ্গা কৰিলে।

গুৰুহিতে গহীনাই কলে,—এতিয়া নৱ দম্পতিয়ে ৰাইজৰ ওচৰত আঠু লৈ আছে ।

অৰুণ আৰু ফুলিয়ে জ্বলি থকা চাকি গছি সাক্ষী কৰি ৰাইজৰ আগত সেৱা জনালে ; ৰাইজে দুয়োৰে মিলনক যুগমীয়া হবলৈ "প্ৰোয়ান আবমান" ( বংশ বৃদ্ধি ) হবলৈ আশীৰ্ব্বাদ দি বিবাহ সম্পন্ন কৰিলে । দবা কইনাই লাহে লাহে উঠি থিয় হ'ল—অৰুণে ফুলিলৈ চালে—ফুলিৰ চকুত সি দেখা পালে এচমকা নতুন পোহৰ ॥

—×—

# ( ৩৭ )

একেৰাহে ঘৰত এমাহ থকাৰ পাছত অৰুণ কৰ্মস্থলীলৈ উভতিল। সোৱণশিৰি নদীৰ ঘাটত পাহী আৰু ফুলিয়ে অৰুণক বিদায় দিবলৈ আহিল। বঠাপাত হাতত লৈ পাহীয়ে সৰু টুলুঙা নাৱৰ টিঙত বহি ললে—ফুলি আৰু অৰুণ মুখামুখি হৈ নাওঁৰ বুকুত ঠিয় হ'ল। বহল সোৱণশিৰিৰ বুকুত টুলুঙা নাৱত উঠি এক গভীৰ দৃষ্টিৰে অৰুণে তাৰ নৱ বিবাহিতা পত্নী ফুলিৰ চকুলৈ চালে; সি নিমিষতে দেখা পালে, ফুলিৰ চকুত বেদনাৰ অশ্রুজল। এইমাত্র যেন সেই প্রাথম ফুলিৰ কোমল গালেদি বৈ আহিব। সি তাইৰ মুৰত হাত দিলে—ফুলিৰ কোমল পৰশে অৰুণৰ হৃদয় তন্ত্ৰী কপাই তুলিলে—নব বিবাহিতা ফুলিৰ বিচ্ছেদে তাৰ দেহমনত এক বিষাদৰ ছায়াই আচন্ন কৰি তুলিলে—কি যে অসহ্য বেদনা।

সোৱণশিৰিৰ বহল বুকুত সোঁতৰ ধাৰে ধাৰে পাহীয়ে নাওখনৰ বঠা পাত মাৰি মাৰি ভাবি গ'ল--আজি যদি সুৰেন্দ্রও থাকিলেহেঁতেন যেহে তাই যে কিবোৰ অমূলক চিন্তা কৰিছে—সুৰেন্দ্ৰ কত আৰু তাই কত ? আকাশৰ তৰা আৰু পৃথিৱীৰ তৰা—। তাই বঠাপাত খৰকৈ মাৰি মনতে হাঁহিলে—।

নাওখন গৈ গৈ পাৰত লাগিলগৈ অৰুণে আকৌ এবাৰ ফুলিৰ চকুলৈ চালে আৰু পলম নকৰাকৈ পাৰলৈ জাপ এটা মাৰি দিলে। নদীৰ পাৰৰ সোণসেৰিয়া মাটি তাৰ ভৰিৰ আঙুলিৰ ফাঁকে ফাঁকে লাগি গ'ল—সি চেণ্ডেলজোৰ হাতত ললে আৰু কিছুদূৰ বালিৰ

ওপৰেদি খোজ কাঢ়ি যাবলৈ বুলি প্ৰস্তুত হ'ল—এহাতে তাৰ বেগটো আৰু আনহাতে চেণ্ডেলজোৰ লৈ সি পাহীহঁতলৈ চালে যাগৈ ককাই, আকৌ আহিবি। ফুলিৰ চকুৰ কোণত পানী বিৰিঙি উঠিল। পাহীয়ে পুনৰ সিটো পাৰলৈ বুলি নাও মেলি দিলে।

অৰুণে উত্তৰ লক্ষ্মীমপুৰ চহৰলৈ অহা আলীটো পায় ভৰিত চেণ্ডেলজোৰ পিন্ধিলে—আৰু খৰকৈ খোজ দিবলৈ ধৰিলে কাৰণ প্ৰায় পাচমাইল মান বাট খোজকাঢ়ি গলেহে মটৰ পাব। বাটত গৈ থাকোতে তাৰ মনত নানান চিন্তাই জুমুৰি দি ধৰিলেহি। তাৰ মৰমৰ গাও খনিৰ নাম সোনাতলি, সোৱণশিৰি পাৰৰ এখনি সৰু গাওঁ যি খন গাওঁ ৫০ চনৰ ভূমিকম্পত উটি ভাহি অহা মানুহে নতুনকৈ পাতিছিল। তথাপিও জানো সিহঁতৰ দুখ গুচিল। প্ৰতি বছৰে অহা বান পানীয়ে গাওঁখন বুৰাই পেলায় আৰু ৰাইজে দুখ দুৰ্গতি ভোগ কৰে। আকৌ পানী শুকাই যায় ৰাইজে আকৌ আনন্দ কৰে। খেতি কৰে আৰু উৎসৱ পালন কৰে। এয়ে মানুহ জাতি—যি জাতি বৰ আশাবাদী, বানপানী আহি ঘৰ দুৱাৰ উটাই নিলেও মাছ মাৰি খাবলৈ নাপাহৰে। পানীত উটি যোৱা খৰি বুটলি আনি ভৱিষ্যতৰ কাৰণে গোটাই ভাত খাব লাগিব। জীয়াই থাকিব লাগিব। তাৰ মনতে হাঁহি উঠিল। মানুহে মৃত্যুৰ চৰম সত্যটো পাহৰিও জীয়াই থকাৰ সপোন দেখে। সি মনতে ভাবিলে আজি সি গুচৰৰ গাওঁখনতে তাৰ মাহীয়েকৰ ঘৰত থাকিবগৈ। মাহীয়েকে সি ছোৱালী অনা কথা নাজানেই। তাক ছাগৈ বৰ খং কৰিব। সেই গাওঁ খনো সিহঁতৰ গাঁৱৰ দৰে-বাৰিষাহলে তল যায়। নাৱেৰে ঘৰে ঘৰে অহাযোৱা কৰিব লাগে। ১৯৫১ চনৰ ভূমিকম্পত সোৱণশিৰিয়ে সুতি সলাই সোৱণশিৰিৰ পাৰৰ শ শ গাঁৱৰ ওপৰেদি বৈ গৈছিল আৰু গৰু ম'হ ছাগলীকে ধৰি শ শ মানুহ উটোৱাই নিছিল। যি খিনি মানুহ অৱশিষ্ট আছিল সেই খিনি মানুহকে চৰকাৰে

আনি এইখন গাওঁ স্থাপন কৰিছিলহি। তাৰ গাওঁখনো এইদৰেই চৰকাৰে স্থাপন কৰা—। সি খবৰকৈ খোজ দিলে। যদিও তাৰ মনলৈ চিন্তাবোৰ পাৰ নাইকীয়া হৈ আহিবলৈ ধৰিলে। সি চকু তুলি চাৰিওফালে চালে এয়ে তাৰ অসম দেশ য'ত আজিও বান পানীৰ সমস্যা সমাধান নহ'ল। কিন্তু এসময়ত এইখন দেশেই অপৰূপা আছিল শস্য শ্যামলা আছিল— যাৰ নাম এসময়ত আছিল কামৰূপ। যি খন দেশ ৰঘুবংশ দিনতো হাতীৰ বাবে প্ৰখ্যাত আছিল। দ্বাপৰ যুগত কৃষ্ণই এই দেশৰে ৰুক্মীনি দেৱীক বিয়া কৰাইছিল—, কুৰু পাণ্ডৱৰ যুদ্ধত ভগদত্তই পাণ্ডৱৰ পক্ষলৈ যুদ্ধ কৰিছিল। এই দেশৰে শোনিতপুৰৰ বানৰজাৰ জীয়াৰি উষাদেৱীক শ্ৰীকৃষ্ণৰ নাতি অনিৰুদ্ধই গন্ধৰ্ব প্ৰথা মতে বিবাহ কৰিছিল। মধ্যম পাণ্ডৱ অৰ্জুনৰ পত্নী চিত্ৰাঙ্গদা, উলুপী, ভীমৰ পত্নী হিৰিম্বা—এই দেশৰে জীয়াৰী আছিল।

এই অসমৰ পবিত্ৰ মাটিতেই শঙ্কৰ, মাধৱদেৱৰ জন্ম হৈছিল জ্যোতিপ্ৰসাদ, বিষ্ণুৰাভাৰ জন্ম হৈছিল, তেনেহলে কিহত দুখীয়া অসম দেশ। তাৰ বৰ ভাগৰ লাগিল আগতে সকলো আছিল এতিয়া সকলো নাই। এতিয়া আমি জাতি অজাতিৰ বিচাৰ কৰিলো। নিজৰ স্বাৰ্থত বলিয়া হৈ অসমৰ বুকুৰ গৌৰৱান্বিত ঐক্য সংহতি বিনষ্ঠ কৰিলো— কাকো কোনেও চিনি নোপোৱা হলো। বৰ্ত্তমানে অসমৰ বৃহৎ অসমীয়া জাতিৰ মনিকুটত যি আছিল সকলো হেৰাই যাবৰ উপক্ৰম হৈছে।

সি গছ এজোপাৰ তলতে ৰ'লগৈ আৰু চুটকেচটোৰ ওপৰতে বহিল আৰু চিগাৰেট এটা জ্বলাইলৈ কেইহোপামান মাৰি দূৰলৈ চাই পঠিয়ালে— চকুৰে দেখা পোৱালৈকে সি মাত্ৰ দেখা পালে হাবি-জংঘলেৰে আবৰি থকা শ শ বিঘা মাটি।

আগৰ লক্ষীমপুৰ আজি আৰু নাই। মাছ আৰু গাখীৰেৰে উভৈনদী তাৰ মৰমৰ লক্ষীমপুৰৰ সকলো যেন কালৰ সোঁতে উটুৱাই লৈ গ'ল।

এটা হুমুনিয়াহ তাৰ বুকু ভেদি ওলাই আহিল - সি আকৌ খোজ দিলে। তেতিয়া পুবৰ বেলিটো ক্ৰমান্বয়ে ওপৰলৈ উঠি আহিছিল।

## ( ৩৮ )

এদিন দুদিন কৰি দিনবোৰ বাগৰিল। সুৰেন্দ্ৰৰ ট্ৰেইনিং শেষ হ'ল। ছটামাহ কোনফালেদি গুছি গ'ল সুৰেণে গমকে নাপালে। বুকুত হাজাৰ আশা লৈ সুৰেন্দ্ৰ মোহন চক্ৰৱৰ্তী আহি ঘৰ পালেহি।

লামডিং ষ্টেচনৰ সৰু সৰু মানুহ খিনিৰ মনত আশাই দোলা দিলে। বিজয়াই ভাবিলে এটা অঘৰী মানুহ স্থিৰ হ'ল। কৰ্ম্ম-শালত নিজকে নিয়োগ কৰিব পাৰিলে সুৰেন্দ্ৰৰ ভৱিষ্যত উজ্জ্বল হ'ব। বিজয়াৰ চকুত চিকমিক বিজুলীৰ পোহৰ কিছুমানে লুকাভাকু খেলি গ'ল। ভগৎসিঙ সাবধান হ'ল। আজি কালি সি মদ ভাঙ একেবাৰে এৰি দিছে। এৰি দিছে কনপাই বাবুৰ লগ। ৰেলগাড়ী ডবাৰ পৰা বস্তু চুৰ কৰা অপৰাধত কনপাই বাবুৰ চাকৰি গ'ল। পায়েল ডাঙৰ হৈছে, হাঁহিছে। কলকলাইছে।

সুৰেন্দ্ৰ আহি দেখিলে ছটামাহতে যেন গোটেই পৃথিৱীখনে ৰংবোৰ সলাই পেলালে। তাৰ চকুৰ আগত সুন্দৰ প্ৰকৃতি এখনে দেখা দিলে তাৰ অন্তৰ আত্মা কপি উঠিল।
সি যেন শুনিবলৈ পালে বিশ্বজোৰা সুৰৰ মূৰ্ছনা।

সি বাকচ পত্ৰবোৰ নিজৰ ৰুমটোৰ ভিতৰত থৈ বাপেকৰ ওচৰলৈ গৈ ভৰিত ধৰি সেৱা কৰিলে। বাপেকে ক্লান্ত ধীৰ চাৱনিৰে পুতেকলৈ এবাৰ মূৰ তুলি চাই ক'লে—তই আহিলি।
—হয় দেউতা ভালে ভালে আহি পালোহি। লগে লগে মোৰ

হেও অকিঞ্চন পৰা চাকৰীৰ খবৰো আহিছে দেউতা । এসপ্তাহৰ পিছতেই মই কামত জইন কৰিব লাগিব ।

– ভগৱানৰ সকলো ইচ্ছা । এতিয়া যা কিবা খাই বৈ লগে ।

- পিছত খাম দেউতা ! এতিয়া মই পায়েলক চাবলৈ যাও– কিমান দিন যে মই তাইক দেখা নাই ।

কথাষাৰ কৈ সুৰেন্দ্ৰই খৰ খোজেৰে বিজয়া হঁতৰ ঘৰৰ ফালে খোজ ললে । সি যোৱাৰ ফালে বাপেকে চাই থাকিল । একমাত্ৰ আশা ভৰষাৰ মূল তেওঁৰ পুত্ৰ সুৰেন্দ্ৰই কৰ্ম্মস্থলৰ সেন্দুৰীয়া আলিত ভৰি দিছে । বৃদ্ধ হৰগোবিন্দ চক্ৰৱৰ্ত্তীৰ চকুয়েদি দুধাৰি চকুলো বৈ গ'ল । অতীতৰ বহু কথাই আহি হৰগোবিন্দ চক্ৰৱৰ্ত্তীক হেচি ধৰিলেহি । "অতীত মৰহী গল তাৰ কথা অন্ত হ'ল" বুলি কিয় জানো আজিকোপতি তেওঁ হাত সাৱটি বহি থাকিব নোৱাৰিলে । অতীতে যেন তেওঁৰ হিয়াখন ক্ষত-বিক্ষত কৰি পেলাইছে । একমাত্ৰ শান্তি তেওঁৰ সুৰেন্দ্ৰ ! সুৰেন্দ্ৰৰ অবিহনে তেওঁ জীৱাই থকাৰ সাৰ্থকতা নাই । হঠাতে তেওঁ বুকুত এটা তীব্ৰ বিষ অনুভৱ কৰিলে ।

তেওঁ থৰক বৰককৈ বিছনাৰ ওচৰলৈ গ'ল । টেবুলৰ ওপৰত থকা সৰু টেমাটোৰ পৰা পিল এটা খাই তেওঁ শুবলৈ চেষ্টা কৰিলে ।

সুৰেন্দ্ৰ গৈ বিজয়াহঁতৰ ঘৰ পালেগৈ আৰু পায়েলক বিজয়াৰ হাতৰ পৰা লৈ কোলাত সোমোৱাই ললে । বিজয়াৰ চোতালত লচমি, জানকী, মদনলাল শ্যামলালহঁত সকলো আহি গোট খালেহি আৰু বাহিৰত পাৰি থোৱা ঢাৰিখনৰ ওপৰতে সকলোৱে বহিল ।

সুৰেন্দ্ৰই সকলোলৈকে চাই হাঁহি হাঁহি সুধিলে—তহঁতৰ সকলোৰে ভালনে ?

বিজয়াই তপৰাই উত্তৰ দিলে—অঁ সুৰেণ বাবু ভাল, অৰুণ বাবুৰ—বিজয়াই খিলখিলাই হাঁহি দিলে—

—কিয় হাঁহিছি ?

—অৰুণ বাবুৰ একদম চাদি হৈ গ'ল তই জাননে নাজান ?

—জানো বিজয়া। সি মোক চিঠি দি জনাইছিল। এতিয়া সি কলৈ গ'ল ?

—আছে, ডিউটিত গৈছে হ'বলা।

—বাক হ'ব দে মই পাছত লগ ধৰিম।

—শুনিছোঁ আপোনাৰ চাকৰী হৈ গৈছে। শ্যামলালে উৎসাহেৰে সুধিলে।

—অ' শ্যামলাল এসপ্তাহৰ পিছতেই জইন কৰিব লাগিব। এতিয়া 'B group'' তহে দিছে। মানে প্ৰথমে মালগাড়ী চলাব লাগিব।

• ভগৎসিঙে অভিজ্ঞ অফিচাৰৰ দৰে চোতালৰ মাটিখিনি খৰিকা এডালেৰে খুচুৰি খুচুৰি ক'লে মালগাড়ী প্ৰথমে চলাবই লাগিব তাৰ পাছতহে "A group'ত দিব। পেচেঞ্জাৰ গাড়ী।

—কি ভাইজী আপোনাৰ গাড়ীত আমি কেতিয়া উঠিম, লচমিযে হাঁহি হাঁহি সুধিলে।

—আৰু এসপ্তাহৰ বাদে।

—অঁ মদনলালে ঠিকেই কৈছে, আমি সকলোৱে মালগাড়ীৰ পিছৰ গাৰ্ডৰ ডবাত উঠি যাম।

শ্যামলালৰ কথাত সকলোৱে গিৰিজনি পাৰি হাঁহিলে।

—পিছে সেইদিনা গাৰ্ডবাবুৰ ভাষণ লোকচান হব, জানকীয়ে লাহেকৈ কথাষাৰ ক'লে।

—আৰে আৰে শুন। জানকীয়ে গাৰ্ডবাবুৰ চিন্তা কৰিছে—তাইক নিব নালাগে, গাৰ্ড বাবুৰ ক্ষতি তাই সহ্য নকৰে।

—লচমিৰ কথাত জানকীয়ে জকজকাই উঠিল—কিয় নাযামৰে, কিয় নাযাম ? আমাৰ ভাইজীয়ে গাড়ী চলাব আমি নুঠিম ?

—বাক বাক হব দে, উঠিবি। মোৰ A group লৈ প্ৰমোচন হ'বলৈ দে।

—বাবু, হৈ যাব, জলদি হৈ যাব। আজি আমাৰ লাইনত পূজা পাতিম, নাচিম, গাম। ফুৰ্ত্তি কৰিম সুৰেণ ভাই।

—হব হব মদনলাল। তহতে যি খুচি তাকে কৰিবি।

এইবাৰ মদনে লাহেকৈ ক'লে,—সুৰেন্দ্ৰবাবু বাক এতিয়া ট্ৰেইনিঙৰ কথা কচোন -।

—কি কবি মদন। ট্ৰেইনিঙত অসমীয়া লৰা নায়েই। বাকী সকলোবোৰ বিহাৰী, পাঞ্জাবী সিহঁত কিমান যে পৰিশ্ৰমী ভাবিবই নোৱাৰি।

-ভাইজী ; আমাৰ অসমীয়া লৰাই কিয় বাক বেলৰ এইবোৰ চাকৰী কৰিবলৈ ভয় কৰে ?

মদনলালৰ কথাৰ উত্তৰ দি সুৰেন্দ্ৰই ক'লে--আচলতে অসমীয়া লৰাবোৰ কৰ্ম্মমুখী নহয়—কিন্তু আমি অৰ্থনৈতিক দিশটোৰ উন্নতি কৰিবই লাগিব নহলে যে আমি আনৰ হাতলৈ মুখলৈ চাই থাকিব লাগিব মদনলাল।

—চাহ খা ভাইজী. বিজয়াৰ কথাত সুৰেন্দ্ৰই বিজয়ালৈ চালে অ' চাহ আনিলিয়েই, মিঠাইও আনিলি !

—মিঠাই কিয় নাখাম ভাইজী, আজি আমাৰ ইমান ভাল দিন।

লচমিৰ কথাত সুৰেন্দ্ৰই ক'লে— মই পিছে খুওৱা নাই দেই—তহঁতৰ বিজয়াইহে খুৱাইছে।

সকলোৱে হাঁহিলে। জেলেপীৰ ভাজে ভাজে সোমাই থকা চেনীৰ ৰসবোৰ ওঠত লাগি ধৰাত সিহতে ওঠবোৰ চেলেকীবলৈ ধৰিলে।

— x —

# ( ৩৯ )

এসপ্তাহ হৈ গ'ল। সেইদিনা সোমবাৰ। হৰিজন লাইনৰ সকলোৱে আনন্দৰ অন্ত নাই। ৰাতি পুৱাই সকলো উঠি কামত লাগি গৈছে। ৰেলৰ লাইনত ডিউটি থকাবোৰে সোনকালে আহি লাইনত পানী ঢালি চাফা কৰিলেহি। কালিয়েই আহি ৰৈ থকা মালগাড়ীখন আজি সুৰেন্দ্ৰই চলাই যাব।

লচমি, মালতীহঁতে নতুন শাৰী পিন্ধিলে, মদনলাল শ্যাম লালহঁতে নতুন ধুতি কামিজ পিন্ধিলে, ভগৎসিঙেও কাপোৰ পিন্ধি সাজি কাচি ওলাল। লামডিং ষ্টেচন আনন্দ মুখৰ হ'ল। তিনি নম্বৰ প্লেটফৰ্ম ফু-মাৰি ভাত খাব পৰা হ'ল। বিজয়া লচমিহঁতে ফুলেৰে মালা গাঠি প্ৰকাণ্ড ডিজেল ইঞ্জিনটোত পিন্ধাই দিলে। মদনলালে তেলৰ বিৰাট বিৰাট টেঙ্কিবোৰ এফালৰ পৰা গনি চালে মুঠ ৩৬ টা পেট্ৰলৰ ড্ৰামলৈ আজি পোন প্ৰথমবাৰৰ বাবে সুৰেন্দ্ৰই ডিজেল ইঞ্জিনৰ ষ্টেৰিং ধৰিব।

মদনলালৰ লো সদৃশ কীচ কীচ কৰে কলা বাহু দুটা ফাঁট হৈ উঠিল। বুকুখন শক্তিমন্ত হৈ ফুলি পৰিল। মুখত গৌৰৱৰ হাঁহি বিৰিঙি উঠিল। অসমৰ সুযোগ্য সন্তান সুৰেন্দ্ৰ বাবুৰ জয় হওঁক। সি মনতে কলে। অৰুণ আৰু সুৰেন্দ্ৰ ৩ নম্বৰ প্লেটফৰ্মৰ কালে আগবাঢ়িল। ইঞ্জিনৰ ওচৰত ৰৈ থকা বিজয়াই হাতত লৈ থকা তামৰ থালখনৰ পৰা সুৰেন্দ্ৰৰ কপালত এটা ফোঁট দিলে। অকমান গিলাচটোৰ পৰা পানী অকমান সুৰেন্দ্ৰৰ হাতত দি তাই ধীৰ গহীন

হৈ ক'লে— খাই দে ভাইজী। সুৰেন্দ্ৰই হাঁহি এটা মাৰি পানী খিনি গিলি দি হাতখন মুখত ঘহি দিলে। লচমিয়ে সেন্দুৰৰ ফোট তিনিটা ইঞ্জিনত পিন্ধাই দিলে। বিজয়াৰ কোলাত উঠি থকা পায়েলে হাঁহিলে। সুৰেণে পায়েলক এবাৰ কোলাত তুলি ললে আৰু চুমা এটা খাই বিজয়াৰ হাতত দি ইঞ্জিনৰ ওচৰলৈ আগবাঢ়ি গ'ল।

পোষ্টমাষ্টৰ, গাৰ্ড, টিকেট কলেকটৰকে ধৰি বানাৰ্জী, পাল দাসবাবু আদি কৰি বহুতো মানুহ আছি মালগাড়ীখনৰ ওচৰত গোট খালেহি। চাহ দোকানী কিশোৰ, পান দোকানী, বিপিনপাল আৰু নানা যাত্ৰী ৩ নম্বৰ প্লেটফৰ্মলৈ দৌৰা ধপৰা কৰিলে— যেন নোহোৱা নোপোজা ঘটনা এটাহে এইমাত্ৰ সংঘটিত হ'ব।

প্লেটফৰ্মত সেতা চাৱনীলৈ বৈ থাকিল হৰ গোবিন্দ চক্ৰৱৰ্তী। সুৰেন্দ্ৰ লাহে লাহে আগবাঢ়িল। সুৰেন্দ্ৰই ইঞ্জিনত সেৱা এটা কৰি লৈ একেজাপে ওপৰলৈ উঠি ললে। আৰু তাৰ লগতে উঠি ললে অৰুণ আৰু মদনলালআজি সিহঁতে তাক অকলে এৰি নিদিয়ে। পিছফালে গাৰ্ডৰ ডবাত উঠিবলৈ লচমি জানকীহঁতে দৌৰ মাৰিলে - যিমান পাৰে লাইনৰ সকলো মানুহ গাৰ্ডৰ ডবাত উঠিল।

বিজয়াই কোলাত পায়েলক লৈ ইঞ্জিনৰ ওচৰতে বহি থাকিল, তাই আজি ভায়েকে ৰেল চলোৱা চাব।

—ৰেলে এটা উকি মাৰিলে— তাৰ পাছত এটা —তাৰ পাছত আৰু এটা।

সুৰেন্দ্ৰই ৰেলত গিয়েৰ লগালে, গাড়ী চলিল— ধীৰে ধীৰে ঘচ্ ঘচ্ ঘচ্ ঘচ্। বিজয়াই হাত জোকাৰিলে - প্লেটফৰ্মৰ সকলো মানুহে হাত জোকাৰি— সুৰেন্দ্ৰক অভিনন্দন জনালে।

ৰেলখন আগবাঢ়িল— সুৰেন্দ্ৰক নেদেখা হ'ল। হৰগোবিন্দ চক্ৰৱৰ্তীৰ চকুৰ তলেদি এসোতা পানী বৈ আহিল। গাড়ীখন গুচি গ'ল। বিজয়াহঁতৰ চকুৰ আতৰ হ'ল। সুৰেন্দ্ৰই এবাৰ মুখ উলিয়াই আগলৈ চালে —সি মনতে গুণগুনালে—

ৰেল চলে মোৰ ৰেল চলে
শাব্দিক বিভিন্নাই
সৌম্যক বিভিন্নাই
ৰেল চলে মোৰ
ৰেল চলে ॥

বুকুত সাচি থোৱা বহুত দিনৰ সঞ্চিত আশা আজি তাৰ পূৰ্ণ হ'ল। সপোন বাস্তব হ'ল।

বদৰপুৰ ষ্টেচনলৈ সি এই সামগ্ৰীবোৰ কঢ়িয়াই নিব লাগিব। উত্তৰ কাছাৰলৈ তেলৰ সামগ্ৰী নিয়াৰ আন বিকল্প পথ নাই। সেইহে তাৰ ওপৰত নিৰ্ভৰ কৰিছে, হেজাৰ হেজাৰ জনতাৰ জীৱাই থকাৰ আশা আৰু আকাঙ্ক্ষা। তাৰ দায়িত্ব গধুৰ। মহান দায়িত্ব লৈ আগফালে তীক্ষ্ণদৃষ্টি ৰাখি তাৰ ৰেলখন আগবঢ়াই নিছে। আহাৰ মাহৰ ৰবৰুণ জ্বাকে ধিয়াই থোৱা ৰেলৰ লাইটো তাৰ চকুৰ আগত ৰূপৰ বালিচন্দাৰ দৰে জিলিকি উঠিছে। অৰুণ আৰু মদনলালে ঠিয় হৈ বাহিৰলৈ চাই গৈছে। সিহঁতে যে কেতিয়াও এই বন বননি প্ৰকৃতিৰ ৰূপহ সৌন্দৰ্য্য দেখা পোৱা নাছিল। সৰু সৰু ষ্টেচনত গাড়ীখন ৰোৱা নাই। সিহঁতে মাত্ৰ দেখা পাইছে—এখন সেউজীয়া নিচান দেখুৱাই ষ্টেচন মাষ্টৰে গাড়ীখন যাবলৈ ইঙ্গিত দিছে। কোনো কোনো ষ্টেচনত যাত্ৰীবাসী ৰেল ৰখাই সুৰেন্দ্ৰৰ গাড়ীখন যাবলৈ দিছে। সুৰেন্দ্ৰ আগবাঢ়িছে যিহেতু goods train moves fast.

সুৰেণে ৰেলৰ স্পিদ বঢ়াই দিছে কিন্তু ষাঠি মাইলতকৈ বেছি স্পীদত সি লব নোৱাৰে — যি স্পীদ লিমিট কৰিছে।

ৰেলখন পাহাৰীয়া একাবেঁকা ৰেলৰ লাইনৰ ওপৰেদি আগবাঢ়িছে, অসমৰ ৰূপহ প্ৰকৃতিৰ ৰূপ সি এবাৰ নয়ন ভৰি চাইছে। চিপচিপিয়া ৰবৰুণত পাহাৰৰ সেউজ বৰণ - সি ৰেলৰ পৰা চাই

ভাবিছ—

আকাশেতো আমি
বাখি নাই মোৰ,
উড়িবাৰ ইতিহাস,
তবু উড়িছিনু, এই মোৰ উল্লাস ।

— + —

( ৪০ )

অৰুণে সুৰেন্দ্ৰৰ লগত গৈ দুদিনৰ পিছতে উভতি আহিল। সুৰেন্দ্ৰ আজি কালি বিৰাট ব্যস্ত। কামত লাগি থাকি সুৰেন্দ্ৰই মনৰ দুখ পাতলাবলৈ চেষ্টা কৰিছে। অৰুণে সুৰেন্দ্ৰৰ কথাকে ভাবি ভাবি বিছনাত পৰি থাকোতেই ফুলিৰ পৰা এখন চিঠি পালে, ফুলিয়ে অৰুণক অতি সোনকালে মাতি পঠাইছে—সোৱণশিৰিত সিহঁতে বোলে ধল অহাৰ সম্ভাৱণা দেখিছে।

অৰুণ ঘৰলৈ যাবলৈ ওলাল। সি বিজয়া মদনলালহঁতৰ পৰা বিদায় লৈ নিজ ঘৰলৈ বুলি যাত্ৰা কৰিলে। ইতিপূৰ্ব্বে অসমৰ ব্ৰহ্মপুত্ৰ, দিহিং, দিবং, লুইত, সোৱণশিৰি সকলো নদী পানীৰে উপচি পৰিছে। সি গৈ উত্তৰ লক্ষীমপুৰ পালেগৈ। দিনে ৰাতিয়ে অবিৰাম ভাবে দি থকা বৰষুণৰ ফলত ৰাস্তা-ঘাট বোকাময় হৈছে। সি কোনোমতে ষ্টেচনৰ পৰা গৈ বাছ চেঙিকেট পালেগৈ। বাছত উঠি সি গম পালে যে ইতিমধ্যে বাঢ়নি পানীয়ে সিহতে যাব পৰা আতাইবোৰ ৰাস্তা—ঘাট বুৰাই

পেলাইছে। সিহঁতৰ গাড়ী চলিল। কিন্তু কিছুদূৰ গৈ গাড়ী আৰু যাব নোৱাৰিলে-- বানপানীয়ে গোটেইখন বুৰাই পেলাইছে। ৰাস্তাৰ মাজত মানুহ যাবলৈ বাহ বান্ধি দিয়া হৈছে, তাৰ মনটো চঞ্চল হৈ উঠিল। বহুত দিনৰ আগতে হোজা মানুহখিনিক ভুৰুকিয়াই শিল-গুটি সিচি দিয়া ৰাস্তাটোৰ ওপৰত এবুকু, এককাল পানী। সি পানী ভাঙি গৈ ওচৰৰ গাওঁখন পালেগৈ আৰু তাৰ পৰা টুলুঙা নাও এখন লৈ সিহঁতৰ গাওঁখনৰ ফালে যাবলৈ চেষ্টা কৰিলে। সোৱণশিৰিৰ বুকুত সঁচাকৈয়ে ধল আহিছে। ডাঙৰ ডাঙৰ গছবোৰ নদীৰ পানীত উটি আহিছে—তাৰ বুকুখন বিষাই গল, ফুলি, পাহীহঁতৰ বা কি বিলৈ হৈছে। চঞ্চল তৰঙ্গমালাৰ ওপৰেদি তাৰ সৰু নাওখন সোঁতৰ পাকে পাকে ইফাল সিফাল কৰিলে। সোৱণশিৰি পাৰত বসতি কৰা এচাম মানুহে পানীৰ লগতে যুদ্ধ কৰি জীয়াই আছে। আশাধাৰী জীৱই পানীৰ মাজতে দৌৰা-দৌৰি কৰি জীৱনৰ চৰম সত্যটো পাহৰি যায়। কোনোবাই চিঞৰি চিঞৰি তাক মাতা সি শুনিবলৈ পালে—নাযাবি ঐ নাযাবি। পানীৰ ধল আহিছে—কিন্তু সি গল। মিচিং ডেকা সি— পানীৰ বুকুতে সিহঁতৰ জন্ম। তাৰ নিচিনা মিচিং ডেকা গাভৰুৱে সোৱণশিৰিৰ সোণ চেকুৰা মাটি গছকি জীৱনৰ সোণালী সপোন ৰচনা কৰে। তাৰ নাওখন নদীৰ ভৰা বুকু পাবলৈ বেছি দূৰ নাই। নদীৰ চিনাকি সোঁতৰ লগত সি যেন মকা-মিলা কৰি উজাই গৈছে। জাকে জাকে ৰৰষুণে তাৰ গাটো তিয়াই পেলাইছে। মূৰৰ পৰা মুখলৈ বৈ অহা পানীৰ টোপালবোৰ সি বাৰে বাৰে হাতেৰে মচি মচি নদীৰ মাজেদি নাও চলাবলৈ চেষ্টা কৰিলে। সি দেখা পালে তাক সহায় কৰিবলৈ দুই তিনিখন নাও তাৰ পিনে আহি আছে। তাৰ মনটো ভাল লাগিল। সি তেনেহলে অকলশৰীয়া নহয়।

—অৰুণ—অৰুণ! কাৰোবাৰ চিঞৰ নদীৰ বুকুত প্ৰতিধ্বনিত

হল — অ-ক-ণ! সিও যিমানে পাৰে চিঞৰিলে — গৈছোঁ। সি দেখা পালে সোৱণশিৰিৰ আগৰ পাৰ নাই। সি ধেমালি কৰা কছুৱা বন, বৰ আহতৰ তল আজি পানীৰ তলত। খেতিৰ পথাৰত এবুকু পানী। দূৰৰ পৰা সি বিণি-বিণি দেখা পালে তাৰ মৰমৰ গাওঁখনিৰ চাং ঘৰবোৰ কোনোমতে ওলাই আছে। আই ঐ দেহি— চাঙৰ তলৰ কুকুৰা, গাহৰী এটিও নাই চাগৈ - পানীয়ে উটুৱাই নিলে। সি নাওখন লৈ নিজৰ ঘৰৰ পিনে আগবাঢ়িল—সিহঁতৰ গাঁৱৰ সৰহ সংখ্যক চাংঘৰ পানীৰ তলত। চাংঘৰবোৰৰ তলেদি হো হোকৈ পানী বৰলৈ ধৰিছে। সি পানীৰ মাজত দেখিলে সিহঁতৰ চাংঘৰটো। গাঁৱৰ মাজলৈ সোমাবলৈ ধৰোতেই লগৰ লৰাচুটাই তাক এৰি কলে— যাগৈ হা ককাই, সাবধানে যাবি. গাঁৱৰ মাজেদি কিন্তু বৰ সোঁত বৰলৈ ধৰিছে।

বাৰু তইঁত যাগৈ যা মই পাৰিম। সি লাহে লাহে নাওখন আগবঢাই নিলে। সি দেখা পালে সোণাতলি গাৰৰ জীয়াৰি-বোৱাৰী ভাই-ভণীহঁতে কেচুৱা কোলাই বোকোচাই লৈ আকাশলৈ চাই মৃত্যুৰ ক্ষণ গণি আছে। এই মাত্ৰ যেন সিহঁতৰ মৃত্যু হ'ব। আকাশত উলমি থকা কলিয়া ডাৱৰ চকলা যেন সিহঁতৰ মূৰতে পৰিবহি। জোন বেলি তৰাবে ৰমক জমক হৈ থকা সুন্দৰ আকাশখনে কিম্ভূট কিমা-কাৰ ৰূপ ধাৰণ কৰি খাবলৈ নাপাই জীৱাতু ভোগা কঙ্কাল সাৰ মানুহখিনিক এই মাত্ৰ যেন নিঃচিন্ন কৰি পেলাব।

—ককাই—ককাই ঐ বুলি পাহীয়ে নাও এখন লৈ আগবাঢ়ি আহিল। সি সচকিত হৈ তাইৰ ফালে চালে। সাহসী মিচিং গাভৰু পাহী, পানীলৈ তাইৰ ভয় নাই। নাও লৈ ইটো চাং ঘৰৰ পৰা সিটোলৈ ৰঙালাও, কোমোৰা. আপঙৰ কৈকেলি সিহঁতে কঢ়িয়াই নি নিৰাপদ ঠাইত থৈছেগৈ। পানী শুকালে আকৌ নিজৰ নিজৰ চাঙলৈ আনিব। পানী থকা দিন কেইটা ইষৰে সিৰৰক সহায়

কৰিছে— যাৰ যি আছে ভগাই বতাই খাইছে। কিয়নো সিহঁতৰ গাঁৱলৈ চৰকাৰী সাহায্য নাহে। ৰাস্তা নাই, দলং নাই, বিজুলী বাতি নাই— তাতে সোৱণশিৰিৰ বানলৈ ডাঙৰ ডাঙৰ বিষয়ববীয়াসকলে ভয় কৰে।

ৰাস্তাৰ টকা দলঙৰ টকা বিজুলী বাতিৰ টকা কোনোবা অদৃশ্য হাতৰ পৰশত অচিন পেৰাত লুকাই পৰে। বান পানীৰ সাহায্য পুঁজিৰ খাদ্য সামগ্ৰীত কোনো নেদেখা ফুটাইদি সৰি সৰি মাজ বাটতে নাইকিয়া হয়। সেই কাৰণে মিচিং সকলে কাৰো সাহায্যৰ কাৰণে বাট নাচায়। নিজৰ ব্যৱস্থা নিজে কৰে, আধাপেটি ভাত খাই জীয়াই থকাৰ সপোন দেখে। পানী আহক— সিহঁতৰ ভয় কি? পানী আহিব আৰু যাব। সোৱণশিৰিৰ সোণ চেকুৰা মাটি আকৌ জিলিকি উঠিব। জীয়াতু ভোগা মানুহ খিনিয়ে আকৌ চাংঘৰ মেৰামতি কৰিব, আকৌ আলি আই লিগাং উৎসৱ পাতিব।

—ককাই? পাহীয়ে চিঞৰ মাৰি ককায়েকক মাতি তাইৰ নাওখন ককায়েকৰ নাওৰ লগত লগাই দিলে।

অৰুণেও বঠাপাত নাৱতে পেলাই ভণীয়েকক নিজৰ নাওখনলৈ টানি আনি সাবতি ধৰিলে।

# ( ৪১ )

পাহীয়ে নাওখন সিহঁতৰ আকুমৰ ফালে চপাই দিলে আৰু হাত মাৰি দালত ধৰি তুংগৌঙত বহি পৰিলগৈ। দিনৰ দিনটো নাও চলাওতে চলাওতে তাইৰ ভাগৰ লগা নাছিল, কিন্তু ককাইয়েৰটো আহি পোৱাৰ লগে লগে তাইক ভাগৰটোৱে হেচা মাৰি ধৰিলেহি। অৰুণে দেখা পালে গৰু, ছাগলী, গাহৰী, মুৰগী, মানুহ সকলো সিহঁতৰ আকুমত একাকাৰ হৈ আছে। পাহী ফুলিয়ে হয়তো সিহঁতক বচাবলৈকে ওপৰলৈ তুলি আনিছে—নহলে সিহঁতে পানীত উটি গলহেতেন, সি অহা দেখি ফুলি দৌৰ মাৰি ওলাই আহি তুংগৌঙ পালেহি। সি ফুলিলৈ চালে তাইক দেখি অৰুণৰ বুকুখন ধৰফৰাই উঠিল—ফুলি ক্ষীণাই, শুকাই গৈছে হয়তো বানপানীৰ ভয়ত এনে হৈছে। সি মৰমতে মাতিলে—ফুলি।

ফুলিৰ শুকান ওঠৰ ওপৰেদি সৈতা হাঁহি এটা বাগৰি গ'ল। পাহীয়ে বহি থকাৰ পৰা ক'লে—যা, এতিয়া চাই থাকিব নালাগে—ককাইক কিবা খাবলৈ দেগৈ, দেখা নাইনে নাখাই নবৈ কি অৱস্থা হৈ আহিছে।

ফুলি লৰা-লৰিকৈ ভিতৰলৈ সোমাই গ'ল আৰু মেৰামত (জুহালত) খৰি জাপি ভাতৰ চৰুটো বহাই দিলে। তুমি আহিলা যেতিয়া মোৰ কি ভয়? তাইৰ মুখখন আঠুত গুজি ললে আৰু অৰুণ আহি পোৱাৰ লগে লগে যেন তাইৰ বুকুখন পাতল হৈ পৰিল দুখ চিন্তা ভাবনা একো নাইকিয়া হ'ল।

সন্ধিয়া হ'লেই। ভিতৰখন আন্ধাৰে আগুৰি ধৰিলে—ইফালে বাহিৰত কিনকিনিয়া বৰষুণ—পৰিবেশটো কিবা যেন সহ্য কৰিব নোৱাৰা হৈ পৰিছে। তাই কেৰাচিন তেলৰ চাকিটো জ্বলাই দিলে। ফুলিয়ে অৰুণক ভাত খাবলৈ মাতিলে। অৰুণে আহি ভাতৰ কাহিখনত বহি ফুলিলৈ চাই সুধিলে তইঁতে ভাত পানী খাইছ নে নাই? খাইছোঁ! ফুলিয়ে উত্তৰটো দি ওচৰতে বহিল আৰু তললৈ মুখ কৰিয়ে সুধিলে আহোঁতে তোৰ কষ্ট হৈছিল নহয়নে?

নাই, নাইহোৱা, বহুত ডেকা লৰাই মানুহবোৰ পাৰ কৰাত সহায় কৰি আছে।

অৰুণে ভাত এগৰাহ মুখলৈ নিলে।

--সোৱণশিৰিত পানী কিমান?

- সুধিছহে একেবাৰে সাগৰ।

—মোৰ বৰ ভয় লাগিছে অ'— এইবাৰ ফুলিয়ে সেন্ডা পৰা মুখ খনেৰে অৰুণলৈ চালে।

অৰুণে ভাতৰ মুখেৰেই ডাঙৰকৈ বলে—বিয়! কিহৰ ভয়? সদায় দেখোন পানী আহেই -- আহিছে আকৌ গুচি যাব, পিছে জোৱাইটো আহিছিল নে নাই।

- আহিছিল। সি ইয়াতে দুদিন আছিল, কালিহে ঘৰলৈ গৈছে।

- পাহীয়ে মাত বোল কৰিছেনে?

—নাই!

—কিয়?

—জানো? মই সেইবোৰ নাজানো?

- হ'ব লাহে লাহে সকলো ঠিক হৈ যাব, নতুনতে লাজ লাগিবই। পীৰিতি নহয়টো?

কথাষাৰ কৈ সি ভাতখিনি লৰালৰিকৈ খাবলৈ ধৰিলে। পাহীয়েও আহি সিহঁতৰ ওচৰতে লেপেতাখাই বহিললি। পাহী

অহা দেখি ফুলিয়ে তাইকো ভাত খাবলৈ কাহিখন আগবঢ়াই দিলেহি মোক যে অকলে দিলি - তোৰ একা ?

তইটো দিনটো কষ্ট কৰি আছ মইটো ঘৰতে আছো। মই পিছতো খাম। তই ককায়েৰৰ লগতে এতিয়া খাচোন। মোৰ লগতটো সদায়েই খাই থাক। ককায়েকে পাহীলৈ চাই কলে—ওঁ খা খা !

অকণে কথাকিটা কৈ ভাতৰ হাতখন দাঙি সুধিলে - বাৰু পাহী তোৰ খবৰ ভালনে ? পাহীয়ে কথাষাৰৰ অৰ্থটো বুজিব পাৰি বহুলকৈ চকুহাল মেলি ককায়েকলৈ চাই ক'লে - ককাই তই চিন্তা নকৰিবি। মোৰতো সদায়ে ভাল।

-- এৰা তোৰ নিচিনা ভণী এজনী থাকোতে কিহৰ চিন্তা !

পাহীয়ে একো নামাতিলে। তললৈ মূৰ কৰি আপোন মনে ভাত খাবলৈ ধৰিলে। ভাত খাই উঠি কাহী দুখন লৈ তাই পিচ-ফালৰ য়াপকুৰ লৈ গল আৰু চাংখনৰ ওপৰতে ধুই দি চাৰিওফালে চালে। হঠাতে সাহসী পাহীৰ বুকুখন কঁপি উঠিল। তাই লৰা লৰিকৈ ভিতৰলৈ গল আৰু দুৱাৰখন জপাই থৈ কাৰো লগত কথা নামাতি ধাৰিখন পাৰি শুই পৰিল। অকমান সময়ৰ ভিতৰতে তাইক টোপনিয়ে হেচা মাৰি ধৰিলেহি। ফুলি আহি তাইক শুই থকা দেখি মনতে কলে—আজি তাইক মৰ টোপনিয়ে ধৰিলে হবলা। আগতে দেখোন নিশা আধা পৰলৈকে শুবলৈ মনেই নকৰে। তাই পাহীলৈ এবাৰ চালে আৰু নিজৰ শোৱা পাটিখন ঠিক কৰিবলৈ গল। তাই গোটা বাহেৰে সজা চাংখনত খোজ কাঢ়ি গৈ ভাবিলে এইটো সিহঁতৰ দহকৰপিয়া দুগকুৰ আদম (শ্ৰেষ্ঠঘৰ) সিহঁতৰ বাপেকৰ ঘৰটো কিন্তু কুমতেক পেৰেক হে আছিল সাইলাখ সক চৰাইৰ বাহ। আজি তাই ৰাজৰাণীৰ নিচিনাকৈ আছে। মন সুখ, ধন সুখ, বানপানী আলিলেনো কি হব, যি হে থামিদাঠ তাইৰ

অৰুণটো। কথাবোৰ ভাবি তাই শেষৰ মেৰামৰ (জুইশাল) কাষতে ধাৰি-পাতি পাৰিলে—সিহঁতৰ ঘৰখনত আকৌ তিনিখন মেৰাম—তিনিখন মেৰাম মানে তিনিটা খোটালি, এটাত বাপেক, এটাত পাহী, আৰু এটাত সিহঁত শোৱে। তাই সিহঁতৰ ঠাইখন আৰকৰি মেৰামৰ ফালে এখন কাপোৰ তৰি দিলে। এয়ে সিহঁতৰ কোঠালিৰ বেৰ। আজি তাই অৰুণৰ লগত শুব ছি; লাজ লাগি যায়। তাই মনতে হাঁহিলে এটা মৰম লগা উত্তেজনাই তাইৰ সৰ্ব্বশৰীৰত দোলা দি গল। তাই ধাৰিখন পাৰি তাত এখন কাপোৰ পাৰি দি শুই পৰিল। নিশা গভীৰ হৈ আহিছে। অৰুণে তুংগৌঙত বাপেক আৰু আন আন মানুহৰ লগত কথা পাতি আছে। মানুহবোৰ জাগি আছে, কোনে জানে হঠাতে বিপদ আহিব পাৰে। তেল নোহোৱা চাকিটো ঘুমাই গৈছে, মেৰামতো জুইকুৰা সেতা পৰি গৈছে—চাংঘৰটোলৈ এটা নিৰব অন্ধকাৰ সোমাই আহিছে আৰু লাহে লাহে ঘৰটোৰ প্ৰতিটো দিশ গ্ৰাস কৰি পেলাইছে।

ফুলিয়ে অৰুণলৈ বাট চাই চকুহাল মেলি ধাৰিখনত পৰি থাকিল। অৰুণ এটা সময়ত আহি ফুলিৰ ওচৰ পালেহি। উদং গাৰে ধাৰিটোত বাগৰ দি সি ফুলিক সাবটি ধৰিলে। ইমান দিন নোপাৱাৰ আকলোৱা বেদনাই লেতুসেতু কৰি পেলোৱা ফুলিজনী অৰুণৰ বাহু বন্ধনৰ মাজত সোমাই পৰিল।

হঠাতে সিহঁতৰ চাংঘৰটো কপি উঠিল। চাৰিওফালৰ পৰা ভাহি অহা মানুহৰ আৰ্ত্তনাদ শুনা গল পাহীয়ে চিঞৰ মাৰি তুংগৌঙ পালেগৈ, ককাই- আহ ঐ—সোৱণশিৰিত আকৌ ধল আহিছে।

ঘৰৰ সকলোটি তুংগৌঙত থোপ খালেহি। অৰুণে ফুলি আৰু পাহীক সাবতি ধৰিলে। অৰুণৰ দেউতাকে খুটা এটাত ধৰিলে। বাকী সকলে ইতিপূৰ্ব্বে নাও লৈ নিজৰ নিজৰ চাংঘৰ ৰক্ষা কৰিবলৈ গ'ল। চাঙৰ ওপৰেদি পানী বৈ গৈছে। কুকুৰা,

গাহৰী বিলাকে চিঞৰিছে—ওপৰৰ পৰা মুষলধাৰে বৰষুণ পৰিব লাগিছে। দূৰৰ পৰা চিঞৰ আহিছে কিন্তু কোনে কাক মাতিছে ধৰিব নোৱাৰি। ঘিটঘিটিয়া অন্ধকাৰত সকলোৱে আজি নিজৰ ঘৰ বচোৱাত ব্যস্ত হৈ পৰিছে ! অৰুণহঁতৰ ঘৰটো নপৰে বুলি ভাবিয়ে মানুহবোৰে লৰা-ছোৱালী তিৰোতা লৈ সিহঁতৰ ঘৰতে আশ্ৰয় লবলৈ আহিছে।

সময় খৰ গতিৰে আগবাটিছে। লাহে লাহে পোহৰ হৈ আহিছে। পোহৰ হোৱাৰ লগে লগে নাও লৈ বাকী মানুহবোৰক বিচাৰিছে—খবৰ লৈছেই, বস্তুত চাংঘৰ ইতিপূৰ্ব্বে পানীৰ ভৰত ভাঙি পৰিছে—কিছুমান চাংঘৰ পানীত পৰি উটি গৈছে।

ৰমেশহঁতৰ চাংঘৰটো মানুহে-তুনুহে বোলে পানীয়ে উটুৱাই নিলে। এই নিকৰুণ বাতৰিটো পাই অৰুণহঁতৰ ঘৰখনত হাঁহাকাৰ লাগিল। পাহী সেইফালে খৰ হল—ৰামেশ্বৰক আৰু বিচাৰি পোৱা নগ'ল—পানীয়ে উটুৱাই নিলে।

সোণাতলী গাঁৱৰ ৰাইজৰ বিষাদ আহিল। দিনৰ দিনটো সোঁত বৈয়ে থাকিল, মানুহবিলাকে ওখ ঠাইত আশ্ৰয় ললে। আকুমৰ মেৰাম তল গল। অনাহাৰ অনিদ্ৰাত সোণাতলী গাঁৱৰ ৰাইজে জীয়াতু ভুগিলে।

পাহী পাগলীৰ দৰে হ'ল। তাই ইমান হতভাগী নে? তাইৰ হব লগা ঘৰখন পানীয়ে উটুৱাই নিব লাগেনে? তাই ফুলিৰ বুকুত সোমাই উচুপি উঠিল। অৰুণে উদাস দৃষ্টিৰে দূৰ দিগন্তলৈ চাই পথিযালে। পাৰাপাৰ নোহোৱা পানী আৰু পানী—সি একো ভাবি থাৱৰ কৰিব নোৱাৰিলে—এইবোৰ কি হ'ল—কি হ'ল ?

—••—

# ( ৪২ )

সুৰেন্দ্ৰই অৰুণহঁতৰ খবৰ শুনি ব্যাতিব্যস্ত হ'ল। ৰঙানদী সোৱণশিৰি, ৰঙানদী বাটি শ শ বিঘা মাটি পানীৰে উপচাই পেলাইছে। ৰাইজৰ দুখ কুলাই পাচিয়ে নধৰা হৈছে।

সুৰেন্দ্ৰই সকলো কথা বিজয়াক ক'লেগৈ। মই লক্ষীমপুৰলৈ যাব লাগিব বিজয়া। অৰুণৰ বিপদৰ সময়ত সহায় নকৰিলে আৰু কেতিয়া কৰিম।

—ময়ো যাম ভাইজী!

—ধেৎ তই কেনেকৈ যাবি?

—কিয় ৰেলত? আজি অৰুণ বাবু যোৱা ২০ দিনেই হ'ল—সিহঁতৰ গাঁৱৰ পানী ছাগে শুকাল।

—শুকালেও তই যাব নোৱাৰ—বহুত খোজ কাটিব লাগিব তাতে বানপানীৰ পিছৰ গাৱৰ অৱস্থাবোৰ অতি শোচনীয় হৈ পৰে। তাতে পায়েল আছে তাইক লৈ যোৱাটো সম্ভৱ নহ'ব।

—আৰে বাবা ঠিক আছে মই ষ্টেচনতে থাকিম বাৰু তাতে আমাৰ নিজৰ মানুহ আছে। অৰুণবাবুয়ে অন্ততঃ জানিব মই গৈছোঁ বুলি।

—অ' তই যদি ষ্টেচনতে থকাকৈ যাব তেনেহলে যাব পাৰিবি, কিন্তু ভগৎসিঙে যাবলৈ দিব জানো?

—কিয় নিদিব—মই বহুত দিনৰ পৰা যাবলৈ ইচ্ছা কৰি আছোঁ। এতিয়া তোৰ লগত যাম—অৰুণ বাবুৰো খবৰ লম, নিজৰ মানুহৰো খবৰ লম কি বেয়া হ'ব?

—বাৰু ঠিক আছে ভগৎ সিঙক সুধিবি। গ'লে কালিলৈকে যাব লাগিব মই ১০ দিনৰ ছুটী লৈছোঁ।

—কিহত যাবি ?

—ৰেলত! অৰুণাচল এক্সপ্রেছত।

এতিয়া মই যাও—তই ভগৎ সিঙক সুধি একডম 'ৰেডি' হৈ থাকিবি মই ৰাতি আহি খবৰ লম।

কথা কৈ কৈ সুৰেন্দ্রই পায়েলক কোলাত তুলি নচুৱালে—তাৰ পিছত বিজয়াৰ কোলাত দি সুৰেন্দ্র গ'লগৈ।

× × × সিহঁত যাবলৈ ওলাল। ভগৎ সিঙে ষ্টেচনলৈ আহি সিহঁতক বিদায় দিলেহি। বিজয়াই দ্বিতীয় শ্রেণীৰ ডবা এটাত হেচা ঠেলাকৈ বহি ললে। তাইৰ কোলাত পায়েলক তুলি দি বাকচ বেডিংবোৰ ওপৰৰ বেঞ্চত তুলি দিলে। বিজয়াক বহুৱাই দি সুৰেন্দ্রই ক'লে—তই বহি থাক, মই ইঞ্জিনলৈ যাও। সুৰেন্দ্রই ইঞ্জিনত উঠি ৰঙিয়ালৈকে আহিল।

ৰঙিয়া ষ্টেচনত সিহঁত নামিল। গাড়ী সলাব লাগিব। অৰুণাচল এক্সপ্রেচৰ সময় আবেলি ৪ টা বজাত। ৰঙিয়া ষ্টেচনত সুৰেন্দ্রই পায়েলক লৈ বিস্কুট কিনি দিলে। সিহঁতেও ভালকৈ খাই ললে কাৰণ বাটত ভাল দোকান নাই। পিছদিনা ৰাতিপুৱা ১০ মান বজাতহে সিহঁতে উত্তৰ লক্ষ্মীমপুৰ ষ্টেচন পাবগৈ।

গাড়ী এঘণ্টা 'লেট'। প্রায় সন্ধিয়া পাঁচ বজাত সিহঁত তিনিওটা ৰেলত উঠিল। সুৰেন্দ্র ইঞ্জিনত যাব খুজিছিল কিন্তু বিজয়াই নিদিলে—কাৰণ তাইৰ অচিনাকী ঠাই, তাইৰ বোলে ভয় লাগে। সুৰেন্দ্রই হাঁহি কলে—আৰে কিহৰ ভয় ? পেচেঞ্জাৰ গাড়ী কেনেকৈ চলাই ইঞ্জিনত উঠি চাও দেচোন।

সুৰেন্দ্রই বিজয়াক কথা কিটা কৈ আনন্দ কৰিলে।

—বাৰু যাবি দে, অলপ পৰ থাকচোন আমাৰ লগত।

—বাৰু নাযাও দে পিছত কিন্তু তোৰ লগলৈ কোনোবা পেচেঞ্জাৰ আহিলে মই এবাৰ যাম দেই ।

—বাৰু হব দে ।

বেলখনে উকি মাৰি সাৱধনতাৰ ইঙ্গিত দিলে । গাড়ী চলিল।

সুৰেন্দ্ৰই গাড়ীৰ দুৱাৰ মুখত ঠিয় হৈ চিগাৰেট এটা জ্বলাই লৈ দুটামান হোপা মাৰি ধোৱাবোৰ বতাহত এৰি দিলে—অৰুণহঁতৰ বা কি অৱস্থা হৈছে আৰু তাইৰ ভণীয়েকজনী । তাই নকৈ বিবাহিতা নতুন পত্নী—তাৰ হাঁহি উঠিল—অৰুণেযে তাক ফুলিক পলুৱাই অনাৰ কথা কৈছিল, এতিয়া বা কি গতি হৈছে। সি এইবাৰ সিহঁতক লৈ আহিব—কোৱাৰ্টাৰটো সৰু হলেও যেনে তেনে ৰখাব ।

সময় আগবাটিল । ষ্টেচনৰ পাছত ষ্টেছন পাৰ হৈ বেল গৈ এটা ষ্টেচনত ৰলগৈ । কেইগৰাকীমান মানুহ আহি বিজয়াহঁত থকা ডবাটোত উঠিল । ডবাটোত সজিৱতা আহিল, পুনৰ বেল চলিল । সুৰেন্দ্ৰই বাহিৰলৈ চালে, বেচ আন্ধাৰ আৰু চিপ চিপ বৰষুণ। তাৰ বৰ আমনি লাগিল, টোপনিও ধৰিছে, সি বিজয়াক ক'লে— তহঁতে শুই থাক, মই বিছনা ঠিক কৰি দিছোঁ । পায়েলকো কাষতে শুৱাই ল । মোৰ বৰ আমনি লাগিছে, মই আগৰ ষ্টেচনত ইঞ্জিনলৈ যাম — তই চিন্তা নকৰিবি ।

সুৰেন্দ্ৰই আগৰটো ষ্টেচনত ইঞ্জিনত উঠি ললে—বেলৰ ড্ৰাইভাৰ ৰামচৰণে তাৰ চিনাকী হৈ হেণ্ডচেক কৰি গাড়ীৰ স্পীড বঢ়াই দিলে। বৰষুণ জোৰেৰে আহিবলৈ ধৰিলে—সুৰেন্দ্ৰই খিৰিকিখন বন্ধ কৰি নিদিলে—বাৰিষাৰ বৰষুণ জাকৰ ঝিম ঝিম টোপালবোৰ তাৰ গাত পৰিল । সি হাতখন ৰুমালেৰে মচি মচি এক শীতলতা অনুভৱ কৰিলে—সুৰেন্দ্ৰই বাহিৰলৈ চালে—আন্ধাৰ আৰু বৰষুণত একো চিনিবই নোৱাৰি তথাপি সি মুখখন ৰুমালেৰে মচি চকু দুটা জোৰকৈ মেলি বাহিৰলৈ চালে — গাড়ীখন দলং এখনত উঠিছে ।

গাড়ীৰ হেড লাইটৰ পোহৰত দলংখন জিলিকি উঠিছে। ৰামচৰণে লুইচেন্সত হাত দিলে—এটা দুটা তিনিটা উকি মাৰি ৰেলখন দলঙত উঠাৰ লগে লগে ডবাবোৰ সং সৰকৈ পানীলৈ বাগৰি পৰিল, কাৰণ ৰেলৰ দলং খন ইতিপূৰ্ব্বে বান পানীয়ে উট্ৱাই লৈ গৈছে।

বেকী নদীৰ পাৰৰ গাঁৱত ৰেল বগৰাৰ শব্দ শুনি মানুহবোৰ ওলাই আহিল—ৰেল পৰিল, ৰেল পৰিল—মানুহ উদ্ধাৰ কৰহত হায় ভগৱান কোন কত আছ আহ্ আহ্ ৰেল বাগৰিছে—ৰেল! চাৰিওফালে চিঞৰ আৰ্ত্তনাদে তালফাল লগালে। ৰাইজ ওলাই আহিল। হাজাৰ হাজাৰ ৰাইজ থিতাতে গোট খাই মানুহ উদ্ধাৰ কৰিবলৈ লাগি গ'ল।

গভীৰ আন্ধাৰ নিশা—বৰষুণৰ বতৰত ৰেলৰ পৰা পানীত বাগৰি পৰা মানুহক উদ্ধাৰ কৰা সিমান সহজ নহয় যদিও—মানুহ বৈ নাথাকিল।

পোহৰ হোৱালৈকে মানুহে লেম, টৰ্চ হাতত জোৰ লৈ মানুহ উদ্ধাৰ কৰিবলৈ ৰাইজে আত্ম নিয়োগ কৰিলে।

ৰাতিপুৱাৰ লগে লগে সেইখিনি ঠাই লোকে লোকাৰণ্য হ'ল। ফায়াৰ বিগ্ৰেদ, এম্বুলেন্স, পুলিচ মিলিটেৰী সকলো আহি উদ্ধাৰৰ কাৰ্য্য চলালে। পানীৰ তলৰ পৰা মৰাশ বোৰ উদ্ধাৰ কৰি পথাৰত শাৰী পাতি ৰাখিলে।

সেইদিনাই লামডিঙত ঘটনাবোৰৰ খবৰ পালে। ভগৎসিঙ, শ্যামলাল, মদনহতে বলিয়া হ'ল। সিহঁতে ৰিলিফ ভানত দুৰ্ঘটনা স্থলীলৈ যাত্ৰা কৰিলে।

সময় আগবাঢ়িল। ঘটনাস্থলীত দিনৰ বেলিৰ পোহৰত পানীৰ পৰা মৰাশবোৰ উদ্ধাৰ কৰিয়েই থাকিল। আঘাট প্ৰাপ্ত মানুহবোৰ ওচৰৰ হস্পিতাললৈ স্থানান্তৰিত কৰিলে।

ভগৎসিঙ, মদনলাল শ্যামলালহঁত ৰিলিফ ভানৰ পৰা নামি

ঘটনাস্থলীলৈ গ'ল—তাত মৰাশবোৰ চিনাক্তকৰণ কৰিছে। মানুহবে ঘটনাস্থল ভৰি পৰিছে—সিহঁতেও উচুপি উচুপি বিজয়া পায়েল আৰু সুৰেণক বিচাৰিছে। মৃত মুনিহ তিৰোতা বোৰৰ মুখবোৰ চাওতে চাওতে সিহঁতৰ হিয়া ভাঙি গ'ল। সিহঁতে ভাবিলে সিহঁতৰণো মৃত্যু নহ'ল কিয়! এঠাইত ভগৎসিঙে চিঞৰ মাৰি মৰাশ এটা সাৱটি ধৰিলে—শ্যামলাল মদনলালে ওচৰ চাপি গৈ দেখিলে বিজয়া, তাইৰ হাতৰ মুঠিত এটুকুৰা কাপোৰ! পায়েলৰ চোলাটোৰ কাপোৰ টুকুৰা দেখি শ্যামলালহঁতে তাতে থৰ লাগিল।

সিহঁতে চিঞৰি চিঞৰি কান্দিলে, বহুত মানুহৰ কান্দোন, চিঞৰ বাখৰ আৰ্ত্তনাদ লগ লাগি আকাশৰ তলত এক ভয়াবহতাৰ সৃষ্টি হ'ল।

সন্ধিয়া নামি আহিল। মৰাশবোৰ পোষ্টমৰ্টেম কৰিবলৈ হস্পিতাললৈ লৈ গ'ল। সিহঁতে বহুত চেষ্টা কৰিও সুৰেন্দ্ৰ আৰু পায়েলক বিচাৰি নাপালে—হয়তো সিহঁত পানীত উটি গ'ল।

— + =

## ( ৪৩ )

মদনলালহঁত কিন্তু ক্ষান্ত নাথাকিল। সিহঁতে সুৰেন্দ্ৰৰ অনুসন্ধান কৰিবলৈ লাগি গ'ল। আঘাতপ্ৰাপ্ত সকলক ৰঙিয়া মিলিটেৰী হস্পিতাললৈ যোৱা বুলি জানিব পাৰি সিহঁত দুয়োটাই ৰঙিয়া হস্পিতাললৈ খাপলি মেলিলে। হস্পিতেল পাই আহত ব্যক্তি সকলৰ মাজত সিহঁতে এফালৰ পৰা সুৰেন্দ্ৰক বিচাৰি গ'ল।

প্ৰতিজন ব্যক্তিক চাই চাই এসময়ত সিহঁত আহি এজন ব্যক্তিৰ ওচৰত বৈ গ'ল। চকুবন্ধা আছে। হাত আৰু ভৰিত বেণ্ডেজ আছে। সিহঁতে চিনি পালে।

—হয়! সেইজনেই সিহঁতৰ সুৰেন্দ্ৰ বাবু! হাতত থকা সোণৰ আঙঠিটো সিহঁতৰ যে কিমান চিনাকি!

সিহঁতক ৰোগীৰ ওচৰত দেখি নাৰ্চ এগৰাকী লৰালৰিকৈ আহি ক'লে - অনুগ্ৰহ কৰি কথা নাপাতিব বৰ্ত্তমান তেওঁক ইনজেকচন দিয়া হৈ আছে। Please বাহিৰলৈ যাওক। মদনলালে কলে, চিষ্টাৰ এইজন আমাৰ মানুহ!

—উস্ আমনি নকৰিব। ব্যক্তিজনৰ এতিয়াও সম্পূৰ্ণ জ্ঞান ঘূৰি অহা নাই—সম্পূৰ্ণ ছুদিন অজ্ঞান অৱস্থাত আছে। শ্যামলালে হাত যোৰ কৰি ক'লে - আমি চিনি পাইছোঁ, চিষ্টাৰ এও আমাৰ সুৰেন্দ্ৰ বাবু আছে।

—ঠিক আছে আপোনালোক তেনেহলে, Enquiry Office লৈ যাওক তাত অফিচাৰক ল'গ ধৰক। সিহঁতে লৰালৰিকৈ ওলাই আহি Enquiry office লৈ গ'ল। আহত ব্যক্তিসকলৰ চিনাক্ত কৰণৰ কাৰণে মানুহ লাইন লাগিছে। অফিচত চিনাক্তকৰণৰ কাৰণে কাৰ্ড দিছে। নাম ঠিকনা লেখি লৈছে। সিহঁতেও লাইনত সোমাই গ'ল, দিন ৰাতি নোহোৱাকৈ আহত ব্যক্তিসকলৰ চিনাক্ত কৰণৰ কাড' লবলৈ নিজৰ নিজৰ আপোন মানুহবোৰ ব্যাকুল হৈ পৰিছে।

অৱশেষত সিহঁত অফিচাৰৰ ওচৰ পালেগৈ। অফিচাৰজনে সিঁহতলৈ মূৰ তুলি চালে।

—কওকচোন আপোনালোকৰ কোনোবা আপোন মানুহ আছে নেকি?

মদনলালে তৎক্ষনাত উত্তৰ দিলে—হয় বাবু; আমাৰ এজন আপোন মানুহ আছে। আমি চিনি পাইছোঁ।

— কি নাম ?

—সুৰেন্দ্ৰ মোহন চক্ৰৱৰ্তী ।

— কথা পাতিছিল ?

— নাই, অজ্ঞান অৱস্থাত আছে ।

— কি কাম কৰে ?

—ৰেলৰ ড্ৰাইভাৰ কৰে চাৰ !

অফিচাৰ জনে আচৰিত হৈ মদনলাললৈ চালে —এইখন গাড়ী চলাইছিল ?

— নহয় চাৰ মালগাড়ীহে চলায় । উত্তৰ লক্ষীমপুৰত তেওঁৰ এজন বন্ধু আছে । তেওঁৰ খবৰ লবলৈ আহিছিল— তাত বহুত বানপানী হৈছে চাৰ ?

—ওঁ, তেওঁৰ সম্পূৰ্ণ ঠিকনা কি ?

—সুৰেন্দ্ৰ মোহন চক্ৰৱৰ্ত্তী, লামডিং ষ্টেচন ।
জিলা—নগাঁও । পোঃ আঃ লামডিং ।

মদনলালে কৈ যোৱা কথাখিনি কাগজখনত সম্পূৰ্ণ কৈ লেখি অফিচাৰ জনে তাৰ হাতত দি ক'লে— সোঁতো ৱাৰ্ডত ডাক্তৰ আছে— সেই কাৰ্ডখন ডাক্তৰক দিব ।

সিহঁতে ততাতৈয়াকৈ গৈ ডাক্তৰৰ কেবিনৰ কাষত ৰ'লগৈ । আগতে সোমাই থকা মানুহজন ওলাই অহাৰ পাছত মদনলাল সোমাই গ'ল— আৰু হাতৰ কাগজ খন ডাক্তৰলৈ আগবঢাই দিলে ।

বহুত পৰ ডাক্তৰে কাগজখন পৰীক্ষা কৰি মিঠা লগাকৈ হাঁহি এটা মাৰি ক'লে— ভগৱানে আপোনালোকৰ সহায় হওক । ঈশ্বৰৰ ইচ্ছা মানুহজনৰ নিজৰ পৰিয়াল ওলাল । তেওঁ টেবুলত থকা কলিং বেলটো টিপি দিলে আৰু লগে লগে এজন খাকী পোচাক পিন্ধা মানুহ আহি তেওঁৰ ওচৰত হাজিৰ হলহি—ডাক্তৰে মানুহ জনলৈ চাই ক'লে কোঠা No. 10 Bed No. 7, ৰ ফাইলটো লৈ আহা ।

মানুহজনে তৎক্ষণাত ফাইল এটা আনি ডাক্তৰৰ ওচৰত দিলেহি। ডাক্তৰে ফাইলটোৰ পৰা কাগজ এখন উলিয়াই মদনলাল হঁতক পঢ়ি শুনালে— দলঙৰ তলত কাঠৰ চেপত এইজন ব্যক্তিক পোৱা হৈছে। গাড়ী বাগৰি পৰাৰ সময়ত তেওঁ জাপ মাৰিছিল বুলি সন্দেহ কৰা হৈছে। তেওঁৰ হাত আৰু ভৰিত জখম হৈছে, কিন্তু চকুৰ জখম গুৰুতৰ।

মদনলাল আৰু শ্যামলালে অধৈৰ্য্য হৈ সুধিলে—চাৰ ভাল হ'বনে?

—আশাকৰো ভাল হ'ব। ভগৱানৰ ওপৰত বিশ্বাস ৰাখক। কিছুদিন লাগিব।

—আমি এতিয়া কি কৰিম চাৰ?

—নাই, নাই আপোনালোকে এতিয়া একো কৰিব নালাগে। যি কৰিব লাগে আমি কৰিম। দুৰ্ঘটনাৰ পৰা ৰক্ষা পাৰৰ উপায় কি? কিন্তু ভগৱানে আপোনালোকক সহায় কৰিলে এতিয়া আপোনা-লোক যাওক। ৰোগীক আমনি নকৰিব। আমি আশা কৰিছোঁ আজি তেওঁৰ জ্ঞান ফিৰি আহিব। প্ৰতিদিনে ৰাতিপুৱা ৯ বজা আৰু আবেলি ৩ বজাত ৰোগী কেনে আছে খবৰ লব পাৰিব। ধন্যবাদ।

সিহঁতে ডাক্তৰৰ ব্যৱহাৰত সুখী হৈ মূৰত হাত থৈ নমস্কাৰ জনাই ওলাই আহিল। সিহঁত গৈ গছ এজোপাৰ তলতে বহিলগৈ। শ্যামলালে আঠুৰ ওপৰত মূৰটো গুজি দি হুকহুকাই কান্দিলে। মদনলালে মূৰৰ চুলিবোৰ আজুৰি আজুৰি চিঙিব লগা কৰিলে। কিছুসময় যোৱাৰ পিছত মদনলালে চকুপানী মচি কলে, - শ্যাম এনেকৈ থাকিলেটো নহব, ভগৎসিঙ ক'লৈ গল বিছাৰিব লাগে। সৰ্ব্বস্ব হেৰুৱাই সি যে বলিয়া হৈ পৰিছে, মদনলালে আকৌ কান্দিলে।

—নকবি মদনলাল নকবি। কি আছিল কি হৈ গ'ল। শ্যামলাল ঠিয় হল আৰু মদনলালৰ হাতত ধৰি গেটৰ বাহিৰলৈ ধীৰে ধীৰে ওলাই আহিল। ❋❋

# ( ৪৪ )

জ্ঞান আছিল যদিও সুৰেন্দ্ৰই কিন্তু কথা নক'লে— মাজে মাজে কান্দে, শুকলুকাই কান্দে, পাযেল বিজয়া বুলি চিঞৰে। ডাক্তৰে বুজনি দিযে— ডাক্তৰ আহিলে সুৰেন্দ্ৰই এটা বিষাদৰ হাঁহি মাৰে মাত্ৰ। তাৰ চকুৰ বান্ধ খোলা নাই ডাক্তৰে তাক কৈছে দহ দিনৰ পাছতহে তাৰ চকুৰ বান্ধ খুলিব।

এদিন দুদিন কৰি সাতটা দিন পাৰ হ'ল। এদিন ৰাতিপুৱা সি চিষ্টাৰক সুধিলে -- মোক বিচাৰি কোনো অহা নাইনে?
—আহিছে? বৰ্ত্তমান তেওঁলোক ইযাতে আছে।
-- মোৰ লগত কিয় কথা পতা নাই?
আমি মানা কৰিছোঁ। এতিয়া আপুনি সুস্থ হৈছে কথা পাতিব পাৰিব।
– সিহঁত ক'ত আছে মাতক্ চিষ্টাৰ।
—বৰ মই মাতি দিছোঁ।

চিষ্টাৰ ওলাই গ'ল আৰু বাহিৰৰ বাৰান্দাত বহি থকা শ্যামলালহঁতক মাতি দিলে।
—আপোনালোকে যাতে ৰোগীক আমনি নকৰে। তেওঁৰ মনত আঘাট পোৱা কথা যেন নকয়। এতিয়াও তেওঁ মানসিকভাবে সুস্থ হোৱা নাই।

সিহঁতে লাহে লাহে সুৰেন্দ্ৰৰ বিচনাৰ ওচৰলৈ কাষ চাপি গ'ল। শ্যামলালে মাতিলে - সুৰেন্দ্ৰ বাবু, ভাইজী!

সুৰেন্দ্ৰই কিন্তু একো নামাতিলে। চিষ্টাৰে এইবাৰ ভগৎসিঙক মাতিবলৈ ক'লে। ভগৎসিঙে থোকাথুকি মাতেৰে মাতিলে— সুৰেন্দ্ৰ বাবু! ভগৎসিঙে কান্দিলে— এইবাৰ সুৰেন্দ্ৰই চিঞৰ মাৰি দিলে—বিজয়া আৰু পায়েল ক'ত? চিষ্টাৰে সুৰেন্দ্ৰক শুৱাই দি শ্যামলালহঁতক বাহিৰলৈ যাবলৈ ক'লে।

সিহঁত বাহিৰলৈ যোৱাৰ পাছত ডাক্তৰ দিলীপ চৌধুৰী সোমাই আহিল। তেওঁ ৰোগীবিলাকৰ ওচৰে ওচৰে গৈ এটা সময়ত সুৰেন্দ্ৰৰ ওচৰত বৈ গ'লহি।

ডাক্তৰে চিষ্টাৰক মাতি report টো চালে আৰু তাৰ পাছত ৰুমত বহি লৈ চিষ্টাৰক সুধিলে -

—জ্ঞান আহিছিল?

—হয় আহিছিল?

—এঘণ্টা মান হৈছে।

—ৰুগীয়ে কথা পাতিছিলনে?

—নাই। বিজয়া আৰু পায়েল বুলি চিঞৰিলে আৰু কান্দিলে।

- বিজয়া, পায়েল কোন?

সুৰেন্দ্ৰৰ ভনী আৰু ভনীয়েকৰ বেচুৰা। সিহঁত পানীত উটি গৈছে বুলি ধাৰণা কৰা হৈছে।

- তেনেহলে সাবধান সেই কথা যাতে ৰুগীয়ে গম নাপায়।

— ভাল চাৰ।

—আৰু কিবা কথা কৈছে নেকি?

- নাই চাৰ!

ডাক্তৰ গহীন হৈ চিন্তা কৰিলে তাৰ পাছত চিষ্টাৰ গৰাকীলৈ চাই ক'লে—বুজিছা চিষ্টাৰ এতিয়াও তেওঁৰ মগজৰ পৰা দুৰ্ঘটনা মুহূৰ্ত্তৰ শব্দবোৰ, বিজয়া পায়েলৰ চিন্তা, ৰেলৰ ঘৰঘৰণি মাৰ যোৱা নাই। দুৰ্ঘটনাটোৰ মুহূৰ্ত্তটোৱে তেওঁৰ মগজটো আচন্ন কৰি ৰাখিছে—

বাৰু থোৱা, কিন্তু সাৱধান হবা যাতে তেওঁ মনত কোনো ধৰণৰ আঘাট নাপায়।

চিষ্টাৰ কোঠালিটোৰ পৰা ওলাই অহা দেখি শ্যামলালহঁত তেওঁৰ ওচৰলৈ দৌৰি গ'ল— চিষ্টাৰ-চিষ্টাৰ ডাক্তৰে কি ক'লে। -ভাল হ'ব। কিন্তু আপোনালোকক বেছি কথা পাতিবলৈ মানা কৰিছে। আপোনালোকে বিজয়া পায়েলৰ কথা তেওঁৰ আগত নকব। কথা কিটা কৈ চিষ্টাৰ গৰাকী খৰ খোজে আতৰি গ'ল

ভগৎসিঙে কথাখিনি শুনি আকৌ কান্দি উঠিল। শ্যামলালে ভগৎসিঙক ধৰি ধৰি বাহিৰলৈ উলিয়াই আনিলে। হস্পিতালৰ বাহিৰলৈ ওলাই আহি সিহঁতে একো ঠিৰাং কৰিব নোৱাৰিলে সিহঁতে এতিয়া কি কৰিব ?

— + —

## ( ৪৫ )

অৰুণহঁতৰ চাংঘৰৰ পানী লাহে লাহে তললৈ নামি আহিল। তথাপিও কোনো কোনো ঠাইত একাঠু এবুকু পানী আছে। ইঘৰৰ পৰা সিঘৰলৈ আগৰ দৰেই মানুহে নাৱেৰে অহা যোৱা কৰিলে। পানীৰ সোঁতত হালি যোৱা চাংঘৰবোৰ ঢোকা ভেজা দি পোন কৰিবলৈ দাগলিগ ( সমবায় পদ্ধতিৰে কাম কৰা ) ওলাল। নৈ পৰীয়া ডেকা লৰাইতে মনৰ বল অটুট ৰাখি ৰাইজক সহায় কৰিবলৈ সমূহীয়া ভাবে ওলাই আহিল। প্ৰতি ঘৰৰ পৰা এটাকৈ হলেও মানুহ আহি ৰাইজৰ লগত যোগ দিলে আৰু ভাঙ্গি হোৱা ঘৰবোৰ মেৰামতি

কৰিলে– ইষৰ সিষৰৰ পৰা চাউল, আপং শুকান মাছ তুলি আনি ভগাই বতৰাই আটায়ে মিলি জুলি খালে। ৰদত দি চুঙাত সোমোৱাই থোৱা ধপাত গৃহস্থই ৰাইজক হোকাত লগাই দিলে।

গাঁৱলৈ প্ৰতিবছৰে সোৱণশিৰিৰ ধল আহে আৰু এক অসমীয়া মহা জাতিৰ লোক সংস্কৃতিৰ পথাৰখনিত পলস পেলাই থৈ যায়। ৰঙানদী, বগী, সোৱণশিৰি, দিহিং, দিবাং লুইতৰ ভৰা যৌৱন আকৌ মোলান পৰে। হাইজা গ্ৰহণীত মানুহ গৰু মহে হাজাৰে হাজাৰে প্ৰাণ এৰে। ডাক্তৰ কবিৰাজে সিহঁতৰ খবৰ লবলৈ নাহে। ৰিলিফৰ বস্তুও সিহঁতে নাপায়, কোনোবা অদৃশ্য হাতৰ পৰশত বাটতে বোলে সেইবোৰ বস্তু কোনোবা অসুৰে খাই পেলায়। ৰাইজে কিন্তু তালৈ ভ্ৰুক্ষেপ নকৰে, সিহঁতে নতুন তেজেৰে বলিয়ান হৈ আকৌ কামত লাগে।

অৰুণহতৰ ঘৰটোৰ যি বেয়া হৈছিল লৰাহতে লগ লাগি ভাল কৰি দিলে। তিতা ধানবোৰ পিছফালৰ বাৰান্দাত মেলি দিলে। আজি ৭।৮ দিন ধৰি পাহী ধাৰি পাতিৰ পৰা উঠাই নাই। ৰমেশহঁতৰ ঘৰখন পানীয়ে উটুৱাই নিয়াৰ পাছৰ পৰা তাই বলিয়াৰ দৰে হৈছে।

মাজে মাজে ককাই ঐ. ককাই ঐ বুলি চিঞৰে। বিছনাত পৰি পৰি কান্দে, তাই ভাবে কিয়নো এনে হ'ল? তাইৰটো এইখন বিয়া হবলৈ ইচ্ছা নাছিল– তথাপিও জানো তাইৰ প্ৰাণৰ কথা কাৰোবাক কব পাৰিলে। নাই—নাই– কিয় কব? তাই ককায়েক আৰু বাপেকৰ মনত দুখ দিবলৈ জন্ম হোৱা নাই নহয়? তাই নিজকে বিসৰ্জন দিব কিন্তু মনৰ কথা কাকো নকয়? বৃদ্ধ তাইৰ বাপেকে আনফালৰ তুংগোঁতত বহি বহি বহুত চিন্তা কৰিলে কিন্তু একো ঠাৱৰ কৰিব নোৱাৰিলে। গাঁৱৰ ৰাইজে অৰুণৰ দেউতাকক মিবুক মাতিবলৈ ক'লে। সিহঁতৰ ঘৰটোত কিছুবাই

লম্ভিছে নহলেনো বান পানীৰ লগতে হব লগা জোৱায়েক ৰমেশক উটুৱাই নিব লাগেনে - বিয়া হবলৈনো কিমান দিন বাকী আছিল? সেইহে বাইজে কৈছে ঘ্ৰটোত কিবা লম্ভিছে মিবুক মাতিব লাগে!

তুংগৌঙত বহি বাপেকে অৰুণক মিবুক মতাৰ কথাটো ক'লে। আধুনিকতাৰ আভাস পোৱা অৰুণে টাউনত আছে যদিও সিহঁতে সিহঁতৰ জাতীয় কিছুমান সংস্কৃতি বাদ দি চলিব নোৱাৰে। অৰুণে তুংগৌঙত লেপেতা কাটি বহি চিন্তা কৰিবলৈ ধৰিলে। সিহঁতৰ মিবুকটো সিহঁতে অস্বীকাৰ কৰিব নোৱাৰে। মিবু হৈছে সিহঁতৰ পুৰুহিতৰ লোক। মিচিং সমাজৰ লোকবিশ্বাস মতে এওঁলোক হ'ল ঐশ্বৰিক গুণ সম্পন্ন লোক। এওঁলোকে যুগে যুগে ধৰি মিচিং সমাজৰ কল্যান সাধন কৰি আহিছে। ব্যক্তিগত সুখ, দুখ, আপায় অমঙ্গল আদি নাশ কৰি আহিছে। মিবু সকল ঐশ্বৰিক শক্তিৰ দ্বাৰা জন সাধাৰণৰ আকস্মিক দুৰ্ঘটনাৰ আগজাননী আৰু ভবিষ্যতৰ বাণী দি মঙ্গল কামনা কৰি আহিছে। এই বাণীবোৰ কুৰি শতিকাতো ফলিয়াই আহিছে কাৰণেই এই মিবুসকলৰ ওপৰত ৰাইজৰ গভীৰ আস্থা আছে। কিন্তু সি জানে যে ৰমেশৰ সলিল সমাধি হৈছে। সি পাহীৰ কথা চিন্তা কৰিলে। নাৰীৰ মনৰ তলিব কথা ধৰিব নোৱাৰি। তথাপিও তাৰ প্ৰতি তাইৰ অনুকম্পা জানো হোৱা নাছিল! হয়তো— হৈছিল? সেই কাৰণেই হয়তো ৰমেশৰ হঠাতে হোৱা মৃত্যুয়ে তাইক হতাশ কৰি তুলিছে, আৰু তাই হৈ পৰিছে উন্মাদ আৰু দিশহাৰা।

তাৰ এটা হুমুনিয়াহ ওলাই আহিল। সি ভাবিলে— কি উপায় কৰিব পাৰি?

কিয় একো নামাতিলি দেখোন?

বাপেকৰ কথাত অৰুণ সচকিত হৈ উঠিল। —অ' পিতাই মই তাকে ভাবিছোঁ। মাতিব লাগিব। অৰুণে আকৌ মনে মনে

চিন্তা কৰিবলৈ ধৰিলে। পাহীৰ চিন্তা, ঘৰৰ চিন্তা। তাৰ হঠাতে সুৰেন্দ্ৰলৈ মনত পৰিল। সি বা কি কৰিছে? সি এবাৰ ওপৰলৈ চালে, ৰদৰ পোহৰ পৰি গাওঁখনৰ গেলা পচাবোৰ শুকাবলৈ ধৰিছে। চাৰিওফালৰ পৰা দুৰ্গন্ধবোৰ আহি অৰুণৰ নাকত লাগিছেহি। গাওঁৰ গাভৰু বিলাকে কুঠাৰ লৈ পানীত উটি অহা খৰিবোৰ ফালিছে কিছুমানে শুকনিমুৰা বানপানীৰ খাল দোংবোৰত জাকৈ জুলুকী বাই মাছ ধৰিছে। পাহী কিন্তু বাহিৰলৈ ওলোৱা নাই। তাই ভিতৰতে বহি কান্দিছে। তাইৰ কান্দোন শুনি অৰুণৰ হিয়াখন ফাটি যাব খোজে। ফুলিয়ে পাহীৰ গাগৰীটো ভিতৰত থৈ অৰুণৰ কাষত ঠিয় হৈ ক'লে— কিবা এটা কৰিব লাগিছিল? এনেকৈ আৰু চাই থাকিবি নে?

অৰুণে তাইলৈ চাই ক'লে -- এৰাটো কিবা এটা কৰিব লাগিব, পিতায়ে মিবু মতাৰ কথা কৈছে।

—অ' দে, ময়ো তোক তাকে কব খুজিছোঁ। মোলো মিবুক মাত। তোৰো চাকৰিলৈ যাবৰ হলহি। যোৱা বেলি আমাৰ আইৰ বেমাৰ হওতে মিবুযেহে ভাল কৰিলে। কোনোবা উপৰি পুৰুষ লাগিছিল বোলে। কুকুৰা কাটি ভোজ দিয়াত ভাল হ'ল। ৰাইজে বিশ্বাস কৰে যেতিয়া তই বিশ্বাস নকৰিলে হ'ব জানো?

—তোকনো কোনে ক'লে মই বিশ্বাস নকৰো বুলি?

—যা—যা—মোক আমনি নকৰিবি।

অৰুণে আকৌ জুপুকা মাৰি বহি থাকিল। মিচিং সমাজে বিশ্বাস কৰে মিবুসকল হ'ল মানৱৰ পিতা।

—হেৰৌ' তই এইদৰে বহি থাকিলে হ'বনে? মই মিবুক মাতি আহিলোয়েই। এতিয়া মাত্ৰ বস্তুবোৰ যা-যোগাৰ কৰ।

বাপেকলৈ চাই অৰুণে সুধিলে—

— কি কি লাগিবনো পিতাই?

—চাউল, চাইমদ, কুকুৰা গাহৰীৰ আগমঙহ লাগিব।

অৰুণ একেচাবে বহাৰ পৰা ঠিয় হ'ল আৰু তুংগৌঙৰ পৰা লাহে লাহে তললৈ নামি গ'ল। সময়বোৰ পাৰ হবলৈ ধৰিলে, ফুলিয়ে লোকৰ ঘৰৰ পৰা কুকুৰাৰ কণী দুটা আৰু আপং বিছাৰি আনিলেগৈ — সিহঁতৰ ঘৰত আপং শেষ হ'ল। লাহে লাহে সিহঁতৰ গাৱলৈ আন্ধাৰ নামি আহিল। পানী থকা পুখুৰী বিলাকত পাতবেং বিলাকে তুৰ-তুৰালে - দূৰে দূৰে থকা বাহগছ বিলাকত জোনাকী পৰুৱা বিলাকে আকৌ তিপতিপাই নাছিবলৈ ধৰিলে। ছোৱালী-বোৱাৰী বিলাকে দিনৰ দিনটো পৰিশ্ৰম কৰি সন্ধিয়াৰ লগে লগে চাঙত জিৰণী লবলৈ আহিল।

ফুলিয়েও সকলো কাম বন কৰি পাহীৰ লগতে শুলে। বানপানী অহাৰ দিন ধৰি ফুলিয়ে পাহীৰ লগতে শুইছে— নহলে যে পাহীৰ টোপনি নাযায়। নিশা হলে তাই ফুলিৰ বুকুত মুখ গুজি উচুপি উচুপি এটা সময়ত তাইৰ বুকুতে টোপনি যায়।

— ০০ —

# ( ৪৬ )

পোন্ধৰ দিন পাৰ হ'ল। মদনলালহতে হস্পিতেলৰ দুৱাৰ মুখত ক্লান্ত দেহ মন লৈ অস্থিৰতাৰে অপেক্ষা কৰিলে। ভিতৰত ডাক্তৰে সুৰেণৰ চকু পৰীক্ষা কৰিছে। সময়বোৰ খৰ গতিৰে প্ৰতি পলে পলে আগুৱালে। ভগৎসিঙে বাৰান্দাৰ পৰা নামি গৈ আকৌ ফিৰি আহিল। মদনলালহতে ডাক্তৰৰ মুখলৈ চালে - ডাক্তৰেও গম্ভীৰ ভাৱে সিহঁতৰ মুখলৈ চাই ক'লে "Sorry", মদনলালহতে এইবাৰ ডাক্তৰলৈ চাই থৰ লাগিল।

ডাক্তৰে ক'লে - মই দুঃখীত আপোনালোকৰ সুৰেন্দ্ৰই দৃষ্টি শক্তি হেৰুৱাইছে।

—কেনেকৈ? মদনলালে চিঞৰি উঠিল!

ডাক্তৰ আগুৱাই আহিল আৰু মদনলালৰ বাহুত থপৰিয়াই সান্তনা দি ক'লে— ভগৱানৰ ইচ্ছাক কোনেও বাধা দিব নোৱাৰে। আমি ডাক্তৰ হে, ঈশ্বৰ নহয়।

- নাই—নাই ডাক্তৰ আৰু নকব। মদনলালে বান্দি উঠিল। শ্যামলালে কিন্তু কন্দা নাছিল। সি সুস্থিৰ ভাবে ডাক্তৰলৈ চাই সুধিলে— কিবা আন উপায় নাই নেকি ডাক্তৰ বাবু?

ডাক্তৰ কিছু গম্ভীৰ হ'ল আৰু অলপ সময় চিন্তা কৰি ক'লে— মানুহৰ চকুৰ ওপৰত এখন চাল থাকে (কৰ্নিয়া) সেই চালখনহে সুৰেন্দ্ৰৰ বেয়া হৈ গৈছে। যদি কোনোবাই মৃত্যুৰ সময়ত চকুদান দি যায় তেতিয়াহলে আমি চেষ্টা কৰি চাব পাৰো।

—সেইটো কেনেকৈ সম্ভৱ হ'ব ডাক্তৰ ?

—সম্ভৱ হ'ব যদি কোনোবাই ইচ্ছাকৃত ভাবে মৃত্যুৰ আগতে চকু দান দিব খোজে।

—এই কথা কাক জনাব লাগিব ?

—আপুনি যদি চকুদান কৰিবৰ কাৰণে ইচ্ছা কৰে তেনেহলে কোনোবা "আই ব্যাঙ্ক"ৰ লগত যোগাযোগ কৰিব লাগিব। তেতিয়া আপোনাক এখন চকুদান অঙ্গীকাৰ কাৰ্ড দিব। তাত নাম ঠিকনা ভৰ্তি কৰি পুনৰ আই বেঙ্কলৈ পঠাই দিব পাৰে বা নিজেই আই ব্যাঙ্কলৈ গৈ নাম ৰেকৰ্ড কৰিব পাৰে। কিন্তু মনত ৰাখিব মৃত্যুৰ তিনি চাৰি ঘণ্টাৰ ভিতৰত এই চকুদান কাৰ্য্য সমাপন কৰিব লাগিব নহলে দেখি হুলে পুনৰ কৰ্নিয়া নষ্ট হৈ যাব। কথাখিনি কৈ ডাক্তৰ আৰু নৰ'ল—খৰ খোজেৰে বাৰান্দাইদি আগুৱাই গ'ল।

চিষ্টাৰে সুৰেন্দ্ৰক বিচনালৈ অনাৰ পিছত শ্যামলালহঁতক ক'লেহি আপোনালোক এতিয়া Patientৰ ওচৰলৈ যাব পাৰে।

—হোঁঃ শ্যামলাল চক খাই উঠিল। ইমান পৰ যে সি বজ্ৰপাত পৰা মানুহৰ দৰে থৰ হৈ আছিল -- সি বহাৰ পৰা উঠিল আৰু সুৰেন্দ্ৰৰ ওচৰলৈ গৈ মৰমেৰে মাতিলে— সুৰেন্দ্ৰ বাবু !

সুৰেন্দ্ৰই শ্যামৰ হাতখন ধৰি মৰমেৰে ক'লে— দুখ নকৰিবি শ্যাম মই নেদেখা হ'লো ভালেই হ'ল—মোৰ আৰু পৃথিবীখন চাবৰ ইচ্ছা নাই। পায়েল নাই বিজয়া নাই কাক চাই মই জীয়াই থাকিম। বাৰু কচোন মোৰ দেউতাৰ ভালনে ? তেওঁ কেনে আছে ?

শ্যামলালে কপি উঠিল — সি কেনেকৈ কব যে, দুৰ্ঘটনাৰ খবৰ পোৱা দিনাই তাৰ দেউতাক স্বৰ্গগামী হৈছে।

তথাপিও সি ওঠ দুটা কামোৰ মাৰি ধৰি অকমান সময় ধৈৰ্য্য ধৰি ক'লে - ভালে আছে তই চিন্তা নকৰিবি।

সেই সময়তে ভগৎসিঙে সুৰেন্দ্ৰৰ ওচৰ চাপি আহিল।

আজি যেন ভগৎসিঙৰ কণ্ঠৰোধ হৈ গৈছে — তাৰ বুকুখনত পোৰণি উঠিছে, ধৰফৰণি উঠিছে, তাৰ কেচা কলিজাখন যেন কোনোবাই নিষ্ঠুৰ হাতেৰে মুচৰি পেলাইছে। বিজয়া, পায়েলৰ দুৰ্ঘটনাইও তাক ইমান দুখ দিয়া নাছিল ? কিন্তু সুৰেন্দ্ৰৰ দৃষ্টিশক্তি হেৰুৱাৰ বেদনাই তাক একেবাৰে বলিয়া কৰি পেলালে। ভগৱান ইমান নিষ্ঠুৰ হব লাগেনে ?

সি আৰু সুৰেন্দ্ৰক মাত দিব নোৱাৰিলে। বান্ধি থোৱা চকুহালৰ দৃশ্যই তাক বিমৰ্ষ কৰি তুলিলে।

সি একেচাতে আহি আহত জোপাৰ তলত ৰ'লহি আৰু বিড়ি এটা জ্বলাই দূৰদিগন্তলৈ চাই উদাস ভাবে কিবা এটা চিন্তা কৰিলে।

মদনলালে বুজি পালে ভগৎসিঙ কিয় কোঠালিটোৰ পৰা পলা ওলাই গ'ল সি নিজকে বুজনি দিলে আৰু মনত সাহ বল গোটাই ললে। যি সুৰেন্দ্ৰৰ হাতখন নিজৰ দুয়োহাতৰ মাজত সাৱটি ধৰি মাতিলে—ভাইজী। এটা উচুপনি সুৰেন্দ্ৰৰ কাণত পৰিল। সুৰেন্দ্ৰই হাতখন চিনি পালে মদনলাল। তইঁতৰ কি হৈছে ? কান্দিছ কিয় ? মইটো ঠিকেই আছো। বহুত পৰ সিহঁত নিমাত নিতাল, সুৰেন্দ্ৰই সেহাই সেহাই আকৌ ক'লে— মইটো ঠিকেই আছো মাত্ৰ চাৰিওফালে অন্ধকাৰ দেখিছো— মাত্ৰ অন্ধকাৰ ! মোৰ জীৱনৰ এই কাল ৰাত্ৰিৰ আৰু কেতিয়াও শেষ নহব। মদন-লাল। শেষ নহব ?

—ভাইজী ?

—অ' মই জানিছোঁ তইঁতৰ দুখ হৈছে। বুজিছ মদনলাল, বিজয়াৰ কথা নুশুনি মই ইঞ্জিনলৈ গলো তাৰ পিছত দেখিলো ৰেলৰ দলংখন নাই—হঠাতে সি এটা বিকট চিঞৰ মাৰিলে আৰু পুনৰ অচেতন হৈ পৰিল

ডাক্তৰ নাৰ্চ দৌৰি আহিল—মদনলালহঁত হতবাক হ'ল—এইয়া আকৌ কি হ'ল ? হায় ভগৱান ! ✱✱

পুৱতি নিশাৰ কুকুৰাৰ ডাকতে ফুলিয়ে সাৰ পালে। আজি সিহঁতৰ ঘৰলৈ মিবু আহিব। তাই চোতালখন সাৰিবলৈ হাতত বাঢনিদাল ললে আৰু চোতালখন সৰাৰ লগে লগে তাইৰ মনলৈ চিন্তাই জুমুৰি দি ধৰিলেহি। মিবুযে বা কি কয়? যদি পাহৌঁৰ মনৰ কথাটোকে কৈ দিয়ে? হায় বিধাতা! ৰক্ষা কৰিব।

কথাবোৰ ভাবি ভাবি ফুলিয়ে নদীত গা ধুই আহি মিবুৰ কাৰণে হাহ, আপং, এমুঠি চাউল কুকুৰা কণী দুটা, এটা কুৰা আদা আৰু এলোটা পানী পাতেৰে মুখখন বান্ধি মিবুৰ কাৰণে জোগাৰ কৰোতেই সন্ধিয়া নামি আহিল। সন্ধিয়াৰ লগে লগে মিবু আহিল। মিবু অহা দেখি অৰুণে তুংগৌঙলৈ ওলাই গ'ল।

মিবুযে গাত এক বিশেষ ধৰণৰ হাতে বোৱা ফুলাম সাজ পোছাক পিন্ধিছিল। মিবুৰ অহাৰ লগে লগে গাঁৱৰ মুখিয়াল ব্যক্তি, সমন্ধীয়া সকলো আহি অৰুণহঁতৰ চোতালত ঠিয় হলহি। অৰুণৰ দেউতাকে সিহঁতক আকুমলৈ আগবঢাই আনিলে। আকুমৰ ভিতৰলৈ আহি মিবুযে হাতত য়াকচালৈ "মিবু আবং" (দেউধাই গীত) গাবলৈ ধৰিলে আৰু য়াকচাৰ নালৰ লগতে থকা আঙঠিৰ দৰে ঘূৰনীয়া লোৰ চকাবোৰে জুনকাৰ দৰে শব্দ কৰিবলৈ ধৰিলে। আবাং নোগোৱাকৈ মিবুয়ে প্ৰকৃততে মঙ্গল চাব নোৱাৰে। মিবুয়ে আবাং গাই গাই সম্পূৰ্ণ দৈৱিক শক্তি লাভ কৰে আৰু কিছুমান

বুজিব নোৱাৰা ভাষা কৰলৈ ধৰে।

অৰুণহঁতৰ ঘৰত আবাং গাই গাই মিবুয়ে প্ৰায় ৰাতিটো শেষ কৰিলে আৰু কুকুৰাৰ ডাকত মিবু অচেতন হৈ পৰিল। ৰাইজে তেতিয়া বুজিলে যে মিবুয়ে ঐশ্বৰিক শক্তি পাইছে আৰু সেইখিনি সময়ত মিবুয়ে কি কয় ৰাইজে বুজিবলৈ চেষ্টা কৰিলে। অস্পষ্ট ভাষাৰে মিবুয়ে কলে-পাহীৰ মাকৰ প্ৰেতাত্মাই অমঙ্গল ঘটাইছে, কুকুৰা কাটি ভোজ দিব লাগিব তেতিয়া হলে পাহী ভাল হৈ উঠিব। মিবুৰ কথা বুঢ়া সকলে বুজি পালে আৰু অৰুণৰ আগত ক'লে।

ৰাতিপুৱাল। মিবুক বিদায় দিবৰ হল। সকলোৱে আদৰ অভ্যৰ্থনা কৰি মিবুক বিদায় দিলে। পিচদিনা কুকুৰা কাটি ভোজ দিয়াৰ আয়োজন কৰিবলৈ অৰুণহঁত ব্যস্ত হৈ পৰিল।

অৱশেষত অৰুণে পূজা পাতল দি কৰ্ম্মস্থললৈ যাবলৈ ওলাল। ফুলিয়ে দুখ মনেৰে তাক বিদায় দিলে এইবাৰ বিদায়ৰ সময়ত পাহী বাহিৰলৈ ওলাই নাহিল। ভিতৰতে কান্দি থাকিল—তাই যে দুৰ্ভগীয়া।

আৰুণেও দুখ আৰু বেদনাক বোজা বান্ধি লৈ লামডিং পালেগৈ। সি মালবস্তু বোৰ লৈ কোৱাৰ্টাৰটোলৈ যাওঁতে দেখিলে চিনাকি মানুহবোৰে তাক দেখি যেন নেদেখাৰ ভাও ধৰিছে। সি আচৰিত হ'ল তাৰ ইমান বিপদ আপদ হৈ গ'ল তথাপিও তাৰ ভাল বেয়া সুধিব নাপায় নে? সি একপ্ৰকাৰ খঙেৰেই বস্তুবোৰ কোৱা-ৰ্টাৰটোত থৈ বিজয়াহঁতৰ ঘৰৰ ফালে খোজ দিলে।

সি বিজয়াহঁতৰ পদূলি মুখত বৈ দেখিলে বিজয়াহঁতৰ দুৱাৰ বন্ধ আৰু গোটেইখন নিৰব নিস্তব্ধ। সি অকমান সময় তাতে ৰল তাক দেখি লচমি জানকীহঁত দৌৰি তাৰ কাষ পালেহি আৰু চিঞৰি চিঞৰি কান্দিবলৈ ধৰিলে। লগে লগে হৰিজন

কলনিত হুৱা দোৱা লাগিল। সকলো মানুহ আহি তাক বেৰি ধৰিলেহি—সকলোৰে চকুত পানী।

সিহঁতৰ অৱস্থা দেখি অৰুণে চিঞৰ মাৰি কলে—কি হৈছে নকয় কিয়? নকয় কিয়?

সিও কথা কৈ কৈ বিজয়াহঁতৰ চোতালত থকা খাতিয়া খনতে উবুৰি খাই কান্দিবলৈ ধৰিলে। বৃদ্ধ লচমন কাকা আহি তাৰ ওচৰতে বহিলহি আৰু বিজয়াহঁতৰ কাহিনীটো কৈ গ'ল—কাহিনীটো শুনি অৰুণ বলিয়া হোৱাদি হ'ল আৰু চিঞৰি চিঞৰি ক'লে - তেনেহলে সুৰেন্দ্ৰ, বিজয়া, পায়েল ইহ সংসাৰত নাই। কোনে সিহঁতক ইমান পানীৰ মাজত মোৰ খবৰ লবলৈ পথাইছিল। - আমি মানা কৰিছিলো অৰুণবাবু কিন্তু সুৰেন্দ্ৰ বাবুয়ে নুশুনিলে— বিজয়াটো জোৰ কৰি গৈছে—

হো জোৰ কৰি গৈছে।

—অৰুণ বাবু। সুৰেন্দ্ৰবাবু জীৱাই আছে।

—জীৱাই আছে? ক'ত?

অৰুণে চিঞৰি দিলে—

—ৰঙিয়া হস্পিতেলত। কিন্তু?

—কিন্তু কি? নকয় কিয়?

- সুৰেন্দ্ৰ বাবুয়ে চকুৰ দৃষ্টি শক্তি হেৰুৱাইছে।

—কি? কি কলি?

বৃদ্ধ লচমনৰ কথাত অৰুণে আকৌ চিঞৰ মাৰি কথাটো সুধিলে।

- হয়। হয় অৰুণবাবু। খবৰটো শুনি সুৰেন্দ্ৰৰ বাবাইও হাৰ্ট ফেইল কৰিলে। অৰুণে আৰু একো কব নোৱাৰিলে কান্দি কান্দি সিও ভাগৰি পৰিল। বিজয়াহঁতৰ চোতালত ডেকা বুঢ়া সকলোৱে কান্দিবলৈ ধৰিলে।

বৃদ্ধ লচমন কাকাই গামোছাৰে চকুহাল মচি অৰুণৰ বাহুত হাত থৈ ক'লে—অৰুণবাবু এতিয়া ধৈৰ্য্য ধৰিব লাগিব। যি হৈ গ'ল তাৰ কাৰণে চিন্তা কৰি লাভ নাই, যি বাচি আছে তাৰ কাৰণে চিন্তা কৰিব লাগে। মৃত্যুটো এদিন হ'বই—তোৰ মোৰ সকলোৰে। এইয়া যেনিবা দুৰ্ঘটনা হ'ল। এই দুৰ্ঘটনাটো ছাগে হ'ব লগা আছিল।

লচমন কাকাই অৰুণলৈ চাই পুনৰ সুধিলে বাৰু কচোন—তইঁতৰ গাঁৱৰ পানী শুকাল নে? সকলোৰে ভাল নে?

অৰুণে লচমনৰ গাত ধৰি ক'লে সকলোৰে ভাল লচমন কাকা, সকলোৰে ভাল, এতিয়া বলা কাকা সুৰেন্দ্ৰৰ ওচৰলৈ যাও।

বৃদ্ধ লচমন কাকা ঠিয় হ'ল আৰু অৰুণৰ অস্থিৰ খোজৰ লগত খোজ মিলাই বিজয়াইঁতৰ চোতালৰ পৰা পদূলীলৈ ওলাই গ'ল।

—০০—

## ( ৪৮ )

সুৰেন্দ্ৰক ৰঙিয়া হস্পিতেলৰ পৰা গুৱাহাটী মেডিকেল কলেজ হস্পিতেললৈ আনিলে। মানসিক ৰোগৰ চিকিৎসক ডাঃ দিপালী দত্তক দেখুৱাবলৈ ডাক্তৰে পৰামৰ্শ দিলে। গুৱাহাটী হস্পিতেলত সুৰেন্দ্ৰক ভৰ্ত্তি কৰি শ্যামলালেহঁতে ভগৎসিঙক বিছাৰিলে কিন্তু কতো ভগৎসিঙক সিহঁতে বিছাৰি নাপালে। ভগৎসিঙ নিৰুদ্দেশ হৈছে। সেইখিনি সময়তে অৰুণে সিহঁতৰ লগ লাগিল গৈ। শ্যামলালৰ পৰা সি আকৌ এবাৰ ঘটনাৰ বিৱৰণ শুনিলে। ভগৎসিঙ নাইকীয়া হোৱাৰ সাত আঠ দিন হ'ল। এই কথাই অৰুণৰ মনত বৰ আঘাট দিলে। শ্যামলালে অৰুণলৈ চাই ক'লে - সি বলিয়া হৈ পৰিছে অৰুণবাবু। কথাষাৰ কৈ শ্যামলালে চকুপানী মচিলে।

হস্পিতেলৰ বাৰান্দাৰ বেঞ্চখনৰ পৰা অৰুণে উঠি ক'লে-- সুৰেন্দ্ৰৰ ওচৰলৈ যাব পাৰিনে ?

- বল। মদনলালে অৰুণক হস্পিতেলৰ তিনি তালাৰ ওপৰলৈ লৈ গ'ল।

ডাক্তৰে সিহঁতক দেখি ক'লে বেছি কথা কৈ আপোনা-লোকে যেন আমনি নকৰে। এজন মানুহহে ৰোগীৰ ওচৰত থাকিব।

- ভাল থাকক ! অৰুণে ডাক্তৰক নমস্কাৰ কৰিলে। ডাক্তৰ খৰ খোজেৰে দীঘল বাৰান্দাইদি গুচি গ'ল।

অৰুণে পৰ্দ্দাখন দাঙি লাহেকৈ সোমাই গ'ল আৰু তাৰ হাতখনত ধৰিলে। সুৰেন্দ্ৰই তৎক্ষণাত গম পাই মাতিলে— অঁ অৰুণ আহিলি ?

অৰুণে তাক সাৱটি ধৰিলে। আৰু সি বৰ নোৱাৰাবৈয়ে সৰ সৰ কৈ চকুপানী ববলৈ ধৰিলে। সুৰেণে ক'লে— তয়ো কান্দিছ অৰুণ ? এতিয়া ক তইঁতৰ খবৰ। সি বৈ অহা চকুপানী খিনি মচি কোনোমতে ক'লে—ভাল।

--পাহীৰ ? ফুলিৰ ?

- সকলোৱে ভাল।

অৰুণে পাহীৰ ভাবি স্বামীৰ সলিল সমাধি হোৱাৰ কথা নক'লে।

- পাহীৰ বিয়া কেতিয়া হব অৰুণ ? মই যাব পাৰিম নে অৰুণ ?

– অ' পাবিবিটে। — শেষৰ কথা নিটা ক'ওতে অৰুণৰ হিয়াখন ভাঁঙি গ'ল।

সুৰেন্দ্ৰই হাঁহিলে। হাঁহি হাঁহি উচুপিলে।

-- সুৰেণ ! তই নাকান্দিবি চোন. শান্ত হচোন।

—অৰুণ। তই পাহীকো বিয়া দিবি তায়ো গুচি যাব মহয় ?

অৰুণে এইবাৰ একো নকলে মাত্ৰ হাতখন ধৰি কান্দি উঠিল। ওচৰৰ বিছনাখনৰ মনহজনে সিহঁতলৈ চাই লমুনিযাহ কাঢিলে।

অলপ সময় পাছত অৰুণে মাতিলে--

—সুৰেণ।

—হোঁ ! সুৰেণে আকৌ তাৰ ফালে মুখ কৰি বাগৰ সলালে।

—তই চিন্তা নকৰিবি সুৰেন। অৰুণৰ অন্তৰঃ শোকে খুন্দা মাৰি ধৰিলে। অৰুণে আকৌ ক'লে--আজি কালি চকুৰ দৃষ্টিও ঘুৰাই পাব পাৰি।

—নাই-নাই অৰুণ। মোক চকুৰ দৃষ্টি নালাগে। মই চকুৰে নাচাম। অৰুণে মনতে সাহ গোটাই ক'লে—কিয় ? আমাক চাবি। তই ভালপোৱা এই অসমখনক চাবি। তই আমাৰ হাজাৰ হাজাৰ

বাই ভনীৰ মাজত বিজয়া পায়েলক বিছাবি পাবি।

অৰুণে এইবাৰ কান্দোন বন্ধ কৰি তলৰ ওঠটো কামুৰি ধৰি ক'লে—তই মনত সাহস গোটাব লাগিব, তোৰ চকু ভাল হ'ব।

সুৰেন্দ্ৰই এইবাৰ এটা বিষাদৰ হাঁহি মাৰিলে—সঁচাকৈয়ে মই দেখা পামনে?

অৰুণে উৎসাহেৰে ক'লে -পাবি মোৰ বন্ধু, পাবি, তই আকৌ দেখা পাবি, ৰেল চলাব পাৰিবি।

- সঁচাকৈয়ে মই আকৌ ৰেল চলাব পাৰিম?

- কিয় নোৱাৰিবি। আজি কালি পৃথিবীত কিমান অসাধ্য কাম হ'ব লাগিছে।

- মৃদু হাঁহি এটা মাৰি সুৰেন্দ্ৰই পুনৰ ক'লে—মই সোৱণশিৰিৰ বুকুত নতুনকৈ হোৱা ৰেলৰ দলংেদি ৰেল চলাই যাব পাৰিম?

অৰুণে বুজিলে সুৰেন্দ্ৰই শোক, তাপ আৰু বিষাদৰে অভিভূত হৈ কথাবোৰ কল্পনা কৰি কৈ গৈছে। অৰুণে তাক উৎসাহিত কৰিবলৈ গৈ ক'লে--নিশ্চয় পাৰিবি আমাৰ সোৱণশিৰিৰ বুকুতো এদিন ৰেলৰ দলং হ'ব তই ৰেলখন দলঙৰ ওপৰেদি লৈ যাবি। তোৰ নিচিনা ইমান সাহসী অসমীয়া ডেকা এটাৰ উদ্যম ইমান সোনকালে শেষ হ'বলৈ নিদিও সুৰেণ কেতিয়াও নিদিও। আমি মানুহহে, মানুহ সদায় অৱস্থাৰ দাস।

এইবাৰ সুৰেন্দ্ৰই প্ৰাণখুলি হাঁহিলে। তাৰ অস্বাভাৱিক হাঁহিটো দেখি অৰুণ থৰ লাগিল।

—x—

হস্পিতেলৰ পৰা "ৰিলিজ" দিয়াৰ আগতে সিহঁতে সুৰেন্দ্ৰক বাপেকৰ মৃত্যুৰ বাতৰিটো দিলে। কাৰণ ৰিলিজ দিয়াৰ পাছত সি এই খবৰ জানিলে আৰু দুখ পাব। সুৰেন্দ্ৰৰ কোনো নোহোৱাত অৰুণে তাক কোৱাৰ্টাৰলৈকে লৈ আহিল। সৰু কোঠালিটোত সুৰেন্দ্ৰই অকলে অকলে আন্ধাৰ পৃথিবীখনৰ দিনবোৰ গণি গণি পাৰ কৰি দিবলৈ চেষ্টা কৰিলে। এদিন দুদিন কৰি তিনিটা মাহ পাৰ হৈ গ'ল। অবলম্বনহীন জীৱনটো লৈ সুৰেন্দ্ৰৰ অসহ্য লাগিল। এদিন নিৰিবিলি সন্ধিয়া কামৰ পৰা অহাৰ পিছত অৰুণৰ হাত দুখনত ধৰি সুৰেন্দ্ৰই ক'লে - অৰুণ মোক আৰু কিমান দিন বন্দী কৰি ৰাখ - মোক তহঁতৰ তালৈ লৈ বলনা মোৰ আৰু ইয়াত থাকি আমনি লাগিছে। নিবি অৰুণ ?

ক্ষন্তেক সময় নিৰবে থাকি অৰুণে ক'লে— নিম সুৰেণ নিম !

অৰুণৰ হাত দুখনত সুৰেন্দ্ৰই খামোচ মাৰি ধৰি গভীৰ বেদনাৰে ক'লে - অৰুণ, তাত মোৰ ভাল লাগিব। যুলি আৰু পাহীৰ মাত শুনিলে মোৰ যে কিমান ভাল লাগিব। মই গ'লে সিহঁতে বাৰু আমনি পাব নেকি ?

—কিয় পাব সুৰেণ ? তই জানো সিহঁতৰ বৰায়েক নহয় ? ইতিপূৰ্ব্বে মই সকলো কথা জনাই সিহঁতলৈ চিঠি লিখিছোৱেই।

—হয় নেকি ? পাহীয়ে তেনেহলে জানিছেই মই নেদেখা হলো

বুলি। বহুত পৰ মনে মনে থাকি অৰুণে উত্তৰ দিলে - জানিছে।

ভাল কৰিছ, সিহঁতে জানক। মই যে এতিয়া অন্ধ।

সিহঁত দুয়োটাই কিছু সময় মনে মনে থাকিল। কোঠালি-টোৰ ভিতৰত নিৰবতাই আগুৰি ধৰিলে।

---অৰুণ! সুৰেন্দ্ৰৰ মাতত অৰুণ চকখাই উঠিল।

ইস্ দেখোন মনে মনে থাকিলি! মোৰ এনে লাগিছে – তই যেন মোৰ পৰা কিবা এটা লুকুৱাইছ?

নাই নাই একো লুকুওৱা নাই।

উঁহু হ'ব নোৱাৰে - তই মোৰ প্ৰকৃত বন্ধু — প্ৰকৃত বন্ধুৰ অন্তৰ দৰ্শন কৰিবা নই জানো। কচোন কি গোপনে ৰাখিছ।

অৰুণে শোকাকুল অন্তৰেৰে সুৰেন্দ্ৰৰ হাতখন ধৰি বানপানীৰ সমস্ত বিবৰণ কবলৈ লাগিল আৰু এটা সময়ত অৰুণ বোবা হৈ ৰৈ গ'ল।

অৰুণ! অৰুণ! কি হ'ল? কথা কচোন?

- সুৰেণ কব লাগে যদি শুন ৰমেশ আৰু নাই—পানীত উটি গ'ল।

—কি কলি

—অঁ সুৰেণ - পানীত উটি গ'ল – আৰু বিচাৰি পোৱা নগ'ল।

সুৰেন্দ্ৰই এইবাৰ নাকান্দিলে। ইতিপূৰ্ব্বে তাৰ হিয়াখন পাষান হৈ পৰিছে।

—পাহান অৱস্থা?

—কি হ'ব আৰু কান্দি থাকে। তালৈ বিয়া হবৰো বোলে তাইৰ মন নাছিল।

—তই কেনেকৈ জানিলি?

—ফুলিয়ে পাছত হে কৈছে।

—কিয় আগতে নকলে?

—তাই ভাবিছে আমি বেয়া পাম তাতে পাহীয়ে বোলে তাইক

মানা কৰিছিল ।

—এৰা ছোৱালী বিলাকৰ মনৰ কথা বুজা বৰ টান অৰুণ বৰ টান ।

অকমান সময় মনে মনে থকাৰ পিছত সুৰেন্দ্ৰই আকৌ ক'লে-- অৰুণ, কচোন মোক কেতিয়া নিবি ? পিছে এনেয়ে ঘৰখনত শান্তি নাই তাতে মই গলে অশান্তি বাঢ়িবহে নেকি ?

—নাই নাই একো অশান্তি নাবাঢ়ে। পাহীহঁতে তোক আলপৈচান ধৰিবলৈ পালে কিছু শোক পাহৰিব বুলিহে মই ভাবিছোঁ ।

—তেনেহলে বল !

—পৰহিমানে তেনেহলে ও.।। ।

—সঁচাকৈয়ে নে ?

—ওঁ। যামেই যেতিয়া আৰু দেৰি নকৰো। আগত দুদিন বন্ধ আছে তোক থৈ গুচি আহিব পাৰিম ।

এতিয়া তই বহ মই চাহ কৰো। অৰুণে কেটলিটো ষ্টোভটোত তুলি দি দুকাপ চাহ কৰি একাপ সুৰেন্দ্ৰৰ হাতত তুলি দিলে।

চাহ খাই শেষ কৰি অৰুণে ক'লে--সুৰেন্দ্ৰ তই অকমান সময় থাক, মই যাও গাৰ্ডী আহিবৰ সময় হৈছে। সেই সময়তে মদনলাল আহি পালেহি ।

—মদনলাল তই আহিলি ভালেই হ'ল। তই বহ মোৰ ডিউটি আছে।

—মদনলাল !

—ভাইজী !

—মই অৰুণহঁতৰ গাঁৱলৈ যাও বুলি ভাবিছোঁ ।

—অৰুণবাবুৰ ঘৰটো বহুত বানপানী হৈছিল ।

—ও এতিয়া শুকাল। বুজিছ মদনলাল সেইয়া বলিয়া বান আহিছিল, যি বানে বিজয়া আৰু পায়েলক লৈ গ'ল। ভগৎসিঙো সেই শোকতে নিৰুদ্দেশ হ'ল। বমেশো উটি গ'ল। সকলোৱে মোক এৰি গুচি গ'ল মদনলাল, এৰি গুচি গ'ল। মই আৰু ইয়াত

থাকিব নোৱাৰো মদন। ইয়াত থাকিলে মই পাগল হৈ যাম-পাগল হৈ যাম। মই যে একো কৰিব নোৱাৰিলো। মোৰ কল্পনাৰ বালিঘৰ ভাঙি চিঙি উটি গ'ল মদনলাল। তহঁতে মাত্র মানুহ হৈ জীয়াই থাকিবলৈ চেষ্টা কৰিবি। তহঁতৰ কামৰ মূল্য আদায় কৰিব পাৰিব লাগিব। মনত ৰাখিবি কামেহে মানুহক ডাঙৰ কৰে। বহি খোৱা জাতি এটাই কেতিয়াও উন্নতি কৰিব নোৱাৰে। তহঁত কৰ্ম্মী হৈ অসমৰ ধাই-ভনী সকলৰ লগত এক হৈ মিলি জুলি থাকি বৃহৎ অসমীয়া জাতি গঢ়াৰ চেষ্টা কৰিবি।

মদনলালে একো নামাতিলে। তাৰ দুয়ো ধাৰে দুধাৰি চকু-পানী বৈ গ'ল—সুৰেন্দ্ৰই আকৌ ক'লে-মদনলাল কিমান দিন মই এনেকৈ থাকিম। মই আৰু ৰেল চলাব নোৱাৰো। মই যে এতিয়া চকুৰে নেদেখো।

--তেনেকৈ নকব ভাইজী। আপুনি ভাল হ'ব।

-- ভাল হ'ম। কৰ পৰা। সুৰেন্দ্ৰই অট্টহাস্য কৰি হাঁহিলে। সুৰেন্দ্ৰই হঁহা দেখি মদনলাল উচুপি উঠিল।

—তই কান্দিছ মদনলাল ?

—নাকান্দিবি ! হাঁহিবলৈ চেষ্টা কৰ।

হাঁহি আৰু কান্দোনৰ মাজতেই যে মানুহৰ জীৱন। তহঁতেনো মোৰ কাৰণে আৰু কিমান কৰিবি। মই তহঁতৰ কি হওঁ।

--ভাইজী ! কোন কাৰ কি হব লাগে ভাইজী ? এটা ভগৱানেইটো সকলোকে সৃষ্টি কৰিছে।

—এৰা মদন, তই ঠিকেই কৈছ ! একেজন ভগবানেই সকলোকে সৃষ্টি কৰিছে। মোৰ কাৰণে তহঁতে যি কৰিছ তাৰ প্ৰতিদান মই কিহেৰে দিম !

—নাই নাই ভাইজী তেনেকৈ নকব। আমি একো কৰা নাই !

- এৰা তহঁতে একো কৰা নাই। সুৰেন্দ্ৰই হাঁহিলে।

মদনলালৰ বৰ অসহ্য লাগিল। কি কৰিম কি নকৰিব সি একো ভাবিবই নোৱাৰিলে।

সুৰেন্দ্ৰই মদনৰ ফালে মুখ ঘূৰাই ক'লে—তোৰ যদি কাম আছে যা মই পাৰিম। অকলে থাকিব পাৰিম। অকলে থাকি মোৰ ভালেই লাগে। মদনলালে ভাবিলে আচলতে সুৰেন্দ্ৰই অকলে থাকিব বিছাৰিছে—মদনলাল ঠিয় হ'ল আৰু সুৰেন্দ্ৰৰ হাতখনত ধৰি ক'লে—তেনেহলে মই যাও ভাইজী!

—অঁ যা আকৌ আহিবি।

মদনলাল যোৱাৰ পিছত সুৰেন্দ্ৰই ভাবিলে মোৰ অশ্ৰুধাৰা নিৰবে বৈ থাকিলেও সেই অশ্ৰুধাৰাৰে মোৰ অন্তৰৰ জুইকুৰা নুমুৱাব নোৱাৰে। দিনৰ প্ৰতিটো প্ৰহৰে মোলৈটো কোনো উপহাৰ কঢ়িয়াই অনা নাই—আনিছে মাত্ৰ উপহাস। সি অকলে অকলে হাঁহিলে আৰু সৰু কোঠালিটোৰ ভিতৰতে গুণগুণালে—

জীৱন এন্ধাৰ
জগত এন্ধাৰ
তুমিটো বিজুলী চাকি,
তোমাৰ জ্যোতি যদি
বুকুতে হেৰায়
দিলাই বা অকমান ফাঁকি।

## ( ৫০ )

ককায়েকক দেখি পাহী অকুমৰ পৰা তললৈ নামি আহিল আৰু নিজৰ চকুৰে ককায়েকে সুৰেন্দ্ৰক হাতত ধৰি অনা দেখি ভাবিলে — সঁচাকৈয়ে তেনেহলে সুৰেন্দ্ৰ ককায়ে চকুৰে নেদেখা হল—আঐ দেহি—তাই ককায়েকৰ ওচৰ পালেগৈ কিন্তু একো মাতিব নোৱাৰিলে। —পাহী ! ককায়েকৰ মাতত তাই তধা লাগি ককায়েকলৈ চালে। সুৰেন্দ্ৰই বিষাদ মনেৰে হাঁহি হাত দুখন মেলি দি খপিয়াই খপিযাই পাহীক বিচাৰিলে।

—পাহী ! পাহী !

সুৰেন্দ্ৰই আকুল হৈ তাইক মাতিলে। পাহী আৰু তাত বৈ থাকিব নোৱাৰিলে বিহাৰ আগটো মুখত গুজি তাই অকুমলৈ দৌৰ মাৰিলে আৰু মেৰামৰ (জুইশাল) কাষত বহি হুকহুকাই কান্দিবলৈ ধৰিলে। জুহালত ভাত সিজাই পাহীৰ বৌযেক ফুলিযে তাইলৈ চাই খঙেৰে ক'লে—কিমাননো কান্দ পাহী ৰমেশলৈটো তোক বিয়া দি উলিযাই দিযা নাছিলোঁ। বিযাৰ বন্দোৱস্ত হে হৈছিল যি হ'ব লগা আছিল হ ল।

—মই জানো তাৰ কাৰণে কান্দিছোঁ - সোৱা ছাগৈ যাচোন - সুৰেন্দ্ৰ ককাই—

—অ' তাকেনো নকয় কিয় ?

ফুলিয়ে যৰে বস্তু ততে পেলাই বাহিৰলৈ দৌৰ মাৰিলে। সঁচাকৈয়ে তাই দেখা পালে অৰুণে সুৰেন্দ্ৰক ধৰি ধৰি ওপৰলৈ

উঠি আহিছে। তুংগোঙত ভৰি দি সুৰেন্দ্ৰই হাতখন আগবঢ়াই চিঞৰি উঠিল পাহী ! পাহী ! হাতচুখন মেলি সি তাইক বিচাৰিলে তাৰ মাতত এক গভীৰ বেদনা প্ৰকাশ পালে। সি যেন পাহীকে বিচাৰি আহিছে। পাহী নহলে যেন তাৰ জীৱনৰ কুসুম পাহী শুকাই মৰহি যাব ! তাই যেন শেষত তাৰ জীৱনৰ সম্বল। এনে তাৰ ভাব হ'ল। পাহীক ওচৰত নেদেখি অৰুণে ভিতৰলৈ চাই মাতিলে পাহী কলৈ গলি ? বেগেতে ! ককায়েকৰ মাতত তাই চকুপানী মচি ওলাই আহিল।

—এইজনী পাহী সুৰেন্দ্ৰ :

সুৰেন্দ্ৰই হাতেৰে খেপিয়াই খেপিয়াই পাহীৰ হাত এখন বিচাৰিলে আৰু মৰমেৰে মাতিলে—পাহী, পাহী, সুৰেন্দ্ৰই তাৰ হাত-খনেৰে পাহীৰ হাতখন ধৰি ক'লে– মই চকুৰে নেদেখা হলো পাহী, নেদেখা হলো।

তাইৰ হাতখনত ধৰি সি যেন উপলব্ধি কৰিলে মমতা, বিজয়া, পায়েল আৰু মৃত অৱমানি শিশুটিৰ সমস্ত মৰম। দুয়োখন হাতেৰে পাহীৰ এখন হাত খামুচি ধৰি সুৰেন্দ্ৰই কান্দিলে— সুৰেন্দ্ৰৰ অৱস্থা দেখি অৰুণে পাহীলৈ চাই ক'লে তাক ভিতৰলৈ লৈ যা আৰু খোৱাৰ যোগাৰ কৰগৈ। মই কাপোৰ কানি সলাই লও।

পাহীয়ে সুৰেন্দ্ৰৰ হাতত ধৰি লাহে লাহে ভিতৰলৈ সোমাই গ'ল। এক গভীৰ স্নেহেৰে তাই যেন তাৰ কথাবোৰ বুজিবলৈ চেষ্টা কৰিলে। ভাগ্যই তাইক নিৰ্মম ভাবে আঘাট কৰিলেও কেতিয়াও তাই বিচলিত নহয়। পাহী স্থিৰ হ'ল আৰু তাক মেৰামৰ কাষত পাৰি থোৱা ঢাৰিখনত বহুৱাই দিলে। লাহে লাহে তাইৰ হাতখন সুৰেন্দ্ৰৰ হাতৰ পৰা এৰাই আহিল আৰু আনন্দ বেদনা সুখ দুখ আদি সমস্ত ধুমুহা নিমিষতে অতিক্ৰম কৰি এক পৰম প্ৰশান্তিৰ স্তৰলৈ তাই যেন গতি কৰিবলৈ উদবাউল হৈ পৰিল।

( ৫১ (

সময়বোৰ পাৰ হ'বলৈ ধৰিলে। অৰুণে ১২ দিন গাঁৱৰ ঘৰত থাকি কামত জইন কৰিবলৈ লামডিঙলৈ গ'লগৈ। অৰুণ গ'ল যদিও সুৰেন্দ্ৰৰ বেয়া নালাগিল। সুৰেন্দ্ৰও লাহে কাহে সহজ হৈ পৰিল। গাঁৱৰ ৰাইজেও সুৰেন্দ্ৰক নিজৰ ল'ৰা হিচাবে গ্ৰহণ কৰিলে। গাওবুঢ়াই ক'লে - তাকনো কলৈ পথাতি, আমিয়েই তাক জীয়াই ৰাখিব লাগিব। পাহীয়ে নিতৌ তাৰ যত্ন লবলৈ ধৰিলে লগতে ফুলিয়েও। সি অকলে অকলে বহি বহি ৰেল চলোৱাৰ সপোন দেখে। কোনো দিন সি যেন ৰেল চলাব নোৱাৰিব। সেই কথা ভাবিলে তাৰ হিয়াখন ভাঙি যাব খোজে। সকলোৱে তাক এৰি গুচি গ'ল -সেইবোৰ দিন আৰু কোনো দিন ঘূৰি নাহে।

শোক স্মৃতিৰে বিবৰ্জিত ছায়াবোৰে তাক যেন চাৰিওফালৰ পৰা ঘেৰি ৰাখিছে। সি নিজে নিজে হাঁহে নিজে নিজে কান্দে তথাপিও যেন হৃদয়ৰ প্ৰবল আবেগে তাক সুদূৰলৈ টানি নিয়ে। সি ভাবে সকলোৱে এৰি গ'লেও তাক এৰি নিদিলে তাৰ বাল্য-বন্ধু অৰুণে। আৰু পাহী, পাহী তাৰ কোনোবা জনমৰ অতিকৈ আপোন আছিল।

—ককাই। পাহীৰ মাতত সুৰেন্দ্ৰই হাঁহি মাৰি ওপৰলৈ চাল— পাহী! সুৰেন্দ্ৰই পাহীৰ হাতখন থাপমাৰি ধৰিলে।

—অঁ মই ককাই -কি ভাবি আছ ব'ল ফুৰিবলৈ যাও'

—কলৈ ?

—আমাৰ পানী অনা ঘাটলৈ সোৱণশিৰিৰ পাৰলৈ ফুলিও যাব।

—হয়নে ? মইনো গৈ কি দেখিম ?

কিয় তই বহল সোৱণশিৰি দেখিবি আকাশ দেখিবি তৰা দেখিবি নদীৰ কলকলনি শুনিবি।

—কেনেকৈ পাহী—কেনেকৈ ?

সুৰেন্দ্ৰই চিএঃৰি সুধিলে—পাহীয়ে সুৰেন্দ্ৰৰ হাতখনত ধৰি ক'লে,—মোৰ চকুৰে ককাই, মোৰ চকুৰে তই দেখিবি।

—সঁচাকৈয়েনে পাহী ?

আকুলভাৱে সুৰেন্দ্ৰই পাহীৰ হাতখন খামোচি ধৰি সুধিলে।

—অঁ ককাই। তই সুধি যাবি মই বৈ যাম।

—মোৰ কাৰণে তই ইমান কষ্ট কিয় কৰিবি পাহী ?

—কিয় আৰু এনেয়ে ! মইনো কি কৰিম তোক ধৰি ধৰি নিম ধৰি ধৰি আনিম। দুদিনমান অভ্যাস কৰি দিয়াৰ পাছত তই নিজেই আহিব পাৰিবি। তোক ঘুৰাবলৈ দেখোন ককায়েও বৈ গৈছে। অঁ হয় নেকি ? তেনেহলে ব'ল বাৰু—

সুৰেন্দ্ৰ ঠিয় হ'ল আৰু পাহীৰ হাতত ধৰি আকুনৰ পৰা নামি গাঁৱৰ আলিয়েদি নদীৰ ফালে আগবাঢ়িল। সিহঁতে গৈ নদীৰ কাষ পালেগৈ। সি তাইক সুধিলে নদী পালেহিনেকি পাহী ? অঁ ককাই পালোহি। সেইয়া আমাৰ মৰমৰ সোৱণশিৰি। তই এতিয়া ইয়াতে বহ মই কলহত পানী ভৰাই লও।

—বহচোন। মোৰ ওচৰতে অকমান পৰ বহ। ফুলি কলৈ গ'ল ?

—সৌৱা পানী ভৰাইছেগৈ।

—এতিয়া বেলি ডুবিবলৈ কিমান পৰ আছে পাহী ?

—বেছি পৰ নাই ককাই, কিয় সুধিলি ?

—অস্তগামী সূৰ্য্যৰ শেষ ৰশ্মিজাক পৰি নদীৰ বুকুখন সেন্দুৰীয়া কৰি

তোলা নাই নে বাক ?

পাহীয়ে চাৰিওফালে চাবলৈ ধৰিলে সঁচাকৈয়ে বেলি পৰো পৰো হোৱা শেষ কিৰণ জাকে নদীখনৰ পানীবোৰ ৰঙোচোৱা কৰি তুলিছে। পাহী আনন্দিত অধিব হ'ল।

—হয় ককাই হয়—সেন্দুৰীয়া হৈছে। সদায় এনে হয়নে ককাই ?

—নেতী ! সদায় হয়। তহঁতে দেখা নাপাৱ হবলা।

তাই লাজ লগাকৈ ক'লে— নাই ককাই আজিহে মই দেখিলোঁ।

— সদায় চাবিচোন, দেখিবি। বুজিছ পাহী এনেবৈয়ে পৃথিৱীৰ বুকুত সদায় সুন্দৰতাৰ সৃষ্টি হয় কিন্তু আমি দেখা নাপাও, পাবলৈ চেষ্টা নকৰো। মানুহৰ ভিতৰখন যেতিয়া অন্ধকাৰ হৈ পৰে বাহিৰত তেতিয়া উজ্জ্বলতাৰ সৃষ্টি হয় কিন্তু আমাৰ মেঘাচ্ছন্ন দৃষ্টিত সেই উজ্জ্বলতাই সহজে ধৰা দিব নোখোজে। সেই দৰেই পাহী আমাৰ হাততে পোৱা সুখ আমাৰ হাততে হেৰায যায়।

পাহীয়ে তাৰ কথাবোৰ মনযোগেৰে শুনিলে কিন্তু সঠিক কৈ বুজিব নোৱাৰিলে। তাই ঘূৰি চাই দেখিলে ফুলিযে দূৰত পানীৰ গাগৰীটো মাটিত থৈ সিহঁতলৈ বৈ আছে। তাই সুৰেন্দ্ৰৰ হাতখনত ধৰি ক'লে বল ককাই ফুলিযে আমৰ কাৰণে বৈ আছে।

—কতা তই দেখোন আকাশখনৰ কথা নকলি।

—সৌখন আকাশ ককাই, আকাশত মেঘ নাই, সুন্দৰ নীলা আকাশ। চৰাইবোৰ নদীখন পাৰ হৈ উৰি গৈছে।

—সিহঁতে নিজৰ সজা বিচাৰি উৰি গৈছে পাহী।

—ওঁ, পাহীয়ে শলাগি থলে আৰু বৰালত গাগৰীটো লৈ এটা হাতেৰে পাহীয়ে সুৰেন্দ্ৰৰ হাতত ধৰিলে— পাহীৰ পানী লাগি থকা চেঁচা হাতখনে সুৰেন্দ্ৰৰ হাতখনৰ এক মধুৰ উত্তাপ অনুভৱ কৰিলে।

সুৰেন্দ্ৰ আগবাঢ়িল। অন্ধকাৰে যেন আচ্ছন্ন কৰি ৰখা পথটোত

সি আগবাঢ়িবলৈ চেষ্টা কৰি ভাবিলে —তাৰ হৃদয়ৰ গোপন গৃহ যেন আজি একেবাৰে উদং ! এখন হৃদয়ৰ ভাল পাব পৰা যি শক্তি আছিল সেই শক্তিবোৰ যেন কেতিয়াবাই শেষ হৈ গৈছে। তাৰ জীৱনৰ উদং ভৰালৰ দুৱাৰ দলিত আজি পাহী যেন অনাহুত ভাৱে লক্ষ্মীদেবী হৈ উপস্থিত হৈছেহি তাৰ এনে ভাব হ'ল।

তাৰ খোজ কাটি যাওতে নিজকে বৰ অসহায় যেন লাগিল। এই অসহায়তাৰ যেন কোনো আশ্ৰয় নাই।

-- + -

( ৫২ )

সময়ৰ লগে লগে পাহী সুৰেন্দ্ৰৰ ওচৰ চাপি আহিল। সুৰেন্দ্ৰই আজি কালি অকলেই ঘৰটোৰ ভিতৰত ঘূৰি ফুৰিব পাৰে। কিছুদূৰ অকলে অকলেও আলিবাটটোত ফুৰিব পাৰে। সৰু ল'ৰা ছোৱালী বিলাকেও সুৰেন্দ্ৰক বাটত সহায় কৰি দিয়ে। সকলোৱে ককাই বুলি মাতে, মৰম কৰে। সময় যোৱাৰ লগে লগে পাহীয়েও সকলো দুখ পাহৰি নিশা গভীৰ টোপনিত লালকাল দিয়া হ'ল।

আজি কালি আৰু আগৰ নিচিনাকৈ ফুলিৰ বুকুত পাহীয়ে উচুপি নউঠে।

বাৰিষা গৈ শৰৎ সোমাইছে মাত্র, আহিনৰ ঝিম ঝিম কুৱলি তুৱলি বনত সৰি পৰিবলৈ আৰম্ভ কৰিছে। আলিবাটত এতিয়া আৰু পানী বোকা নাই।

ফুলিয়ে চেষ্টা কৰিও টোপনি যাব পৰা নাই—মেলা চকু মেলাতেই আছে। বাহিৰত ফৰিং ফুটা জোনাক, সিহঁতৰ ঘৰৰ বেৰৰ জোলোঙাই দি জোনাকৰ জিলিমিলি পোহৰ আহি তাইৰ ওচৰতে শুই থকা পাহীৰ গাত পৰিছেহি। ফুলিয়ে পাহীৰ ফালে কাটি হ'ল আৰু আন্ধাৰতে তাইলৈ চালে—আজি কেইদিনমানৰ পৰা পাহীয়ে ভালকৈ টোপনি যোৱা হৈছে। ইয়াৰ কাৰণ ফুলিয়ে বিছাৰি উলিয়ালে। ইয়াৰ কাৰণ হ'ল যৌৱনৰ প্ৰেম গঙ্গাৰ উতলা তৰঙ্গমালাৰ তালে তালে অৱগাহন কৰিছে সুৰেন্দ্ৰ আৰু পাহীয়ে। ফুলিয়ে উচপ খাই উঠিল? এইটো কেনেকৈ হ'ব? সি আমাৰ জাতিৰ নহয় তাতে অন্ধ হৈ পৰা ল'ৰা এটালৈ ছোৱালী দিব পাৰিবনে? তাতে সি আগতে এজনী বিয়া কৰাইছিল, ছোৱালী এজনী হৈছিল বোলে— সেইবোৰ অৱশ্যে পাহীয়ে জানে। কিছুমান কথা জানি শুনিও মানুহে ভুল কৰে। ভুলকে শুদ্ধ বুলি ভাবে। নাই নাই পাহীক আৰু ভুল কৰিবলৈ দিব নোৱাৰি। কালিৰ পৰা সুৰেন্দ্ৰৰ আলপৈচান পাহীয়ে ধৰিব নোৱাৰে। এইবোৰ কথা কেনেবাকৈ অৰুণে গম পালে কিমান ডাঙৰ কথা হব। কথাবোৰ ভাবি ভাবি থাকোতেই ফুলি কোনোবা সময়ত টোপনি গ'ল। ৰাতিপুৱা কেতিয়া বেলি ওলাল তাই ধৰকে নোৱাৰিলে। হয়তো নিশা টোপনি নোহোৱাৰ কাৰণেই তাই সাৰ পোৱাত পলম হ'ল। শোৱা পাটীখনত পাহীক নেদেখি তাই চিঞৰি মাতিলে—পাহী—অ' পাহী।

পাহীয়ে দৌৰি আহি ফুলিলৈ চাই ক'লে— তোৰ হবলা উঠিবৰ হোৱাই নাই—সৌৱা চাহিচোন ৰকাই আহিছে।

ককায়েৰ আহিছে ?

পিঠিত সিচৰিত হৈ থকা চুলিখিনি দুই হাতেৰে বান্ধিবলৈ চেষ্টা কৰি ফুলি তুংগৌঙলৈ দৌৰ মাৰিলে ।

অ' হয়তো, ইমান ৰাতিপুৱাই !

—তেনেহলে মই কোৱা মিছা বুলি ভাবিছিলি— কথা কৈ কৈ পাহী তললৈ নামি গ'ল আৰু ককায়েকৰ হাতৰ পৰা বেগটো লৈ সুধিলে— ইমান ৰাতিপুৱাই কেনেকৈ আহিলি ককাই ?

ৰাতিৰ বাচত ।

সিহঁত তুংগৌঙলৈ উঠি গ'ল । অৰুণ অহা গম পাই সুৰেন্দই শুৱা পাটিখনৰ পৰা উঠি আহি মাতিলে— অৰুণ আহিলি !

—অ' সুৰেণ তোক নিবলৈ আহিছোঁ ।

—মোক নিবলৈ ? কিয় ? নাই নাই মই ইযাতে থাকিম, মই ইয়াতে শান্তি পাইছোঁ ।

ফুলি আৰু পাহীয়ে কথটো শুনি আচৰিত হ'ল । অৰুণে সুৰেন্দ্ৰক পাটীখনত বহুৱালে । সিও তাৰ ওচৰতে বহি ললে— চিন্তা নকৰিবি সুৰেণ তোৰ ভালৰ কাৰণেহে তোক মই নিবলৈ আহিছোঁ— কলনিৰ সকলোৱে তোৰ কাৰণে বাট চাই আছে !

—বাট চাই আছে ?

—অ' বাট চাই আছে । তোৰ চকুৰ এটা অপাৰেচন হব সুৰেণ ।

—অপাৰেচন ? কিয ?

—তই দেখা পাবলৈ ।

—সচাঁনে ককাই— পাহীয়ে উৎফুল্ল হৈ সুধিলে ।

--হয় পাহী, হয় ।

—কেনেকৈ দেখা পাব ককাই ?

—পাব । চকুৰ অপাৰেচন হ'লে ।

ফুলিয়ে মনতে ক'লে চকুৰ অপাৰেচন ? সেৱা পৰা

চকুহাল মেলি ফুলিয়ে অৰুণলৈ চালে--। তাই যেন একো বুজি পোৱা নাই।

সুৰেন্দ্ৰই উচপিচ কৰি উঠিল আৰু ক'লে— অৰুণ কথাটো কি বুজাই কচোন—

অৰুণে হুমুনিয়াহ এটা কাঢ়ি ক'লে শুনিব খুজিছ যদি শুন— তইটো জানিছিলিয়েই ভগৎসি নিৰুদ্দেশ হৈছে কিন্তু আচৰিত ভাবে সিদিনা গুৱাহাটীৰ আউটাৰ চিগনেলৰ কাষত ৰেলৰ লাইনৰ ওপৰত পৰি সি আত্ম-হত্যা কৰিবলৈ চেষ্টা কৰিছিল—হস্পিতেললৈ অনাৰ পিছত ডাক্তৰে বচা-বলৈ বহুত চেষ্টা কৰিলে—

কিন্তু নাবাছিল। অৰুণ অলপ সময় মনে মনে থাকি আকৌ ক'লে—ইমাতে শেষ নহয় সুৰেণ ইমানতে শেষ নহয় সি কন্দিছিল। ফুলি আৰু পাহীয়েও উচুপি উঠিছিল।

—তাৰ পিছত অৰুণ? সুৰেন্দ্ৰই কিন্তু কন্দা নাছিল তাৰ চকু শিল হৈ গৈছিল!

-তাৰ পিছত? তাৰ পিছত সুৰেণ, তোৰ নাম ঠিকনা দি চকু দুটা দান দি আৰু সি নিমিষতে চকু মুদিলে। লগে লগে ডাক্তৰে 'আই বেঙ্কলৈলৈ খবৰ দিলে আৰু প্ৰায় তিনি ঘণ্টামানৰ ভিতৰতে চিকিৎসক সকলে অতি শ্ৰদ্ধাৰে সৈতে চকু দুটা তুলি আনিলে আৰু প্ৰথমে থাৰ্ম্মোফ্লাস্কত ৰাখি আই বেঙ্কত থবলৈ নিলে।

—তাৰ পিছত? পাহীয়ে আচৰিত হৈ সুধিলে—

—তাৰ পিছত তাৰ চকু গাত হৈ যোৱা অৱশত দুটা কৃত্ৰিম চকু লগাই দি আই বেঙ্কৰ পৰা এখন পতকা আনি ভগৎসিঙৰ গাত দি দিলে!

সেইখিনি সময়ত তই আছিলিনে ককাই?

—অঁ আছিলোতো। মই কিয়? ষ্টেচনৰ প্ৰায় সকলো মানুহৰে হস্পিতেল ভৰি গৈছিল। তাৰ পিছত পতকাখনত কি লিখা আছে জান?

—কি লিখা আছিল ককাই !

—লিখা আছিল "দৃষ্টিহীনক দৃষ্টি দিবলৈ গৈ এই মহান ব্যক্তিজনে তেওঁৰ চকু দুটি দান কৰিছে।"

—অৰুণ ! তেনেহলে ভগৎসিঙ মহান হ'ল !

—এবা সুৰেন্দ্ৰ মহান ত্যাগৰ বলত কেতিয়াবা সাধাৰণ মানুহো মহান হৈ পৰে।

আমি অজ্ঞ মানুহবোৰে নিজকে ভিন ভিন দেখো—জাতি অজাতি বিচাৰ কৰো, উচ্চ-নীচ ভেদাভেদ কৰি নিজৰ আত্মাকে হেয়জ্ঞান কৰো।

অৰুণে হুমুনিয়াহ এটা কাঢ়ি আকৌ ক'লে—তাৰ ভৰি দুটা কাটি গৈছিল আৰু অতিপাত ৰক্ত ক্ষয়ৰ কাৰণে বচাব নোৱাৰিলে। তেজ দিবলৈ মানুহে লাইন লাগিছিল কিন্তু কি হ'ব তেজ দিয়াৰ আগতেই সি পৃথিৱীৰ পৰা বিদায় মাগিলে। সি বোলে ডাক্তৰক কৈছিল—সুৰেন্দ্ৰই দৃষ্টি শক্তি পালে দেশৰ কাম হ'ব, কিন্তু সি দুনীয়াত বাচি থাকি কি লাভ হ'ব !

কথাখিনি শুনাৰ পাছত ফুলি, পাহী আৰু অৰুণৰ দেউতাক সেই ফালেই থৰ লাগিল। ফুলিয়ে নিশা ভৰা কথাবোৰ চিন্তা কৰি নিজকে ধিক্কাৰ দিলে। এজনৰ মহান ত্যাগৰ আগত তাই নিজকে নিঃস্ব যেন লাগিল। তাই মনতে ভাবিলে—হে ভগৱান ক্ষমা কৰিবা, তাইৰ দুইচকুয়েদি পানী বাগৰি গ'ল।

ইমান পৰ থৰ হৈ নিমাতে থকা সুৰেন্দ্ৰই মাটিত হাত চপৰিয়াই চপৰিয়াই বলিয়াৰ দৰে চিঞৰি উঠিল—ভগৎসিঙ তই কি কৰিলি—মোক চকু নালাগে ভগৎসিঙ, চকু নালাগে। অৰুণে সুৰেন্দ্ৰক সাৱটি ধৰি বুজনি দিলে নাকান্দিবি সুৰেণ, পৃথিৱীত এনে কিছুমান মানুহ আছে যি নেকি নিজকে লোকৰ কাৰণে বিলাই দি শান্তি পায়। এয়ে প্ৰকৃত মানৱ প্ৰেম, য'ত নাই স্বাৰ্থ, য'ত নাই প্ৰতিদানৰ তৃষ্ণা।

কিন্তু তাৰ এই ভয়ঙ্কৰ বিচ্ছেদ সহ্য কৰিব নোৱাৰো অৰুণ ! তাৰ এই সকৰুণ ভাগ্য আমি চিৰদিন স্মৰণীয় কৰি ৰাখিব লাগিব— কাৰণ শুভই হওঁক বা অশুভই হওঁক সি আমাক চিৰদিনৰ কাৰণেই এৰি গুচি গ'ল অৰুণ ।

সুৰেন্দ্ৰৰ দুয়ো চকুয়েদি পানী বাগৰি আহিল— আৰু অকমান সময়ৰ পিছতে আঠুত মূৰ থৈ হুকহুকাই কান্দিলে ।

ভগৎসিঙক হেৰুৱা মৰ্ম্ম পীড়াই যেন সুৰেন্দ্ৰক বাৰে বাৰে তাৰ ওচৰলৈ টানি নিলে । সি চকুৰ আগত দেখা পালে তেজ আৰু তেজ— চিৰ বিদায় লোৱাৰ কি মৰ্ম্মান্তিক উপহাৰ ।

সুৰেন্দ্ৰই মূৰটো তুলিলে আৰু অৰুণলৈ চাই ক'লে—মোক তাৰ চকু নালাগে অৰুণ, চকু নালাগে—মই, মই কাক চাম ? কাক চাম—কাক চাম ? তই গুচি যাগৈ । পাহী মোক নদীৰ পাৰলৈ লৈ বল— মই নদীৰ বুকুৰ শীতল বতাহ লওগৈ, নদীৰ পাৰৰ কোমল বালিৰ স্পৰ্শত হিয়াখন সাত কৰো — লৈ বল পাহী লৈ বল । অ' জানিছোঁ তইঁতেও মোক খেদিবলৈ বিচাৰিছ ? সি আকৌ কেচুৱা লৰাৰ নিচিনাকৈ কান্দি উঠিল ।

অৰুণে তাক দুয়োহাতেৰে সাবটি ধৰিলে আৰু ক'লে— বন্ধু মোৰ ! তোৰ নিচিনা মোৰ জ্ঞান নাই তথাপিও মই কও এইদৰেই কোনো কোনো মানুহক স্বৰ্গই নিজৰ কোমল শ্বেতবৰ্ণ শুভ্ৰ মেঘৰাশিৰ মাজলৈ তুলি নিয়ে । এয়ে যেন ঈশ্বৰৰ কোলা । ভগৎসিঙ অনন্ত কালৰ সুন্দৰ জীৱন লাভ কৰিবৰ যোগ্য, সেইয়ে ঈশ্বৰে লৈ গ'ল— সুৰেন্দ্ৰ ! সকলো মানুহৰে অন্তৰত এটা অন্তিম বাসনা থাকে— ভগৎসিঙৰো অন্তিম আশা আছিল—

—কি আশা আছিল তাৰ ? কি আকাঙ্খা আছিল তাৰ ?

—তই যেন দৃষ্টিশক্তি ঘূৰাই পাৱ !

—উস্ আকৌ তই তাকেই কৈছ ?

—অ' মই তাকেই কম— তই ইমান অবুজন কেতিয়াৰ পৰা হলি—সুৰেণ ? অন্ততঃ তই ভগৎসিঙৰ অন্তিম কামনা পূৰ কৰিব লাগিব। তই দৃষ্টি শক্তি ঘূৰাই পাব লাগিব।

—তাৰ পিছত কি হ'ব ? সুৰেন্দ্ৰই ডাঙৰ কৈ ভঙা ভঙা মাতেৰে সুধিলে।

—তাৰ পিছত মানুহৰ অন্তিম লক্ষ্য পূৰ্ণ কৰিব পাৰিলে মৃত আত্মাই শান্তি পায়। আৰু তই পৃথিবীৰ অপূৰ্ব্ব সৌন্দৰ্য্য দেখা মাত্ৰকেই আমাৰ আকুল হৃদয় শান্ত নহব জানো ? শ্যামলাল, মদনলালহঁতৰ অশ্ৰুধাৰা মুহূৰ্ত্ততে শুকাই নাযাব জানো ?

—যাবনে অৰুণ ?

—অঁ যাব সুৰেণ, যাব।

সি পুনৰ বহি পৰিল আৰু অৰুণৰ হাতখন টানি ধৰি ক'লে — মানুহক ভালপোৱাৰ যি শক্তিৰ প্ৰয়োজন, সেই শক্তি মোৰ নাই অৰুণ, সেই সকলোবোৰ পুৰি যেন শেষ হৈ গৈছে।

—এৰা তই ঠিকেই কৈছ, পুৰি শেষ হৈ যোৱাটো স্বাভাৱিক, কিন্তু মানুহেই জানো আশাধাৰি জীৱ নহয় ? তেনেহলে কিয় তই নতুনকৈ আশা কৰিবলৈ নিশিকিবি ? জীৱাই থাকিবলৈ নিশিকিবি ? আনন্দময় প্ৰেৰণা ঘূৰাই পাবলৈ নিশিকিবি ?

এইবাৰ সুৰেন্দ্ৰই হাঁহি মাৰি ক'লে — কাৰ প্ৰেৰণাৰে মই আনন্দময় হৃদয় এখন ঘূৰাই পাম ? কোনে মোক আকৌ প্ৰেম দিব ? মই আকৌ কাৰ আনন্দিত হৃদয় দেখা পাম ? মই যে সকলো ফালে আতংক দেখা পাইছোঁ অৰুণ ?

—নাই সুৰেণ নাই—কতো এতিয়া আৰু আতংক নাই। এই সকলোবোৰ তোৰ মনৰ ভ্ৰম এতিয়া তোৰ জীৱনৰ দুৱাৰ দলিত পুনৰ নতুন আশাই ভুমুকি মাৰিছে—সোৱা তই চাবলৈ চেষ্টা কৰচোন

সূৰ্য্য কিৰণৰ কোমল উজ্জ্বলতা !

সুৰেন্দ্ৰ শান্ত হৈ পৰিল। আজি এই মুহূৰ্ত্তত যেন সি অন্তৰত ভগৎসিঙৰ নিস্বাৰ্থ প্ৰেমৰ প্ৰশান্তি অনুভৱ কৰিছে। সেয়া যেন ভগৱানৰ মঙ্গলময় আশীৰ্ব্বাদ।

অৰুণে তাক পুনৰ তুলি ধৰি বুজনি দি ক'লে—মোৰ প্ৰাণৰ বন্ধু ! হৃদয় শান্ত কৰ। হৃদয় যেতিয়া শান্ত হয় তেতিয়া হৃদয়ৰ গভীৰতম অনুভূতিক কোনেও বিঘিনি ঘটাব নোৱাৰে বন্ধু ! তই এতিয়া সমস্ত বিভ্ৰান্তিকৰ ভাব আতৰাই মুক্ত হবলৈ চেষ্টা কৰ। কাৰণ তোৰ জীৱনত আনন্দৰ প্ৰভাত উদভাসিত হৈ উঠিবলৈ আৰু বেছি পৰ নাই।

অৰুণ একেচাবে ঠিয় হ'ল— এতিয়া সি ভাবপ্ৰৱন হলে নহ'ব সি চিঞৰি কোৱাৰ দৰে কলে— পাহী ফুলি তহঁতে সুৰেন্দ্ৰ যোৱাৰ কাৰণে যোগাৰ কৰ। আজিযেই আমি গুৱাহাটী পাবগৈ লাগিব ! কালিলৈ তাক হস্পিতেলত ভৰ্ত্তি কৰিবই লাগিব, নহলে ভগৎসিঙৰ ত্যাগ অথলে যাব। হাতত সময় বৰ কম ফুলি, যা বেগেতে খোৱা বোৱাৰ যোগাৰ কৰগৈ।

পাহীয়ে সুৰেন্দ্ৰৰ কাপোৰ কানিৰ যোগাৰ কৰিলে। ফুলিয়ে খোৱাৰ যোগাৰ কৰিলে— পাহীয়ে একো বুজিব পৰা নাই—এইবোৰ কি হ'ল ? তাই মাত্ৰ মেচিনৰ দৰে কাম কৰি গৈছে, কণ্ঠ ৰোধ হৈছে, বুকুখন ঢুৰু ঢুৰু কৰি কপি উঠিছে। সৰ্ব্বশৰীৰত উঠা কপনিটো তাই যেন ধৰি ৰাখিব পৰা নাই। কোনো মুহূৰ্ত্তত তাই আনন্দৰ পুলকতা অনুভৱ কৰিছে, কেতিয়াবা উদাস ভাবে তাইক আগুৰি ধৰিছে। প্ৰতিটো মুহূৰ্ত্তে যেন তাইক লৈ খেলা আৰম্ভ কৰি দিছে। তাই যে আজি নিৰুপায়। কি কৰিব ? কলৈ যাব. কি কথা বা কাক কব ? ফুলিৰ খোৱাৰ যোগাৰ হ'ল। অৰুণহঁতে খোৱাবোৱা শেষ কৰি যাবলৈ সাজু হ'ল। ফুলিয়ে

নিজৰ হৃদয়ত ব্যথা অনুভৱ কৰিলে। সুৰেন্দ্ৰৰ প্ৰতি তাইৰ দয়া উপজিল। পাহীৰ প্ৰতি থকা খং ভাব এতিয়া তাইৰ নাই।

—ফুলি ?

অৰুণৰ মাতত তাই চক খাই উঠিল। সি তাইৰ ওচৰ চাপি আহিল। সি তাইৰ মুখলৈ চালে—ফুলিয়ে তৎক্ষণাত অৰুণৰ হৃদয় দৰ্শন কৰিলে আৰু সকলো বুজি পালে। তাই তললৈ মূৰ কৰিলে। হৃদয়ৰ ভাব অনুভূতি বিষাদ বেদনা প্ৰেম বিৰহ সকলোবোৰ একাকাৰ হৈ তাইৰ মুখ মণ্ডলত থুপ খালেহি।

সি তাইৰ হাতখনত ধৰি ক'লে - মই এতিয়া যাও।

—ওঁ, ফুলিয়ে সৰুকৈ ক'লে।

—বল সুৰেণ দেৰি হ'ব। ইতিপূৰ্ব্বে গাৱঁৰ ৰাইজ আহি সিহঁতৰ আকুম ভৰি পৰিছিল—আৰু সুৰেন্দ্ৰক আশীৰ্ব্বাদ দিছিল।

সুৰেন্দ্ৰই পাহীৰ হাতখনত ধৰি কলে—যাও পাহী !

পাহীৰ হিয়াখন হঠাতে কপি উঠিল। সমস্ত জগতখন যেন তাইৰ কাৰণে উদং হৈ পৰিল—তাইৰ ডিঙিত কিবা এটাই যেন হেচা মাৰি ধৰিলেহি—তাই সেহাই সেহাই কবলৈ চেষ্টা কৰিলে—আকৌ আহিবি।

অৰুণে এইবাৰ হাঁহি মাৰি কলে— নাহি আৰু সি কলৈ যাব ? আহিবই লাগিব।

সিহঁত আগবাঢ়িল। আলিবাটেৰে খোজ কাঢ়ি যাওতে পাহীয়ে মনে মনে কবলৈ লাগিল— মই তোৰ হাতৰ স্পৰ্শতে শান্তি পাইছিলো - সেই কোমল স্পৰ্শই মোৰ ক্ষতবিক্ষত আত্মাক সঞ্জীৱিত কৰি তুলিছিল সুৰেণ ককাই !

তাই মূৰ তুলি দেখা পালে সন্মুখত সিহঁতৰ মৰমৰ অৱনৰি সোৱণশিৰি—সিহঁতৰ মাতৃ পতিত - পাৱনী ! কিন্তু সেই মুহূৰ্ত্তটোত নদীখন যেন শুকাই তলি ওলাই গৈছে, এটুপিও পানী নাপায় তাইৰ

কণ্ঠ শুকাই গৈছে।

—পাহী !

—ওঁ তাই সুৰেন্দ্ৰৰ মুখলৈ চালে। এক নিবিৰ উদাস সমীৰণে যেন সিহঁত দুটাক চুই গ'ল।

—ব'ল সুৰেণ ! পাহী—! তই তাক নাৱত তুলি দে।

পাহীয়ে সুৰেন্দ্ৰক হাতত ধৰি নাৱত তুলি দিলে—তুলুঙা নাওখন কপি উঠিল, কপি উঠিল সুৰেন্দ্ৰ, গোটেই মানুহটো।

—পাহী ! লাহে লাহে পাহীৰ হাতখন সুৰেন্দ্ৰৰ হাতৰ মুঠিৰ পৰা সুলকি আহিল। নাওখন পানীৰ মাজলৈ আতৰি গ'ল, সুৰেন্দ্ৰই হাতজোৰ কৰি ক'লে—বিদায় ফুলি, পাহী বিদায়।

নাওখন সোৱণশিৰিৰ সোতৰ লগত সিটো পাৰলৈ বুলি গতি কৰিলে। পাহীয়ে ৰিহাৰ আচলটো দাতেৰে কামুৰি ধৰি বালিতে বহি পৰিল আৰু হুকহুকাই কান্দিবলৈ ধৰিলে। তাইৰ চকুৰ পানীৰ টোপালবোৰ সোৱণশিৰিৰ সোণসেৰিয়া বালিত টপ্ টপ্ কৈ সৰি পৰিল। তাইৰ যে অন্তৰৰ কথা কাকো কোৱা নহ'ল, কোনেও তাইৰ অন্তৰৰ কথা নুবুজিলে, বুজিবলৈ চেষ্টাও নকৰিলে।

তাইলৈ চাই ফুলিয়ে ক'লে—ব'ল এতিয়া ঘৰলৈ। ইয়াত কান্দি থাকিলে হ'বনে ? নাও গৈ সো সিপাৰ পালেগৈ। পাহী ঠিয় হৈ ফুলিক সাৱটি ধৰি হুকহুকাই কান্দি ক'লে — ঐ ফুলি সুৰেন্দ্ৰ ককায়ে আকৌ দেখিবনে ? বেল চলাব পাৰিবনে ? সোৱণশিৰিৰ বুকুত বেলৰ উকি প্ৰতিধ্বনিত হ'বনে ?

—কিয় নহ'ব ? সুৰেন্দ্ৰই বেল চলাব পাৰিবই আৰু বেলৰ উকি সোৱণশিৰিৰ বুকুত প্ৰতিধ্বনিত হৈ আমাৰ কাণত পৰিবগৈ আৰু তেতিয়া ?

—আৰু তেতিয়া কি হ'ব ফুলি ? তেতিয়া কি হ'ব ?

—কি হ'ব আৰু ? ময়ে তোক কইনা সজাই বেলত উঠাই দিমগৈ।

—ফুলি !! পাহীয়ে চিঞৰি দিলে। ইমান দিনৰ—তাই অন্তৰত সাচি থোৱা গোপন কথাটো যেন এইমাত্ৰহে কোৱা হ'ল।

তাই কান্দোন এৰি হাঁহিবলৈ ধৰিলে, হাঁহি হাঁহি আকৌ কান্দিলে।

হাঁহি আৰু কান্দোনৰ মাজতেই ফুলিৰ হাতৰ পৰা হাতখন একৰাই তাই আকুমলৈ দৌৰ মাৰিলে আৰু জুইশালৰ কাষত পাৰি থোৱা পাটিখনত ইফালৰ পৰা সিফাললৈ বাগৰিবলৈ ধৰিলে। কিছুসময় বাগৰি থাকি এটা সময়ত তাই নিধাল দিলে। পোৱা আৰু হেৰুৱাৰ বেদনাত তাই যেন নিমিষতে শুনিবলৈ পালে—প্ৰতিধ্বনি—সোৱণশিৰিৰ বুকুত প্ৰতিধ্বনি। সেইয়া, সেইয়া—সোৱণ-শিৰিৰ বুকুত ৰেলৰ উকিৰ প্ৰতিধ্বনি !!

—সমাপ্ত—